# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখঃ ২৭/৮/২০২৪ মঙ্গলবাৰ

---

**ইংৰাজী ২৭-০৮-২০২৪ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম-কাজ পূৰ্বৰ নিৰ্দ্ধাৰিত সময়সূচী মতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং ২১, শ্ৰীৰূপেশ গোৱালা।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীৰূপেশ গোৱালা, (ডুমডুমা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিভাগৰ তৰফৰ পৰা যিটো উত্তৰ পাইছো সেই উত্তৰ মতে ডুমডুমা বিধান সভা সমষ্টিত ৪৪৯২১ টা পৰিয়ালে ৰেচন কাৰ্ডৰ সুবিধা পাইছে। দুমদুমা বিধান সভা সমষ্টিৰ দুখীয়া লোক সকলক এন এফ এচ এ ৰ যোগেদি বিনামূলীয়া যি ৰেচন কাৰ্ড বিতৰণ কৰিছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো মাননীয় মন্ত্ৰী মহোদয়ক। কিন্তু শেহতীয়াকৈ যেতিয়া ৰেচন কাৰ্ড বিতৰণৰ কাম আৰম্ভ হৈছিল সেই পক্ৰিয়াটো চলি থাকোতে বহু পৰিয়ালে প-পত্ৰ জমা দিছিল। কিন্তু তাৰ মাজত কিছু পৰিয়াল কি কাৰণত বঞ্চিত হ'ল মই নাজানোঙ্গ সেইটো অফিচিয়েল দাতা এন্ট্ৰি বা অন্য কিবা কাৰণত চাগে বঞ্চিত হ'ব লগা হ'ল নেকি, গতিকে সেই ব্যক্তি সকলে আমাক সঘনাই যোগোযোগ কৰি থাকে যে আমি প্ৰ-পত্ৰ জমা দিছিলো কিন্তু এতিয়াও আমি ৰেচন কাৰ্ড পোৱা নাই বুলি কয়। আৰু এনেকুৱাও বহু পৰিয়াল আছে যি সকল পৰিয়ালৰ এজন বা দুজন ব্যক্তিয়ে ৰেচন কাৰ্ডৰ সুবিধা পায় বাকী কেইজনে নাপায়। গতিকে এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। দ্বিতীয়তে, যে আমাৰ যেতিয়া ৰেচন কাৰ্ডৰ যোগেদি ৰেচন বিতৰণ কৰা হয় তেতিয়া চাউল আৰু আটা এই দুয়োটা বস্তু বিতৰণ কৰা হয় বুলি মই জানিছিলো, কিন্তু ৰেচন কাৰ্ড থকা পৰিয়াল সকলে কেৱল চাউলৰহে সুবিধা গ্ৰহণ কৰিব পাৰি আছে আটা মাজে মাজে কেতিয়াবা পাই কেতিয়াবা নাপায়। গতিকে এই ক্ষেত্ৰত ব্যৱস্থা লববৈলে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ এইটোৱে প্ৰশ্ন। ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, আমি ৰূপেশ গোৱালা ডাঙৰীয়াক ধন্যবাদ জনাইছো, এই বিষয়টো উত্থাপন কৰাৰ কাৰণে। তেওঁক এই কাৰণে ধন্যবাদ জনাইছো যে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ আদৰ্শনত আৰু প্ৰথম বাৰৰ কৰাণে যোৱা জানুৱাৰী মাহত প্ৰায় ৪২ লাখ মানুহক নতুনকৈ ৰেচন কাৰ্ড দিববৈলে পাৰিছো আৰু সৰ্বমুঠ ১০৭৫০০০ ৰেচন কাৰ্ড দিব পাৰিছো। এই বিষয়টো আমাৰ কোনো পূৰ্বৰ প্ৰতি শ্ৰুতি নাছিল। কিন্তু আমাৰ চৰকাৰ খনে কি কৰিছে যে প্ৰায় ৫০ লাখতকৈ আধিক ভুৱা ৰেচন কাৰ্ডধাৰী আছিল অসমত, সেই ৰেচন কাৰ্ডধাৰী সকলে পূৰ্বতে বিভিন্ন উপায়েৰে সেই চাউল বোৰ গ্ৰহণ কৰি আছিল। আমি তেওঁলোকক বাতিল কৰিছো কাৰণ আমি যেতিয়া আধাৰ কাৰ্ডৰ লগত লিং কৰিববৈলে দিলো তেতিয়া অটোমেটিকেলি সেই সকল মানুহ নাহিল যি সকলৰ ভুৱা ৰেচন কাৰ্ড আছিল। যাৰ ফলৰ স্বৰূপে আমি ৪২ লাখ মানুহক দিয়াৰ উপৰিও আগন্তুক দিনত আমি পৰিকল্পনা লৈছো এতিয়ালৈকে আমাৰ ২০১১ চনৰ লোকপিয়ল অনুসৰি ২৫২১৮০০০ মানুহক আমি চাউল দিব পাৰিম। তাৰ ভিতৰত এতিয়ালৈকে ২ কোটি ৩১ লাখ ১৭ হাজাৰ মানুহক দিছো। কাৰণ ৪২ লাখ মানুহক যেতিয়া দিলো দিয়াৰ

পিছতো দিব পাৰিছো সম্পূৰ্ণ ২৩১১৭০০০ ক। এতিয়া আমাৰ হাতত ২০ লাখ মানুহক নতুনকৈ ৰেচন কাৰ্ড দিব পৰা প্ৰভিজন আমাৰ হাতত আছে। আগন্তুক দিনত আমি দুই প্ৰকাৰৰ কথা ভাৰিছো। যোৱাবেলি যেতিয়া আমি ৰেচন কাৰ্ড দিলো আমি দেখিছো যে কোনো এটা পৰিয়ালৰ ৬ জন সদস্য আছে তাৰে ৩ গৰাকীৰে ৰেচন কাৰ্ডত নাম আছে। গতিকে সেই বোৰ আমি এতিয়া এড কৰিম। তাৰ উপৰিও নতুন ৰেচন কাৰ্ড আগন্তুক দিনত আৰু দিম।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। পৰৱৰ্তী প্ৰশ্নত দিব। ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২২, শ্ৰীআবুল কালাম ৰশিদ আলাম। মাননীয় মন্ত্ৰী।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীআবুল কালাম ৰশিদ আলাম, (পূৰ্ব গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ যিমান পি ডি এচ ৰ অধীনত Wheat Allotment হয়, গোৱালপাৰা জিলা আয়ুক্তৰ চিঠি মৰ্মে এইটো বন্ধ কৰি ৰাখিছে। গতিকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে গোটেই ৰাইজৰ আটাখিনি ডি চিয়ে কিয় চিঠি দি বন্ধ কৰি ৰাখিলে তাৰে এটা তদন্ত হ'ব লাগে। আৰু যি সকল উপভোক্তা আছে ইয়াতে প্ৰায় ৫ হাজাৰ টন Wheat Allotment হয়, মিলত মিলিং কৰাৰ পিছত গোটেই উপভোক্তাই এই আটা খিনি পাব লাগে। মই যিমানখিনি জানো এই আটা খিনি উপভোক্তাই নাপায়। আমাৰ আগৰ প্ৰশ্নকৰ্তাই কৈ গৈছে যে চাউলহে পাই, আটা নাপায়, নিশ্চয় সকলো বিধায়কৰ সমষ্টিত এই সমস্যাটো আছে। গতিকে এইটোত এটা হাই লেভেল এনকুৱাৰি আপোনাৰ জৰিয়তে হ'ব লাগে, চি বি আই ক দিব লাগে ইমান ডাঙৰ কেলেংকাৰী আছে এই আটাত। নিশ্চয় আপুনিও জানে আপুনি কোনোবা সমষ্টিৰ পৰা আহিছে আপোনাৰ সমষ্টিতো খবৰ লওক যে নিশ্চয় উপভোক্তাই আটাটো নাপাই কেৱল চাউলহে পায়। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম এইটোত এটা হাই লেভেল তদন্ত দিব লাগে আৰু আটাতো পাইনে নাই এইটো নিশ্চিত কৰিব লাগে আৰু গোৱালপাৰাত ইমান দিনেযে এলোটমেন্ট নিদিলে তাৰ কাৰণে কি ব্যৱস্থা ল'ব আৰু সেই ডি চি জনৰ বিৰূদ্ধে এটা তদন্ত দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, আমি অসম চৰকাৰে ইতিমধ্যে খণ্ড উন্নয়ন পৰ্যায়ত Vigilance and Monitoring Committee গঠন কৰি দিয়া আছে আৰু সেই সমতিৰ সভাপতি সন্মানীয় বিধায়ক সকল। উপ-সভাপতি হৈছে আঞ্চলিক পঞ্চায়তৰ সভাপতি গৰাকী আৰু সদস্য হৈছে খণ্ড উন্নয়ন বিষয়া, চক্ৰ বিষয়া আৰু মেম্বাৰচিপ হৈছে যোগান বিভাগৰ উপ-সঞ্চালক, সহাকাৰী সঞ্চালক বা অধীক্ষক। গতিকে মই সন্মানীয় সদস্য গৰাকীক আহ্বান জনাম যে যিহেতু তেখেতৰ জিলা খনৰ যি গৰাকী আয়ুক্ত সেই আয়ুক্ত গৰাকীয়ে আমাৰ জনাইছে চিঠি নং এফ জি ৪৩/২০০৮/৩৩৬ , ২২ জুন, ২০১৭ তাৰিখে তেখেতে গোৱালপাৰা জিলাত আটা নালাগে বুলি কৈছে। আটা নালাগে বুলি কোৱাৰ ফল স্বৰূপে আমি গোৱালপাৰা জিলাত আটা প্ৰদান কৰিব পৰা নাই। এতিয়া যদি আটা তেওঁলোকক যোগান ধৰিব লাগে আমি অন্য যি সমূহ জিলাত আটা যোগান ধৰি আছো ঠিক তেনেকুৱাকৈ তেওঁলোকৰ তাতো আমি আটা যোগান ধৰিব পাৰিম। মূলগত ভাৱে আটাৰ বিষয়টোত আমাৰ যি সকল জিলাধিপতি তেওঁলোকে আমাৰ এই কেইখন জিলা তিনিচুকীয়া, গোলাঘাট, নগাওঁ, ডিমাহাচাও, শিলচৰ, কৰিমগঞ্জ, হাইলাকান্দি, নলবাৰী, বৰপেটা, বজালী, বঙাইগাঁও, ধুবুৰী, দক্ষিণশালমাৰা, কোকৰাঝাৰ, বাক্সা, ওডালগুৰি,

চিৰাং, লখিমপুৰ, ধেমাজী, মাৰ্ঘেৰিটা, মাইবং, অভয়াপুৰি, বিলাসীপাৰা, কলিয়াবৰ এওলোকে আমাক আবেদন জনাইছিলে। এতিয়া যদি সকলো ডি চি য়ে যদি কয় যে আমাক আটা নালাগে তেতিয়া হলে আটা নিদি চাউল দিয়া হয়, আৰু সকলো ডি চিয়ে যদি কয় আমাক আটা দিব লাগে, কিন্তু আটা দিলেই নহ'ব অধ্যক্ষ ডাঙৰীয়া, কাৰণ চাউলটো বিনামূলীয়াকৈ পায়, কিন্তু আটা কিনি ল'ব লাগিব। প্ৰায় ১০.০০ টকা দৰত আটাতো কিনি লব লাগিব। গতিকে সেই কাৰণে যি সকলক আটা লাগে জিলা আয়ুক্তই যদি আমালৈ লিখে আমি দিব পাৰো আৰু যি সকলক নালাগে বহু জিলাই নালাগে বুলি কৈছে কাৰণে আমি ইয়াতে দিয়া নাই। গতিকে তেখেতে যিহেতু নিজৰ এৰিয়াৰ এগৰাকী সভাপতি গতিকে তেখেতে নিজেই জিলা আয়ুক্তৰ লগত কথা পাতিলে নিশ্চয় এটা সমাধান দিব পাৰিব।

**শ্ৰীআবুল কালাম ৰশিদ আলাম, (পূৰ গোৱালপাৰা)** ঃ অধ্যক্ষ মহোদয়, আটাৰ দাম দহ টকা কৈছে ১০ টকা নহয় তাতকৈ কম, কোনোবা উপভোক্তাই কব নেকি ৪০ টকা, ৪৫ টকা দৰত আটা বজাৰত, যে আটা নালাগে বুলি কোনোবা উপভোক্তাই কব নেকি কেতিয়াও নকয়। গতিকে জিলা উপযুক্তই সেই ক্ষেত্ৰত কেনেকৈ চিঠি দিলে যে আমাক আটাতো নালাগে, তাৰে তদন্ত বিচাৰিছো। মন্ত্ৰী মহোদয় আপুনি ভালকৈ গুৰুত্ব সহকাৰে লব আৰু যিটো কথা কলে যে বিধায়ক সকল vigilance ৰ সভাপতি মই বিধায়ক হোৱাৰ পৰা এই চৰকাৰৰ দিনত এবাৰ মাত্ৰ এই সমিতিৰ মিটিং পাতিব পাৰিছিলো কোনো বিষয়াই এই মিটিং নাপাতে, মিটিংত বহাৰ পিছত মই গোৱালপাৰা পূব সমষ্টিৰ বিধায়ক ৰাজীব দাস বুলি চাপ্লাইৰ যি জন ইনচাৰ্জ আছিল তেওঁ গোটেই পশ্চিম সমষ্টিৰ বিষয়া খিনিক মাতি সেই মিটিং খন কৰিছে। গতিকে তাৰ বিৰুদ্ধে তদন্ত হ'ব লাগে। বিষয়াক কোৱা হয় নেকি মন্ত্ৰীৰ দ্বাৰাই যে বিধায়ক যদি মাতে আপোনালোকে মিটিং খন নকৰিবঙ্গ

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীআবুল কালাম ৰশিদ আলাম,(পূৰ গোৱালপাৰা)** ঃ আৰু মন্ত্ৰীয়ে এইটো বাধ্য কৰাব লাগে যে প্ৰতিমাহত নহলে ৩ মাহৰ মূৰে মূৰে এটা ভিজিলেন্স কমিটীৰ দিবই লাগিব, এইটো বাধ্য কৰাব লাগে। আৰু আটাৰ যিটো মই তদন্ত বিচাৰিছো সেইটোৰ বিষয়ে মন্ত্ৰী ডাঙৰীয়াই অলপ স্পষ্ট কৰক।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টো তেখেতে যোৱাবাৰো আনিছিল। যোৱাবাৰ অনাৰ পিছত মই একেই উত্তৰ দিছিলো। তাৰ উত্তৰ দি মই গোৱালপাৰা জিলাৰ যি গৰাকী আয়ুক্ত তেখেতক ফোন যোগে মই জনাইছিলো যে আপোনালোকে মিটিং প্ৰতিমাহে দিব লাগিব যেতিয়া বিধায়কে বিচাৰে দিব লাগিব। আপুনি বা কেতিয়া মিটিং বিচাৰিছিল মই নাজানো, কিন্তু মই জনাত আমাৰ গোৱালপাৰা জিলাত ২০২৩-২৪ দুবাৰ মিটিং হৈছে। আৰু ব্ল'ক লেভেল মিটিং ৪ বাৰ হৈছে। গতিকে আপুনি ব্ল'ক লেভেল মিটিং খন ডি চি ক এখন চিঠি দিয়ক আৰু চিঠিৰ প্ৰতিলিপি এটা মোলৈ দিব তেতিয়া মিটিং কৰেনে নে নকৰে মই নিজেই চাম। গতিকে অনুগ্ৰহ কৰিছো, আপুনি গোৱালপাৰা জিলা আয়ুক্তলৈ এখন দিলে নিশ্চিত ৰূপত মই ব্যৱস্থা কৰি দিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰীমনোৰঞ্জন তালুকদাৰ।

------ interruptions----

**শ্ৰী আবুল কালাম ৰচিদ আলম, (পূৰ গোৱালপাৰা) ঃ আটা যে নাপায় সেইটো কি কৰিলে-**

----- interruptions----

**মাননীয় অধ্যক্ষ ঃ** মন্ত্রীয়ে উত্তৰ দিলে। আপুনি vigilence ত মিটিং  কৰক -- interruptions--

**শ্ৰী আবুল কালাম ৰচিদ আলম, (পূৰ গোৱালপাৰা) ঃ** মই কেৱল গোৱালপাৰাৰ কথা কোৱা নাই, গোটেই অসমৰ কথা কৈছো। -- interruptions--

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰীয়ে ইতিমধ্যে কৈছে। জিলাসমূহে যদি বিচাৰে তেন্তে পাব। ----- interruptions--

**শ্ৰী আবুল কালাম ৰচিদ আলম, (পূৰ গোৱালপাৰা) ঃ** তেওঁ নিজেই কৈছে যে আটাৰ দাম ১০ টকা। ১০ টকা দামৰ আটা কোনে নলৰ ? গোটেই অসমত ক'লা দামত ই বিক্ৰী হৈ আছে। গতিকে ইয়াৰ কাৰণে enquiry ৰ কথাটো কওঁক। মন্ত্ৰীয়ে কি তদন্ত দিব সেইটো কওঁক  --- interruptions---. অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত বিধায়কৰ এটা কমিটি কৰি দিয়ক নাইবা  CBI enquiry দিব লাগে। ------ interruptions----

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে vigilence ৰ কথা ক'লে। এতিয়া আপুনি বহক, আৰু প্ৰশ্ন আছে। গতিকে আপোনালোকে লিখিত দিয়ক।

মাননীয় বিধায়ক শ্ৰী মনোৰঞ্জন তালুকদাৰ আপুনি কওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ,(সৰভোগ)ঃ** ছাৰ, আমি প্ৰতিমাহত ৫ হাজাৰ ৫১৬ মেট্ৰিকটন আৰু বছৰত ৬৬ হাজাৰ ১৯২ মেট্ৰিকটন ঘেঁহুৰ  আবন্টন পাওঁ। কিন্তু মাননীয় বিধায়ক আবুল কালম ৰচিদ আলমে যিটো কথা কৈছে সেই কথাতময়ো সহমত যে ইয়াত এটা এনেকুৱা nexus আছে, যাৰ ফলত উপভোক্তালৈ আটাখিনি নাযায়। সমবায়ে নুঠাই আৰু যদি সমবায়ে উঠাই তেন্তে পানী মাৰি টেঙা কৰি দিয়ে ফলত গ্ৰাহকে কিনিবলৈ অনিচ্ছা প্ৰকাশ কৰে। সেই সুযোগ লৈ আজি বহু বছৰ ধৰি ৬৬ হাজাৰ ১৯২ মেট্ৰিকটন  ঘেঁহু flour mill আৰু বেলেগ এটা চক্ৰই আত্মসাৎ কৰি আছে। সেয়েহে, মোৰ দাবী হৈছে যে এই সম্পৰ্কত তদন্ত কৰাৰ বাবে এখন সদন কমিটি পাতি দিব নেকি ? সদন কমিটি পাতি দিয়ক, তদন্ত হওঁক। তেতিয়া সকলো  কথা clear হৈ যাব যে কোনে লক্ষ্য লক্ষ্য কোটি টকা মাৰি আছে। এইটো বিভাগত ঘেঁহুক লৈ  বছৰৰ পিছত বছৰ ধৰি  শ শ হাজাৰ কোটি টকাৰ কেলেংকাৰী হৈ আছে। এই ক্ষেত্ৰত বিভাগে কোনো তদন্ত নকৰে। ------ interruptions----

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী পৰা আপুনি কি জানিব বিচাৰে। সেইটো প্ৰশ্ন কৰক ---- interruptions----

মাননীয় মন্ত্ৰী শ্ৰী ৰঞ্জিৎ কুমাৰ দাস আপুনি কওঁক।

**শ্ৰী ৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মানুহৰ ধাৰণা হৈছে যে সমবায় দোকানত চাউলৰ লগত আটাও পাব লাগে। আমাক ভাৰত চৰকাৰে ১ কোটি ৩৭ লাখ মেট্ৰিকটনৰ চাউলৰ যোগান ধৰে। তাৰ ভিতৰত ৫,৫১৬ মেট্ৰিকটনৰ ঘেঁহু যোগান ধৰে। অৰ্থাৎ ক'ত ১ কোটি ৩৭ লাখ মেট্ৰিকটনৰ চাউল আৰু ক'ত ৫৫১৬ মেট্ৰিকটনৰ ঘেঁহু। এই আটাৰ quality টো অলপ বেয়া, বজাৰৰ branded আটাটো পোৱা নাযায়। -- interruptions-- মোক উত্তৰ দি ল'ব দিয়ক --- interruptions--- আমি এতিয়া জিলা উপায়ুক্ত সকললৈ চিঠি লিখিছো যে যিসকলক আটা নালাগে আমাক জনালে আমি ভাল পাম। ---- interruptions--- লাগে বুলি তেওঁলোকে যদি জনায় তেন্তে আপোনালোকে আমাক ---- interruptions---- সকলো বিধায়কে জিলা উপায়ুক্তক আটা লাগে বুলি কওঁক। তেতিয়া আমি চাউলৰ পৰিমাণ কমাই আটা দিব পাৰিম।

আমি ভাৰত চৰকাৰলৈ লিখিছো ---- interruptions----

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** আপোনাৰ সদন কমিটি গঠন কৰাত --- interruptions----

**মাননীয় অধ্যক্ষ** ঃ অখিল গগৈ আপুনি বহক। এনেকৈ নহয়। মন্ত্ৰীয়ে উত্তৰ দি আছে --- interruptions---- আপোনাৰ প্ৰশ্ন নহয়, আপুনি বহক। ---- interruptions----

**শ্ৰী আবুল কালাম ৰচিদ আলম, (পূৱ গোৱালপাৰা)** ঃ অধ্যক্ষ মহোদয় প্ৰশ্নটো হ'ল আটাৰ ---- interruptions----

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকক উত্তৰ লাগে নে নালাগে? যদি নালাগে মই পিছৰ প্ৰশ্নলৈ যাওঁ ---- interruptions----

**শ্ৰী আবুল কালাম ৰচিদ আলম, (পূৱ গোৱালপাৰা)** ঃ অধ্যক্ষ মহোদয়, য'ত আটা নাপায় ---- interruptions---- সেই কথাটোহে ক'ব লাগে --- interruptions----

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰীয়ে উত্তৰ দি আছে ------ interruptions----

প্ৰশ্ন নং ২৩ শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক ------ interruptions----

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, এইটো এটা ডাঙৰ কেলেংকাৰী ---- interruptions----

**মাননীয় অধ্যক্ষ** ঃ Q.No-22 is already over. Now Q.No.23 ------ interruptions---- আপোনালোকে প্ৰথমে মন্ত্ৰীৰ উত্তৰটো শুনক, তাৰ পিছত কওঁক ------ interruptions----

**শ্ৰী ৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ মোক উত্তৰটো দি ল'বলৈ দিয়ক কাৰণ উত্তৰটো জনা উচিত। সদন কমিটিত দিয়া নিদিয়া বিষয়টো আপোনাৰ, অধ্যক্ষ মোহোদয়। কিন্তু মই ক'ব বিচাৰিছো যে জিলা আয়ুক্ত সকলৰ লগত সকলোৰে সম্পৰ্ক থাকে। জিলা উপায়ুক্ত সকলে আমালৈ আটা লাগে বুলি লিখে তেন্তে আমি আটা দিব পাৰিম। আমাৰ যেতিয়া lifting হয় তেতিয়া জিলা উপায়ুক্ত সমূহে lifting certificate দিয়ে। আপোনালোকে যিহেতু ------ interruptions---- শুনি লওঁক ------ interruptions----

**শ্ৰী ৰাজেদ আলি চৌধূৰী, (শালমাৰা পশ্চিম)** ঃ ৰাইজৰ মতামত ল'ব লাগিব------ interruptions----

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ ) ঃ** অধ্যক্ষ মহোদয় সদন কমিটি লাগে------ interruptions----

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)** ঃ অধ্যক্ষ মহোদয়, সদন কমিটি লাগে । যোৱা বিধান সভাটো এই প্ৰশ্ন আছিল আৰু আজি লিখিত ভাৱে আপোনাক দিছো যে সদন কমিটি কৰিব লাগে।------ interruptions----

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ ছাৰ, ইয়াত জিলা উপায়ুক্তও জড়িত থাকে আৰু ভাগ বতৰা হয়। ------ interruptions----

**মাননীয় অধ্যক্ষ** ঃ আপোনালোক সকলোৰে একেলগে কৈ আছে। মই একো বুজি পোৱা নাই, এজনে কথাখিনি উত্থাপন কৰক।

মাননীয় মন্ত্ৰী।

**শ্ৰী ৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী**) ঃ ছেপ্তেম্বৰ মাহত বিধায়ক সকল লগতলৈ আটা সন্দৰ্ভত প্ৰতিগৰাকী জিলা উপায়ুক্তই যাতে সভা অনুস্থিত কৰে তাৰ বাবে আজি মই আপোনাৰ জৰিয়তে সমগ্ৰ অসমৰ

জিলা আয়ুক্ত সকলক ইয়াৰ পৰা নিৰ্দেশ প্ৰদান কৰিছো। ------ interruptions----

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ ছাৰ উপায়ুক্ত সকল নিজে জড়িত থাকে। সেই কাৰণে তদন্ত লাগে।------ interruptions----

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহকচোন । বিৰোধী দলৰ সভাপতিয়ে ক'ব বিচাৰিছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা)**ঃ অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাৰ নিচিনাকৈ শিৱসাগৰ জিলাৰ উপায়ুক্তক মই সুধিছিলো আৰু তেওঁ কৈছিল যে আমাৰ তাত ইমান আটা লোৱা নাই। মন্ত্ৰী মহোদয়ৰ উত্তৰত যিহেতু বিধায়ক সকল আশ্বস্ত হোৱা নাই সেয়েহে আপোনাৰ ফালৰ পৰা এখন সদন কমিটি কৰি দিলে গোটেই তথ্যখিনি সত্যতা প্ৰতিপন্ন হ'ব। গতিকে সদন কমিটি এখন গঠন কৰি দিবলৈ আপোনাক অনুৰোধ জনাইছো।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** ছাৰ, সদন কমিটিৰ কোনো কথা নাই। মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কৈছে --- interruptions----

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** কিয় নাই ---- interruptions----

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। উত্তৰটো দিবলৈ দিয়ক। ---- interruptions----

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ অধ্যক্ষ মহোদয় মন্ত্ৰী কথাত আমি আশ্বস্ত হোৱা নাই ---- interruptions----

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এনেকুৱা হোৱা নাই। যদি ক'ৰবাত সৰু সুৰা কিবা অসুবিধা আছে তাৰ উত্তৰ মন্ত্ৰী ডাঙৰীয়াই দিছে আৰু এই ক্ষেত্ৰত কি কি ব্যৱস্থা ল'ব তেওঁ কৈছে। ---- interruptions----

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা)**ঃ অধ্যক্ষ মহোদয়, আপুনি সদন কমিটি কৰি দিলে সকলো সন্তুষ্ট হ'ব। আগতেও বাতৰি কাকতত প্ৰকাশ পাই আছিল যে ক'লা বজাৰত ঘেঁহু যায়, বাংলাদেশলৈ ঘেঁহু যায় ইত্যাদি --- interruptions----

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ সেই কাৰণে তদন্ত হওঁক। তদন্ত হ'লে সকলো কথা স্পষ্ট হ'ব। এইটো এটা ডাঙৰ কেলেংকাৰী--- interruptions----

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ ) ঃ** অধ্যক্ষ মহোদয় আপুনি সদন কমিটি কৰি দিয়ক।------ interruptions----

**মাননীয় অধ্যক্ষ** ঃ আপুনি বহক। -- interruptions ----

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বিধান সভাৰ ভিতৰত এটা আৰু বাহিৰত এটা চলি থাকে। মই বিতংভাবে নকওঁ ।আমাৰ ইয়াৰ পৰা Departmentally Related Standing Committee, Public Accounts Committee study tour ৰ বাবে যায় কিন্তু তেওঁলোকে আহি একো আপত্তি কৰা নাই। কিবা এটা গণ্ডোগোল ক'ৰবাত আছে। -- interruptions ----

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ ) ঃ** সেই কাৰণে সদন কমিটিখন লাগে। -- interruptions ----

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)**ঃ অধ্যক্ষ মহোদয়, কিবা অভিযোগ থাকিলেহে তাৰ ভিত্তিত Departmentally Related Standing Committee, Public Accounts Committee সমূহ যায়। তেনে ক্ষেত্ৰত Public Accounts Committee বা অন্য কমিটিৰ ওপৰত সন্দেহ অনাটো উচিত নহয়। মন্ত্ৰী মহোদয়ে এনে কথা ক'লে অসুবিধা হ'ব

-- interruptions ----

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, তেওঁলোকে জিলাবোৰত পৰ্য্যালোচনা কৰে আৰু বিধান সভাত একো হোৱা বুলি নকয়, তাৰমানে বাহিৰত এটা ভিতৰত এটা। ছাৰ, গতিকে ক'ৰবাত গণ্ডোগোল আছে। -- interruptions ----

**শ্ৰী আবুল কালাম ৰচিদ আলম, (পূৰ গোৱালপাৰা) ঃ** সেই কাৰণেই সদন কমিটিক দিয়ক।-- interruptions ----

**মাননীয় অধ্যক্ষ ঃ** ঘেঁহু আৰন্টন সম্পৰ্কত সদনত হোৱা হুলস্থুলৰ বিষয়বস্তু কাৰ্য্যবিৰৰণীত লিপিবদ্ধ নহয় ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-২৩। শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী ৰঞ্জিৎ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগটো লাহে লাহে সংকোচিত কৰিছে, সৰু কৰি বিলুপ্তকৰণৰ দিশত গৈ আছে । মই দুখ আৰু পৰিতাপ সহকাৰে ক'ব লাগিব যে গ্ৰাম পঞ্চায়ত সমূহত এম জি এন ৰেগাৰ জৰিয়তে আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত লেবাৰ আৰু শ্ৰমজীৱি লোক সকলক কাম দিয়াৰ গেৰান্টি দিয়া হৈছে। সেই সময়ত প্ৰতিটো পঞ্চায়তত মাত্ৰ বিশটা কামৰ লিমিট ৰাখি বছৰ বছৰ ধৰি অনুমোদনৰ পথ বন্ধ কৰা হৈছে । মহোদয় কোনো কোনো কামত পেমেন্ট হওঁতে ফিজিকেলি সম্পূৰ্ণ হৈ যায় কিন্তু বিত্তীয় ভাবে সম্পূৰ্ণ হওঁতে দুই-তিনি বছৰ লাগি যায় । এনেকুৱাকৈ গৈ বহুতো পঞ্চায়তত নতুন কাম অনুমোদন হোৱা নাই। আপুনি জানি আচৰিত হ'ব মহোদয়, এটা এটাকৈ অঙ্গনাবাড়ীৰ নামত তিনিটাকৈ কাম চলাই থাকিব লাগে, মাননীয় মন্ত্ৰী মহোদয়ে জানে । গতিকে মহোদয়, এই যে আমাৰ সমষ্টি সমূহত ৰেইজ প্লেটফৰ্ম সমূহ এটা গুৰুত্বপূৰ্ণ কাম । এই প্লেটফৰ্মটো নন পাৰ্মিচেবল কাম কৰি থৈছে । এতিয়ালৈকে চল্লিশটা কাম ৰখাই থৈছে । এই ধৰণৰ বিসংগতিৰে আৰু এম জি এনৰেগাৰ প্ৰকৃতাৰ্থত উন্নয়ন কৰিব নিবিচৰাৰ মূল কাৰণটো কি ? এই সমুহ কেৰোণ কি ধৰণে কৰিব তাৰ কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী ৰঞ্জিৎ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যি কথা ক'লে যে দিনক দিনে পঞ্চায়ত বিভাগটো সংকোচিত হৈ আছে নেকি ? এই কথাটো তেওঁৰ মুখৰ পৰা আহিব নালাগিছিল। এই কাৰণে নালাগিছিল যে আজি আমি সকলোৱে জানো মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই বিশ লাখ ঘৰ দিছিলে আৰু মই পঞ্চায়তৰ বিষয়া সকলৰ সক্ৰিয় সহযোগীতাৰ বাবে একেবাৰে প্ৰধান সচিবৰ পৰা গাওঁৰ সচিবলৈ, জি আৰ এছ, জি পি চি আৰু কন্ট্ৰেকচ্যুৱেল কৰ্মচাৰীলৈ । তেওঁলোকে ইতিমধ্যে নৱৈ লাখ পি এম এ ওৱাই ঘৰ সম্পূৰ্ণ কৰিছে । আজি অসমত আমি এই বিশ লাখ ঘৰৰ উনৈশ লাখ ঘৰ সম্পুৰ্ণ হৈছে । মই আনন্দ সহকাৰে জনাব বিচাৰিছো মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই তৃতীয় বাৰ দ্বায়িত্ব লোৱাৰ পিছত তেখেতে ঘোষণা কৰিছে যে অন্য তিনি কোটি ঘৰ ভাৰতবৰ্ষত পুনৰ দিব । আৰু আমি আশা কৰি আছো তাৰ পৰা ছয়-সাত লাখ ঘৰ আমি পাম । মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজাবৰীয়াকৈ গৈ কেন্দ্ৰীয় মন্ত্ৰী মহোদয়ক দেখা কৰিছে আৰু কথা পাতিছে । গতিকে তেনেকুৱা বিভাগ এটাই ইমান কাম কৰাৰ পিছত আপোনাালোকে কেনেকৈ ক'ব পাৰিলে সংকোচিত হৈছে। ভাৰত চৰকাৰে এটা সিদ্ধান্ত লৈছে বিভিন্ন ঠাইত আমি আঁচনিবোৰ লৈ থাকো আৰু সম্পুৰ্ণ নকৰো যাৰ কাৰণে ভাৰত চৰকাৰে কৈছে যি সমূহ পঞ্চায়তত বিশটাতকৈ

তলত কাম আছে নতুনকৈ আঁচনি ল'ব দিছে আৰু যাৰ আঁচনি বেছি আছে তেওঁলোকক নতুনকৈ কাম ল'ব মানা কৰিছে আৰু এইটো প্ৰক্ৰিয়াৰ অন্তৰ্গত। অধ্যক্ষ ডাঙৰীয়া আমি প্ৰতিদিনে নতুনকৈ আঁচনি আনি আছো আনকি যোৱাকালি আমি বৰপেটা জিলাত কেইবাটাও নতুনকৈ আমি এম জি এনৰেগাৰ নতুন ৰাস্তা অনুমোদন দিছো। এম জি এনৰেগাৰ জৰিয়তে দুটা বিষয় হৈছে এটা জব ক্ৰিয়েশ্যন যিহেতু ষাঠি শতাংশ জব কাৰ্ড হল্ডাৰক দিওঁ । গতিকে এম জি এনৰেগাৰ মূলত বিষয় হৈছে জব ক্ৰিয়েশ্যন, এছেট ক্ৰিয়েশ্যন নহয় । জব ক্ৰিয়েশ্যনৰ ওপৰত গুৰুত্ব দি অসমত এতিয়ালৈ প্ৰায় এক লাখতকৈ অধিক এম জি এনৰেগাৰ জৰিয়তে কাম চলি আছে । মই আপোনালোকক জনাব পাই সুখী যে মই নিজেই প্ৰতিখন জিলাত গৈ ঘুৰি আছো আৰু প্ৰতিখন জিলাতে এতিয়া পেভাৰচ ব্লকেৰে ৰাস্তা বনাই আছে । এই যে গাওঁ অঞ্চলত কাৰণ তাত লোকনিৰ্মান বিভাগে কৰিব নোৱাৰে আৰু যিহেতু বিভাগে কৰিব নোৱাৰে আমি সেই কাৰণে গাওঁ অঞ্চলত সৰু সৰু পেভাৰচ ব্লকৰ ৰাস্তা কৰাৰ ব্যৱস্থা কৰিছো। সেই দিনাখন বৰাকভেলীত যোৱাতে দেখিছো তাতো ৰাস্তা সমূহ কৰিছে । যোৱাকালি বৰপেটাত চাৰিটা কামৰ অনুমোদন দিছো, দৰংত আঠটা দিছো, ধুবুৰীত দুটা দিছো । যি সকলৰ বিশটাতকৈ তলত কাম দৈনিক আমি তদাৰক কৰি আছো আৰু এম জি এনৰেগাৰ জৰিয়তে আৰু যাতে কৰিব পাৰো তাৰ বাবে ব্যৱস্থা কৰি আছো ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো বিশটা কামতেই। মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নটোৰ পৰা সদায় আঁতৰি যাব বিচাৰে । য'ত বিশটা কাম তাতে অঙ্গনাবাড়িৰ নামতেই তিনিটা কাম আৰু য'ত অঙ্গনাবাড়িৰ তিনিটা কাম তিনিওটা মেটেৰিয়েলৰ কাম, তাত লেবাৰৰ কাম। এতিয়া বাকী থাকিব সোতৰটা। ফেভাৰ ব্লকৰ ৰাস্তা ল'ব য'ত লেবাৰৰ কাম মাত্ৰ বিশ শতাংশ বা ত্ৰিশ শতাংশ । গতিকে শ্ৰমিকৰ কাম কম কৰি দিছে । উন্নয়ন কমাই দিছে । পইছা গাওঁলৈ যোৱা পথ ৰুদ্ধ কৰি দিছে । আৰু সেই বিষয়টো মন্ত্ৰী মহোদয়ে মানি ল'ব নিবিচাৰে । আপুনি কওঁক চেঙা সমষ্টিৰ ১৮ খন গাওঁৰ ভিতৰত কিমানখন গাওঁত অহা বছৰৰ কিমানটা কাম অনুমোদন দিব পাৰিব । লেবাৰ বহি আছে তেওঁলোকে কাম কৰিব । আপোনাৰ বিভাগটো ব্যৰ্থ হৈছে । টকা খৰচ কৰিব বিচৰা নাই । সেই কথাটো স্পষ্ট ভাবে স্বীকাৰ কৰি লওঁক ।মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত বিশটা কামৰ পৰা আগুৱাই যাব লাগে । মেটেৰিয়েলৰ বিল তিনি বছৰৰ পৰা নোপোৱাকৈ আছে । আৰু তিনি বছৰৰ পৰা চাইন বৰ্ডত পাচ হাজাৰ টকা নোপোৱাৰ কাৰণে এই কামটো সমাপ্ত নহয় । পাচ হাজাৰ টকাৰ কাৰণে কামটো চলি থাকে আৰু বিশটা কাম লিষ্টত সোমাই থাকে। এই বিশটা কামৰ ৰেঞ্জটো বঢ়াই দিব লাগে । অধ্যক্ষ মহোদয়, মোৰ আৰু এটা প্ৰশ্ন আছিল টাইডৰ পইছা আঞ্চলিক পঞ্চায়ত সমূহ জেজেএম ৰ আঁচনি আছে । মই নাজানো আৰু মই এই বিষয়ত অধ্যয়ন কৰা মানুহ হিচাপত আঞ্চলিক পঞ্চায়তে জে জে এমৰ আঁচনি মোৰ সমষ্টি কাম চোৱাচিতা কৰা নাই । তাতে আনটাইডৰ পইছাখিনি জমা কৰি ৰাখিছে । সেই সমূহ পইছা মোকলাই দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা কৰিব লাগে । আনটাইডত কেইবাটাও জি পিত পৰি আছে য'ত জলজীৱনৰ আঁচনি নাই । এই খিনি পইছা মোকলাই দিয়াৰ ব্যৱস্থা কৰিব । আনটাইডৰ আঁচনি ইমান বান্ধি লৈছে গ্ৰাম্যস্বৰাজ তৃণমুললৈ যাবলগীয়া যি ব্যৱস্থা তাক ৰুদ্ধ কৰি দিছে ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া

**শ্ৰী ৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে আচলতে প্ৰশ্নটো কৰাটো ভুল হ'ল । তেওঁ ক'ব লাগিছিল টাইড ফাণ্ডৰ কথা। জলজীৱনৰ আঁচনি কোনোবা এখন গাওঁত হয়তো

লোৱা নাই । কিন্তু নল'ব বুলি আমি সেই টকাটো মোকলাই দিব নোৱাৰো । কাৰণ কিয় মুকলি কৰি দিব নোৱাৰো আমি কৈছো যে প্ৰতি ঘৰে ঘৰে জলজীৱন আঁচনিৰ জৰিয়তে পানী দিয়াৰ সিদ্ধান্ত যিহেতু আছে আজি হয়তো হোৱা নাই কাইলৈ হয়তো সেইখন গাঁওত হ'ব । যেতিয়ালৈ নহয় তেতিয়ালৈ আমি সেই টাইডৰ টকাতো ফ্লেক্সিবল কৰিব খোজা নাই । দ্বিতীয়তে, আজি জলজীৱন মিচনৰ আমি যিমানবোৰ আঁচনি আছে আমি বচাই ৰাখিব লাগিব । ভাৰত চৰকাৰে আমাক এবাৰকৈ দিয়াৰ পিছত তাৰ সম্পূৰ্ণ maintenance, বিদ্যুতৰ বিল পৰিশোধ, জলমিত্ৰৰ payment কে আদি কৰি গোটেইখিনি আমি 15th Finance ৰ জৰিয়তে দি আছো। যিহেতু আমি তেওঁলোকক ;ÅÕÃ Â ÂËÄ৬৫০০ কৈ টকা দি আছো, ১৫০০ কৈ টকা কেমিকেলৰ বাবে দি আছো, এনেধৰণে প্ৰতিমাহে প্ৰায় ১৪০০০ টকা প্ৰতিখন আঁচনিৰ বিপৰীতে লাগে। আমি দেখিছো পূৰ্বতেও এনে বহু আঁচনি লোৱা হৈছিল। আমাৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ ঘৰৰ কাষতে তেনেকুৱা আঁচনি এখন লোৱা আছিল। কিন্তু, Maintenance ৰ পইচা চৰকাৰে ধৰা নাছিল। আমি 15th Finance ৰ টকা Tied ৰ নামত ইচ্ছাকৃত ভাৱে সুকীয়াকৈ ৰাখিছো যাতে গ্ৰাম্য জল জীৱনৰ পানী মানুহে পায়। ইয়াতে কোনো কাৰণতে Tied ৰ পইচাটো আমি flexible কৰিব নোৱাৰো নহ'লে, জলজীৱন মিছনৰ মৃত্যুমুখী যাত্ৰা আৰম্ভ হ'ব। জলজীৱন মিছনৰ আঁচনিসমূহ যাতে চলি থাকে তাৰ বাবে আমি Tied ৰ টকা লওঁ। Untied ৰ ক্ষেত্ৰত আমাৰ কোনো ধৰণৰ কথা নাই। যি Untied fund ইতিমধ্যে ঘোষণা কৰা আছে, তাৰ পৰা আপোনালোকে যদি ইচ্ছা কৰে, ১০০% ৰাস্তাৰ কাম কৰিব পাৰে। এতিয়া পঞ্চায়ত নাই, ভালেই হৈছে কিয়নো পূৰ্বতে ১০ লাখ টকা থাকিলে, দহ জন মেম্বাৰে ১ লাখকৈ টকাৰ স্কীম বনাই লয়। আমি কৈছো যে আগন্তুক দিনত এই টকাৰে visible scheme হ'ব লাগে। এই টকাখিনি যাতে ৰাইজৰ কামত আহে। ক্ষুদ্ৰ ক্ষুদ্ৰ কাম কৰি এনেই sand gravel পেলালে নহ'ব। Sand gravel ৰ লগত যদি compactness কৰি কৰিব পাৰে কৰক। পূৰ্বতে হাজাৰ হাজাৰ sand gravel এনেই নামত পেলাইছিল । পৰৱৰ্তী সময়ত sand gravel সমূহ বিচাৰি নাপায়। ফলত BDO সকলৰ ওপৰত enquiry আহে। আমিও enquiry কৰিবলৈ পঠিয়াই দিওঁ। আমিও বাস্তৱত তাত sand gravel দেখা নাপাওঁ। এইবাৰ সেইকাৰণে, ১৫০ মিটাৰেই হওঁক বা ২০০মিটাৰেই হওঁক, পঞ্চায়তত যিমান টকা আহে, সেই টকাৰে আমি visible scheme লোৱাৰ কাৰণে কৈছো। AP level ত আমাৰ বিধায়কসকল যিহেতু Chairman, গতিকে AP level ত যিটো টকা আছে, সেইটোৰে আপুনি যিটো স্কীম ধৰিব, সেইটোৰেই হ'ব।

**माননীয় অধ্যক্ষঃ** ধন্যবাদ। জাকিৰ হুছেইন সিকদাৰ .....interruptions.....

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি)ঃ** চাৰ, আমাৰ জিলাত ........interruptions.....

**মাননীয় অধ্যক্ষঃ** আপুনি বহক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নৰ উত্তৰ দিবলৈ যাওঁতে বিভিন্ন কথা উল্লেখ কৰিছে। মোৰ লগতে সকলো বিধায়কৰে এটা ডাঙৰ সমস্যা হৈছে যে ৰাস্তাত যেতিয়া বৰষুণৰ পানীৰে বোকা হয়, তেতিয়া এই fund ৰ জৰিয়তে শিলগুটি দিব নোৱাৰে, sand gravel দিব নোৱাৰে, যিহেতু guideline মতে এইক্ষেত্ৰত অসুবিধা আছে। সেয়েহে, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যে অলপ নিয়ম শিথিল কৰি হ'লেও ৰাইজৰ সুবিধাৰ্থে শিলগুটি বা sand gravel দিয়াৰ ব্যৱস্থা কৰি দিব লাগে। 14th Finance বা 15th Finance ৰ টকাখিনি যাতে ভালদৰে খৰচ কৰে, তাৰ কাৰণে

মাননীয় মন্ত্ৰী ডাঙৰীয়াই সময় সময়ে কঠোৰ নিৰ্দেশনা প্ৰদান কৰে সেইয়া আমি সকলোৱে দেখিছো। কিন্তু, মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ বা চৰকাৰৰ সেই নিৰ্দেশনাকো বহুতে গুৰুত্ব নিদিয়ে। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই অৱগত কৰিব বিচাৰিছো যে বৰপেটা জিলাৰ পশ্চিম পাকা গাওঁ পঞ্চায়তত, কেইদিনমান আগত তাৰ mother account ৰ পৰা ২০,১৮,৮৮২ টকা এটা vendor লৈ transfer কৰি ল'লে। অথচ 15th Finance ৰ টকা খৰচ কৰিবলৈ হ'লে প্ৰথম কিস্তি, দ্বিতীয় কিস্তি কেতিয়া কেতিয়া ল'ব, তাৰ বাবে নিয়ম আছে। কিন্তু, কোনো নিয়ম নীতি নোহোৱাকৈ তেওঁলোকে টকাখিনি transfer কৰি ল'লে। যেতিয়া আমাৰ চকুত আহিল, ৰাইজে যেতিয়া complain কৰিলে, আমি জিলা পৰিষদৰ কাৰ্য্যবাহী বিষয়াক জনালো, BDO ক জনালো, তেওঁলোকে কোনেও নজনা বুলি ক'লে। কোনেও নজনাকৈ কেনেকৈ GP Secretaryআৰু আন কোনোবাই লগ লাগি এই টকাখিনি পঞ্চায়তৰ একাউণ্টৰ পৰা লৈ গ'ল, আজি পৰ্য্যন্ত তাৰ বিচাৰ নহ'ল। মই যেতিয়া কথাখিনি জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াক জনালো তেওঁ ক'লে যে তদন্ত কৰিব। পিছত; তেওঁ তদন্ত কৰি ইয়াৰে Commissioner ক চিঠি লিখা বুলি ক'লে আৰু Commissioner ৰ পৰা কোনো নিৰ্দেশ অহা নাই বুলি ক'লে। গতিকে, মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম যে এটা গাইডলাইন থকাৰ পিছত তাক ভংগ কৰি কোনোবাই নিজৰ স্বাৰ্থৰ কাৰণে পঞ্চায়তৰ টকা আত্মসাৎ কৰিব, তাৰ কাৰণে শাস্তিমূলক ব্যৱস্থা ল'বলৈ বিভাগক কিমান দিব লাগে? আনহাতে, মোৰ এটা প্ৰশ্নৰ উত্তৰত তেওঁলোকে কৈছে যে তদন্ত হ'ব, ইয়াৰ বিষয়ে জনাম। যদি এনেকুৱাই কৰে তেনেহ'লে গোটেই ৰাজ্যখনত পঞ্চায়তৰ ক্ষেত্ৰত কোনো নিয়মেই নাথাকিব। গতিকে, কেতিয়া শাস্তিমূলক ব্যৱস্থা ল'ব মাননীয় মন্ত্ৰী ডাঙৰীয়াই আজি আমাক জনাব লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মাননীয় মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এখেতক বিষয়টো উত্থাপন কৰাৰ বাবে ধন্যবাদ জনাইছো। বিষয়টো তেখেতে নিজে উনুকিয়াইছিল, যাৰ ফলস্বৰূপে আমাৰ বিভাগে ইতিমধ্যে তদন্তৰ ব্যৱস্থা কৰিছে। তিনিখন পঞ্চায়তক লৈ এই বিষয়টো আছিল। দুগৰাকীৰ তদন্ত ইতিমধ্যে সম্পূৰ্ণ হোৱাৰ পথত। এগৰাকীৰ কাৰণে আমি ইতিমধ্যে আমাৰ CEO জনক reply এটা দিবলৈ দিছো আৰু ৭ আগষ্ট তাৰিখে পত্ৰ প্ৰেৰণ কৰা হৈছে। মই অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে আপোনাক ১০০% গেৰাণ্টী দিছো। পূৰ্বৰ পঞ্চায়ত আৰু আজিৰ পঞ্চায়তৰ মাজত আকাশ-পাতালৰ পাৰ্থক্য, আপোনালাকে স্বীকাৰ কৰক বা নকৰক কিন্তু অসমৰ সমগ্ৰ ৰাইজে কয়।পঞ্চায়ত বিভাগে এটা transparency অনাৰ চেষ্টা চলাইছো। অধ্যক্ষ মহোদয়, এতিয়ালৈ আমাৰ বিভাগৰ পৰা ৪৩ গৰাকী ব্যক্তিক suspension কৰিছো। তাৰোপৰি, আমি ৮৭ গৰাকী ব্যক্তিক show cause notice issue কৰিছো। ইয়াৰ লগতে, ২০২১ চনত ৮ গৰাকীক terminate কৰিছো, ২০২২ চনত ১০ গৰাকীক, ২০২৩ চনত ৫৩ গৰাকী আৰু ২০২৪ চনত ৯ গৰাকীক terminate কৰিছো। সৰ্বমুঠ এতিয়ালৈ ৮০ গৰাকী, Account Assistant, Executive Engineer, Additional District Programme Manager, Computer Assistant আদিক terminate কৰিছো। গতিকে, আমাৰ সততা আছে কাৰণে আমি এইখিনি কৰিছো, যিহেতু তেওঁলোকে গাফিলতি কৰিছে। আপুনি যিটো বিষয় আনিছে, সেইটো মই অতি গুৰুত্ব সহকাৰে লৈছো। নিশ্চিত ভাৱে তেওঁলোকে শাস্তিৰ সন্মুখীন হ'ব, সেইটো মই আজি সদনত আশ্বস্ত কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ২৪- শ্ৰী পৰমানন্দ ৰাজবংশী।

মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মাননীয় মন্ত্ৰী, পৰ্য্যটন ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**ড° পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ)ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, ১৫৬৮ চনত দৰং জিলাৰ এটা স্থানত এটা অভূতপূৰ্ব ঘটনা ঘটিছিল যে গোবিন্দ আতৈয়ে খটৰা আৰু বৰেৰীৰ পালাভিঠা নামৰ ঠাইত দুখন সত্ৰ প্ৰতিষ্ঠা কৰিছিল আৰু সেই সত্ৰদুখনৰ মূল বিষয় আছিল ৰামচন্দ্ৰ, সীতা, লক্ষ্মণ আৰু হনুমান। যোৱা বছৰ যি অভূতপূৰ্ব ৰামলাল্লাৰ প্ৰাণ প্ৰতিষ্ঠা হৈছিল, সেই সময়ত আমি দৰঙে দ্বিতীয় অযোধ্যা স্বৰূপ এই সত্ৰ দুখনত, বিশেষকৈ খটৰা সত্ৰত বিভিন্ন ধৰণৰ কাৰ্য্যসূচী পালন কৰিছিলো। আজি মন্ত্ৰী মহোদয়ক এই সত্ৰখনৰ প্ৰতিষ্ঠাৰ বাবে, এই দ্বিতীয় অযোধ্যাক গুৰুত্ব দিবৰ কাৰণে, এই বিষয়টো আনিছিলো। তাৰ উত্তৰত তেখেতে ক'লে যে ভৱিষ্যতে ইয়াত কোনো ধৰণৰ পুনৰ নিৰ্মাণ বা পুনৰ প্ৰতিষ্ঠাৰ কোনো আঁচনি নাই। মই সেইবাবে আজি মাননীয় মন্ত্ৰী মহোদয় আৰু সদনৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে দৰঙৰ এই ঐতিহ্যমণ্ডিত খটৰা সত্ৰখনৰ লগতে ইয়াৰ পৰা প্ৰায় ২ কিঃমিঃ আঁতৰত থকা বৰেৰীৰ মহন্ত চুবাত থকা পালাভিঠা সত্ৰত ৰাম, লক্ষ্মণ, সীতা আৰু হনুমানৰ যি মূৰ্তি আছে, সেইয়া অতি সুন্দৰ আৰু পুৰণি মূৰ্তি। লগতে, খটৰা সত্ৰত অযোধ্যাৰ এটা অতি সুন্দৰ নিদৰ্শন আছে। এই দুখন সত্ৰৰ পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত, যিহেতু সমগ্ৰ ভাৰতবৰ্ষ আৰু পৃথিৱী জুৰি ৰামলাল্লাৰ প্ৰাণ প্ৰতিষ্ঠাৰ পিছত এই হেন এটা ঘটনা আমাৰ দৰঙত হৈছে, সেইবাবে তেখেত আমাৰ খটৰা সত্ৰৰ লগতে পালাভিঠালৈ আহক আৰু আহি তেখেতে সেইধৰণে এটা নতুন চিন্তা-ধাৰা কৰিবৰ কাৰণে মই তেখেতৰ পৰা আজি সদ্ উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ডাঙৰীয়াই কোৱাৰ দৰে দৰং জিলাৰ খটৰা সত্ৰৰ এক বিশেষ ঐতিহ্য বা মৰ্য্যদা আছে তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ৫০০ বছৰ পুৰণি এই খটৰা সত্ৰখনে সেই অঞ্চলৰ ধৰ্মীয় পৰ্য্যটক সকলক বিশেষভাৱে আকৰ্ষণ কৰি আহিছে আৰু তাত পাচেতি উৎসৱকে ধৰি বিভিন্ন ধৰণৰ অনুষ্ঠান হয়। এই অনুষ্ঠান বিলাকত যথেষ্ট জনসমাগম হয় আৰু তাৰ এটা ধৰ্মীয় পৰ্য্যটন স্থলী হোৱা সম্ভৱনাক নুই কৰিব নোৱাৰি। মই মাত্ৰ উত্তৰত কৈছো যে বৰ্তমান আমাৰ কোনো আঁচনি নাই কিন্তু এটা সময়ত আমাৰ পৰ্য্যটন বিভাগে ইয়াত ২০০৬-০৭ বৰ্ষত পৰ্য্যটন বিভাগত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰায় ২২ লাখ টকা খৰছ কৰি তাত কিছুমান নিৰ্মাণ কাৰ্য্য কৰা হৈছিল। তাত বাটচৰা, গেট আদি কৰা হৈছিল। তেখেতে আজি ৰামলালাৰ প্ৰতিষ্ঠাৰ কথা কৈছে। সেই সময়ত গোবিন্দ আতাই প্ৰতিষ্ঠা কৰা খটৰা সত্ৰত মহাপুৰুষ মাধৱ দেৱে ৰাম, লক্ষ্মণ, সীতা আৰু হনুমানৰ চাৰিটা মুৰ্ত্তি দান কৰা বুলি এক জন বিশ্বাস আছে। এই মুৰ্ত্তি দান কৰি সেই অঞ্চলৰ সকলো ৰাইজক যাতে ধৰ্মলৈ আনিব পাৰে কাৰণ সেই সময়ত কিছু শাক্ত, কিছু বৈষ্ণৱ আৰু কিছুমান লোক শিৱ ভক্ত আছিল। সকলোকে একেলগ কৰাৰ বাবে এই খটৰা সত্ৰৰ এক বিশেষ মৰ্য্যদা আছে। প্ৰত্যেক বছৰে আমি অসমত 'অপৰূপ অসম' নামেৰে এখন কিতাপ উলিয়াওঁ য'ত আমি এনেকুৱা natural on destination বিলাকক প্ৰমোট কৰাৰ কাম আৰম্ভ কৰো। মই এটা কথা সদায় স্বীকাৰ কৰো যে অসমৰ প্ৰতিখন গাঁৱেই tourist destination হ'ব পাৰে। খটৰা সত্ৰ যিহেতু বেছি দূৰৰ নহয় সেইবাবে মই এই সত্ৰখনৰ

বিষয়ে জানো। ভৱিষ্যতে এইবাৰ অপৰূপ অসমৰ জৰিয়তে আমি এই সত্ৰ খনৰ বিষয়ে জনাৰ ব্যৱস্থা কৰিম। আমাৰ website বা publicity ৰ ব্যৱস্থা আছে তাত খটৰা সত্ৰৰ বিষয়ে জনোৱা আৰম্ভ কৰিম যাতে সত্ৰখনক আমি ধৰ্মীয় পৰ্য্যটনস্থলীলৈকে নিব পাৰো। কিন্তু আমাৰ সীমিত পুঁজিৰ মাজেৰে লগে লগে সকলো অঞ্চলতে এইধৰণৰ আন্তঃগাঁথনি নিৰ্মাণ কৰাতো সম্ভৱ নহয়। সেই কাৰণে আমি পৰ্য্যায়ক্ৰমে কৰাৰ পৰিকল্পনা নিশ্চয় ৰাখিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিছে সেই সন্দৰ্ভত মই আন এটা বিষয় উত্থাপন কৰিব বিচাৰিছো। সেইটো হৈছে যে অহা ১৬ চেপ্তেম্বৰ তাৰিখৰ পৰা এই খটৰা সত্ৰত এক অভূতপূৰ্ব মহোৎসৱ পাচেতি আৰম্ভ হ'ব আৰু সেই পাচেতি উৎসৱ পাঁচদিন ধৰি চলে। মই মাননীয় মন্ত্ৰী মহোদয়ক যিকোনো এটা দিনত তালৈ যাবৰ কাৰণে অনুৰোধ জনাইছো এই কাৰণেই যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো আমি এই পাচেতি উৎসৱ উদ্বোধনৰ কাৰণে মাতিছো। মাননীয় মন্ত্ৰী মহোদয়ক আমন্ত্ৰণ দিয়াৰ উপৰিও সদনৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰি আমন্ত্ৰণ দিলো। আশা ৰাখিছো তেখেতে নিজে গৈ বিহিত ব্যৱস্থা হাতত ল'ব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নিশ্চয় মাননীয় বিধায়ক ডাঙৰীয়াৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ চেষ্টা কৰিম। বিধায়ক ডাঙৰীয়াই যথেষ্ট আগ্ৰহেৰে এই পাচেতি উৎসৱ আগবঢ়াই নিবৰ বাবে চেষ্টা কৰিছে। মই আজিৰ এই সদনত কৈ থৈছো যে এইবাৰৰ এই পাচেতি উৎসৱৰ কাৰণে অসম পৰ্য্যটন উন্নয়ণ নিগমৰ ফালৰ পৰা আপোনাক ২ লাখ টকাৰ এটা অনুদান দিব যাতে আপুনি এই উৎসৱটো সুন্দৰভাৱে কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৫। মাননীয় বিধায়ক শ্ৰী খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী খলিল উদ্দিন মজুমদার (কাটিগড়া সমষ্টি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাদের বরাক ভ্যালির মধ্যে যেগুলো গ্রামীণ রাস্তা আছে সেই রাস্তাগুলো বিগত তিন বছর থেকে কোন কাজ হচ্ছে না। বিশেষ করে আমাদের কাছাড় জেলায় এম জি এন রেগার অধীনে যে রাস্তা আছে, সে বিষয়ে প্রথমে আমি মন্ত্রী মহোদয়ের সাথে দেখা করে এপলিক্যাশন ফরওয়ার্ড করেছি। পরবর্তীতে সিও এবং ডিসি- র সাথে ও দেখা করা হয়েছে কিন্তু আজ পর্যন্ত কাটিগড়া সমষ্টিতে এবং কাছাড় জেলায় গ্রামীণ অঞ্চলের রাস্তাঘাটের কোন কাজ হচ্ছে না। বিশেষ করে স্কুল ছাত্র-ছাত্রী এবং হসপিট্যালের ক্ষেত্রে বিভিন্ন সমস্যার সম্মুখীন হতে হয়। মাননীয় মন্ত্রী মহোদয়ের কাছে অনুরোধ, তদন্ত করে দেখার জন্য বিগত তিন বছর থেকে এম জি এন রেগার অধীনে কোন রাস্তার কাজ হচ্ছে না। কারণ কি? বিডিও, সিও এবং ডিসি কাওকে বললেও কাজ হচ্ছে না। পুরো কাছাড় জেলাতে বর্তমানে কোন কাজ হচ্ছে না। এই সম্পর্কে তদন্ত করে দেখার জন্য আমার অনুরোধ থাকল।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই কোৱা কথাটো হয় কাৰণ মই আজি কিছুদিন আগতে সম্পূৰ্ণ বৰাক ভেলী ঘূৰি আহিছো। বৰাক ভেলীৰ তিনিখন জিলা ৰিভিউ কৰি গম পালো যে আচলতে বৰাক ভেলীত ২০ তাতকৈ অধিক আঁচনি ongoing চলি আছে। যাৰ বাবে আমি নতুন আঁচনি ধৰিব পৰা নাই। কিন্তু ৰাস্তা-ঘাটৰ ক্ষেত্ৰত আমি যদি চাওঁ তেতিয়া হ'লে কাছাৰ জিলাত ২০২১ চনৰ পৰা ২০২৫ চনৰ ভিতৰত আমি ২৫

টাকৈ ৰাস্তা ধৰিছিলো। হাইলাকান্দিত ১৮৭ টা আৰু কৰিমগঞ্জত ১০৬ টা ৰাস্তা ধৰিছিলো। আমি যদি সমগ্ৰ অসমৰ কথা কওঁ তেতিয়াহ'লে ১১৪৭ টা ৰাস্তা MGNREGA আঁচনিৰ জৰিয়তে ধৰিছো। আমি যদি 15th finance ৰ পৰা চাওঁ তেতিয়াহ'লে ২০২০-২১ চনৰ পৰা এতিয়ালৈকে ১০,২৯২ টা ৰাস্তাৰ কাম চলি আছে। এই ১০,২৯২ টা ৰাস্তাৰ ভিতৰত 15th finance ৰ অধীনত কৰিমগঞ্জত ৬৪০ টা, হাইলাকান্দিত ৩৩১ টা আৰু কাছাৰত ৭৭৪ টা ৰাস্তাৰ কাম কৰি আছো। এতিয়া 2nd instalment ৰ যিখিনি টকা আহিছে সেই টকাখিনিৰ জৰিয়তে আপোনালোকৰ যিখিনি ৰাস্তাৰ কাম কৰিব লগীয়া আছে সেইখিনি কৰিলে আমাৰ বৰাক ভেলীৰ ৰাইজ যথেষ্ট উপকৃত হ'ব পাৰিব।

**শ্ৰী খলিল উদ্দিন মজুমদার (কাটিগড়া সমষ্টি)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, গ্রামীণ রাস্তার কাজ বন্ধ আছে। পুরো কাছাড় জেলাতে যদি মোট **২০**টি রাস্তা হয় তাহলে **৭**টি গ্রামীণ রাস্তা কিভাবে হবে?

**শ্ৰী ৰণজিৎ কুমাৰ দাসঃ**--- অধ্যক্ষ মহোদয় এটা আমাদের ব্যাপার নয়। অসম সরকারের নিজস্ব সিদ্ধান্ত নয়। এটা ভারত সরকারের সিদ্ধান্ত। ভারত সরকার বলেছে প্রতিটি জিপিতে যদি **২০**টি করে কাজ থাকে তাহলে নতুন কাজ এলটম্যান্ট হবে না। ভারত সরকাবের যে সিদ্ধান্ত,কারন টাকাগুলো হল ভারত সরকারের টাকা।

**শ্ৰী মিছ বাহুল ইছলাম লস্কৰ, মাননীয় বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কাছাৰ জিলালৈ মাননীয় মন্ত্ৰী মহোদয়ে কেইদিনমান আগতে নিজে গৈ দেখিছিল যে আমাৰ পঞ্চায়তৰ অধীনৰ গাওঁবোৰ ২০ তাতকৈ অধিক আঁচনি যোৱা ৩ বছৰ আগতেই লৈ থোৱা আছে যদিও কোনো এটা ৰাস্তাৰে কাম হোৱা নাই। যাৰ ফলত তাত নতুন আঁচনি ল'ব পৰা নাই। গতিকে ইয়াৰ এটা সমাধান কৰিব লাগে আৰু যিবোৰ আঁচনিৰ কাম নহয় সেইবোৰ আঁচনি উঠাই দি নতুন আঁচনিবোৰ অন্তৰ্ভুক্ত কৰিব লাগে। এইটোৱেই আমাৰ সমস্যা।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে কাছাৰৰ তিনিও গৰাকী উপায়ুক্তকে কৈছো যে যিবোৰ আঁচনিৰ কাম ৫ শতাংশ, ১০ শতাংশ বা ১৫ শতাংশ হৈছে সেই আঁচনিৰ কাম সমূহ বন্ধ কৰিব দিছো। লগতে মই বৰাক ভেলীৰ বিধায়ক সকলকো আহ্বান জনাইছো যাতে বিধায়ক সকলে CEO আৰু DC সকলৰ লগত আলোচনা কৰিব লাগে কিয়নো মই ও যিহেতু সেই আঁচনি সমূহ চাই আহিছো গতিকে ৫ শতাংশ, ১০ শতাংশ বা ১৫ শতাংশ কাম হোৱা আঁচনি সমূহ ডিলিট কৰি নতুন আঁচনি ল'ব পাৰো তাৰ বাবে মই আপোনালোকৰ সহযোগিতা কামনা কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে এই বিষয়টোক লৈ যিহেতু আলোচনা হৈছে গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে এই সমস্যাটো সমগ্ৰ অসমৰে সমস্যা। আমাৰ কাটিগৰাৰ মাননীয় বিধায়ক গৰাকীয়ে যিটো কথা ক'লে সেই বিষয়টো as a whole নহয়। মাননীয় অধ্যক্ষ মহোদয়, মেটেৰিয়েলচ্‌ৰ যিটো ২০ টাকৈ আঁচনি আহে এই ক্ষেত্ৰত কোনোবা এটা ৰাস্তাৰ দৈৰ্ঘ্য হৈছে ২ কিলোমিটাৰ। MGNREGA আঁচনিৰ জৰিয়তে এই অঞ্চলৰ মানুহক আমি সন্তুষ্ট কৰিব নোৱাৰো। গাঁৱৰ যিখিনি ৰাস্তা আছে সেইখিনি ৰাস্তা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ তৎপৰতাত পঞ্চায়তৰ যিখিনি ৰাস্তা আছিল সেইখিনি আমি

PWD ত ভৰাই দিছো। সেইকাৰণে এইটো অস্বীকাৰ কৰিব নোৱাৰি। প্ৰথম বাৰৰ বাবে অসমত আমি দেখিছো যে এটা এটা সমষ্টিত আমি ৩০-৪০ কোটিকৈ টকা পাইছো আৰু টকাখিনি আমি PWD ক বাদ দিওঁ পঞ্চায়তত ধৰিছো। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো **কাটিগড়াৰ মাননীয় বিধায়কে যি কথা ক'লে, কথাটো** As a Whole **নহয়। অধ্যক্ষ মহোদয়, কথাতো হৈছে** এই যে Materials **ৰ ২০ টা ২০ টা যি** scheme **আছে কোনো ৰাস্তাৰ** lenght **আছে ২ কি. মি.,** MGNREGA **দি এই অঞ্চলৰ মানুহক আমি সন্তুষ্ট কৰিব নোৱাৰিম।** According **দেখিছো, যে গাওঁৰ যিখিনি** ৰাস্তা **আছে, আমাৰ মাননীয** মুখ্যমন্ত্ৰী**ৰ তৎপৰতাত আমি বহুতখিনি গাওঁৰ ৰাস্তা ,যিখিনি পঞ্চায়ত** ৰাস্তা **আছে, সেই ৰাষ্ট্ৰাখিনি** **আমি** PWD **ত** ভৰাই **দিছো। সেই কথাটো আমি অস্বীকাৰ কৰিব নোৱাৰো।** First time in Assam **আমি দেখিছো** যে এটা এটা **সমষ্টিত ৩০ কোটি ৪০ কোটিকৈ টকা পাইছো** আৰু **এই টকাখিনি আমি** PWD **ক বাদ দিওঁ, আমি কিন্তু পঞ্চায়ত ধৰিছো।** (interuptions).

**মাননীয় অধ্যক্ষঃ-প্ৰশ্নটো কৰক ?**

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক ঃ মাননীয় অধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম** যে **এই যিটো** 10% 20% percentage **এইটো** Central Goverment কথা পাতি সেইটো আৰু বঢ়াব পাৰি নেকি ?

**মাননীয় অধ্যক্ষঃ**- Hon'ble Minister.

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ**- মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে আমি সমগ্ৰ অসমতে যদি MGNREGA আৰু যদি 15 th Finance ত চাওঁ, তেতিয়া আমি পঞ্চায়তৰ পৰা ১২ হাজাৰ ৰাষ্টাৰ কাম কৰি আছো। কোনো নিশ্চিত্ব ৰূপত এই কামবোৰ সম্পূৰ্ণ হ'লে MGNREGA ৰ ক্ষেত্ৰত মই কলোৰেই আৰু আমাৰ 15 th Finace ৰ ক্ষেত্ৰতটো যিমান খিনি উল্লেখযোগ্য, মই বৰাক ভেলীত কিছুমান ৰাস্তা চাই পেলাই সন্তুষ্টি প্ৰকাশ কৰিছো। কিন্তু, আমাৰ প্ৰয়োজন আছে বহুত, কিন্তু প্ৰয়োজনৰ বিপৰীতে, যিহেতু আমাৰ যিটো MGNREGA ৰ জড়িয়তে আৰু আপোনালোকক মই ক্ষন্তেক পিছতে এখন পত্ৰ দিম। আমাৰ জিলা পৰিষদৰ প্ৰতি গৰাকী C.O লৈ আমি চিঠি লিখা আছে যে ৰাস্তাৰ কাম ধৰিব পাৰে। বহুতে এইক্ষেত্ৰত Confusion আনি দিছে যে ইমান টকাৰ ৰাস্তা কাম নহয়। আমি কেতিয়াওঁ কোৱা নাই যে ৰাস্তাৰ কাম নহয়। আমি কৈছিলো যে ২৫ শতাংশ ৰাস্তাৰ কাম ধৰিব লাগে, যিহেতু অমৃত সৰোৰ্বৰৰ কামবোৰ চলি আছে, আৰু কিছুমান আমাৰ অংগনবাড়ীৰ কাম চলি আছে। য'ত আমাৰ Land availability নাই, য'ত নেকি মণ্ডল অংগনবাদীয়ে বনাব নোৱাৰে। কাৰণ, বাইদেৱে কৈছে Specific মাটি পালেহে ২৫ লাখ টকাটো দিব। য'ত সৰু সৰু ৰাস্তা আছে তাত আমি MGNREGA ৰ জড়িয়তে কাম কৰি আছো।

**মাননীয় অধ্যক্ষঃ** -প্ৰশ্ন নং ২৬ , শ্ৰী মানৱ ডেকা।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মানৱ ডেকা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়াক মই ধন্যবাদ জনাইছো, উওৰ কেইটা দিয়াৰ বাবে। মই এটা প্ৰশ্ন মন্ত্ৰী মহোদয়াক কৰিব বিচাৰিছো যে, সচৰাচৰ আমি যেতিয়া গাওঁলৈ যাওঁ, আমাৰ অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকা সকলে আমাক এটা সদায় অভিযোগ দিয়ে যে তেওঁলোকে অৰুনোদই পোৱাত বাধা থাকে বুলি কয়। মই কোৱা নাই যে সকলোৱে অৰুনোদই লৈ ল'ব লাগে বুলি । পৰাপক্ষত এই অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলে সুবিধা পোৱাত বাধা নাই দিয়া কৰি

দিব পাৰে, তেতিয়াহ'লে বহুত দুখীয়া অংগনবাদী কৰ্মী আৰু সহায়িকা আছে, তেওঁলোকে অৰুনোদইত অন্তঃভূক্ত হয় তেতিয়া হ'লে কিছু সকাহ হ'ব বুলি মই আশা কৰিছো।

**মাননীয় অধ্যক্ষঃ-** Hon'ble Minister.

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী)ঃ-** অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই আচলতে মোক পোষন অভিযানৰ কথা কৈছিল, এতিয়া তেখেতে অৰুনোদই আচঁনিৰ কথা ক'লে, মই বিধায়ক ডাঙৰীয়াক কৈছো যে অংগনবাদী র্কমী আৰু সহায়িকা সকলে আমাৰ বিভিন্নধৰনৰ ধবজাবাহী আচঁনি সমূহত যথেষ্ট ভাল ভাৱে কাম কৰি আছে আৰু এই সকলক আগবঢ়াই লৈ যাবৰ কাৰণে আমি বিভিন্ন সময়ত বিভিন্ন ধৰনৰ প্ৰচেষ্টা গ্ৰহণ কৰিছো। এই সদনৰ মজিয়াত মই বহুবাৰ কৈছো, যে অসমেই হৈছে প্ৰথম ৰাজ্য, যিখন ৰাজ্যই অংগনবাদী কৰ্মী আৰু সহায়িকা সকলৰ Retirement age তেওঁলোকৰ আমি ৬০ বছৰ কৰিছো, আৰু তেওঁলোকে অৱসৰ গ্ৰহন কৰাৰ পিছত অংগনবাদী কৰ্মী গৰাকীয়ে ৪ লাখ টকা পাব। তাৰ পিছত মিনি বিলাকে ৩ লাখ টকা পায়, আৰু তেওঁলোকৰ সহায়িকা বিলাকে ২ লাখ টকা পায়। আমি অসমে প্ৰথম ৰাজ্য, আৰু বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ যিখিনি মাননী বৃদ্ধি হয়, সেইখিনি কথা আমাক তেওঁলোকে জনাই আছে আৰু মই তেওঁলোকৰ লগত বহুত বাৰ বহিছো আৰু অৰুনোদই আচঁনিৰ কথাও কৈছে। ভৱিষ্যতে, এই গোটেই খিনি কথা আমি চিন্তা-চৰ্চা কৰিম।

**মাননীয় আধ্যক্ষ ঃ** ধন্যবাদ, প্ৰশ্ন নং -২৬.

**ড° ৰফিকুল ইছলাম ঃ-**মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই কৈছে যে অংগনবাদী কৰ্মী সকলে Retirement ত গলে তেখেত সকলক এটা সকাহ দিব। হয়, এইটো ভাল কথা। কিন্তু, এতিয়া তেখেত সকলে কাম কৰি আছে, আৰু বহুত পৰিশ্ৰম হয় মাননীয় আধ্যক্ষ মহোদয়। এতিয়া তেখেতসকলেRegularly স্কুলত যায়, পঢ়ায়, এতিয়া মডেল Centere ও কিছু হৈছে, আৰু ইয়াৰ উপৰিঞ্চি ভাৱে আমাৰ যিখিনি কাম আছে, চৰকাৰে বিভিন্ন ধৰনৰ কাম ও কাৰ্য্যসূচী লয়, সেইখিনিতও অংগনবাদী worker's আৰু Helper's ক আমি চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ-** আপুনি মিচনটো কৰক।

**ড° ৰফিকুল ইছলাম ঃ** গতিকে চাৰে চাৰি হাজাৰ আৰু চাৰে ছয় হাজাৰ যিটো monthly তেখেত তেখেত তেখেতসকলৰ Remuneration বহুত কম। তেখেতসকলে Retirement ৰ পিছত পাব এইটো বহুত দীঘলীয়া কথা। অধ্যক্ষ মহোদয়, ১০ ৰ পৰা ১২ হাজাৰ minimum টকা হ'ব লাগে, এইখিনি কথা আমি মাননীয় মন্ত্ৰী মহোদয়াৰ পৰা positive আশা কৰিম।

**মাননীয় আধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে আমি এই ক্ষেত্ৰত বিবেচনা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, প্ৰশ্ন নং -২৭। Hon'ble Minister.

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় উওৰ সদনৰ মজিয়াত দিয়া আছে ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ-** চাৰ, মই মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছিলো, যে আলু আৰু পিয়াজৰ যিটো পাইকাৰী মুদ্ৰাস্ফীতি জুলাই মাহত কিমান হৈছিল? মাননীয় মন্ত্ৰী গৰাকীয়ে উওৰ দিছে যে আলুৰ যিটো পাইকাৰী মুদ্ৰাস্ফীতি জুলাই মাহত ৪৩% বাঢ়িছে, আৰু পিয়াজৰ ৫৮% বাঢ়িছে পাইকাৰী, আৰু চাৰ খুচুৰা যিটো মুদ্ৰাস্ফীতি তাত আলুত ৩৮% আৰু পিয়াজত ৪৫%। অধ্যক্ষ

মহোদয় মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে আপোনালোকে মুদ্ৰাস্ফীতি বা মূল্যবৃদ্ধি নিয়ন্ত্ৰন কৰিবৰ কাৰণে, চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে । কাৰণ, চাৰ মই আপোনাক জনাব বিচাৰিছো, মুদ্ৰাস্ফীতিৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদায় কৈ থাকে যে অসমক আমি শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত এখন কৰিম। কিন্তু মুদ্ৰাস্ফীতিৰ ক্ষেত্ৰত আটাইতকৈ বেছি থকা ৬ খন ৰাজ্যৰ ভিতৰত আমাৰ অসমৰ position হ'ল দুই নম্বৰত। কাৰণ বিহাৰ এক নম্বৰত আছে ৫.৯, অসম ৫.১, উৰিষ্যা ৪.৮, উওৰ প্ৰদেশ ৪.৬, হাৰিয়ানাত ৪.৫, কেৰেলা ৪.৫ আৰু চাৰ, আটাইকৈ কম যি ৫ খন ঠাই আছে, সেই ৫ খনৰ ভিতৰত আমাৰ অসম নাই। কাৰণ চাৰ, সৰ্বনিম্ন মুদ্ৰাস্ফীতি, যাৰখণ্ড ১.৭, Delhi ২.১, Chatisgarh ২.২, Rajasthan ২.৫, Uttrarkhand ২.৮। এই ৫ খনৰ ভিতৰত আমি নাই। সেইকাৰণে মাননীয় মন্ত্ৰী মহোদয়ক মই সুধিব বিচাৰিছো যে মুল্যবৃদ্ধি নিয়ন্ত্ৰন কৰিবৰ কাৰণে, যোৱা জুলাই মাহত আমাৰ আলু যদিও চৰকাৰে ইয়াত দেখুৱাইছে যে ৩৬ টকা বুলি। কিন্তু, আলুৰ ক্ষেত্ৰত চাৰ, কোনোবা এখন বজাৰত ৪০ টকা কোনোবা এখন বজাৰত ৫০ টকা আৰু কোনোবা এখনত ৬০ টকা । ঠিক তেনেকৈ পিয়াজৰ ক্ষেত্ৰটো দেখুৱা হৈছে ৪৬ টকা বুলি। কিন্তু, গুৱাহাটী বজাৰত চাৰ, পিয়াজ ক'ৰবাত ৫০ টকা, ক' ৰবাত ৬০ টকা, ক'ৰবাত আকৌ ৭টকা। কিন্তু, ১০ কি.মি ব্যাসাদ্ধৰ ভিতৰত বজাৰে বজাৰে Rate টো বেলেগ বেলেগ। সেইকাৰণে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, চাৰ নহৰু আজি ২০০ টকা হ'ল, চাউল ৫০ টকা, আটা ৩৬ টকা, মগুদাইল ১১৭ টকা, মচুৰ দাইল ৯২ টকা, মিঠাতেল ১৪১ টকা ইত্যাদি, মই গোটেই list খন আপোনাক গাই দিব নোৱাৰো এনেকৈ মুল্যবৃদ্ধি বা মুদ্ৰাস্ফীতি নিয়ন্ত্ৰন কৰিবৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে আমি মাননীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, যিহেতু তেখেতে জুলাই মাহৰ লগত বৰ্তমান মাহলৈকে তুলনা কৰি

সুধিছিল, যে আলু আৰু পিয়াজৰ দামতো জুলাই মাহৰ তুলনাত কিমান বাঢ়িছে? আৰু সেইটো আমি Admit কৰিছো যে, আগৰ মাহৰ তুলনাত বৰ্তমান আলু পিয়াজৰ দাম অলপ বৃদ্ধি হৈছে। আলুত বাঢ়িছে ৩৮ শতাংশ, অন্যান্য সামগ্ৰীৰ ক্ষেত্ৰতো বাঢ়িছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি যিহেতু producer state নহয়, আমি Consume হে কৰো। যিহেতু Source তে আলুৰ দাম **বাঢ়ি** আছে, যেতিয়া Source ত উৎপাদন অধিক হ'বগৈ তেতিয়া নিশ্চিত ভাৱে দাম কমিব। গতিকে, ঠিক তেনেদৰে আজি কিছুদিনৰ আগতে পশ্চিম বংগত আলুৰ দাম বৃদ্ধি হোৱাৰ ফল স্বৰূপে, পশ্চিম বংগৰ চৰকাৰে আলুৰ ট্ৰাক সমূহ ৰাখি থৈছিল। যাৰ ফ'লত সেইটোৰ সুযোগ বহুত ব্যৱসায়ীয়ে লৈছিল। সেয়েহে আমি task force গঠন কৰিছিলো আয়ুক্ত সকলৰ জড়িয়তে, আৰু task force ৰ লগত আমাৰ Agricalture ৰ মানুহ আৰু food & civil supplies ৰ মানুহ জড়িত হৈ আছে। যিয়ে যেতিয়াই complain দিছে, বজাৰত গৈ তেওঁলোকে ব্যৱস্থা লৈছে। অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জ্ঞাৰ্তাথে জনাওঁ যে যিটো বস্তু গনেশগুৰিত দাম, সেই বস্তুতো যদি বেলতলাত যাওঁ তেতিয়া গনেশগুৰিৰ তুলনাত বেলতলাত ক'ম পাম। অন্যহাতে, চান্দমাৰীত যিটো বস্তুৰ দাম সেইটো বস্তুৰ দাম বামুনিমৈদামত গ'লে ক'ম পোৱা যায়, মই নিজে চেক কৰি চাইছো। আজি যিহেতু তেখেতে আমাৰ ৰাজ্যখনৰ কথা কৈছে (interuptions).

**শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ-** চাৰ, price estibility fund টো আপোনালোকে use কৰিছেনে?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী)** ঃ- অধ্যক্ষ ডাঙৰীয়া, মুল্য বৃদ্ধিৰ কথা কোৱা হৈছে, চাউল অন্ধ্ৰ প্ৰদেশত বিক্ৰী হৈ আছে ৫২ টকাত , চণ্ডিগড়ৰত বিক্ৰী হৈ আছে ৪৬ টকা , আমাৰ ইয়াত ৪৩ টকাত বিক্ৰী হৈ আছে। কৰ্নাটকত বিক্ৰী হৈ আছে ৫৪ টকাত । ঠিক তেনেকৈ মগু দাইল (interuptions).

**মাননীয় অধ্যক্ষ ঃ** Question hour over.

এতিয়া কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচলনা নিয়মাৱলী নিয়ম ২৩০ ৰ অধীনত ২০২৪-২৫ চনৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়াৰ বাবে আলোচনা কৰিবলৈ যোৱা ২২ আগষ্ট, ২০২৪ তাৰিখে অধিবেশনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ সন্মিলন কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা অনুষ্ঠিত কৰা হয়।

সভাই ইতিমধ্যে সদনত উত্থাপিত "The Assam Land Revenue Regulation (Amendment) Bill, 2024 আৰু "The Assam Scheduled Caste and Scheduled Tribes (Reservation of Vacancies in Services and Posts)(Amendment) Bill, 2024, এই বিধেয়ক দুখন বিবেচনা আৰু পাৰিতকৰণৰ বাবে আজি ২৭-০৮-২০২৪ তাৰিখে পিছবেলা সদন অনুষ্ঠিত কৰি বিধেয়ক দুখন আলোচনা কৰি পাৰিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে, লগতে পৰিপূৰক দাবী মঞ্জুৰী সমূহৰ আলোচনাৰ বাবে আৱন্টিত সময়ৰ তালিকাখন গ্ৰহণ কৰা হয় আৰু বাকী থকা বিধেয়কসমূহ আন এটা নিৰ্ধাৰিত কৰ্ম দিনত বিবেচনা আৰু পাৰিতকৰণ কৰিবলৈ সিদ্ধান্ত কৰে।

সভাত পৰিপূৰক দাবী মঞ্জুৰী সমূহৰ ওপৰত আলোচনা কৰি সৰ্বসন্মতিক্ৰমে মঞ্জুৰী নং ৬৩, জল সম্পদ বিভাগৰ ওপৰত আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আলোচনাৰ বাবে তলত উল্লেখ কৰা ধৰণে আৰন্টন দিয়া হয়। মুঠ সময় ৩ ঘন্টা ৩০ মিনিট। প্ৰতিগৰাকীৰ সদস্যৰ বাবে ১.৭৩ মিনিট, ভাৰতীয় জনতা পাৰ্টী ১০৫ মিনিট, ভাৰতীয় জাতীয় পৰিষদ ৪৫ মিনিট, অসম গণ পৰিষদ ১৪ মিনিট, সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা ২৬ মিনিট, ইউনাইটেড পিপ'লচ পাৰ্টী লিবাৰেচন ১১ মিনিট, বডোলেণ্ড পিপ'লচ ফ্ৰৰ্ম ৬ মিনিট, Communist Party of India ১.৭৩ মিনিট, নিৰ্দলীয় ১.৭৩ মিনিট।

আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে।

সন্মানীয় সদন মই ৪ খন adjournment motion ৰ notice পাইছো।

প্ৰথমে সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, দ্বিতীয়তে, সন্মানীয় সদস্য হাফিছ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সন্মানীয় সদস্যসকল, তৃতীয়তে, সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া আৰু সন্মানীয় সদস্য শ্ৰী প্ৰদীপ সৰকাৰ আৰু দুজন সন্মানীয় বিধায়কৰ, সৰ্বমুঠ ৪ খন adjournment motion ৰ notice পাইছো।

adjournment motion ৰ notice ৰ ওপৰত চৰকাৰৰ পৰা মোক অৱগত কৰিছে যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ ওপৰত statement দিব। মই ভাৱো adjournment motion টো মুখ্যমন্ত্ৰী ডাঙৰীয়া সদনলৈ আহি আছে, তেখেতৰ উপস্থিতিত, তেখেতৰ statement ৰ ওপৰত আলোচনা কৰিবলৈ ভাল হ'ব। যদি সদনে সন্মত হয়।

**শ্ৰীদেৱব্ৰত শইকিয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হ'ব আৰু adjournment motion ৰ ওপৰিও breach of Privilege ৰ যিটো ১৫৮, ১৫৯, ১৬০,

১৬১ ত আমি এটা prayer দিছো, এই বিষয়টোও অলপ চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়টো মই চাই আছো।

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ statement দিব, কিন্তু আমাৰ ফালৰ পৰা অলপ ক'বলগীয়া আছিল, গতিকে আমাৰ ক'বলগীয়াখিনি শুনি তাৰ পিছত তেখেতৰ statement দিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ যিখিনি প্ৰশ্ন, সেইখিনি ক'ব পাৰিব।

**শ্ৰী পদ্ম হাজৰিকা, (চতিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক এটা কথা দৃষ্টিগোচৰ কৰিবলৈ ওলাইছো। যিটো আচলতে আপুনি নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন আছে। বৰ্তমান অসমত যিটো পৰিস্থিতি চলি আছে, এটা উত্তেজনামূলক পৰিস্থিতিলৈ গতি কৰিবলৈ ধৰিছে। এই সম্পৰ্কত পবিত্ৰ বিধান সভাৰ সদস্যই যদি উত্তেজিত বৃদ্ধি কৰা কথা -বতৰা বিলাক কয়, তেতিয়া হলে এইখন অসম অশান্ত, এইখন অসম ৰক্তাত্ব হ'ব। সেই কাৰণে এই বিষয়টো আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মই এগৰাকী এই সদনৰ সদস্য, শ্ৰী আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়াই যিখিনি কণ্ডল লগোৱা কথা কলে, তেখেতে যিখিনি challenge জাতীয় সংগঠন বা ...

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৩, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই "The Assam Right to Public Service (Amendment) Ordinance, 2024" খন সদনত দাখিল কৰিব।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ "The Assam Right to Public Service (Amendment) Ordinance, 2024" খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৪, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচলনা সমিতিৰ ২ নং দফাৰ অধীনত নিম্ন উল্লেখিত সদস্য কেইগৰাকীয়ে নিম্ন উল্লেখিত বিভাগ সমূহৰ মাননীয় মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

এতিয়া সন্মানীয় সদস্য শ্ৰী ৰামকৃষ্ণ ঘোষ ডাঙৰীয়া।

**শ্ৰী ৰামকৃষ্ণ ঘোষ, (হোজাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক সদনত দুষাৰ ক'বৰ কাৰণে যিটো সুযোগ দিলে, তাৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো, লগতে আমাৰ ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াকো ধন্যবাদ জনাইছোঁ। কাৰণ তেখেতসকলৰ যিটো dynamism, যিটো practical approach Toursim ৰ ক্ষেত্ৰত, শিক্ষাৰ ক্ষেত্ৰত আৰু লোক নিৰ্মাণ বিভাগৰ ক্ষেত্ৰত, সেইটো সঁচাকৈ গোটেই বিশ্বত এটা আচৰিত ধৰণে ৰাস্তা লৈ গৈছে আৰু tremendous উন্নতি হৈছে। আজি আমি Tourism ৰ ক্ষেত্ৰত যদি ক'ব খোজো, আপোনালোকে দেখিবলৈ পাইছে যে Tourism ৰ ক্ষেত্ৰত ভাৰতবৰ্ষ বহুত ভালদৰে আগবাঢ়ি গৈ আছে আৰু মুঠ GDP ত Tourism য়ে ৬ শতাংশ আগবাঢ়াই লৈ গৈ আছে। আজি Tourism ৰ ক্ষেত্ৰত road connectivity, Air connectivity, rail connectivity আদি সকলোখিনিৰ প্ৰয়োজন আছে। আজি ৭০ বছৰ কালত আপোনালোকে দেখিব যে এই ক্ষেত্ৰত আগৰ চৰকাৰে একোৱে কৰা নাছিল, road, Air, rail আদিৰ লগতে সকলো ক্ষেত্ৰত আমি পিছপৰি আছিলো।

আমি শিক্ষাৰ ক্ষেত্ৰত চাবলৈ গলে, শিক্ষা ক্ষেত্ৰটো আমি পিছপৰি আছিলো। কিন্তু এতিয়া

নতুন শিক্ষা নীতি অহাৰ পিছত আমি যেনেধৰণে আগবাঢ়িছো, সেইটো দেখিবলগীয়া বিষয়। আজি আমি জানো যে Finland হ'ল শিক্ষাৰ ক্ষেত্ৰত সকলোতকৈ আগবঢ়া। তেখেতসকলে নিজৰ লৰা-ছোৱালীক যেনেধৰণৰ শিক্ষা দিয়ে, বৰ্তমান নতুন শিক্ষা নীতিৰ জৰিয়তে সেই মডেলত আমিও আগবাঢ়ি আছো। নতুন শিক্ষা নীতিৰ জৰিয়তে আমি শ্ৰেণী 6,7, 8 standard ত দেখিবলৈ পাব যে সেই স্কুলসমূহত শিক্ষা আগবঢ়াব পাৰিছো basically vocational education ৰ ক্ষেত্ৰত, কাৰণ vocational education টো দৰকাৰ হৈছে।

আজি tourism ৰ ক্ষেত্ৰতে হওঁক আৰু education ৰ ক্ষেত্ৰতে হওঁক তাৰ জৰিয়তে আমি ক'ব পাৰো যে ভাৰতৰ economy টো ভাল এটা position ত লৈ যাব পাৰিব। কাৰণ education ৰ ক্ষেত্ৰত আমি কওঁ যে, its a backbone of a particular country. কিন্তু Education ৰ ক্ষেত্ৰত কি দিছিল তেখেতসকলে। আমি যদি আজি finline education ৰ ব্যৱস্থা চাওঁ সেইক্ষেত্ৰত আমি দেখো যে তেখেতসকলে এজন student ক যেনেধৰণে গুৰুত্ব দিয়ে বা তেখেতসকলক ১০০ শতাংশ  সকলো ক্ষেত্ৰতে education ৰ এটা atmosephere গঢ়ি তোলে সেই ব্যৱস্থাটো আমি আজি ভালকৈ দেখিবলৈ পাইছো। কাৰণ education ৰ জৰিয়তে আজি vocational education ৰ ক্ষেত্ৰত আগবাঢ়ি আছো সেই বস্তুটো বহুত বছৰ নাছিল। ভাৰত দেশ ভাগ হৈ যোৱাৰ পিছত  নতুন ভাৰত হোৱাৰ পাছতো সেই ভাৰতত আমি দেখা পোৱা নাছিলো যে যাৰ জৰিয়তে ভাৰতত এটা বেয়া অৱস্থা আছিল। আজি আপুনি দেখিব যে সকলো ক্ষেত্ৰতে যেনে PWD ৰ ক্ষেত্ৰত ভাৰতমালাৰ অধীনত গোটেই ভাৰতত ৰাস্তাৰ ব্যৱস্থাটো যেনেধৰণে গঢ়ি তুলিছে, সঁচাকৈ আমি ভাবিব লাগিব। একেক্ষেত্ৰতে অসমমালাৰ অধীনত অসমৰ বিভিন্ন ধৰণৰ bridge, flyover এইবোৰ আমি গঢ়ি তুলিছো যাৰ জৰিয়তে tourism ৰ ক্ষেত্ৰত উন্নয়ণ কৰিব পাৰো। কাৰণ এখন দেশৰ economy তেতিয়া grow হয়, যেতিয়া তাৰ education ব্যৱস্থাটো, tourism sector, ৰাস্তাঘাটৰ ব্যৱস্থা ঠিক হয়, সেইটো কিন্তু আগৰ চৰকাৰে ধ্যান দিয়া নাছিল. আজি আপোনালোকে লক্ষ্য কৰিব যে আমাৰ city road বিলাকৰ যিটো বেয়া অৱস্থা সেইটো লাহে লাহে নাইকিয়া হৈ গৈছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পকীকৰণ আঁচনিৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষেত্ৰত সৰু সৰু ৰাস্তাবিলাকৰ উন্নয়ণৰ কাম কৰি আছো, সেইটো আগতে দিয়া হোৱা নাছিল। আগতে আমি city বিলাকত দেখিছো তাত wiring system, internet conection ৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে এনে এটা ব্যৱস্থা হৈছিল যে, টাউনত আমি যদি সোমাই যাওঁ, তেতিয়াহ'লে আমাৰ আচৰিত লাগে যে এইখন কি টাউন। তাৰ ৰাস্তাবিলাক সৰু সৰু, কৰোবাত উন্নয়ণ হোৱা নাই, কৰোবাত construction হোৱা নাই। আমাৰ National Highway ৰ যিটো standard ৰ ক্ষেত্ৰত মোৰ এটা অনুৰোধ থাকিল মন্ত্ৰী মহোদয়ৰ ওচৰত সেই standard ৰ  level ত আমাৰ town ৰ সৰু সৰু ৰাস্তাবিলাকো বনাব লাগিব। আজি municipality য়ে হওঁক, পঞ্চায়ত লেভেলতে হওঁক সেইক্ষেত্ৰত দেখা যে কোনোধৰণৰ যেন plan নাই, কোনো ধৰণৰ design নাই তেখেতসকলৰ। যিসকল ঠিকাদাৰ আহে, তেখেতসকলে যেনেতেনে বনাই দিয়ে কোনো ধৰণৰ মাপদণ্ড যে নাথাকে। তাৰফলত town ৰ যিটো সৌন্দৰ্য্য, সেইটো লাহে লাহে      গুচি যায়। আমি tourism ৰ ক্ষেত্ৰত যদি আকৌ আগবাঢ়ি যাওঁ আমি দেখো যে tourism ৰ ক্ষেত্ৰত আমি ভাৰতৰ বিভিন্ন ক্ষেত্ৰত যেনে মই এটা কথা ক'ব খুজিছো যে ভাৰতৰ tourism ৰ ক্ষেত্ৰত বিশেষকৈ Medical tourism আৰু অন্যান্য tourism এই দুয়োটা ক্ষেত্ৰত আমি সদায় দেখো Medical tourism ৰ ক্ষেত্ৰত

চেন্নাই আগবাঢ়ি আছে আমি সকলোৱে জানো। অসমৰ ক্ষেত্ৰতো বিভিন্ন জিলাত যি Medical College establish হৈ আছে তাৰ যিটো standard বাঢ়ি আছে বা অসমৰ বিভিন্ন health sector বিলাক যেনেকৈ standard বাঢ়ি আছে সেইটো কিন্তু আগতে দেখা পোৱা নাছিলো। মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ প্ৰাৰ্থনা যে আজিকালি কিছুমান private hospital তেখেতসকলে wellness sector বুলি লিখে। Wellness শব্দটোৰ যিটো ব্যাপক, এই wellness শব্দটো তেখেত সকলে উঠাই দিব লাগে লাগে যদি আমাৰ health sector ৰ allopathic system ৰ মাধ্যমেৰে যিটো treatment দিয়া হয় তাৰ বাহিৰেও যদি emotional training দিয়া নহয়, intelectual training দিয়া নহয়, বিশ্বৰ ক্ষেত্ৰতো কোনো ধৰণৰ training দিয়া নহয়, আধ্যাত্মিক ক্ষেত্ৰতো যদি training দিয়া নহয়, তেতিয়াহ'লে আমি wellness আমি কৰিব নোৱাৰো। অসমত আমি এইক্ষেত্ৰত যদি আগবাঢ়ি যাওঁ আমি দাঠিকৈ ক'ব পাৰো যে অসমৰ বিভিন্ন ক্ষেত্ৰত আমি এনেধৰণৰো development দেখা পাইছো। আমি আমাৰ চৰাইদেউ মৈদাম এইখন World heritage ত সোমাইছে, UNESCO ৰ যিটো World heritage site, সেই site তো সোমাই গৈছে। এইক্ষেত্ৰত আমি ক'ব পাৰো যে, আমাৰ heritage site য়েই হওঁক বা বিভিন্ন natural place বিলাক, religous place বিলাক হওঁক সকলো ক্ষেত্ৰতে আমি আগবাঢ়ি আছো। এইক্ষেত্ৰত মোৰ এটা proposal থাকিল বিভিন্ন ধৰণৰ আমাৰ এইবাৰ মন কী বাত ত আমাৰ ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৈছে যে Fit India ৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত বিভিন্ন ঠাইত block level বিভিন্ন সৰু ডাঙৰ ঠাইত আমি fit India center খুলিব পাৰো। তাৰ লগতে আমি Yoga Center বিলাকো খুলিব পাৰো। Yoga Center ৰ জৰিয়তে আমি emotional training দিব পাৰো। Yoga Center ৰ মাধ্যমেৰে আমি intelectual training দিব পাৰো। সেই কাৰণে আমাৰ ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই তেখেতে এইক্ষেত্ৰত কথাটো কৈছে। কাৰণ অসমৰ এই ক্ষেত্ৰত high potentiality দেখিছো। আমি যদি উত্তৰ-পূৰ্বাঞ্চলৰ কথা কওঁ, তেতিয়াহ'লে অসমখন আমি Gateway to the Northeastern State বুলি ক'ব পাৰো। সেইক্ষেত্ৰত অসমখন আগবাঢ়ি যাব পাৰে. আমাৰ অসমৰ কামাখ্যা মন্দিৰ, বৈশিষ্টাশ্ৰম বা অৰুণাচলৰ যোগা আশ্ৰম এনেধৰণৰ বিভিন্ন center বিলাকক যদি আমি promod কৰো, তেতিয়াহ'লে wellness ৰ ক্ষেত্ৰত আমি আগবাঢ়ি যাব পাৰিম আৰু অসমে এইক্ষেত্ৰত ভালধৰণে এটা পদক্ষেপ ল'ব পাৰে। আমি tourism ৰ ক্ষেত্ৰত যদি কওঁ, আমাৰ হোজাইতো কেইটামান মহাভাৰতৰ সময়তো তাত ইতিমধ্যে center আছে তাৰ ওপৰত আমি গুৰুত্ব দিওঁ যেনে সাংসদেৱী মন্দিৰ, ননাথ মন্দিৰ, নভংগা মন্দিৰ, আকাশীগংগা, ৰাজবাৰী মন্দিৰ আৰু তাত বিভিন্ন ধৰণৰ পুখুৰীও দেখা যায়। এই পুখুৰীবিলাক যদি উন্নয়ণ কৰিব পাৰো আৰু পুখুৰীবিলাকৰ ওপৰত যদি গুৰুত্ব দিওঁ, তেতিয়াহ'লে কিন্তু tourism ৰ ক্ষেত্ৰত আগবাঢ়ি যাব পৰা যাব। হোজাইতো যিহেতু কাজিৰঙা sector ত পৰাৰ কাৰণে আমি কাজিৰঙাৰ পৰা হোজাই তাৰ ভিতৰত আকাশীগংগাতো পৰে। এইবিলাকৰ ক্ষেত্ৰত আমি wellness ৰ যিটো treatment, wellness ৰ মাধ্যমেৰে যিটো tourism ৰ attraction কৰিব পাৰো, এইক্ষেত্ৰত parliament ৰ সংসদীয় সমিতি তেখেতসকলেও বিভিন্ন ধৰণৰ statement দিছে, report দিছে। Report ৰ মাজত তেখেতসকলে কৈছে যে Thailand খন বহুত আগবাঢ়ি আছে। Thailand খনক যদি আমি এটা symbol হিচাপে ল'ব পাৰো আৰু এইক্ষেত্ৰত

আমি আগবাঢ়িব পাৰো। আমাৰ education field ৰ কথা মই ইতিমধ্যে কৈছো যে education আমাৰ ভাৰতত এনেধৰণে দিয়া হৈছে যিটোৰ জৰিয়তে আমাৰ confidence buildup তো নহয়। Education ৰ জৰিয়তে কিন্তু আমি এটা nation গঢ়ি তুলিব পাৰো। Education ৰ জৰিয়তে এটা nation ৰ ভিতৰৰ যিটো economy সেইটো আমি গঢ়িব পাৰো। তেতিয়াই গঢ়ি উঠিব পাৰে, যেতিয়া আমাৰ confidence buildup হয় আৰু confidence buildup যেতিয়া হ'ব, যেতিয়া education ৰ জৰিয়তে আমাৰ পুৰণা history বিলাক ল'ৰা-ছোৱালী বিলাকে বিদ্যালয়ৰ জৰিয়তে আমি দিব পাৰিম। এইক্ষেত্ৰত আমাৰ New Education Policy ত বিভিন্ন ধৰণৰ step লোৱা হৈছে। তাৰ কাৰণে আমি ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী তথা আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যথেষ্ট ধন্যবাদ দিছো। এইক্ষেত্ৰত তেখেত সকলে ভাল ভাল পদক্ষেপ লোৱাৰ কাৰণে। কিন্তু education ৰ ক্ষেত্ৰত বিশেষকৈ হোজাইৰ এটা কথা ক'ব খুজিছো হোজাই জিলাত প্ৰায় ১০ লাখ মানুহৰ এটা বসতি বুলি ক'ব পাৰো। কিন্তু হোজাইৰ ক্ষেত্ৰত education hub বুলি কোৱা হয়। কিন্তু হোজাইৰ ক্ষেত্ৰত দেখা গৈছে যে তাৰ যিটো নতুন পদ্ধতিৰ মতে হোজাই কলেজখন,বিশ্ববিদ্যালয় হৈ যোৱাৰ পিছত তাৰপৰা হাইয়াৰ চেকেণ্ডাৰীতো উঠাই দিয়া হ'ল। সেই কাৰণে কৈছো যে ৩ খন কলেজৰ স্থাপনৰ ব্যৱস্থা কৰা হয় তেতিয়াহ'লে মই কৃতজ্ঞ থাকিম আৰু হোজাই বি.এড কলেজ ITI sector এটা আছে যোগীজানত। এইটো যদি আমি practical education ৰ কাৰণে বিশেষ ব্যৱস্থা লওঁ, ইতিমধ্যে construction কৰা আছে এইক্ষেত্ৰত মই বিভাগীয় মন্ত্ৰীক কম যে, বিশেষ ধৰণে যদি ধ্যান দিয়ে তেতিয়াহ'লে ভাল হ'ব আৰু হোজাইত PWD ৰ ক্ষেত্ৰতো কেইটামান ৰাস্তা আছে ২০২২ চনৰ পৰা আৰম্ভ কৰি ২০২৪ চনলৈকে এতিয়ালৈকে হোজাই এখন দুৰ্ভাগ্য অঞ্চল, সেই অঞ্চলত এতিয়ালৈকে ৪ বাৰ মান flood affected area হৈ গ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, এইক্ষেত্ৰত মই আপোনাক এই সদনৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যে তাৰাডুবিৰ পৰা মান্দুলিগুৰি ৰোড, ৰাইকাটাৰ পৰা ইছলামপুৰ ৰোড, কান্দুলিগুৰিৰ পৰা RN Part-2 West, হাতীমাৰাৰ পৰা ন ভাঙ্গা ৰোড, হোজাই কুমৰিং ৰোডৰ পৰা হোজাই ন ভাঙ্গা কালীমন্দিৰ, হোজাই টুমৰিং ৰোডৰ পৰা ডি ৰিজাৰ্ভ, বাৰফুটিৰ ফেকুৰালি ৰোড, আৰু লংকা ৰেলৰে গেট নং-২ ৰ পৰা এখন অ'ভাৰ ব্ৰীজ হৈ আছে। আচৰিত কথা যে আজি এইখন চাৰি-পাঁচ বছৰ হৈ গ'ল কিন্তু ঠিকাদৰে নিৰ্মাণ কৰিব পৰা নাই। ইয়াৰ বাবে বহুত মানুহৰ মৃত্যুও হৈছে। মই বিভাগীয় মন্ত্ৰীক এইখিনি অতি সোনকালে ঠিক কৰি দিয়াৰ বাবে অনুৰোধ কৰিছো। কাৰণ ইয়াৰ ওচৰত হাফলং আছে। আমি হাফলঙক Switzerland of East বুলি কওঁ। ইয়াত চাবলগীয়া বহুতো বস্তু আছে। আগতে মই যেতিয়া হাফলঙত গৈছিলো তেতিয়া তাত থকাৰ ঠাই নাছিল। কিন্তু তাত এতিয়া যিমান MSC Sector আছে, সকলোতে অতিথি থাকিব পৰাকৈ ঘৰ বনাই দিয়া হৈছে। ইয়াৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। যোগীজান বজাৰৰ পৰা যিটো under pass আছে আৰু হোজাই ৰেলৰে গেটৰ যিটো under pass আছে সেইটো নিৰ্মাণ কৰি দিয়াৰ বাবে বিশেষ অনুৰোধ থাকিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিৰ্বাচনৰ সময়ত এইখন নিৰ্মাণ কৰি দিব বুলি প্ৰতিশ্ৰুতি দিছিল। আমাৰ ৰেলৰে অ'ভাৰ ব্ৰীজখন যিটো ঠাইত নিৰ্মাণ হৈছে তাত এতিয়াৰ পৰাই Traffic Jam আৰম্ভ হৈছে। টুপৰিঙৰ পৰা হোজাইলৈ যদি মেইন ৰোডেদি যাওঁ তেতিয়া তাত ও Traffic Jam পাওঁ। সেয়েহে তাত এটা বাইপাছ নিৰ্মাণ কৰাৰ বাবে অনুৰোধ থাকিল। এই বাইপাছটো ইছলামপুৰৰ

পৰা কুমৰাকাটালৈ কৰিব লাগে। ইয়াৰ বাবে চাৰ্ভে কৰা উচিত হ'ব আৰু মই ভাৰো যে এতিয়ালৈ চাৰ্ভে কৰা হোৱা নাই। মোৰ কথা হ'ল যে পৰ্য্যটন ক্ষেত্ৰ, শিক্ষাৰ ক্ষেত্ৰ বা লোক নিৰ্মাণ বিভাগেই হওঁক সকলো ক্ষেত্ৰতেই আমাৰ এই নতুন চৰকাৰ অহাৰ পিছত আমি বহু আগবাঢ়ি গৈছো। আমাৰ কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে নতুন শিক্ষানীতি নহা হ'লে আমি আগবাঢ়ি যাব নোৱাৰিলোহেঁতেন। মই ইতিমধ্যে কৈছো যে শিক্ষাৰ ক্ষেত্ৰত ফিনলেণ্ড বহুত আগবাঢ়ি আছে। ফিনলেণ্ডত একো একোজন শিক্ষক স্নাতকোত্তৰ হ'ব লাগে। ২-৩ জন ছাত্ৰ-ছাত্ৰীক তেওঁলোকে Personal care কৰে। আমাৰ ইয়াতো গুণোৎসৱৰ মাধ্যমেৰে care কৰা আৰম্ভ হৈছে। এনেধৰণৰ caring system আমি আগতে দেখা পোৱা নাছিলো। Education is the backbone of the Economy বুলি কওঁ তেতিয়াহ'লে আমি এইবোৰ ক্ষেত্ৰত মনোযোগ দিব লাগিব। পৰ্য্যটনৰ ক্ষেত্ৰত মই আৰু এটা কথা ক'ব বিচাৰিছো যে আপোনালোকে ইতিমধ্যে বাংলাদেশৰ হিন্দু-বেঙ্গলী সকলৰ ওপৰত কেনেধৰণৰ অত্যাচাৰ হৈছে দেখিছে। যদি বিভিন্ন এজেঞ্চিসমূহে যেনেদৰে কৈছে সঁচাকৈয়ে যদি এনেকুৱা হৈছে তেন্তে আমিও অসমৰ সংখ্যালঘুসকলক এইক্ষেত্ৰত বিশেষ প্ৰচেষ্টা ল'বৰ বাবে কম আৰু আপোনালোকেও এইক্ষেত্ৰত আগবাঢ়ি আহিব লাগে। আপোনালোকে শোক দিৱস পালন কৰিব লাগে। কিছুমান এজেঞ্চিয়ে কৈছে কিন্তু মই এইটো নকওঁ যে ভাৰতেও আক্ৰমণ কৰিব লাগে। আমাৰ অসম খন পৰ্য্যটনৰ ক্ষেত্ৰত বহু আগবাঢ়ি গৈছে। উত্তৰ-পূৰ্বাঞ্চলক Chicken neck বুলি বহুতে কয়। চৰ্দাৰ বল্লভভাই পেটেলে ১৯৪৮ চনৰ ৪ নবেম্বৰ তাৰিখত নাগপুৰৰ এটা ভাষণত কৈছিল যে হিন্দু-বেঙ্গলী সকলক যি ধৰণে অত্যাচাৰ কৰা হয়, সেইটো যদি বন্ধ কৰিব লাগে তেন্তে বাংলাদেশৰ এটা অংশ অধিকাৰ কৰি হিন্দু-বেঙ্গলীসকলক চেটেলমেণ্ট দিব পাৰি। কিন্তু নেহেৰুজীয়ে ইয়াৰ বিৰোধিতা কৰিছিল। যাৰ বাবে এইটো নহ'ল আৰু বৰ্তমান এই ঘটনাবিলাক ঘটি আছে। বৰ্তমান হিন্দু-বেঙ্গলী সকলৰ যি অৱস্থা হৈছে, এই অৱস্থা হ'ব বুলি শ্যামা প্ৰসাদ মুখাৰ্জীয়ে ১৯৫০ চনত পাৰ্লিয়ামেণ্টত কৈছিল। তেতিয়াই তেখেতে কৈছিল যে যদি এইটো বন্ধ কৰিব লাগে তেন্তে বাংলাদেশৰ এটা অংশ দখল কৰিব লাগে আৰু তেখেতসকলে যদি নামানে তেন্তে আমি সৈন্যৰ দ্বাৰা যুদ্ধ কৰিব লাগে। কিন্তু নেহেৰুজীয়ে ইয়াৰ বিৰোধিতা কৰিছিল। যিয়ে নহওঁক এই সকলো ক্ষেত্ৰত যদি হৈ যায়, তেতিয়া মই ভাৰো এই গোটেই উত্তৰ-পূৰ্বাঞ্চল তথা অসমত স্থায়ী শান্তিৰ পৰিৱেশ এটা হ'ব। কাৰণ এইবোৰৰ জৰিয়তে বিভিন্ন উগ্ৰপন্থী সংগঠনে তেওঁলোকৰ ভাৰত বিৰোধী কাৰ্য্যকলাপ কৰি থাকে। সেয়েহে মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ ওচৰত এইটোৱেই অনুৰোধ থাকিল যে পৰ্য্যটন, শিক্ষা আৰু লোক নিৰ্মাণত যদি অলপ renovation হয় আৰু ইয়াত যদি এটা cell গঠন কৰি দিয়া হয়, যিয়ে মিউনিচিপালিটি এৰিয়া আৰু পঞ্চায়ত এৰিয়াসমূহত যাতে proper drainage ৰ জৰিয়তে ৰাস্তাসমূহ নিৰ্মাণ কৰা হয় তাৰ বাবে অনুৰোধ থাকিল। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। আপোনাৰ কথাটো হৈছে যে হোজাইত উন্নয়ন হ'ব লাগে। এতিয়া কৌশিক ৰায় ডাঙৰীয়াই কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিধায়ক, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, নেহেৰুজীৰ মৃত্যু হৈছিল ১৯৬৪ চনত আৰু বাংলাদেশ হৈছিল ১৯৭১ চনত। বাংলাদেশৰ লগত তেওঁৰ কেনেকৈ সম্পৰ্ক আছে, সেই বিষয়ে এটা স্পষ্টীকৰণ কৰিলে ভাল হ'ব। নহ'লে এটা ভুল বাৰ্তা যাব।

**মাননীয় উপাধ্যক্ষ ঃ** তেওঁ পৰ্য্যটনৰ ওপৰত কৈছে। ৰাজ্যখনত শান্তিৰ পৰিৱেশ থাকিলে পৰ্য্যটনৰ

উন্নয়ণ হ'ব বুলি কৈছে।

**শ্ৰী ৰামকৃষ্ণ ঘোষ, বিধায়ক (হোজাই)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই ইতিহাসৰ পাতৰ পৰা কৈছো। আপুনি যদি বিচাৰে মই আপোনাক সম্পূৰ্ণ তথ্য দিব পাৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** মই ইয়াৰ ওপৰত কোনোধৰণৰ বিতৰ্ক নিবিচাৰো।

**শ্ৰীকৌশিক ৰাই (লক্ষ্মীপুর)** ঃ মাননীয় উপাধ্যক্ষ মহোদয় আমাকে বিধান সভায় বলার সুযোগ করে দেওয়ার জন্য আপনাকে অশেষ ধন্যবাদ জানাই। আমি বিধায়ক নির্বাচিত হওয়ার পর সদস্যের সময় এই বিভাগে বলার জন্য ২০২১ সালে আমি যে নোটিশ দিয়েছিলাম। সেই সময় আমার তিনটা বিষয় ছিল, সেই বিষয়ের মধ্যে দুটা বিষয় হল আমার লক্ষ্মীপুর বিধান সভা সমষ্টিতে ১০০ বেডের সাব-ডিভিশন হাসপাতাল করতে লাগবে। আর একটা হল কলেজের অভাব আছে, সেখানে একটা ডিগ্রী কলেজ স্থাপন করা হোক। আজ অত্যন্ত আনন্দের সঙ্গে এখানে আমি বলতে চাই যে আমি সেই সময় দাবীগুলো নিয়ে সদস্যের সময় বিভাগে নোটিশ দিয়েছিলাম। কিন্তু মাননীয় মুখ্যমন্ত্রীর নেতৃত্বে আমাদের দুই বছরের কার্যকালে লক্ষ্মীপুরে ১২৭ কোটি টাকা ব্যায় করে ১০০ বেডের মহকুমা নয় জেলা ভিত্তিক হাসপাতালের তিনি শিলান্যাস করেছেন। কাজ শুরু হওয়ার পথে আছে। আমি অত্যন্ত আনন্দের সাথে আরও বলতে চাই আমি কলেজের যে দাবী করেছিলাম সেই কলেজ ৩৫ কোটি টাকার ডিগ্রী মডেল কলেজের শিলান্যাস বিগত মাসে মাননীয় মুখ্যমন্ত্রীর মহাশয়ের হাত দিয়ে অনুষ্ঠিত হয়েছে। আজ আমি আমার বিধান সভার কিছু সমস্যার কথা উত্থাপন করতে চাই। অনেক কাজই হয়েছে, কিন্তু আরও কিছু কাজ করার প্রয়োজন আছে। আমি Health and family welfare department এর অধীনে আমার লক্ষ্মীপুর বিধান সভার ৪ টি হাসপাতালের কথা উত্থাপন করতে চাই। একটা হল আমার বিধান সভার মনিপুর সীমান্তে জিরিঘাট মিনি পাবলিক হেলথ সেন্টার সেই এলাকায় জিরিভেলি বলে আমরা যেটাকে জানি সেখানে ৪০ হাজার population আছে। একদিকে মনিপুর আর সেখান থেকে জোজান পাহাড় পেরিয়ে লক্ষ্মীপুরে আসতে হয়। যে নতুন হাসপাতালের জন্য মুখ্যমন্ত্রী মহাশয় শিলান্যাস করেছেন সেটা প্রায় ২৫ কিলোমিটার দূরে। বর্তমানে জিরিঘাটে যে হাসপাতাল আছে সেটা ৪ বেডের ছিল। কিন্তু সি এস আর ফাণ্ড থেকে নতুন ভাবে কাজ হওয়ার পরে সেটা এখন ১০ বেডের হাসপাতাল হয়েছে। জিরিঘাট হাসপাতালের যে চিকিৎসা পরিষেবা আছে সেটা পর্যাপ্ত নয়। সেজন্য অনেক রোগীকে শিলচর মেডিকেল কলেজ বা লক্ষ্মীপুরে আসতে হলে অনেক সমস্যার সন্মুখীন হতে হয়। অনেক মানুষ ২ বছর আগে পর্যন্ত নিজের চিকিৎসার জন্য মণিপুর রাজ্যের জিরিবামে যেতেন। কিন্তু বিগত ২ বছর আগে সেখানে আই এল পি লাগু হওয়ার পর থেকে সেখানকার পারমিট নিতে অনেক অসুবিধার সন্মুখীন হতে হয়। আমার অনুরোধ আপনার মাধ্যমে মাননীয় মুখ্যমন্ত্রীর কাছে এই হাসপাতালকে আপগ্রেড করে যদি ৩০ বেডের হাসপাতাল করতে পারা যায়, তাহলে জিরিভেলি বলে আমরা যে এলাকাকে জানি সেই এলাকার মানুযদের স্বাস্থ্য পরিষেবা আমাদের রাজ্যে পেতে সুবিধা হবে। নুতন ডিলিমিটেশন মতে যে সমষ্টি হয়েছে সেটাতে একটা হাসপাতাল আছে,সেটা হল হরিনগর বি পি এইচ সি । এই বি পি এইচ সি টা ডিমা হাসাও জেলার জিনাম ভেলী এলাকায় অবস্থিত। সেটা ১৩ বেডের হাসপাতাল যেটা ১৯৭৪ সালে প্রতিষ্ঠিত হয়েছিল। শুধু কাছার জেলা বা লক্ষ্মীপুর নয় ডিমা হাসাও জেলার জিনাম ভেলী এলাকার অনেক রোগী সেই হাসপাতালে নিজের চিকিৎসা পরিষেবা পাওয়ার জন্য সেখানে যান। সেই হাসপাতালের যে বিল্ডিং আছে ৪৫ থেকে ৫০ বছর আগে নির্মাণ হয়েছিল। সেই বিল্ডিং এর পরিকাঠামো অতি নিম্নমানের। আমার

**অনুরোধ মুখ্যমন্ত্রীর কাছে যে সেই হাসপাতালের ষ্টাফ কোয়ার্টার গুলোর পরিকাঠামো উন্নত করার প্রয়োজন আছে বলে আমি মনে করি। তৃতীয়ত একটা সময় ছিল যখন শিলচরে সিভিল হাসপাতাল ছিল না, মেডিকেল কলেজ ছিল না সেই সময় গোটা বরাক উপত্যকার মধ্যে দুটা হাসপাতাল ছিল Burrows Memorial Christian Hospital সেটা আলিপুরে আছে। দ্বিতীয় যে হাসপাতাল ছিল সেটার নাম ছিল বি পি কেডিয়া সেন্ট্রাল হাসপাতাল। যেটাকে লাবোক হাসপাতাল বলে আমরা সবাই জানি। সেই হাসপাতাল ১৮৯০ সালে সেই সময়ের ব্রিটিশ চা কোম্পানী ছিল ম্যাকলিন এবং ব্যারি সেই কোম্পানী সেই হাসপাতাল প্রতিষ্ঠিত করেছিল। ১৯০২ সালে ম্যালেরিয়া প্যারাসাইডের উপর নোবেল পুরস্কার পেয়েছিলেন রোণাল্ড রোজ। সেই রোণাল্ড রোজও এক বছর উনার গবেষণার কাজও চালিয়ে গিয়েছিলেন সেই হাসপাতালে। সেই সময়ের মাইক্রস্কোপ এই হাসপাতালে এখনও আছে। আমরা জানি যে এই হাসপাতাল বরাক উপত্যকার একমাত্র চা বাগানের হাসপাতাল। এই হাসপাতালে রোগীদের অপারেশনের ব্যবস্থা হয়ে থাকে। ১২৪ বছরের পুরানো এই হাসপাতালে এখনও প্রায় ২০ হাজার রোগী প্রতি বছর অপিডিতে চিকিৎসা করাতে আসেন। এই এলাকার অনেক বাগান আছে, আর সেইসব বাগানের অনেক মানুষ সেখানে এসে চিকিৎসা করান।**

এজন্য আমার অনুরোধ থাকবে সেই হাসপাতালকে একটি হেরিট্যাজ হাসপাতাল হিসাবে ঘোষনা করে সরকারের তরফ থেকে ইনফ্রস্ট্রকচার যাতে উন্নত করা হয় এবং সেই হাসপাতাল যদি উন্নত করা হয় সেই এলাকার বিশ হাজার মানুষ যারা প্রতি বছর চিকিৎসার জন্য যান তারা উপকৃত হবেন। এবং আমরা একটি বাগানের ঐতিহ্যশালী লাবক চা বাগানের হাসপাতালকে একটি সুন্দর এবং উন্নয়ন করতে পারব। আমার নুতন ডিলিমিটেশন সমষ্টিতে একটি হাসপাতাল আছে সেটার নাম হচ্ছে নুতন রামনগর স্টেট ডিসপেন্সারি। আমরা জানি, ২০১১ সালে যখন নির্বাচন অনুষ্ঠিত হয়েছিল তখন বরাক উপত্যকার মানুষকে আশ্বাস দেওয়া হয়েছিল যে ১০০০ কোটি টাকা দেওয়া হবে। সেই সময়কার মূখ্যমন্ত্রী যিনি ছিলেন তিনি বরাক উপত্যকায় গিয়ে বলেছিলেন যে আমরা বরাক উপত্যকায় ১০০০ কোটি টাকা দেব। বরাক উপত্যকার মানুষ ১৫ টি সমষ্টির মধ্যে প্রায় ১৩টি সমষ্টিতে কংগ্রেস প্রার্থীদেরকে নির্বাচিত করেছিলেন। কিন্তু ১০০০ কোটি টাকার মূখ কোন দিনও দেখতে পাননি, কোন উন্নয়ন দেখতে পাননি। এই ১০০০ কোটি টাকার শিকার হয়েছিল এই নুতন রামনগর স্টেট ডিসপেন্সারি। সেখানে একটি ভালো হাসপাতাল ছিল যেটা স্টেট ডিসপেন্সারি হিসাবে ছিল। ১৯৬০ - ৬৫ সালে লক্ষীপুর সমষ্টির বিধায়ক ছিলেন রামপ্রসাদ চৌবে। তিনি সেই হাসপাতাল নির্মাণ করেছিলেন। কিন্তু ভালো হসপিট্যালকে ১০০০ কোটি টাকার লোভ দেখিয়ে বোকা বানিয়ে সেই সুন্দর হসপিট্যালকে সেই সময় কংগ্রেস সরকার ভেঙে দিয়েছিল। আজ পর্যন্ত সেই হসপিট্যালের কাজ সম্পূর্ণ হয়নি। এবং সেখানে রোগীর চিকিৎসা পরিষেবা করার কোন ব্যবস্থা নেই। আমার অনুরোধ থাকবে সেই সময় সিএম প্যাকেজের ভূয়া প্রতিশ্রুতির শিকারে এই হসপিট্যালের যে অবস্থা হয়েছিল, নয়-দশ বছর থেকে কাজ বন্ধ হয়ে আছে। সেই হসপিট্যালের নুতন বিল্ডিং সেংশ্যান করে যাতে আমরা চিকিৎসা পরিষেবা পুনরায় চালু করতে পারি। আমি মনানীয় মূখ্যমন্ত্রী যিনি স্বাস্থ্য বিভাগের দায়িত্বে আছেন ওনাকে অনুরোধ করছি যে আমার লক্ষীপুর সমষ্টিতে একশ বেড হাসপাতালের কাজ চলছে পাশাপাশি এই চারটি হাসপাতালকে ও যাতে একটু এগিয়ে নিয়ে যেতে পারি।

দু'নম্বর বিষয় হল, চা বাগানের শ্রমিক এবং কর্মচারীর সমস্যা। আমরা দেখেছি

যে ২০১৭ সালে আমাদের সরকার আসার পর চা বাগানের শ্রমিকদের মজুরী যেভাবে বৃদ্ধি করা হয়েছে পূর্বের কোন সরকার তা করেনি। ১৮২৩ সালে আসামে চা প্রতিষ্ঠিত হয়েছিল। তারপর বরাক উপত্যকায় ১৮৫৩ সালে চা প্রতিষ্ঠিত হয়। চা শ্রমিকদের মজুরি প্রায় দেড়শ-পৌনে দু'শ বছরে বরাক উপত্যকায় ১১৫ টাকা ছিল কিন্তু আমাদের সরকার আসার পর গত ৮ বছরে চা শ্রমিকদের মজুরি প্রায় দ্বিগুন করে ২২৮ টাকা করা হয়েছে। আগে কোন সরকার সেই চিন্তা করেনি। বরাক উপত্যকার চা- শ্রমিক এবং ব্রহ্মপুত্র উপত্যকার চা-শ্রমিকদের মধ্যে বশম্য কংগ্রেস সরকারের সময় থেকে তৈরি হয়েছিল সেটা আমরা লক্ষ্য করেছি। কিন্তু আমাদের সরকার যখন মজুরি বৃদ্ধি করেছে সমহারে বরাক এবং ব্রহ্মপুত্র উপত্যকায় বৃদ্ধি করেছে। আজ আমার জানা মতে, বরাক উপত্যকায় ২২৮ টাকা এবং ব্রহ্মপুত্র উপত্যকায় ২৫১ টাকা মজুরি আছে। আমার অনুরোধ থাকবে চা শ্রমিকদের মজুরি বরাক এবং ব্রহ্মপুত্র উপত্যকায় সমহারে যাতে করা হয়। এবং অনেক বাগান আছে যে বাগানগুলি আজও বর্ধিত ২২৭ টাকা মজুরি দিতে পারছে না। সেই ব্যপারে লক্ষ্য করার অনুরোধ থাকবে। চা শ্রমিকদের যে সুযোগ সুবিধা আছে যেমন গ্র্যাচুয়িটি, ফ্যামিলি পেনশন, প্রভিডেন্ট ফান্ড। যে প্রভিডেন্টে ফান্ডে এমপ্লয়ী এবং এমপ্লয়ার দুজন মিলে জমা দিতে হয়। চা-শ্রমিক বা চা-কর্মচারীদের থেকে সেই টাকা কেটে নেওয়া হয়, কিন্তু বিভিন্ন চা বাগানে সেই টাকা জমা দেওয়া হয়না। সেজন্য অনেক চা- শ্রমিক বা কর্মচারি আছেন যারা অবসরের পরও তারা গ্র্যাচুয়িটি,পেনশন বা তাদের প্রভিডেন্টে ফান্ডের টাকা পান না। তারা অবসরের পর বেনিফিট কিছুই পান না। তাই আমার অনুরোধ থাকবে যে এই অ্যাক্টের সংশোধন করে পিএফ এটাচম্যান্ট করার যে ব্যবস্থা আছে সেটার সময়টাকে একটু কমিয়ে যদি করতে পারি তাহলে চা-শ্রমিকদের জন্য ভালো হবে বলে আমি মনে করি। আমরা দেখেছি রিটায়ারম্যান্টের পরও অনেক শ্রমিক গ্র্যাচুয়িটি পান না এবং গ্র্যাচুয়িটি না পেয়েই তারা মারা যান। কিন্তু জীবিত কালে তো দুরের কথা মারা যাওয়ার পরও সেই গ্র্যাচুয়িটির টাকা অনেকেই পান না। সেজন্য আমার অনুরোধ থাকবে একটা নির্দিষ্ট সময় বেধে যাতে আমরা কম্পানিকে নির্দেশ দিতে পারি এরকম একটি আইন আনার প্রয়োজন আছে। আমার জানা মতে, লক্ষীপুর চা বাগান দিলকুশ, ভূবনভ্যালি, জিরিঘাট, পাল্লরবন্দ, ক্রেকপার্ক, কালাইন ছড়া,চণ্ডীপুর, শিলখুরি ইত্যাদি বাগানে সময়মত পিএফ না পাওয়া, গ্র্যাচুয়িটির টাকা না পাওয়া, পেনশন না পাওয়ার সমস্যাগুলি আমরা দেখেছি। চা বাগানের রিটায়ারম্যান্টের বয়স ৫৮ বছর কিন্তু অনেক শ্রমিক আছেন যাদের কর্মক্ষমতা আছে কিন্ত ৫৮ বছর বয়সে রিটায়ারম্যান্টের পর তাদের কোন কাজ করার থাকে না। অনেক সময় চা শ্রমিকরা খুব তাড়াতাড়ি মারা যান। এজন্য আমার একটি অনুরোধ থাকবে যেহেতু আমাদের সরকার রিটায়ারম্যান্টের বয়স সরকারি চাকুরির ক্ষেত্রে ৫৮ থেকে ৬০বছর করা হয়েছে তাই আমাদের চা-শ্রমিক এবং চা-কর্মচারীদের ক্ষেত্রে ও রিটায়ারম্যান্টের বয়স ৬০ বছর করে দিলে ভালো হবে। আজকের দিনে চা প্ল্যানটেশন ল্যাবার অ্যাক্ট মতে যেগুলি কাজ করার কথা চা বাগানে, যেমন কোয়াটার মেনটেনেন্স, চিকিৎসা ব্যবস্থা,বিশুদ্ধ পানীয় জলের ব্যবস্থা এই সমস্ত কাজ এই আসাম সরকারে মাধ্যমে হচ্ছে। আমরা জানি আজকের দিনে চিকিৎসা পরিষেবা, হাসপাতাল, এনএইচএম-কে সঙে নিয়ে পিপিপি মডেলে চিকিৎসা পরিষেবার কাজ হচ্ছে। আমাদের সরকার পানীয় জলের সুবিধা, স্কুলের সুবিধা, এম্বুলেন্সের সুবিধা, চা বাগানের সুবিধা প্রত্যেকটি কাজ সরকারে মাধ্যমে করা হচ্ছে। অনেক সময় দ্বিপাক্ষিক ত্রিপাক্ষিক বৈঠক হয় কিন্তু সেটা সমাধান হয়না এবং শেষের দিকে সেটা কোর্টে চলে যায় এবং কোর্টে ট্রাইবুন্যালে যাওয়ার পর সেটা একটা লম্বা প্রসেসের মাধ্যমে চলে যায়। এই

সমস্যাগুলো দেখার জন্য আমার অনুরোধ থাকবে।

তৃতীয় সমস্যা হল, নদী ভাঙন সমস্যা। আমার বিধান সভা সমষ্টিতে মূলত তিনটি নদী আছে। বরাক, চিরি এবং জিরি নদী। বরাক নদী মনিপুর থেকে শুরু হয়ে কুশিয়ারা পর্যন্ত গিয়েছে। সেখানে মোট দীর্ঘ হল ১২৯ কিমি, তার মধ্যে আমার সমষ্টিতে প্রায় ৩০.২ কিমি এই বরাক নদীতে আছে। বরাক নদী লক্ষীপুর এলাকাতে আপস্ট্রিমে আছে এজন্য বিভিন্ন জায়গাতে নদী ভাঙনের সমস্যার সৃষ্টি হয়েছে। আমার সমষ্টিতে সিঙিরবন এলাকা আছে যেখানে ২৫- ৩০ বছর থেকে নদী ভাঙনের সমস্যা ছিল। কিন্তু বর্তমান সরকার, বিশেষ করে মাননীয় পীযুষ হাজারিকা মহাশয় মন্ত্রী হওয়ার পর এই জায়গাতে আমরা প্রায় ১৩ কোটি টাকা পেয়েছি যে টাকার মাধ্যমে ইতিমধ্যে কাজ সম্পূর্ণ হয়েছে। কিন্তু নুতন নুতন অনেক এলাকা আছে যেমন লক্ষীপুর টাউন, টলেন গ্রাম, ফুলেরতল, ভিন্নাকান্দি, সিঙিরবন, রূপাইবালি, রামশিং গ্রাম এগুলো জায়গাতে নদী ভাঙন হয়েছে। অনেক বাড়ি- ঘর নদী গর্ভে তলিয়ে গেছে। এজন্য আমার অনুরোধ, অবিলম্বে যদি লক্ষীপুর সহ এই জায়গাগুলিকে আমরা প্রটেকশ্ন  না দেই তাহলে এই লক্ষীপুর শহর এত পুরোনো একটি শহর সম্পূর্ণভাবে নদী গর্ভে চলে যাবে। আমাদের এখানে চিরি নদী এবং জিরি নদী দুটোই ডিমাহাসাও থেকে এসেছে এবং ২০২২ সালে যখন ডিমাহাসাও জেলাতে বিধ্বংসী বন্যা হয়েছিল যেখানে ট্রেন পর্যন্ত পাল্টে গিয়েছিল সেই সময় বন্যার এফেক্ট বরাক উপত্যকার লক্ষীপুর বিধানসভা সমষ্টিতে হয়েছিল। চিরি নদী  লক্ষীপুর সমষ্টিতে প্রায় ২১ কিমি এবং জিরি নদীও প্রায় ১৯ কিমি এই সমষ্টিতে আছে। এবং বিভিন্ন স্থানে যেমন কামরাঙা, কনকপুর,জয়পুর, পাল্লরবন্দ ইত্যাদি জায়গাতে ভাঙনের সৃষ্টি হয়েছে। পাল্লরবন্দ  ব্রিজ জিরি নদীর ফলে প্রায়  ধ্বংস হয়েছে এবং ব্রিজে জাতায়াত ব্যবস্থাও বন্ধ হয়েছে । কিন্তু আমি ধন্যবাদ জানাই আমাদের আসাম সরকারকে ও মাননীয় মন্ত্রী পীযুষ হাজারিকা মহাষয়কে। কারন তিনি ১৮ দিনের মাথায় গিয়ে সেই এলাকা পরিদর্শন করছিলেন। অনেক জায়গায় অনেক স্কিম দেওয়া হয়েছে, স্কিম মঞ্জুর হয়েছে এবং কাজও চলছে। কিন্তু আরও কিছু জায়গা আছে যে জায়গাগুলোতে কাজ  করার প্রয়োজন আছে। আমি অনুরোধ করব বিশেষ করে লক্ষীপুর এলাকায় যে নদী ভাঙনের সমস্যাগুলি আছে বরাক, জিরি এবং চিরি নদী থেকে সেই সমস্যাগুলি যাতে আরোও তীব্র গতিতে সম্পূর্ণ করা হয়। এবং বিগত সাড়ে তিন বছরে মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মার নেতৃত্বে বিভিন্ন বিভাগ যেভাবে উন্নয়নের দিকে লক্ষীপুরকে এগিয়ে নিয়ে যাচ্ছে সেজন্য আজ আপনার মাধ্যমে আমি মাননীয় মূখ্যমন্ত্রী এবং বিভিন্ন সংস্লিষ্ট মন্ত্রীকে ধন্যবাদ জানিয়ে আমার বক্ত্যব বলার সুযোগ দিয়েছেন তার জন্য ধন্যবাদ জানিয়ে আমি আমার বক্তব্য শেষ করছি। নমষ্কার, ভারত মাতা কি জয়।

**মাননীয় উপাধ্যক্ষ ঃ ধন্যবাদ- এতিয়া লোক নির্মাণ বিভাগ আৰু স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ হৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব ।**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ৰামকৃষ্ণ ঘোষ ডাঙৰীয়াই  পি ডব্লিউ ডি ডিপাৰ্টমেন্ট আৰু বিশেষকৈ হেল্থ ডিপাৰ্টমেন্টৰ ওপৰত কেইবাটাও বিষয় যিকেইটা তেখেতৰ সমষ্টিৰ লগত জড়িত - বিভিন্ন বিষয় এই সদনত নিজৰ বক্তব্যত প্ৰকাশ কৰিছে । আমি সাধাৰণতে   বাজেটৰ ওপৰত ভিত্তি কৰি  লোক নিৰ্মাণ বিভাগৰ পৰা প্ৰত্যেক সমষ্টিতে বিভিন্ন পুঁজি আবন্টন কৰা হয় । কৰবাত গুৰুত্বপূৰ্ণ ৰাস্তা কৰিব লগা থাকিলে অসম মালা আঁচনিৰ অধীনতো আমি ৰাস্তা আদিৰ কাম কৰিবলৈ চেষ্টা কৰো । হোজাই সমষ্টিত অসম মালা আৰু এচ ও পি ডি শিতানৰ পৰা বহু কেইটা আঁচনি গ্ৰহণ কৰা হৈছে  আৰু অনাগত দিনতো এই**

আঁচনিসমূহ আমি গ্ৰহণ কৰি থাকিম । মোৰ হাতত থকা তথ্যমতে কেইটামান ৰাস্তা যোৰা বানপানীৰ সময়ত বা বানপানীৰ আগত আৰু -২০২২ চনৰ বানপানীৰ পিচতে ক্ষতিগ্ৰস্ত হোৱা কেইবাটাও ৰাস্তা মেৰামতি কৰিব পৰা হোৱা নাই -এইবোৰ ৰাস্তা খাৰিকাণা- মাওুলী পথ, তাৰাডুবি- কেন্দুগুৰি পথ, কুম্ভিৰডুবীৰ পৰা কপিল খান হৈ পদুমনি পথ, ৰাইকাটা-ইছলামপুৰ পথ, কেন্দুগুৰিৰ পৰা দক্ষিণ কেন্দুগুৰি পথ , চিতপুৰ -দক্ষিণ হাতীমাৰা- নভঙ্গা পথ, হোজাই টুংপ্ৰেঙৰ পৰা নভঙ্গা কালি মন্দিৰ পথ, হোজাই টুংপ্ৰেঙৰ পৰা ডি ৰিজাৰ্ভ পথ, হৰমোহন দাসৰ ঘৰৰ পৰা হাৰাধন দাসৰ ঘৰলৈ থকা পথ আৰু বৰাখুঁটি- ফাকুলীপথ -এই কেইটা ৰাস্তা আমি বানপানীৰ পিচত মেৰামতি কৰিব পৰা নাছিলো । ইতিমধ্যে কিন্তু আমাৰ ডিজেষ্টাৰ মেনেজমেন্টে এই ৰাস্তাখিনি কৰাৰ বাবে ২০ কোটি টকাৰ প্ৰয়োজন বুলি আমালৈ এষ্টিমেট পঠিয়াইছে । এতিয়া এই পথবিলাকৰ এষ্টিমেট মতে আমি পুঁজি সাপেক্ষে কিধৰণে পাৰো অনুমোদন দিয়াৰ বাবে চেষ্টা কৰিম । ইতিমধ্যে মই কোৱাৰ দৰে অসম মালা আঁচনিৰ অধীনত কেইটামান ডাঙৰ আঁচনি আমি হোজাই জিলাত কৰিছো । ভবিষ্যতেও আমি হোজাই জিলাত কাম কৰি থাকিম । যিখিনি আজি পৰামৰ্শ দিছে - এই গোটেই স্ক্ৰীপ্টটো মই লৈ ল'ম আৰু পুঁজি সাপেক্ষে কামখিনি কৰিবলৈ আমি চেষ্টা কৰিম । ৱেলনেচ চেন্টাৰৰ কথা ইয়াত কোৱা হৈছে -আপোনালোকে জানে যে আমি পৰ্য্যায়ক্ৰমে অসমত স্বাস্থ্যৰ ক্ষেত্ৰত পৰিৱৰ্তন আনিবলৈ অহৰহ চেষ্টা কৰিছো আৰু ইয়াৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনে লোৱা আটাইতকৈ ডাঙৰ সিদ্ধান্তটো হ'ল আমাৰ জিলা চিকিৎসালয়বিলাক লাহে লাহে মেডিকেল কলেজলৈ ৰূপান্তৰকৰণ , লগতে মেডিকেল কলেজৰ সৈতে একোখন কেঞ্চাৰ ট্ৰিটমেন্টৰ হস্পিটেল নিৰ্মাণ কৰণ আৰু তাৰ লগতে আমি লাহে লাহে নেচাৰোপেথি -য়োগা- আয়ুৰবেদা এই তিনিটা লগত লৈ এটা কনচেপ্ট অৱ ৱেলনেচৰ ধাৰণা আমি আনিবলৈ চেষ্টা কৰিছো । এই বছৰ তিনিচুকীয়াত মেডিকেল কলেজখন হৈ গ'লে অসমত ১৩ খন মেডিকেল কলেজ বৰ্তমান কাৰ্য্যক্ষম হ'ব । অহা বছৰ আমাৰ গুৱাহাটী মহানগৰীত দ্বিতীয়খন মেডিকেল কলেজ 'প্ৰাগজ্যোতিষ মেডিকেল কলেজ' আমি আৰম্ভ কৰিম । তাৰ পিছৰ বছৰ অৰ্থাৎ ২০২৬ চনত বঙাইগাওঁ , চৰাইদেউ, বিশ্বনাথ চাৰিআলিত মেডিকেল কলেজ হ'লে অহা দুই- তিনি বছৰৰ ভিতৰত আমি ২৩ খন মেডিকেল কলেজ পাবৰ কাৰণে সক্ষম হ'ম । এইখিনি হোৱাৰ পিচত আমি নেক্সট ফেজত আৰু ৫ খন মেডিকেল কলেজ কৰাৰ বাবে চিন্তা -চৰ্চা কৰিছো, কিন্তু আজিয়ে হ'ব এনেকুৱা নহয় । যি কেইখন মেডিকেল কলেজ আমাৰ পাইপ লাইনত আছে তাৰ ভিতৰত এখন মেডিকেল কলেজ আমি কৰিবলৈ চিন্তা কৰিছো -হাইলাকান্দিত , এখন গোৱালপাৰাত এখন মাজুলীত আৰু এখন হোজাইত । হোজাইত আমাৰ বহু ডাঙৰ পপুলেশ্যন আছে । ইয়াৰ বাহিৰেও পঞ্চমখন মেডিকেল কলেজ কৰিবলৈ আমি চিন্তা কৰি আছো হাফলঙত । গতিকে এই ৫ খনৰ ঠাইত যদি আমি আৰু মেডিকেল কলেজ কৰিব পাৰো তেতিয়া হ'লে অসমত ডিষ্ট্ৰিক্ট হস্পিটেলৰ কনচেপ্টটো প্ৰায় নোহোৱা হৈ যাব । এই মেডিকেল কলেজখিনি হোৱাৰ লগতে কাষত যদি আমি কেঞ্চাৰ হস্পিটেল কেইখন বনাব পাৰো আৰু তাৰ লগতে য়োগা-আয়ুৰবেদা- নেচাৰোপেথিক সংযুক্ত কৰি যদি এটা ৱেলনেচ চেন্টাৰ কনচেপ্টটো আনিব পাৰো বা কৰিব পাৰো তেতিয়া হ'লে আমি এটা হলিষ্টিক হেল্থ কেয়াৰৰ ফালে আমাৰ ৰাজ্যখনক লৈ যাব পাৰিম ।

কেঞ্চাৰ হস্পিতেলখন যদি আমি বনাব পাৰো আৰু যদি Yoga, Ayurveda আৰু Naturopathy দি এটা wellness ৰ concept আনিব পাৰো তেতিয়া হ'লে আমি এটা Holistic health care ৰ ফালে ৰাজ্যখনক লৈ যাব পাৰিম। মই আমাৰ সদস্য গৰাকীক

আহ্বান জনাম যে এই বছৰৰ শেষৰ ফালে হোজাইত আমাৰ বিভাগৰ team যাব medical college ৰ মাটিৰ বাবে আৰু যদি আপুনি দুই-তিনিটা plot চাই থব পাৰে তেতিয়াহ'লে আমি হোজাইৰ বহু ডাঙৰ সমস্যা এটাৰ সমাধান কৰিব পাৰিম আৰু PWD ত যিদৰে নতুন নতুন পুঁজি আাহি থাকে মই হোজাইৰ development ৰ বাবে খৰছ কৰিবলৈ যত্ন কৰিম।

আমাৰ লক্ষীপুৰ সমষ্টিৰ বিধায়ক কৌশিক ৰায় ডাঙৰীয়ায়ো তেখেতৰ সমষ্টিৰ development ৰ বিষয়ে উল্লেখ কৰিছে। মই সন্মানীয় সদস্যজনক ধন্যবাদ জনাম যে তেখেতে বিধায়ক হোৱাৰ পৰা লক্ষীপুৰ সমষ্টিৰ বহুত development হৈছে, বহুবিলাক pending হৈ আছে। আশা কৰিছো অনাগত দিনত বহুখিনি আঁচনিও আমি হাতত ল'ব পাৰিম। এটা সমষ্টিৰ development ৰ বাবে নিৰন্তৰ কাম কৰিবৰ কাৰণে minimum ১০-১৫ বছৰৰ প্ৰয়োজন হয়। ৫ বছৰত যিমানখিনি কৰিব বিচৰা যায় অৰ্থাৎ যিমানখিনি one day, T-20 খেলিব বিচাৰো চৰকাৰী ব্যৱস্থাত কিন্তু সিমান খিনি নহয়গৈ। গতিকে যিমানখিনি আমি পাৰিম সিমানখিনি আমি ৫ বছৰত কৰিম আৰু আশা কৰিছো কৌশিক ৰায় অহাবাৰো লক্ষীপুৰৰ পৰা MLA হৈ আহিব, তেতিয়া তেঁও আৰু কাম কৰিব পাৰিব। কিন্তু বৰ্তমান তেখেতে যিখিনি কৈছে যে- জিৰিঘাটৰ মিনি Primary Health Centre জয়শ্ৰী চাহ বাগিচাৰ বিষয়ে মই সদনৰ আৰম্ভণিৰ দিনা বক্তব্যত কৈছো যে প্ৰধানমন্ত্ৰী ডাঙৰীয়াই আমাৰ ১০০০ কোটি টকাৰ ৭৮০ কোটি টকা দিছে চাহ শ্ৰমিকৰ কল্যাণৰ বাবে আৰু ইয়াৰ majority টকা আমি health, education আৰু skill development ত খৰছ কৰিম। আমি ৩টা area focus কৰি লৈছো। এটা হ'ল বাগিচাৰ health, এটা হৈছে বাগিচাৰ শিক্ষা আৰু আনটো হৈছে বাগিচাত skill development। জয়শ্ৰীৰ Labae Tea Estate বা B.P. Kedia Central Hospital ৰ যি contribution সেইটো আমি জানো। বৰ্তমান তাত ৩জন চিকিৎসক আছে। এটা সময়ত তাত বহুত সুবিধা দিয়া হৈছিল কিন্তু এতিয়া সুবিধা বিলাক অলপ কমিছে, গতিকে আমি এই hospital খনো strengthen কৰিবৰ বাবে চেষ্টা কৰিম আৰু Health Department ত যিবিলাক আঁচনি আহি থাকিব সেই আঁচনিবিলাক লক্ষীপুৰলৈকে আমি সহায় কৰিবৰ বাবে যিমান পাৰো চেষ্টা কৰিম। Speech টো লৈ তাত হৰি নগৰৰ যিখিনি কথা উল্লেখ কৰা হৈছে বা আন যিবিলাক কথা উল্লেখ কৰা হৈছে, সকলোখিনিৰ ওপৰত ভিত্তি কৰি লক্ষীপুৰ সমষ্টিৰ health ৰ development ৰ বাবে সহায় কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, হোজাইৰ মাননীয় বিধায়ক ৰামকৃষ্ণ ঘোষ ডাঙৰীয়াই উল্লেখ কৰিছে যে হোজাই ক্ৰমান্বয়ে এক Education Hub হিচাপে merge কৰিছে। তেখেতে ৩টা নিৰ্দিষ্ট দাবী/ সমস্যাৰ কথা উল্লেখ কৰিছে যে হোজাইৰ মহাবিদ্যালয় খনক ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় হিচাপে যিহেতু উন্নীত কৰা হ'ল গতিকে হোজাই মহাবিদ্যালয়খন আকৌ ৰাখি নতুনকৈ য'ত বিশ্ববিদ্যালয়ৰ ভৱন নিৰ্মাণ কৰি আছো তাত বিশ্ববিদ্যালয় খন কৰিব লাগে। NEB অহাৰ পিছত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মাজত পাৰ্থ্যকটো কমি গ'ল। আনহাতে মহাবিদ্যালয়ত Under Graduate শিক্ষা হয় আৰু বিশ্ববিদ্যালয়ত Post Graduate শিক্ষা হয় কিন্তু NEB এ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় দুয়োবিধকে Higher Education Institution বুলি আভিহিত কৰিছে আৰু দুয়োটাতে Under Graduate

আৰু Post Graduate পাঠ্যক্ৰম ব্যৱস্থাপনা কৰিছে আৰু সেই অনুপাতে ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় Under Graduate Course যেনেদৰে চলি আছিল এতিয়াও তেনেধৰণে চলি আছে আৰু এইবছৰো ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত Under Graduate Course ত ৯৭৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে Admission লৈছে। তেখেতে হোজাইত আৰু তিনিখন মহাবিদ্যালয়ৰ দাবী উত্থাপন কৰিছে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি হোৱাৰ কাৰনে কিন্তু আমাৰ হাতত যি তথ্য আছে সেই অনুপাতে হোজাই অঞ্চলত (৯) ন খন মহাবিদ্যালয় ইতিমধ্যে আছে আৰু ইয়াত সৰ্বমুঠ ৫০৩০ গৰাকী ছাত্ৰ-ছাত্ৰী Under Graduate Course কৰি আছে। এই বছৰৰ নাম ভৰ্তিৰ তথ্য মই যেতিয়া বিশ্লেষণ কৰি চাওঁ তেতিয়া দেখা পোৱা গৈছে যে লংকা মহাবিদ্যালয়ক বাদ দি বাকী মহাবিদ্যালয়ৰ আসন সমূহ পূৰণ হোৱা নাই। যেনে ঃ- ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত এতিয়াও ২৯০ খন অসন খালী হৈ আছে। তেনেদৰে লামডিং মহাবিদ্যালয়, Hojai Antar Ali College, Alhaz Sanai bibi choudhury college ত ছাত্ৰ ছাত্ৰীৰ সংখ্যা নিচেই কম। ইয়াতো ২০২ খন আসন খালী আছে । হোজাই Girls College ত ৭৪, Murazar college ত ৪৭, যমুনামুখত ১৩২ মুঠ ৭ খন মহাবিদ্যালয় ১০২৪ খন আসন এতিয়াও খালী হৈ আছে। যিহেতু আমি মহাবিদ্যালয় সমূহত পুঁজি বিনিয়োগ কৰো, যিখিনি আসন থাকে ৯০- ৯৫ শতাংশ পূৰণ হ'লে ভাল হয়। কিন্তু এতিয়া হোজাইত ৪০ ৰ ঘৰতে থকা দৈখা গৈছে অৰ্থাৎ ২০ শতাংশ আসন এতিয়াও পূৰণ হোৱা নাই। তৎস্বত্বেও যোগীজান অঞ্চলত Minority Wellfare Department ৰ অধীনত এখন মহাবিদ্যালয় নিৰ্মীয়মান অৱস্থাত আছে। যেতিয়াই এই ভৱনটো শিক্ষা বিভাগলৈ হস্তান্তৰ কৰিব লগে লগে আমি তাত মহাবিদ্যালয়খন নিশ্চিতভাৱে আৰম্ভ কৰিম। গতিকে যোগীজানৰ সমস্যাটোৰ সমাধান হ'ব।

B.Ed ৰ College ৰ Concept টো NEB অহাৰ পিছত সম্পূৰ্ণ ৰূপে সলনি হৈ গ'ল। আগতে B.Ed দুবছৰীয়া আছিল, এতিয়া চাৰিবছৰীয়া। Integrated B.Ed অৰ্থাৎ BA.Ed, BSc. B.Ed বা B.com. B.Ed এই ধাৰণা অহাৰ পিছত NCTE নতুন guideline মতে পূৰ্বৰ পৰা থকা B.Ed.College এ নতুন মহাবিদ্যালয় এখনৰ লগত এটা Collabration কৰি B.Ed. course ৰ বাবে তেওঁলোকে প্ৰস্তাৱ দিব পাৰে বা সাধাৰণ মহাবিদ্যালয়খনেও B.Ed course প্ৰয়োজনীয় চৰ্তখিনি পূৰণ কৰি তেওঁলোকে B.Ed course ৰ বাবে NOTE ত আবেদন কৰিব পাৰে। এতিয়া আমি দেখিছো লংকা মহাবিদ্যালয়ত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী আছে গতিকে লংকা মহাবিদ্যালয়ে B.Ed College হোৱাৰ বাবে হোজাই Girls college integrated B.Ed Course Introduce কৰাৰ বাবে তেওঁলোকে NCTE ৰ ওচৰত আবেদন কৰিব পাৰে। নতুনকৈ এতিয়া আৰু কোনো B.Ed College নহয়। আমি অসম চৰকাৰে যিখিনি B.Ed College নিৰ্মাণ কৰিছিলো সেই B.Ed College সমূহ এতিয়া আমি কাষতে থকা সাধাৰণ মহাবিদ্যালয়লৈ সেই আন্তঃগাঁথনি হস্তান্তৰ কৰি দিছো। জাগীৰোডতো আমি B.Ed College নিৰ্মাণ কৰিছিলো। এতিয়া জাগীৰোড মহাবিদ্যালয়ৰ লগত এখন MOU কৰি মহাবিদ্যালয়খনক অৰ্পণ কৰা হৈছে। জাগীৰোড মহাবিদ্যালয়ে এই নতুন আন্তঃগাঁথনি লৈ তেওঁলোকে NCTE ত B.Ed Course ৰ বাবে আবেদন কৰিব আৰু আৱেদন গৃহীত হ'লে তেওঁলোকে Integrated B.Ed cours যোৰহাটৰ বাহনা মহাবিদ্যালয়, হেমবৰুৱা মহাবিদ্যালয় বা নৰ্থ লক্ষীমপুৰ মহাবিদ্যালয়ৰ নিচিনাকৈ ( যিয়ে NOTE ৰ পৰা Integrated B.Ed course ৰ অনুমতি পালে) চলাব পাৰিব তেতিয়া আৰু পৃথক B.Ed

College ৰ প্ৰয়োজন নহ'ব। মাননীয় ঘোষ ডাঙৰীয়াৰ Concern খিনি মই গভীৰ ভাৱে লৈছো আৰু মই নিজেও এবাৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়লৈ যাম আৰু হোজাইৰ শিক্ষাৰ লগত জড়িত সমস্যাখিনিৰ অনুধাৱন কৰি আহি সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কোশিক ৰয় ডাঙৰীয়াৰ সমষ্টিৰ লগত জড়িত কেইটামান কথা আজি এই মেম্বাৰ্চ আৱাৰৰ যোগেদি সদনত উপস্থাপন কৰিছে। সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, আমি যোৱা ৩ টা বছৰত মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসম খনৰ বানপানী আৰু গড়াখহনীয়াৰ লগত মোকাবিলা কৰিবলৈ যথেষ্ট কাম হাতত লৈছো। তেখেতেৰ সমষ্টিতো যোৱা ৩ টা বছৰত যথেষ্টখিনি কাম ইতিমধ্যে কৰিছো আৰু কৰিবলৈ প্ৰচেষ্টা চলাই আছো। যি কি নহওঁক মানিকপুৰ আৰু নাগালেণ্ডৰ পাহাৰীয়া পৰিষৰৰ পৰা উৎপন্ন হৈ পাহাৰীয়া অঞ্চলৰ মাজেৰে বৈ যোৱা বৰাক নদী খন কাছাৰ জিলাৰ লক্ষীপুৰ চহৰৰ ওচৰৰ জিৰিঘাটত অসমত প্ৰৱেশ কৰে। লক্ষীপুৰৰ পৰা কাছাৰ জিলাৰ সমভূমিত হৈতিকাৰলৈকে একাদিশে প্ৰৱাহিত হৈ দুটা শাখাত বিভক্ত হৈছে। শাখা দুটা হ'ল কুচিয়াৰা আৰু শলমা আৰু শেষত এই দুটা শাখা বাংলাদেশত প্ৰৱেশ কৰে। বৰাক নদীখন উচ্চ বক্ৰ প্ৰকৃতি আৰু গভীৰ পৃষ্ঠৰ বাবে ইয়াৰ অৱতল স্থানত তীব্ৰ গৰাখহনীয়া দেখা যায় আৰু উত্তৰ ফালে বালি চৰ পৰা দেখা যায়। নদীৰ নিম্ন পৰ্যায়ত ওচৰৰ হ্ৰদ, পুখুৰী আৰু নিম্ন অঞ্চলৰ পানীৰ সক্ৰিয় নিষ্কাসনে খহনীয়া সমস্যা অধীক বৃদ্ধি কৰে। লক্ষীপুৰ সমষ্টিৰ অন্তৰ্গত বহুতো ঠাই যেনে লক্ষীপুৰ চহৰ, তোলনগ্ৰাম, ফুলৰপাই, বিনাকান্দি ঘাট, চিঙ্গাই বন, ৰূপাইকালী, ৰামচিংগ্ৰাম ইত্যাদিত সৃষ্টি হোৱা গৰখহনীয়াৰ প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে Fifteenth Finance Commision ৰ অধীনত ৰামচিংগ্ৰাম, শিৱপুৰ, চিংগাই বন আৰু ইয়াৰ কাষৰীয়া অঞ্চলত তলত উল্লেখিত দুটা আঁচনি প্ৰস্তাৱ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় অনুমোদন সাপেক্ষে প্ৰকল্প সমূহ ৰূপায়ণ কৰা হ'ব। ইয়াৰ এটা হৈছে Anti Erosion measures to protect Ramsingram, sipuri, 52 Area from the Erosion of river Borak on its left bank, amount of rupees 10 cr. 96 lakh.

Second, Anti Erosion measures to protect singiban Area from the erosion of river Borak on its left bank amount of rupees 5 cr. লগতে লক্ষীপুৰ চহৰ, টুলেণ্ডগ্ৰাম, ফুলাইকন, বিনাকান্দি ঘাট, ৰূপাইবালী, ফুলৰপাইৰ পৰা টোলেগ্ৰাম আদি অঞ্চলত গড়াখহনীয়া হ্ৰাস কৰাৰ বাবে স্থান সমূহত প্ৰয়োজনীয় জৰীপৰ কাম চলি আছে আৰু পুঁজি আবন্টন সাপেক্ষে আঁচনিবোৰ সম্পাবন কৰা হ'ব। সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, দ্বিতীয় যিটো প্ৰশ্ন আছিল শ্ৰীনদী অসমৰ উত্তৰ পূৰ্বৰ বৰাইল পাহাৰৰ অবৈবাহিকৰ পৰা উৎপন্ন হৈ আৰু কাছাৰ জিলাৰ পলসুৱা সমভূমিৰ মাজেৰে একাবেকা পথৰে প্ৰায় ৪৫ কি.মিটাৰ পাৰ হৈ গৈ বাছকান্দিৰ ওচৰত বৰাকভেলীদি সৈতে সংগ্ৰম হয়। এই বছৰ ৰাজগ্ৰাম, লালংক্ৰিতা, লাবুকপাৰ খণ্ড ২ আৰু শ্ৰীপুল অঞ্চলৰ সুৰক্ষাৰ বাবে নাবাৰ্দ, নিদাইৰ অধীনত উৰ্মেষিত আঁচনিবোৰ ৰূপায়ণ কৰা হৈছে। এক নম্বৰ হৈছে - Anti Erosion measures to protect Rajargram, Lalungaon part 2 Area from the Erosion of river Shri on its right bank, with rupees 2 cr. 32 lakhs.

Second, Anti Erosion measures to protect lalungkita, labuk

part 2, near pilaipul Area from the erosion of river Shri on its right bank amount of rupees 3 cr. 28 lakhs.

তৃতীয়াটো - Anti Erosion measures to protect of new Law College at Siripul near Lakhipur from the erosion of river Shri on its Right Bank with Rupees of 2.550 crs.

জলসম্পদ বিভাগে Fifteenth Finance Commision ৰ অধীনত কামাৰাংগা ফালে প্ৰভাবিত অঞ্চলৰ সুৰক্ষাৰ বাবে Anti Erosion Measures to protect Kamaranga Park part1 & 2, Modibasti Area from the erosion of river Shri on its right bank নামৰ এখন আঁচনিৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। লগতে ৯ আগষ্ট, ২০২৪ ইং তাৰিখে অনুষ্ঠিত কাছাৰ ডি ডি এম এ ৰ বৈঠকত ২০২৪-২৫ বৰ্ষৰ বাবে এচ ডি এম এফ ৰ অধীনত ৪ খন আঁচনি প্ৰস্তুতৰ পৰামৰ্শ উত্থাপন কৰা হৈছে। এই আঁচনি সমূহৰ প্ৰাক্কালন অনুমোদনৰ বাবে অসমৰ ৰাজহ আৰু দূৰ্যোগ ব্যৱস্থাপনা বিভাগে দাখিল কৰা হ'ব। এচ ডি এম এফ ৰ অধীনত উপযুক্ত পৰামৰ্শ আৰু পুঁজি আবন্টনৰ পিছত আঁচনি বোৰ কাৰ্য্যকৰী কৰা হ'ব। আঁচনি বোৰ হৈছে - Immediate measures to protect Notun Bajar, Somsan ghat at Gonakpur park from the erosion of river Shri on its right bank under SDMF for the year 2024-26 amounting 2crs 65 L., immediate measures to protect Joypur Notun Bajar from the erosion of river Shri on its right bank under SDMF for the year 2024-25 amounting 4crs 45 L., immediate measures to protect Joypur basti area from erosion of river Shri on its right bank under SDMF for the year 2024-25 amounting 3 crs 50 Lakh.

Number 4, immediate measures to protect Paluban side of PWD RCC Bridge no. 1/1 on road from NH 37 of Paluban to lakshipur road from the erosion river Shri on its right bank under SDMF for the year 2024-25 amounting 3.30 crs. উপাধ্যক্ষ ডাঙৰীয়া, জিৰি নদীৰ তেখেতৰ উত্তৰ কেইটা মই দি শেষ কৰিম, জিৰি নদী হৈছে বৰাক নদীৰ এখন উপ নদী। জিৰি নদী দিমাহাচাও জিলাৰ বড়ো নিম্ন অঞ্চলত উৎপন্ন হয় আৰু মনিকপুৰ আৰু অসমৰ মাজত সীমা হিচাপে ব্যৱহাৰ হৈছে। এই নদী খন জিৰি মূখত বৰাক নদীত সংগ্ৰম হয়। যিহেতু জিৰি নদী খন উচ্চ বক্ৰ প্ৰকৃতিৰ হোৱাৰ বাবে নদী খনৰ তিব্ৰ গড়াখহনীয়াৰ পৰিলক্ষিত হয় আৰু অবতল ৰেখা বোৰত প্ৰচণ্ড সোঁতৰ বাবে ই ডি গঠন কৰে আৰু সোঁতৰ সৈতে উটি অহা আৱৰ্জণা বোৰে বালাধাম, জিৰি দলংত ব্যাপক প্ৰভাবিত কৰে। অসমক মনিকপুৰৰ সৈতে সংযোজন কৰা জিৰি ঘাট দলংৰ ওচৰৰ খহনীয়াই দলং খনকো বিপদত পেলাইছে। লগতে জিৰি ঘাট, বালাধাম, জিৰি ঘাট দলং আদি অঞ্চলত গড়াখহনীয়া হ্ৰাস কৰাৰ বাবে স্থান সমূহত প্ৰয়োজনীয় জৰীপৰ কাম চলি আছে। আৰু পুঁজি আবন্টন সাপেক্ষে আঁচনি বোৰ সম্পদান কৰা হ'ব।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী পৰ্যটন বিভাগ।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ৰামকৃষ্ণ ঘোষ ডাঙৰীয়াই তেখেতৰ মেম্বাৰছ আৱাৰত তেখেতৰ সমষ্টিত পৰ্যটনৰ সম্ভৱনাৰ বিষয়ে কিছু উল্লেখ কৰি তাত

কিছু বিভাগৰ হস্তক্ষেপ বিচাৰিছে। মই সন্মানীয় বিধায়ক ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিম যে তেখেতে অসমৰ পৰ্যটন ক্ষেত্ৰত হোৱা উন্নয়ন বা পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ ক্ষেত্ৰতো খুব সুন্দৰ ভাৱে কিছু উল্লেখ কৰিছে। আমি সকলোৱে জানো যে ভাতৰ বৰ্ষৰ পৰ্যটন চেক্টৰৰ যি জি ডি পি Contribution আৰু অসমৰ জি ডি পি Contribution আমি যদি ৰিজাই নাচাও আৰু ৰিজাই নোচোৱাকৈ বিভিন্ন সময়ত পৰ্যটনৰ কথা বা পৰ্যটনৰ আন্তঃগাথনিৰ কথা, পৰ্যটনৰ গ্ৰোঠৰ কথা কৈ থকা হয়। কিন্তু World Travel and Tourism কাউন্সিলে যি তথ্য দিছিল সেই তথ্যই ভাৰত বৰ্ষৰ পৰ্যটনৰ জি ডি পি Contribution হ'ল ৫.৮ শতাংশ। আৰু ৩২.১ মিলিয়ন জৰ পৰ্যটন চেক্টৰে ক্ৰিয়েট কৰে যিটো ৬.৯ শতাংশ মুঠ জৱৰ। আৰু অসমৰ যদি আমি চাবলৈ যাও অসমৰ জি ডি পিৰ Contribution হ'ল ৫.৫ শতাংশ। গতিকে আমি ভাৰতবৰ্ষৰ বহুত পিছত আছো বুলি ভাৰি থকাতো অনুচিত। কেতিয়াবা কেতিয়াবা আমাৰ কিছুমান বিভাগীয় প্ৰশ্ন আহে যে কিমান ৰাজহ সংগ্ৰহ কৰে। তেতিয়া আমাৰ বিভাগে কিমান ৰাজহ সংগ্ৰহ কৰে সেইটোৰ তথ্য দিয়ে। তেতিয়াই কয় যে আপোনালোকে মাত্ৰ এক কোটি টকা বিভাগে আয় কৰে নেকি ? আচলতে সেইটো হ'ল আমাৰ বিভাগৰ তথ্য। সেই কাৰণে পৰ্যটন ক্ষেত্ৰখন যোৱা কিছু বছৰ পৰা।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ ছাৰ, out of syllabus চলি আছে।

**মাননীয় অধ্যক্ষ** ঃ বিধায়ক ডাঙৰীয়া বহক না।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ আপুনি শুনিবলৈ কিয় তান পাইছে? তেখেতে যে সদনত মিছা মিছা কথা কয়, সেই কাৰণে সচাঁ কথা শুনিবলৈ তান পাই।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** ছাৰ, out of syllabus চলি আছে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ আপুনি শুনিবলৈ কিয় টান পাইছে? তেওঁ এই বিলাক মিছা মিছা কথা সদনত যে কৈ থাকে, সেই কাৰণে শুনিবলৈ টান পায়। সচাঁ কথা শুনিবলৈ টান পায়। অসত্য কথা কয়, সেই কাৰণে তেওঁ শুনিবলৈ টান পায়। ঠিক আছে, শুনি লওঁক সঁচা কথাখিনি। গতিকে কথাটো হ'ল যে এই কথাবিলাক আমি উপলব্ধি কৰিব লাগে তাৰ লগে লগে আমি members Hour ত ৰাম কৃষ্ণ ঘোষ ডাঙৰীয়াই যিখিনি কথা কৈছে যে বিভিন্ন আন্তঃগাঠনিৰ উন্নয়ন বা তেখেতৰ পৰ্য্যটন ক্ষেত্ৰ সমূহৰ উন্নয়নৰ কাৰণে কিছু কামৰ কথা কৈছে। মই তেখেতক এটা কথা খুব সুন্দৰ ভাৱে জনাব বিচাৰিছো যে, আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশ মৰ্ম্মে আমি পৰ্য্যটন বিভাগে আজি কালি বেছি কাম কৰো পৰ্য্যটনৰ promotion ৰ কাৰণে । যিটো পৰ্য্যটন বিভাগৰ মুল কাম। আন্তঃগাঠনিৰ কামসমূহ PWD বা বিভিন্ন বিভাগে কৰে, সেই কাৰণে পৰ্য্যটন বিভাগৰ লগত জড়িত আন্তঃগাঠনি কৰিলেও সেইটো আন্তঃগাঠনি বুলি নাভাৱে। যেনেকৈ অখিল গগৈ ডাঙৰীয়াৰ তাত এতিয়া ১১৮ কোটি টকাৰ ৰংঘৰৰ প্ৰজেক্ট চলি আছে, সেইটো PWD য়ে কৰি আছে। তেওঁ সেইটো নকয় যে এইটো টুৰিজিমৰ প্ৰজেক্ট। এতিয়া অসমত তেখেতৰ সমষ্টিতে আমাৰ টাই সংস্কৃতি আৰু হেৰিটেইজ চেন্টাৰৰ কাৰণে প্ৰায় ১১ কোটি টকাৰ কাম চলি আছে। সেইখিনি তেওঁ নকয় কাৰণ সেইখিনি PWD য়ে কৰি আছে, তেওঁ এইটো টুৰিজিমৰ কাম বুলি নকয়। যেনেকৈ আমাৰ indigenous faith and culture বিভাগে চৰাইদেউত প্ৰায় ২৫ কোটি টকাৰ কাম কৰিছে সেইটো তেওঁ টুৰিজিমৰ কাম বুলি নকয়। গতিকে আন্তঃগাঠনি নিৰ্মাণ কৰাটো বেলেগ বেলেগ বিভাগে কৰে। কিন্তু তেখেতে প্ৰশ্ন কৰে যে পৰ্য্যটন বিভাগে শিৱসাগৰত কি কৰি আছে? আজি কালি আন্তঃগাঠনি নিৰ্মাণৰ কাম বিভিন্ন বিভাগে কৰে। বিশেষকৈ PWD য়ে পৰ্য্যটনৰ লগত জড়িত আন্তঃগাঠনি সমূহ নিৰ্মাণ কৰি থাকে। ঠিক তেনেদৰে ৰাম কৃষ্ণ ঘোষ

ডাঙৰীয়াই পৰ্য্যটনৰ আন্তঃগাঠনিৰ কথা যিখিনি কৈছে, সেই আন্তঃগাঠনি কেতিয়াবা হয়তো আমাৰ পৰ্য্যটন বিভাগেও কৰিব। আমি ATDC ৰ দ্বাৰা সৰু সৰু আন্তঃগাঠনি কৰো কিন্তু পৰ্য্যটনৰ লগত জড়িত ক্ষেত্ৰ সমূহৰ যি আন্তঃগাঠনি সেই আন্তঃগাঠনি আমাৰ বিধায়কজনে উন্নয়ন পুঁজিৰ পৰা কৰিব পাৰে। বিভিন্ন ক্ষেত্ৰৰ পৰা আন্তঃগাঠনি হৈ থাকে আৰু আমি সেইটোকে সামগ্ৰিকভাৱে পৰ্য্যটনৰ আন্তঃগাঠনি বুলি ল'ব লাগে। আমাৰ কামটো হ'ল - পৰ্য্যটনৰ Promotion.এতিয়া তেখেতে কৈছে যে আমাৰ ইয়াত কামাখ্যা মন্দিৰ নামেৰে জনাজাত যি বৈদিক শঙ্খ মন্দিৰ আছে, ইয়াৰ নিশ্চয়কৈ তাৰ এটা মাহাত্মা আছে আৰু তেনে ধৰণৰ ধাৰ্মিক পৰ্য্যটনস্থলী আগবঢ়াই নিয়াৰ প্ৰয়োজন আছে। তাত থকা আকাশী গংগা, বুঢ়ী গংগা এই বিলাকত পৰ্য্যটন ক্ষেত্ৰৰ যথেষ্ট গুৰুত্ব আছে। সেই ধৰণে আমি আমাৰ পৰ্য্যটন ক্ষেত্ৰসমূহত তাৰ promotionআৰম্ভ কৰিছো। এতিয়া আমাৰ website,আমাৰ যি সমূহ literature থাকে এই বিলাকত nature আৰু destination বিলাকৰ promotion আমি খুব সুন্দৰ ভাৱে আৰম্ভ কৰিছো। বিভিন্ন নতুন নতুন destination কেনেকৈ আমি promote কৰিব পাৰো তাৰ কাম আমি আৰম্ভ কৰিছো আৰু তেখেতৰ অঞ্চলৰ যি সমূহ destination ৰ কথা তেখেতে উল্লেখ কৰিছে যে এই বিলাক পৰ্য্যটনৰ সম্ভাৱনা থকা যেনেকৈ ন'নাথ মন্দিৰ, ৯ টা শিৱ লিঙ্গ থকা খুব এটা গুৰুত্বপূৰ্ণ মন্দিৰ আছে। এই ধৰণৰ পৰ্য্যটন খিনিৰ promotional ৰ কাম আমাৰ বিভাগে আৰম্ভ কৰিব। আমি অপৰূপ অসমতো এই ধৰণৰ নতুন destination ৰ কথা দিওঁ। আমাৰ website, আমাৰ যি সমূহ publicity materials আছে, তাত এনেকুৱা ধৰণৰ promotion ৰ কামখিনি আমি কৰি গৈ থাকিম আৰু যিখিনি আন্তঃগাঠনিৰ কথা পৰ্য্যটন বিভাগকো তেওঁ অনুৰোধ কৰিছে, আমিও ক'ৰবাত কৰিব পাৰিলে, ক'ৰবাত টুৰিজিমক দি কৰিলে বা ক'ৰবাত PWD ক দি কৰিলে বা অন্যান্য বিভাগেও কৰি আন্তঃগাঠনিও সেই ধৰণে আগবঢ়াই নিয়াৰ চেষ্টা কৰা হ'ব। গতিকে মই আশা ৰাখো যে হোজাইৰ পৰ্য্যটন ক্ষেত্ৰখন আগবঢ়াই নিব পৰা যথেষ্ট সমল আছে আৰু এই সমল বিলাক লৈ পৰ্য্যটন বিভাগে তাৰ প্ৰচাৰ প্ৰসাৰৰ কাম কৰিব লাগে, সেইখিনি নিশ্চয়কৈ কৰিব। আন্তঃগাঠনিৰ কাম অসম চৰকাৰৰ বিভিন্ন বিভাগে লগতে পৰ্য্যটন বিভাগেও কৰি থাকিব আৰু সেইখিনিৰ লগে লগে অসমৰ পৰ্য্যটন ক্ষেত্ৰখন যি ধৰণে আগবাঢ়ি গৈছে, আমাৰ মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই এই কথা বিলাক নিজৰ কেৱল অৰ্কিড পাৰ্কতে সীমাবদ্ধ নাথাকি বাকী কথা বিলাকত, অসমৰ পৰ্য্যটন যে আগবাঢ়িছে, GDP ৰ growth যে পৰ্য্যটন ক্ষেত্ৰখনে বঢ়াইছে, ভাৰতবৰ্ষৰ সমানে সমানে যে আমি গৈ আছো আৰু তাৰ লগে লগে আমাৰ যোৱা তিনি চাৰি বছৰত টুৰিজিমৰ যিটো growth, foreign tourist ৰ growth দেখিলে তেখেতে চাগে আচৰিত হ'ব যে যি ধৰণৰ growth হৈছে, ১০০ শতাংশ, ১৫০ শতাংশ, ১২৫ শতাংশ এনেকুৱা ধৰণৰ foreign tourist ৰ growth প্ৰত্যেক বছৰেই হৈ গৈ আছে। গতিকে এই growth বিলাকক লৈ পৰ্য্যটন ক্ষেত্ৰখনক এটা পজিটিভ দৃষ্টিৰে চাব, সদায় নিগেটিভ সমালোচনা নকৰি, পজিটিভ দৃষ্টিৰে চাব বুলি আশা ৰাখিছো, আৰু ৰামকৃষ্ণ ঘোষ ডাঙৰীয়াৰ কথাখিনিৰ ওপৰত গুৰুত্ব ৰাখি আমি বিভাগেও তেখেতে কৰা অনুৰোধখিনি সুন্দৰভাৱে আগবঢ়াই নিয়াৰ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় মন্ত্ৰী, শ্ৰম আৰু কল্যাণ।

**শ্ৰী সঞ্জয় কিষান, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় লক্ষীপুৰ বিধান সভাৰ বিধায়ক শ্ৰদ্ধাৰ কৌশিক ৰায় ডাঙৰীয়াই বাগানৰ কেইবাটাও বিষয় আনিছে। তেখেতক জনাব বিচাৰিছো, অধ্যক্ষ ডাঙৰীয়া বৰ্তমান অসমৰ প্ৰত্যেক জিলাৰ প্ৰত্যেকখন চাহ বাগিচাত বৰ্তমান মাননীয় মুখ্যমন্ত্ৰী

ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বত আটাইতকৈ দেশে স্বাধীনতা লাভ কৰাৰ পাছত শ্ৰমিক সকলে নিজৰ অধিকাৰ পাবৰ কাৰণে সক্ষম হৈছে, তেওঁলোকৰ নিজৰ সুবিধা বিলাক পাবৰ কাৰণে সক্ষম হৈছে। অধ্যক্ষ ডাঙৰীয়া, অসম চাহশ্ৰমিক কৰ্ম্মচাৰী ভৱিষ্যৎনিধি সংগঠনে অসমৰ চাহবাগিচা আৰু কাৰখানাত কাম কৰা শ্ৰমিক কৰ্ম্মচাৰী সকলৰ বিভিন্ন কল্যাণমুলক আঁচনিৰ যোগেদি সামাজিক সুৰক্ষা প্ৰদান কৰি আহিছে। অধ্যক্ষ ডাঙৰীয়া এক প্ৰধান আঁচনি হ'ল ভৱিষ্যৎনিধিৰ আঁচনি। ভৱিষ্যৎনিধিৰ আঁচনি অনুসৰি এজন শ্ৰমিক বা কৰ্ম্মচাৰীয়ে চাহবাগিচা বা ক'ল ঘৰত কাম কৰাত যোগদান কৰা দিনৰ পৰাই সংযুক্ত শ্ৰমিক বা কৰ্ম্মচাৰীৰ মজুৰী ১২ শতাংশ আৰু বাগিচা কতৃপক্ষই দিয়া মজুৰীৰ ১২ শতাংশ মুঠ ২৪ শতাংশ ভৱিষ্যৎনিধিৰ আঁচনিত জমা হয়। শ্ৰমিক বা কৰ্ম্মচাৰী গৰাকীৰ নামত থকা এই ধনৰ ওপৰত সূত সহ তেওঁৰ অৱসৰৰ পাছত ভৱিষ্যৎনিধিৰ ধন হিচাৰে প্ৰদান কৰা হয়। ভৱিষ্যৎনিধি বিভাগে ধাৰাবাহিক আৰু তৎপৰতাৰে অৱসৰপ্ৰাপ্ত শ্ৰমিক কৰ্ম্মচাৰী সকলক ভৱিষ্যৎনিধিৰ ধন পৰিশোধ কৰি আহিছে। বৰ্তমান এনে ভৱিষ্যৎনিধিৰ ধন তেওঁলোকৰ ব্যক্তিগত বেংক একাউন্টৰ যোগেদি প্ৰদান কৰা হৈছে। এজন শ্ৰমিক বা কৰ্ম্মচাৰী কামৰ পৰা অৱসৰ ললে বা কিবা কাৰণত কাম এৰিলে, সংশ্লিষ্ট বাগিচা কতৃপক্ষই তেওঁৰ যাৱতীয় নথি- পত্ৰৰ লগতে বেংক একাউন্টৰ সবিশেষ requisition হিচাপে অন লাইন যোগে ভৱিষ্যৎনিধি বিভাগক দাখিল কৰিব লাগে। এনে দাবী দাখিল কৰাৰ পৰা সৰ্বোচ্চ ৩০ দিনৰ ভিতৰত সভ্যগৰাকীৰ ব্যক্তিগত বেংক একাউন্টৰ যাগেদি তেওঁৰ ধন পাবৰ কাৰণে সক্ষম হয়। ভৱিষ্যৎনিধি বিভাগে সকলো বাগিচা কতৃপক্ষকে শ্ৰমিক বা কৰ্ম্মচাৰী গৰাকীৰ অৱসৰৰ লগে লগে ভৱিষ্যৎনিধিৰ ধন প্ৰাপ্তিৰ বাবে দাবী পত্ৰ বিভাগক দাখিল কৰিবলৈ সময়ে সময়ে জাননী জাৰি কৰি আহিছে। কিছু ক্ষেত্ৰত অৱসৰপ্ৰাপ্ত শ্ৰমিক কৰ্ম্মচাৰীয়ে যাৱতীয় নথি-পত্ৰ, বেংক একাউন্ট সবিশেষ সময় মতে দাখিল কৰিব নোৱাৰাৰ বাবেহে কেতিয়াবা ভৱিষ্যৎনিধিৰ ধন প্ৰাপ্তিৰ বাবে পলম হয়। অসম বিধান সভাৰ মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰা প্ৰতিখন চাহ বাগিচাৰ বাবে ভৱিষ্যৎনিধিৰ কতৃপক্ষই যোৱা ২০২১ চনৰ এপ্ৰিল মাহৰ পৰা বৰ্তমানলৈকে ভৱিষ্যৎনিধিৰ ধন নিষ্পত্তিৰ সংখ্যা আৰু ধনৰ তালিকা তলত উল্লেখ কৰা হ'ল।

অধ্যক্ষ ডাঙৰীয়া তেখেতে কোৱাৰ দৰে তেখেতৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত চণ্ডীপুৰ চাহ বাগিচাত আমি ইতিমধ্যে প্ৰায় ৫৩ জন লোকক এই ধন প্ৰদান কৰা হৈছে আৰু তাৰ বাবদ প্ৰায় ১ কোটি ২০ লাখ ৬১ হাজাৰ ৮৮৫ টকা গ্ৰহণ কৰা হৈছে। ঠিক তেনেকৈ ভূৱনভেলিত ৯৩ গৰাকী, চিৰ্গাপাৰ্ক চাহবাগিচাত ৮৮ গৰাকীক ডিলকো চাহবাগিচাত ৯৭ গৰাকী, জাৰিঘাট চাহবাগিচাত ৪৮ গৰাকী, কালীনচাৰি চাহবাগিচাত ৪৪ গৰাকীক, ভুৱন পলৰবন চাহবাগিচাত ২১৪ গৰাকী, চেপানজুৰি বিল চাহবাগিচাত ২৩৪ গৰাকী, লক্ষীপুৰ চাহবাগিচাত ৮৭ গৰাকী তেনেকৈ প্ৰায় ৯৫৮ জন শ্ৰমিকৰ বাবে প্ৰায় ১৭ কোটি ১৩ লাখ ৩৩ হাজাৰ ১৭ টকা ইতিমধ্যে আদায় কৰা হৈছে। ভৱিষ্যৎনিধি সংগঠনে বকেয়া ধন আদায় কৰাৰ বাবে আইনগত শক্তিশালি ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে বিগত সময়ত ৯ খন বাগিচাৰ ভৱিষ্যৎনিধিৰ বকেয়া ধন আদায় নিদিয়াৰ বাবে ৰাজহুৱা অন লাইন নিলামৰ জৰিয়তে বিক্ৰী কৰি সমগ্ৰ বকেয়া ধন আদায় কৰাৰ ব্যৱস্থা কৰা হৈছে। গ্ৰেচুইটিৰ বিষয়ে কিছু কথা কৈছে । অধ্যক্ষ মহোদয় মই জনাব বিচাৰো যে চাহ শ্ৰমিক সকলৰ গ্ৰেচুইটি ধন প্ৰদান কৰাৰ ক্ষেত্ৰত চাহ-বাগিছা কৰ্তৃপক্ষই যথেষ্ট লেহেম পদ্ধতি লোৱাৰ বাবে বহু চাহ-শ্ৰমিক কৰ্মচাৰীয়ে তেওঁলোকৰ প্ৰাপ্যৰ গ্ৰেচুইটিৰ ধন পোৱা নাছিল । বাগিচাত কাম কৰা শ্ৰমিক কৰ্মচাৰী সকলৰ অৱসৰৰ পিছত গ্ৰেচুইটি ধন প্ৰদান কৰাৰ বাবে অসম চৰকাৰে পদক্ষেপ

লয় আৰু যোৱা ইংৰাজী ২০১৭ চনৰ জুলাই মাহত অসম গ্ৰেচুইটি আইন খন ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতিৰ অনুমোদন সাপেক্ষে যোৱা ২০১৮ চনৰ জানুৱাৰী মাহৰ পৰা আইন কাৰ্য্যকৰী কৰাৰ বাবে অসম চাহ- শ্ৰমিক কৰ্মচাৰীৰ ভৱিষ্যৎৰ দ্বায়িত্ব সংগঠনক দিয়ে। ক'ভিড ২০১৯ চনত অচলাৱস্থাৰ বাবে ২০২১-২২ বৰ্ষত আইন খন বলৱৎ কৰিব পৰা হোৱা নাছিল । কৰ্মচাৰী নিয়োগ কৰিব পৰা হোৱা নাছিল । ২০২২ বৰ্ষৰ শেষৰ ফালে কৰ্মচাৰী নিয়োগ গঠন কৰাৰ পিছত গ্ৰেচুইটি আইন খন বলৱৎ হৈছে । অসম চাহ-শ্ৰমিক কৰ্মচাৰীৰ দায়িত্ব ভৱিষ্যৎ নিধি সংগঠনে গ্ৰহণ কৰাৰ পৰা বৰ্তমান গ্ৰেচুইটি বকেয়া ধন প্ৰদান কৰাত যথেষ্ট অগ্ৰগতি লাভ কৰিছিল । এক লাখ বিশ হাজাৰতকৈ অধিক লোকক আমি গ্ৰেচুইটি প্ৰদান কৰিবলৈ সক্ষম হৈছো। অধ্যক্ষ ডাঙৰীয়া অসম বিধান সভাৰ মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰা ভুৱনবেলী চাহ-বাগিচাৰ চব্বিশ জনক ইতিমধ্যে গ্ৰেচুইটি প্ৰদান কৰা হৈছে। বাকীসকলৰ দাবী পত্ৰ সমূহ বিবেচনাধীন হৈ আছে । বাকী উল্লেখিত চণ্ডিপুৰ, দিলখুচ, জিৰাঘাট, কলাইচেৰা, কলৰবন, চেপেঞ্জেৰী আৰু লক্ষিপুৰ চাহ-বাগিচা কৰ্তৃপক্ষই অসম গ্ৰেচুইটি আইন কাৰ্য্যকৰী কৰাত ব্যৰ্থ হোৱাৰ বাবে ইতিমধ্যে প্ৰত্যেক চাহ-বাগিচাৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হৈছে । অসম চৰকাৰৰ কৰ্মচাৰীৰ অৱসৰৰ বয়স, সময়সীমা ৫৮ বছৰৰ পৰিবৰ্তে অসম চৰকাৰৰ শ্ৰমিক ভৱিষ্যত নিধি আইন সংশোধন কৰি অৱসৰৰ সময়সীমা ৬০ বছৰ কৰিব লাগে বুলি তেখেতে উল্লেখ কৰিছে । অধ্যক্ষ ডাঙৰিয়া সেই সন্দৰ্ভত মই ক'ব বিচাৰো অসম চাহ-শ্ৰমিক ভৱিষ্যত সংগঠনে অসমৰ চাহ-বাগিচাৰ কলঘৰত কাম কৰা শ্ৰমিক কৰ্মচাৰী সকলৰ অৱসৰৰ সময়সীমা নিৰ্ধাৰণ নকৰে । এই বিভাগৰ দ্বাৰা ৰূপায়িত হৈ থকা পেঞ্চন আঁচনিৰ বাবে অৱসৰৰ বয়সৰ সীমা ৫৮ বছৰ বিবেচনা কৰা হয় । অৱশ্যে শ্ৰমিক কৰ্মচাৰীসকলৰ অৱসৰৰ উৰ্দ্ধ সীমা আসাম ইণ্ডাষ্ট্ৰীয়েল এমপ্লোয়মেন্ট ষ্টেডিং অৰ্ডাৰ ৰুলচ্ মতে ১৯৪৭ বৰাক উপত্যকাৰ মুঠ চাৰিখন জিলা ক্ৰমে হাইলাকান্দি, কাছাৰ, কৰিমগঞ্জ আৰু ডিমা হাচাওৰ তিনিখন চাহ - বাগিচাত সেই বাগিচাৰ শ্ৰম আইনে নিৰ্ধাৰণ কৰি দিয়া মৰ্মে প্ৰদান কৰা হিচাপে তথ্য উল্লেখ কৰা হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৫৬ নং নিয়মৰ অধীনত ৰাজ্যখনত ভাঙি পৰা সাম্প্ৰতিক আইন শৃংখলাৰ বিষয়টো গুৰুত্বসহকাৰে আলোচনাৰ কৰাৰ বাবে বিধান সভাৰ সকলো কাৰ্য্যসূচী বাতিল কৰি সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিছো । কাৰণ কথাটো হৈছে ছাৰ বিগত কিছুদিন ধৰি আমাৰ ৰাজ্যখন উত্তাল হৈ আছে । ১৫ আগষ্টৰ আগে আগে আমি ৰাজ্যখনত দেখা পালো আলফাই পঁছিশটা বোমা সংস্থাপন কৰিছে বিভিন্ন ঠাইত। বোমাবোৰ নুফুটিল আলফাই নুফুটালে। মোৰ এনেকুৱা অনুভৱ হৈছে যে আমাৰ গৃহ বিভাগে বোমা পঁছিশটা সংস্থাপিত কৰি গুচি গ'ল কোনোৱে গমকে নাপালে । পিছত যেতিয়া গম পালো তেতিয়া হাহাকাৰ কাণ্ড হ'ল । মই আটাইটকৈ উদ্বিগ্নতা প্ৰকাশ কৰিছো মুখ্যমন্ত্ৰীৰ বাসগৃহৰ পঁছিশ মিটাৰৰ ভিতৰত বোমা সংস্থাপিত কৰিছে । বিয়াগোম এটা পুলিচ বিভাগ থকা স্বত্বেও, চোৰাংচোৱা বিভাগ থকা স্বতেও আমাৰ মুখ্যমন্ত্ৰী গৰাকীৰ নিৰাপত্তা কেনেকৈ বিঘ্নিত কৰিব পাৰিল হেতেন যদিহে বোমাটো ফুটিলে হেঁতেন। এইটো আটাইতকৈ বিপদৰ কথা কাৰণ আমি ৰাজ্যখনৰ মুখ্যমন্ত্ৰীক অসুৰক্ষিত ৰাখিবলৈ ৰাজ্যৰ জনসাধাৰণে ৰাজী নহয়। অন্যান্য ক্ষেত্ৰতো সেই একেই হৈছে । মহিলাৰ ক্ষেত্ৰত যিবিলাক ঘটনা ঘটিছে সেইবিলাকত উদ্বিগ্নতা প্ৰকাশ কৰিছো । আমাৰ ৰাজ্যখনত এতিয়া জুলাই মাহলৈকে এন চি আৰ বিয়ে যিটো ৰিপোৰ্ট দিছে সেই ৰিপোৰ্ট মতে ৫৮০ টা মহিলাৰ ওপৰত নিৰ্যাতনৰ ঘটনা ঘটিছে আৰু এন চি আৰ বি ৰ

২০১৯ চনৰ প্ৰতিবেদন মতে অসমত যিটো হাৰ বহু ৰাজ্যতকৈ ওপৰত আছে । অসম আছে ১০.৫ শতাংশ হাৰত । আনকি বিহাৰৰ নিচিনা ৰাজ্যত আমি যি এটা সময়ত বিহাৰৰ কথা কৈ হাহিছিলো তাত মহিলা নিৰ্যাতনৰ ঘটনা ঘটিছে ১.৩ শতাংশ । কিন্তু ৰাজস্থান সকলোতকৈ বেছি ১৫.৯ শতাংশ অৰশ্যে। অন্ধ্ৰপ্ৰদেশত ৪.২ শতাংশ, জম্মু-কাশ্মীৰত ৩.৫ শতাংশ, কৰ্নাটকা ১.৬ শতাংশ, মহাৰাষ্ট্ৰ ৩.৯ শতাংশ, কেৰেলা ১১.১ শতাংশ। আমাৰ ৰাজ্যখনত কেনেধৰণে মহিলা অসুৰক্ষিত হৈ পৰিছে । ৫৮০ টা ঘটনা ঘটিছে । এই ঘটনাক লৈ পৰৱৰ্ত্তী সময়ত যিবিলাক ঘটনা ঘটিছে এই বিলাক খুব উদ্বিগ্নতাৰ বিষয়, আইন-শৃংখলাৰ বিষয় । আমি দেখিছো কিছু সংগঠনে আইন নিজৰ হাতত তুলি লৈছে । সাত দিনত ন'টিচ জাৰি কৰিব, মানুহ যাব লাগিব, ক্ষমা খুজিব লাগিব। এই ধৰণে কৰাৰ ফলত গোটেই ৰাজ্যখনত অৰাজক অৱস্থাৰ সৃষ্টি হৈছে যে মানুহ শংকিত হৈ পৰিছে । পৰিয়ালৰ ছোৱালী-বোৱাৰী বাহিৰত ওলাই যাব পৰা নাই । কিন্তু এনেকুৱা সময়তে এটা এনেকুৱা কথা চলি আছে কোনো গোষ্ঠীয়ে গোষ্ঠীৰ ওপৰত বলৎকাৰ কৰিলে বিৰাট ডাঙৰ বিষয় কিন্তু যেতিয়া নিজস্ব গোষ্ঠিৰ ভিতৰতে বলৎকাৰ কৰে বলৎকাৰৰ ঘটনা ক্ৰমাগত ভাবে বৃদ্ধি পাই আছে । আমি যদি উদ্বিগ্নতা যদি প্ৰকাশ নকৰো ৰাজ্যখনত আমি মহিলা সকলক নিৰাপত্তা দিব নোৱাৰিম । সেই কাৰণে আমি এই বিষয়ত গুৰুত্বসহকাৰে আলোচনা কৰাৰ দৰকাৰ। মই পুনৰ দোহাৰিছো মুখ্যমন্ত্ৰীৰ বাসগৃহৰ পঁছিশ মিটাৰ দুৰত্বত বোমা সংস্থাপিত কৰা বিষয়টো গুৰুত্বসহকাৰে লওঁক আৰু যিটোত আমাৰ পুলিচ বিভাগ চোৰাংচোৰা বিভাগ, আছে সেইটো চুড়ান্তভাবে ব্যৰ্থ হৈছে । প্ৰয়োজন হ'লে পুলিচ বিভাগ নতুনকৈ সজাওক, আমাৰ ৰাজ্যখন ৰক্ষা কৰক ।

**মাননীয় অধ্যক্ষ ঃ** ৰফিকুল ইছলম।

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্যপৰিচালনা **৫৬** নং বিধি অনুসৰি বিধান সভাৰ সকলো কাম-কাজ স্থগিত ৰাখি আমি যি বিষয় উত্থাপন কৰিছো সেই বিষয়ত আলোচনা কৰা হওঁক। অধ্যক্ষ মহোদয়, বহুতো গুৰুত্বপুৰ্ণ বিষয় আপোনাক অৱগত কৰিছো। The matter is very urgent and of public importance উজনি অসমত যিটো ঘটনা ঘটিছে অধ্যক্ষ মহোদয়, নিৰ্দিষ্ট শ্ৰেণীৰ ক্ষুদ্ৰ ব্যৱসায়ী আৰু শ্ৰমিক সকলৰ ওপৰত সকলো ধৰণৰ নিৰ্যাতন বন্ধ কৰা হওঁক আৰু অসমৰ শান্তি শৃংখলা পৰিস্থিতি সুস্থিৰ কৰিবলৈ চৰকাৰে তৎপৰতা অৱলম্বন কৰক । এই বিষয়টো আমি আপোনাৰ দৃষ্টিগোচৰ কৰিছো। আমি লক্ষ্য কৰিছো আমাৰ ৰাজ্য খন নামনি, উজনি, বৰাক-ব্ৰহ্মপুত্ৰ মিলি হৈছে অসম। গতিকে তিনি কোটি চল্লিশ লাখ জনসংখ্যাৰ অসম। মাননীয় মুখ্যমন্ত্ৰী গোটেই ৰাজ্যৰ মুৰব্বী। গতিকে ৰাজ্যখনৰ কোনো এজন নাগৰিকৰ ওপৰত যদি নিৰ্যাতন হৈছে মই ভাবো মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰথম দৃষ্টিত পদক্ষেপ ল'ব লাগিব । মাননীয় অধ্যক্ষ মহোদয়, উজনি অসমত যি সকল ব্যক্তি আছে, হাজাৰ হাজাৰ মানুহে ক্ষুদ্ৰ ব্যৱসায় বা সকলে সৰু সৰু কাম কৰে তেখেত সকল অসমৰে, মুখ্যত ভাৰতীয় নাগৰিক হয় । প্ৰত্যেকৰ হাতত তেখেত সকলৰ ৰেকৰ্ড আছে। ভোটাৰ আই ডি আছে, আধাৰ কাৰ্ড আছে, তেখেত সকলৰ মা-দেউতাৰ ১৯৫১ এন আৰ চিত নাম আছে । গতিকে এই ভাৰতীয় নাগৰিক সকলক ভাড়াতীয়া ঘৰৰ মালিকৰ তাত গৈ ভয় ভাবুকি দিয়া হৈছে । তেখেত সকলক ultimatum দি থকা হৈছে, কিছুমান সংগঠনৰ কিছুমান মুৰব্বীয়ে খোলা-খুলিকৈ কৈছে যে আমি গুণ্ডা টেক্স ল'মৈই। নাগালেণ্ড আৰু ওচৰীয়া ৰাজ্যবিলাকত যদি ল'ব পাৰে আমি কিয় নোৱাৰিম এনেকুৱা ধৰণৰ কথাও খোলাকৈ কৈছে। কিন্তু মই ভাৰো আমাৰ ৰাজ্যখন এতিয়াও ইমান দুৰ্বল হৈ যোৱা

নাই যে এটা ৰাতিৰ ভিতৰত লাখ লাখ মানুহ অসমত আহি ক'ৰবাত বাহৰ পাতিব, ভাড়া ঘৰ ল'ব, কাম বিচাৰিব, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ বিভাগৰ ৰাস্তাত বনুৱা হিচাপে কাম কৰিব, এনেকুৰা ধৰণৰ দুৰ্বল ৰাজ্য এতিয়ালৈকে আমাৰ হোৱা নাই। যদি হোৱা নাই, তেতিয়া হ'লে এইসকল ব্যক্তিৰ ওপৰত কিয় এই নিৰ্যাতন কৰা হৈ আছে, সেই সম্পৰ্কত আজি সদনৰ সকলো ধৰণৰ কাম বন্ধ ৰাখি আপোনাৰ দৃষ্টিগোচৰ কৰিছো । অসমত অসমীয়াই জনগণ। এখন নিৰ্বাচিত চৰকাৰৰ মূল দায়িত্ব এইটোৱেই হয় যে যিসকল নদীপৰীয়া মানুহ, ভূমিহীন মানুহ, তেওঁলোকৰ সংস্থাপনৰ ব্যৱস্থা কৰা। আজি যদি তেখেতসকলৰ সংস্থাপনৰ ব্যৱস্থা হ'লহেঁতেন, তেন্তে এইসকলে হয়তো নিজৰ ৰাজ্যত এখন জিলাৰ পৰা আন এখন জিলালৈ যাব লগীয়া নহ'লহেঁতেন। কিন্তু, এইটো মানুহৰ প্ৰকৃতি। আজি বিহাৰ, উত্তৰ প্ৰদেশৰ লাখ লাখ মানুহ মুম্বাই, দিল্লীত কাম কৰি আছে। আজি আমাৰ অসমতো আহিছে, আগলৈও আহিব,তেওঁলোকৰ অধিকাৰ আছে। গতিকে, অসমৰ অসমীয়াসকলে নিজৰ ৰাজ্যতে এখন জিলাৰ পৰা আন এখন জিলালৈ গ'লেই 'সন্দেহযুক্ত' শব্দটো প্ৰয়োগ কৰে। এই শব্দটোৱেই সন্দেহযুক্ত হয় ......interruptions.....

**মাননীয় অধ্যক্ষ ঃ** হ'ব। শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীসকল ......interruptions.....

**ড° ৰফিকুল ইছলাম (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছো যাতে এই মানুহখিনিক নিৰ্যাতন কৰা নহয়। সভাৰ সকলো কাম ভংগ কৰি এই মানুহখিনিৰ নিৰাপত্তা নিশ্চিত কৰাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আজি সদনৰ পৰা মেছেজ দিব লাগে যে যিসকলে তেওঁলোকক উৎপীড়ন কৰি আছে, অত্যাচাৰ কৰি আছে, তেনে ধৰণৰ পৰিৱেশ যাতে অসমত আৰু নহয়। অসমৰ শান্তি বিঘ্নিত কৰাৰ কাৰণে কোনেও যাতে প্ৰচেষ্টা নকৰে এই বিষয়ে আলোচনা হ'ব লাগে তাৰ বাবে মই অনুৰোধ কৰিছো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৫৬ অনুসৰি- ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ অধিক অৱনতি ঘটিছে। ফলত, সৰ্ব সাধাৰণ ৰাইজক নিৰাপত্তা দিয়াত চৰকাৰ ব্যৰ্থ হৈছে -এই সন্দৰ্ভত সদনৰ সকলো কাৰ্য্য বাতিল কৰি আজি এক আলোচনা বিচাৰিছো। মহোদয়, মই কেইটামান তথ্য উল্লেখ কৰিব লাগিব, যিহেতু এইটো ৰাজ্যিক বিষয়, গতিকে আপুনি অনুমতি দিব বুলি ভাৰিছো। বিগত এটা সপ্তাহত ২০ জুনৰ পৰা ২৭ জুনৰ ভিতৰত ৰাজ্যখনত ২৫ টা বিভিন্ন ধৰণৰ কাণ্ড হৈছিল। ইয়াৰ ভিতৰত ঢকুৱাখনাৰ এটা হত্যাকাণ্ড, যিটো বিষয়ত সুনীল গগৈ নে জাহাংগীৰ হুছেইন তাৰ তথ্য এতিয়াও ওলোৱা নাই। ঠিক তেনেকৈ জালুকবাৰীত এজন ব্যক্তিয়ে এটি ১০ বছৰীয়া শিশুক যৌন নিৰ্যাতন কৰিছিল। লাওখোৱা অভয়াৰণ্যত মাছ মাৰিবলৈ যাওঁতে দুজন ভাতৃক গুলীয়াই হত্যা কৰা হৈছিল। লাহোৱালত এজন কনিষ্ঠ ভাতৃৰ সহযোগত পিতৃ মনোজ আৰু তেওঁৰ মাতৃয়ে জ্যেষ্ঠ ভাতৃক ঘপিয়াই হত্যা কৰিছিল। এনেকুৰা ধৰণৰ আন ঘটনা সমূহ ক্ৰমে- যোগীঘোপাত ১৩ বছৰীয়া ছাত্ৰীৰ ৰহস্যজনক মৃত্যু। কাছাৰৰ লক্ষীপুৰত এটা এনকাউণ্টাৰ। গোৱালপাৰাৰ বগুৱানত বোৱাৰীক হত্যা কৰি পুখুৰীত পেলাই দিয়া হৈছিল। হাজোৰ দামপুৰত ২৩ জুনৰ নিশা ৰাজপথৰ পৰা অপহৰণ কৰি যুৱকক হত্যা কৰাৰ চেষ্টা। ঠিক তেনেকৈ শিৱসাগৰ জিলা সদৰ থানাৰ সমীপত মোবাইল ফোন চুৰিক কেন্দ্ৰ কৰি এজনক আক্ৰমণ কৰিলে এজন গোৱালা উপাধিৰ ব্যক্তিয়ে, নিহত হৈছিল যুৱক। সুৰাৰ নিচাত মত্ত হৈ কোকৰাঝাৰ জিলাৰ নিউ আমগুৰিত বন্ধু বগা

বসুমতাৰীয়ে চোকা অস্ত্ৰৰে হানি-খুচি নিজৰ বন্ধুক হত্যা কৰিছিল। গুৱাহাটীৰ কাহিলীপাৰাৰ ভাড়াঘৰত দুই সন্তানৰ সন্মুখত মাতৃয়ে প্ৰেমিক তথা বিজেপি নেতা এজনৰ সৈতে মিলি এজন চি.আৰ.পি.এফ জোৱান দিতুমণি হালৈৰ হত্যা কৰিছিল। মাজবাটৰ পিছত ঢেকীয়াজুলিৰ অৰুণ চাহ-বাগিচাত টিউচনৰ পৰা উভটি অহা দশম শ্ৰেণীৰ এগৰাকী ছাত্ৰীক বলাৎকাৰ। হোজাই জিলাৰ ডবকাত ৰহস্যজনক অৱস্থাত উদ্ধাৰ বোৱাৰীৰ মৃতদেহ। কোকৰাঝাৰৰ হাতীমাঘাত ড্ৰাগ্‌ছ ক্ৰয়ৰ বাবে ধন নোপোৱাৰ বাবে মাতৃক হত্যা। সৰ্থেবাৰীৰ এৰাগাঁৱত এগৰাকী বোৱাৰীৰ ৰহস্যজনক মৃত্যু। গোলাঘাটৰ কলেজ তিনিআলিত অগ্নিদগ্ধ হৈ এগৰাকী বোৱাৰীৰ মৃত্যু। কোকৰাঝাৰত বেংকত এল.আই.চি.ৰ ধন জমা দিবলৈ যাওঁতেই লুটি নিলে প্ৰায় ৩৪ লাখ টকা। বশিষ্ঠত ৰক্ষকেই ভক্ষকৰ ৰূপত। তিনি সুৰামত্ত আৰক্ষী বিষয়াই এজন মানসিকভাৱে বাধাগ্ৰস্ত যুৱকক আক্ৰমণ কৰিছিল আৰু চাৰিজন গুৰুতৰভাৱে আহত হৈছিল। বঙাইগাওঁত বাইকত অহা পিষ্টলধাৰী দুৰ্বৃত্তই তিনিআলি চ'কত দিন দুপৰতে গুলীয়াই হত্যা কৰিছিল গাওঁ পঞ্চায়তৰ সচিব চন্দ্ৰকান্ত দাসক। মৰিয়নীত পত্নীৰ দাৰ ঘাপত প্ৰাণ গ'ল স্বামীৰ। নলবাৰীৰ দাহুদীত পুত্ৰ-বোৱাৰীৰ নিৰ্যাতনত অতিষ্ঠ মহিলাৰ জুই লগাই আত্মহননৰ চেষ্টা। মানকাছাৰত একেদিনাই উদ্ধাৰ দুগৰাকী বোৱাৰীৰ মৃতদেহ। এইবিলাক হ'ল এসপ্তাহৰ ঘটনা। ঠিক তেনেকৈ, "২০২৪ চনৰ জানুৱাৰীৰ পৰা জুলাই মাহলৈকে ৫০০ ৰো অধিক হত্যাকাণ্ড; তথাপিও অসম শান্তিময় নে" বুলি এটা তথ্য প্ৰকাশ পাইছে অসম বিধান সভাৰ তথ্যৰ ভিত্তিত। বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই কথা অসম চৰকাৰে ফাদিল কৰিছে। সৰ্বাধিক হত্যাকাণ্ড সংঘটিত হৈছে নগাওঁ আৰু কামৰূপ মহানগৰ জিলাত, ৩৬ টাকৈ হত্যাৰ ঘটনা দুয়োখন জিলাত হৈছে। অসমৰ বিভিন্ন জিলাত হত্যা চুৰিৰ ঘটনা হৈছে। চুৰি ঘটনাত দ্বিতীয় স্থানত কাছাৰ আছে। মহোদয়, 'অসমত এতিয়া আইন-শৃংখলা বুলি একো নাই' বুলি আছুৰ সভাপতিয়ে ধিঙৰ ঘটনাটোৰ পিছত কৈছে। মহোদয়, মৌলানাৰ পৰা পূজাৰীলৈ, শিক্ষকৰ পৰা ব্যৱসায়ীলৈ ৰাজ্যত ২৪ ঘণ্টাত ১২ টাতকৈ অধিক ধৰ্ষণৰ ঘটনা হৈছে। ইয়াৰ পূৰ্বে আমি যদি চাওঁ, কেতবোৰ ঘটনাৰ কেতবোৰ background থাকে। তাৰ ভিতৰত মই ক'ব লাগিব যে এটা সময়ত গুৱাহাটীত শাক-পাচলিৰ দাম যেতিয়া বৃদ্ধি পাইছিল, তেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে মিঞাসকলে ইয়াৰ দাম বৃদ্ধি কৰিছে। খিলঞ্জীয়া ল'ৰা আহি ইয়াত বজাৰ মেলিব লাগে, বয়- বস্তুৰ দাম কমিব। আজি কেইদিনমান আগতে কেতবোৰ অনা অসমীয়া ব্যৱসায়ী শিৱসাগৰত আঠু কাঢ়িবলগীয়া ঘটনা হৈছে। দুজন বা তিনিজন দুষ্কৃতিকাৰীৰ ওপৰত আৰক্ষীয়ে যথা সময়ত যাৱতীয় শাস্তিমূলক ব্যৱস্থা নোলোৱাৰ বাবে গোটেই সমাজখন, প্ৰায় ৩০টা সংগঠন আগবাঢ়ি আহিছে। মহোদয়, এই বিধান সভাত এটা প্ৰশ্নৰ উত্তৰত কোৱা নহ'ল যে খিলঞ্জীয়াৰ সংজ্ঞা দিব নালাগে। ৫-৬ নং দফাক লৈ চৰকাৰখনে যিখিনি কৰিব লাগে সেইখিনি এতিয়াও কৰা নাই। অসমত কোনো ধৰণৰ বিৰোধী দলৰ প্ৰয়োজন নাই বুলি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদন চলি থকা কালতে উল্লেখ কৰিছিল। এই ঘটনাবিলাকৰ কাৰণে এটা আলোচনাৰ দৰকাৰ । যদি বিৰোধীয়ে এইবিলাক আলোচনা নকৰে, ৰাজ্যখনত যি সাংবিধানিক দায়বদ্ধতা, সেইখিনি নাহিব। সেইকাৰণে আমি এই কথাখিনি আলোচনা হোৱাটো বিচাৰো। শেহতীয়াকৈ মোৰ সমষ্টিত এটা চৰকাৰী প্ৰজেক্টত কাম কৰি থকা বৰপেটা জিলাৰ কেইবাজনো শ্ৰমিকক, শিৱসাগৰত এনেকুৱা কিছুমান ঘটনা হৈ থকাৰ পিছত ৰাতি তেওঁলোকক মাৰ-পিট কৰা হ'ল আৰু তেওঁলোকে তাৰ পৰা গুছি আহি থানাত গোচৰ দিছে। তেওঁলোক ভাৰতীয় নাগৰিক। এখন জিলাৰ পৰা অন্য এখন জিলালৈ যোৱাত আমি যদি নিৰাপত্তা দিব নোৱাৰো আমাৰ বহুত অসুবিধা হ'ব। আজি উজনিৰ

শিৱসাগৰৰ মানুহ আহি ধুবুৰীত কাম কৰিছে, ক'ৰবাত কাম কৰিছে, আমি গুৱাহাটীত আহি ঘৰ-বাৰী কৰি ১৯৮৫ চনৰ পৰা আছো। এইবিলাক আমাৰ ৰাজ্যখনৰ আইন-শৃংখলাৰ ব্যৱস্থা, নিৰাপত্তাৰ কথা, সেই গতিকে ইয়াৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লৈছে সেই বিষয়ত আলোচনাৰ প্ৰয়োজন। যোৱাকালি মুখ্যমন্ত্ৰীয়ে যোৱা সময়ছোৱাত ৪০ হাজাৰ ধৰ্ষণ হোৱা বুলি কৈছে। মই তথ্য চাইছিলো, ১৫ বছৰীয়া কংগ্ৰেছৰ শাসনকালত দৈনিক প্ৰায় ৪টাকৈ ধৰ্ষণ কাণ্ড হৈছিল। এতিয়া ৯ বছৰৰ বিজেপি শাসনকালত দৈনিক ৫.৫ অৰ্থাৎ প্ৰায় ৬ টাকৈ হৈ আছে। গতিকে, আইন শৃংখলাটো অতি গুৰুত্বপূৰ্ণ ৰাজ্যিক বিষয়। ইয়াৰ কাৰণে এটা সমাধান উলিয়াব লাগে আৰু তাৰ বাবে এটা আলোচনাৰ অনুভৱ কৰি মই আপোনাক প্ৰস্তাৱ দিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** শ্ৰদ্ধেয় অধ্যক্ষ ডাঙৰীয়া, মোৰ সভা স্থগিত প্ৰস্তাৱটো আছিল যে- যোৱা ২২ আগষ্ট তাৰিখৰ দিনা নগাওঁ জিলাৰ ধিঙত এগৰাকী দশম শ্ৰেণীৰ ছাত্ৰীক দলবদ্ধ ধৰ্ষণ কৰা হৈছিল আৰু সেই ছাত্ৰীগৰাকী এতিয়াও নগাওঁ চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। তেওঁৰ মানসিক অৱস্থা খুব বেয়া। আমি যেতিয়া পৰিয়ালৰ লগত কথা পাতিছিলো, তেওঁলোক সাংঘাতিক ধৰণে উদ্বিগ্ন হৈ আছে। সেই দলবদ্ধ ধৰ্ষণটোৰ পাছতে দেখা গ'ল যে এতিয়া অসমত চাৰিওফালে এটা অস্থিৰ পৰিৱেশ গঢ়ি উঠিছে। আমি দেখিছো যে এই দলবদ্ধ ধৰ্ষণটোৰ বিৰুদ্ধে সাংঘাতিক ধৰণে এটা narrative তৈয়াৰ কৰা হৈছে। এই narrative ৰ বিষয়ে অলপ আগতে আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই ক'লে যে FIR কপিখনত আচামী হিচাপে ময়ুৰ বৰগোঁহাই আছে। FIR খনৰ এটা কপি মোৰ লগতো আছে। পিতা বিপিন বৰগোঁহাই, নাজিৰা বালিঘাট, শিমলুগুৰিৰ। তেখেত হ'ল শিৱসাগৰৰ বিজেপি দলৰ সভাপতি আৰু আমাৰ বিৰোধী পক্ষৰ নেতাৰ বিৰুদ্ধে যোৱাবাৰ contest কৰা মানুহজন। সেই ময়ুৰ বৰগোঁহাই নামৰ মানুহজনে ৰাতি ১০ঃ৩০ বজাত তেওঁৰ তাত নিজেই কাম কৰিবলৈ লৈ যোৱা ১৩ গৰাকী শ্ৰমিকক লেঙিবৰ গাওঁ পঞ্চায়তৰ এটা Skill Development ৰ ১০ কোটি টকাৰ CM signature project ৰ কামত খটুৱাইছিল। তেওঁলোকক ১৫ লাখ টকা দিবলৈ বাকী আছিল। তেওঁ পইচাটো নিদি সেই শ্ৰমিকবিলাকক ৰাতি মাৰ-পিট কৰি তাৰ পৰা খেদি দিছে আৰু তাৰ ভিডিঅ' উলিয়াই ভাইৰেল কৰিছে। এই ঘটনাবিলাকৰ বাবে এতিয়া উজনি-নামনি সকলোতে এটা সাংঘাতিক পৰিস্থিতিৰ সৃষ্টি হৈছে। বৰপেটা থানাত এজাহাৰ এখন দিছে, কিন্তু এতিয়া পৰ্য্যন্ত সেইখন ৰেজিষ্টাৰ কৰি দিয়া নাই। OC কুশেশ্বৰ নাথক বাৰম্বাৰ কৈ থকাৰ পাছতো তেওঁ এই এজাহাৰখন এতিয়ালৈকে কৰি দিয়া নাই। অৰ্থাৎ দুটা ঘটনা দেখা গৈছে। প্ৰথম, চৰকাৰে নাৰী নিৰ্যাতন বন্ধ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। দেখা গৈছে যে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দিনত দৈনিক ৰাজ্যখনত ৩.৫৪ গৰাকী মহিলা ধৰ্ষণ হৈছে, অৰ্থাৎ দৈনিক ধৰ্ষণ হোৱা হাৰ ৩.৫। আমি দেখিবলৈ পাইছো যে এই ধৰ্ষণ কাণ্ড সঁচাকৈয়ে চৰকাৰখনে এতিয়ালৈকে বন্ধ কৰিব পৰা নাই। সাংবাদিকে যেতিয়া কৈছে যে এই ধৰ্ষণ কাণ্ডৰ বিৰুদ্ধে কঠোৰ আইন হ'ব লাগে, মুখ্যমন্ত্ৰীয়ে কৈছে যে আইন নালাগে, পুলিচৰ হাতত বন্দুক আছে। তাৰ পিছত দেখিবলৈ পোৱা গৈছে যে তেওঁলোকে অকল এনকাউণ্টাৰ কৰে আৰু চাৰিওফালে এইটোক লৈ এটা সাম্প্ৰদায়িক ৰাজনীতি তৈয়াৰ কৰে। মুঠতে, আজিৰ দিনটোত অসমৰ আইন শৃংখলা পৰিস্থিতি সাংঘাতিক বেয়া। সাংবাদিকে যেতিয়া কৈছে যে এই ধৰ্ষণ কাণ্ডৰ বিৰুদ্ধে কঠোৰ আইন হ'ব লাগে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে আইন নালাগে, পুলিচৰ হাতত বন্দুক আছে। তাৰ পিছত দেখা গৈছে যে তেওঁলোকে কেৱল এনকাউন্টাৰ কৰে

আৰু চাৰিওফালে এইটোক লৈ এটা সাম্প্ৰদায়িক ৰাজনীতি তৈয়াৰ কৰে। মুঠতে আজিৰ দিনটোত অসমৰ আইন-শৃংখলা পৰিস্থিতি সাংঘাতিক বেয়া। অসমৰ গৃহ মন্ত্ৰী ব্যৰ্থ হৈছে, অসমৰ গৃহমন্ত্ৰী তথা মুখ্যমন্ত্ৰীয়ে এইকাৰণে পদত্যাগ কৰিব লাগে। তেখেত বহুত বিভাগৰ দায়িত্বত থাকে তেখেত অসমত নাথাকে, বাহিৰত থাকে সেইকাৰণে তেওঁ বিভাগ চলাব পৰা নাই. গৃহমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰিব লাগে আৰু অসমৰ এই যি আইন-শৃংখলা পৰিস্থিতি, এই আইন শৃঙ্খলা পৰিস্থিতি কঠোৰ হাতেৰে নিয়ন্ত্ৰণ কৰিব লাগে। কোনোপধ্যে আমাৰ জীয়ৰী-বোৱাৰীৰ ওপৰত হোৱা অত্যাচাৰ আমি চাই থাকিব নোৱাৰো। ধিঙৰ যিটো ধৰ্ষণৰ ঘটনা তাৰ ৰাইজে বহুত ভয় খাই আছে। যিখন গাৱত এই ঘটনা সংঘটিত হৈছে তাত দুটা কেম্প লাগে। শ্বহীদ ধ্ৰুবজ্যোতি হাইস্কুলৰ কাষত আৰু বৰভেটী ৰিজাৰ্ভৰ কাষত এটা পুলিচৰ কেম্প লাগে। এই দুটা তেওঁলোকৰ ৰাইজৰ দাবী আৰু লগতে দুজন অপৰাধী এতিয়াও ধৰা পৰা নাই। তেওঁলোকক ধৰিব লাগে আৰু আইন মতে তেওঁলোকক শাস্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইটো ৰাইজৰ দাবী। গতিকে এই মুহুৰ্ত্তত অসমৰ আইন শৃঙ্খলাৰ যি পৰিস্থিতি হৈছে ইয়াক হয় নিয়ন্ত্ৰণ কৰিব লাগে নহ'লে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গৃহমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সভা স্থগিত প্ৰস্তাৱৰ ওপৰত সন্মানীয় অধ্যক্ষ মহোদয়ে সিদ্ধান্ত ল'ব মই এই বিষয়ে একো ক'ব নাযাওঁ। মই কেৱল পৰিস্থিতিৰ এটা সম্যক ধাৰণা দিছো। বিধান সভাত তথ্য বিলাক ক'ৰ পৰা কেনেকৈ code কৰা হয় মই নাজানো। এটা ধৰ্ষণৰ ঘটনাও আমাৰ বাবে স্বীকাৰ্য্য নহয়। কিন্তু population বৃদ্ধি আৰু ধৰ্ষণৰ গোচৰ এই গোটেই বিলাক যদি আমি সম্যক ভাৱে বিশ্লেষণ কৰো তেতিয়া হ'লে বৰ্তমান আগৰ বহুত কেইখন চৰকাৰৰ তুলনাত অসমত অপৰাধীৰ সংখ্যা কমি গৈ আছে আৰু সেইকাৰণে NCRB(National Crime Records Bureau) ৰ যোৱা ৩-৪ বছৰৰ ডাটাৰ ওপৰত সদনত কেতিয়াবা আলোচনা হওঁক মোৰ কোনো আপত্তি নাই। মই খালী সৰু এটা কথা কৈছো যে ২০১৪ চনত তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী থকাৰ সময়ত অসমত ধৰ্ষণৰ ঘটনা ১৯৮০ টা হৈছিল আৰু যোৱা বছৰত ৯৮৯ টা হৈছে। এতিয়া মই তাত কোনো ক্ৰেডিট ল'ব খোজা নাই। কাৰণ ৯৮৯ টা

.................................

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** কিন্তু আমাক বিধান সভাত ১০৪০ টা হৈছে বুলি তথ্য দি থোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। তেখেতক উত্তৰটো দি ল'বলৈ দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে কথা কৈ থাকোতে মই এবাৰো উঠা নাই। আমি বিধান সভাত এটা মৰ্য্যদাত কথা কওঁ। ধৰি ললো ১০৪০ টা, তথাপিতো মাননীয় অধ্যক্ষ মহোদয়, ২০১৪ চনৰ তুলনাত কম হৈ আছে। Population ও বাঢ়িছে। কিন্তু টো কথা ঠিক যে এটা অপৰাধীৰ সংখ্যাও আমাৰ কাৰণে গ্ৰহণ যোগ্য নহয়। গতিকে ধৰ্ষণৰ ক্ষেত্ৰত মই PWD ৰ ৰাস্তাৰ লগত compare নকৰো। এগৰাকীও যদি ধৰ্ষিতা হৈছে সেইটো আমাৰ সমাজৰ বাবে দুখৰ কথা। কিন্তু যিধৰণে ইয়াত statistics টো দিয়া হৈছে তেনেকৈ নহয়, যদি পৰিসংখ্যাৰ ওপৰত ডিবেট হয় তেতিয়াহ'লে আপোনালোকেটো মোক মালা পিন্ধাব লাগিব। যোৱা দুবছৰত NCRB(National Crime Records Bureau) ৰ ডাটাৰ ওপৰত যদি ইয়াত কেতিয়াবা আলোচনা হয় তাত মোৰ কোনো আপত্তি নাই। অহা কালিও এটা

short motion দি দিয়ক যোৱা তিনি বছৰৰ ডাটাটো ইয়াৰ পৰা মই ও manipulate কৰিব নোৱাৰো। It is a official Data. এতিয়া বিহাৰৰ লগত তুলনা কৰে। তিনি বছৰত অসমৰ মুখ্যমন্ত্ৰীয়ে চমৎকাৰ কৰিব নোৱাৰে কিন্তু improvement কৰিব পাৰে। গতিকে যোৱা ১০ বছৰত আমি কৰা improvement খিনি আৰু তাৰ আগৰ improvement খিনি আপোনালোকে ইয়াত আনক। আমি আলোচনা কৰিম, আলোচনা কৰাত কোনো আপত্তি নাই। কিন্তু আধা পৰিসংখ্যা বিলাক দি থাকিব নালাগে। পৰিসংখ্যা দিলে গোটেইটোৱে দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, ঘটনাবোৰ কেনেকৈ হয়, যেতিয়া শিৱসাগৰত প্ৰথম মাৰোৱাৰী মানুহখিনিৰ ওপৰত অত্যাচাৰ বা এটা সমালোচনা হ'ল তেতিয়া মই মাননীয় মন্ত্ৰী শ্ৰীৰণোজ পেগু ডাঙৰীয়াক পঠালো যে আপুনি সমস্যাটো সমাধান কৰি আহক। এতিয়া বিৰোধী দলৰ দলপতি গৰাকীয়ে ক'লে যে গোটেই সমাজখনৰ ওচৰত আঠু কঢ়াই দিলে। এইটো তথ্য ভিত্তিত হয় জানো? কোনেও টো কাকো আঠু কঢ়োৱা নাই। মাননীয় মন্ত্ৰী শ্ৰীৰণোজ পেগু ডাঙৰীয়া ও উপস্থিত আছে। তেওঁলোকে ঘৰৰ পৰা শৰাই এখন লৈ আহিছে আৰু আমি সমাজখনৰ ওচৰত আঠু কাঢ়িম। আঠু কঢ়োৱাই দিয়া ................................

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** কিন্তু সেইটোৰ কাৰণে এতিয়া ২৭ টা সংগঠনক নটিচ দিয়া হৈছে।

.................................সদনত হুলস্থুল.........................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছো যে মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াক আৰু পাঁচ মিনিট সময় দি দিয়ক আৰু তেওঁৰ ক'ব লগীয়া কথাখিনি কৈ লওঁক।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য আপুনি আগতে কথাখিনি শুনি লওঁক। প্ৰত্যেকটো কথাতে আপুনি কিয় মাত মাতি থাকে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত প্ৰত্যেকটো শব্দৰ বিশ্লেষণ চাব। বিৰোধী দলৰ দলপতি ডাঙৰীয়াই ক'লে যে আমি মাৰোৱাৰী সমাজখনক সমাজৰ আগত আঠু কঢ়োৱাই দিলো। Exact সেই শব্দটোৱে কৈছে, যদি আমি মাইকত চাওঁ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশাসনে তাত থিয় হৈ মাৰোৱাৰী সমাজৰ জ্যেষ্ঠ সকলক এটা ব্যৱস্থা কৰি দিছে। বক্তব্য খিনি আপুনি শুনিব আৰু ৩০ টা সংগঠনৰ বক্তব্যৰ ভিত্তিত এইখিনি কথা কোৱা হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ মানে ৩০ টা সংগঠনক বিৰোধী দলৰ দলপতিয়ে তেওঁলোকৰ বক্তব্যৰ কাৰণে সমালোচনা কৰিছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই সেইটো কথা কোৱা নাই। মই যিখিনি কথা কৈছো, মোৰ কথাখিনি আপুনি শুনি লওঁক। সমস্যাটো হৈছে যে খিলঞ্জীয়াৰ সংজ্ঞা ২২ তাৰিখৰ দিনাৰ কনচেপ্ত এই বিধান সভাত দিব নালাগে। Confusion থাকিলে নিজৰ মতে twist কৰি থাকিব পাৰি। পানী half full glass আৰু half empty glass মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেইটোৱেই কৰিব বিচাৰিছে। যিখিনি সমস্যাৰ সমাধান কৰিব পাৰি সেইখিনি কৰিবলৈ তেওঁ যত্ন কৰা নাই। কেৱল কথাৰে twist কৰি কথাখিনি কৈ আছে। সেই দোষী কেইজনক কিয় শাস্তি দিয়া নহ'ল? আৰক্ষী ইমান বিফল নে? তিনিজন ল'ৰাক কিয় এৰেষ্ট কৰা নহ'ল? আমি ইচ্ছুটো আনিছিলো আইন শৃঙ্খলাৰ ওপৰত। আঠু কঢ়োৱাটোৰ ওপৰত

নহয়। চৰকাৰে নিয়ম অনুসৰি আইন-শৃংখলা ৰক্ষা কৰাত বিফল হৈছে।

.....................................সদনত হুলস্থুল.....................................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলপতি গৰাকীয়ে যেনেকৈ কথা twist কৰিছে, আমিতো আপত্তি কৰা নাই। সদনৰ ৰেকৰ্ডত যি আছে তাত থাকিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়,মোক চমুৱাই দিলে নহ'লে ২০০১ ৰ পৰা ২০২৪ চনলৈ ৰাজ্যত ৰজু হৈ আছে ৪০ হাজাৰ বলাৎকাৰৰ গোচৰ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ডিবেট নহয়।

.......................................সদনত হুলস্থুল..........................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত বিৰোধী দলপতি গৰাকীয়ে কথা কৈ থাকোতে মই এবাৰো থিয় হোৱা নাই আৰু মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই কথা কৈ থাকোতেও মই এবাৰো থিয় হোৱা নাই। যদি মই থিয় হ'লে আপোনালোকৰ অসুবিধা হয় তেতিয়া হ'লে মোক প্ৰশ্ন কৰিবই নালাগে।

.......................................সদনত হুলস্থুল..........................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,............সদনতে মৰ্য্যদা ৰাখিব নোৱাৰিলে বাহিৰত কেনেকৈ ৰাখিব? সদনতে আইন-শৃংখলা ৰাখিব নোৱাৰে। আপোনালোকে কথাখিনি শুনি লওঁক। শিৱসাগৰত প্ৰথম যিদিনা ঘটনাটো হ'ল...........................
মাননীয় শিক্ষামন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াক মই শিৱসাগৰলৈ পঠিয়ালো যে ৰাইজৰ মাজত ভুল বুজা বুজি হ'ব নালাগে। আপুনি দুয়োটা পক্ষৰ লগত মিটিঙ এখন কৰি সমস্যাটো সমাধান কৰক। মৰোৱাৰী সমাজৰ ব্যক্তিসকলে উদাৰতা দেখুৱাই ক'লে যে সমাজৰ লগত আমাৰ কোনো সংঘৰ্ষ নাই আৰু আমি তামোল পাণ, শৰাই দি ক্ষমা খুজিম। ৰণোজ পেগু ডাঙৰীয়াই তেখেতসকলক বাধা দিয়াৰ পিছতো তেখেতসকলে সুন্দৰভাৱে ক্ষমা খুজিলে, বিষয়টো সামৰণি মাৰিলে।

যেতিয়া মাৰোৱাৰী সমাজৰ ওপৰত আক্ৰমণ হ'ল বা সমালোচনা হ'ল সামাজিক মধ্যামত (social media), তেতিয়া social media ত এই ঘটনাটোক fueling কৰাৰ কাৰণে tweet কৰাৰ বাবে কোনে বেছিকৈ কৰিছিল, facebook আজি কোনে বেছিকৈ কৰিছিলে, যিসকলে আজি বৰপেটা, নগাঁৱৰ কথাত দুখ প্ৰকাশ কৰিছে।

..... (সদনত হুলস্থূল)...

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া সন্মানীয় AIUDF & CPM দলৰ সদস্যখিনিয়ে বুজি লওক যে ২৭ টা সংগঠন আমাৰ। উজনি অসমৰ পৰা মিঞা ঘুৰি আহিব লাগে বুলি বিবৃতি দিয়া সংগঠন সেই ২৭ টাৰ ভিতৰতে আছে। সংগঠন সদায় সংগঠনে, আমাৰ সংগঠন কেনেকৈ হ'ব পাৰে। মই আমাৰ সংগঠন বুলি কোৱাই নাই, আপোনালোকেহে কৈ আছে। মোৰ সংগঠন হ'ল যুৱ মৰ্চা।

যেতিয়া মাৰোৱাৰী সমাজৰ লগত সেই ২৭ টা সংগঠনৰ লগত এটা ভুল বুজা-বুজি হ'ল, সেই সময়ত twiter & Facebook ত বৰপেটা, নগাঁৱত সংখ্যালঘু লোকসকলে মাৰোৱাৰীৰ বিৰুদ্ধে লিখা আৰম্ভ কৰি দিলে।

..... (সদনত হুলস্থূল)...

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাখিনি সম্পূৰ্ণ শুনিলে সদস্যসকলে শান্তি পাব আৰু মানুহখিনিয়ে শান্তি পাব। যদি ক'ব নিদিয়ে আশান্তি হৈ থাকিব।

..... (সদনত হুলস্থূল)...

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব খোজা কথাটো হ'ল যে receiving end ত যেতিয়া আমি সকলো আছো, যিটো পক্ষলৈকে goal মাৰিম, কেতিয়াবা goal আমালৈও আহে। সেই কাৰণে যিবিলাক আমি receiving end ত থকা মানুহ, সদায় সংযমৰ মাজেৰে চলি যাব লাগে। মই এইটো কোৱা নাই, যে মাৰোৱাৰী যেতিয়া vulnerable হয়, তেতিয়া আমি জপিয়াই পৰো, বঙালী vulnerable হলে আমি জপিয়াই পৰো, যেতিয়া সংখ্যালঘু vulnerable হয়, তেতিয়া আপোনালোকে আপত্তি কৰে। Vulnerable সকলো হ'ব পাৰে। এই অসমত বহুদা, বিভক্ত আৰু ইয়াত এখন multi ethnic society....

..... (সদনত হুলস্থূল)...

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ আছে, আপোনালোকে শুনক।

..... (সদনত হুলস্থূল)...

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপোনালোকে minority vote ৰ কাৰণে যিমান competition কৰে কৰি থাকক, মই তাত নাই।

আজি সদনৰ মজিয়াত  জানি বা নাজানি জনিয়া সমষ্টিৰ বিধায়ক আৰু বিৰোধী দলৰ দলপতি গৰাকীয়ে এটা ডাঙৰ কথা ক'লে, ........... (সদনত হুলস্থূল)...

আজি এটা ডাঙৰ কথা সন্মানীয় সদস্য শ্ৰী ৰফিকুল ইছলাম আৰু বিৰোধী দলৰ দলপতি গৰাকীয়ে ক'লে যে নামনি অসমৰ পৰা মানুহ উজনি অসমত যাবই। কিয় যাব কওক চোন? কিয় যাব আপোনালোকে কওক। তাৰ মানে আপোনালোকে গোটেই অসমখন ল'বই। তাৰ মানে মিঞা মুছলমান মানুহখিনিয়ে গোটেই অসমখন ল'বই। কিন্তু আমিও ল'ব নিদিও। ..... ........... (সদনত হুলস্থূল)...

আপোনালোকে আজি সদনত কলে যে আমি ল'মেই, আৰু মই কৈছো আপোনালোকক আমি লব নিদিও।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া যি বিষয়ত সভাস্থগিত প্ৰস্তাৱ দিছে, গোটেইখিনি চাইছো আৰু সেইখিনি বিষয় অন্যান্য শিতানৰ পৰা আলোচনা কৰিব পাৰে তাৰ কাৰণে সভাস্থগিত কৰাৰ প্ৰয়োজন নাই। তাৰ কাৰণে মই সভাস্থাগিত প্ৰস্তাৱৰ ৪ খন জাননী অগ্ৰাহ্য কৰা হ'ল।

(সদনত হুলস্থুল)

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** অসম বিধান সভাত প্ৰথম বাৰৰ বাবে এখেত সকলে ক'লে যে মিঞা মুছলমানে অসম ভাৰ ল'বই।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** Next Item. (সদনত হুলস্থুল)

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাতো বিকৃতি কৰা হৈছে। অসমৰ এখন জিলাৰ মানুহ আৰু এখন জিলাত যাব নোৱাৰে।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং- ৬ মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া। "Tha Assam Quality Education Bill, 2024 বিবেচনাৰ বাবে উত্থাপন কৰিব।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীমনোৰঞ্জন তালুকদাৰ।

(সদনত হুলস্থুল)

**শ্ৰী আমিনুল ইছলাম (জেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে নামনিৰ মানুহ উজনিত যাব নোৱাৰে, অসমৰ মানুহ অসমত যাব নোৱাৰিব, অসমৰ এটা প্ৰান্তৰ মানুহ আনটো প্ৰান্ত যাব নোৱাৰিব।

(সদনত হুলস্থুল)

The House Adjourned for 10 minutes.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুটামান কথা ক'বলগীয়া আছে। আজি আমাৰ ৰফিকুল ইছলাম ডাঙৰীয়া আৰু বিৰোধী দলৰ দলপতি গৰাকীয়ে যিটো ষ্টেটমেণ্ট দিলে যে আমাৰ নামনিৰ মিঞা মুছলমান মানুহখিনিয়ে উজনিত ব্যৱসায় কৰিব যাবই। সেইটো সাংবিধানিক প্ৰদত্ত অধিকাৰ। এই ধৰণৰ ষ্টেটমেণ্টে পৰিৱেশটো আৰু বেয়াহে কৰিব। কোনো ঠাইত মানুহ জোৰ কৰি নাযায়। মানুহ মৰম-চেনেহ আৰু প্ৰেমৰ মাজেৰে যায়। ইয়াত আজি সদনত আপোনালোকে যিটো ষ্টেটমেণ্ট দিলে যেন আমি ল'মৈই। আজিৰ যিটো ষ্টেটমেণ্ট দিয়া হ'ল ইয়াৰ পৰা খুব বেয়া বাৰ্তা যাব। মই ৰফিকুল ইছলাম ডাঙৰীয়াক এইটো উঠাই ল'বৰ বাবে অনুৰোধ কৰিম। এইটো আমাৰ সাংবিধানিক আৰু মৌলিক অধিকাৰ আৰু নামনিৰ মিঞা মুছলমান মানুহখিনিয়ে উজনিত ব্যৱসায় কৰিব যামেই, সেইটো তেনেকুৱা নহয়। সাংবিধানিক অধিকাৰ আৰু সমাজৰ নিয়ম-শৃংখলা - উজনি অসমৰ মানুহখিনি তাত বাস কৰে আৰু আপোনালোকে যদি এটা আগ্ৰাসী মনোভাৱ লৈ যাওঁ বুলি কয় কালি আৰু হুলস্থূল হ'ব। গতিকে মই অনুৰোধ কৰিম আৰু আপোনালোকে ভাৱি চাব। কিন্তু এইটো খুব এটা ভাল ষ্টেটমেণ্ট ৰেকৰ্ডত যোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, মই যদি আজি বি টি এডিৰ বড়ো জনগোষ্ঠীয় অঞ্চল এটাত ষ্টেটমেণ্ট দিওঁ যে হিমন্ত বিশ্ব শৰ্মা এইটো এটা সাংবিধানিক অধিকাৰ আৰু কালি মই বি টি এডিত যামেই। কাৰ্বি আংলঙত য'ত কাৰ্বি মানুহখিনি থাকে মই যদি কওঁ যে হিমন্ত বিশ্ব শৰ্মা যাবই, কাৰ্বি মানুহখিনিয়ে কেনেকুৱা অনুভৱ কৰিব। এনেকুৱাধৰণৰ কথাৰ কাৰণেই আজি এইবোৰ সমস্যা হৈ আছে। আপোনালোকে যদি উজনি অসমত এনেকুৱা আগ্ৰাসী মনোভাৱেৰে যাওঁ বুলি কয় তেন্তে মোৰ কাৰণে Law and Order maintain কৰাটো টান হৈ যাব।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কথাটো ঠিকেই কৈছে আৰু ভাল ও পাইছো। কিন্তু অসম এখন এনেকুৱা ৰাজ্য য'ত এখন জিলাৰ পৰা আন এখন জিলালৈ গৈ শ্ৰম কৰা, ব্যৱসায় কৰাত প্ৰশ্ন উদয় হয়। ভাৰতত এনে ৰাজ্য আৰু নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্বীকাৰ কৰি আছে যে য'ত আমাৰ এইখন ৰাজ্যত Free access নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমিনুল ইছলাম ডাঙৰীয়াই কালি কি ষ্টেটমেণ্ট উলিয়াইছে যে উজনি অসমত মাছ নপঠিয়াও। মই ইমান দিন যি কৈছিলো যে অৰ্থনৈতিক অৱৰোধৰ কথাও লৈ আহিল। ইমান দিন আছিল ভূমি আৰু যোৱাকালিৰ পৰা নতুন এলিমেণ্ট এটা আহিল। তাৰ মানে খাৰুপেটীয়াত গণ্ডগোল এটা হ'লে ক'ব যে কালিৰ পৰা গুৱাহাটীত শাক-পাচলি নপঠিয়াওঁ............ Interruption...........মোক কৈ ল'ব দিয়ক। তাৰ পিছত অখিল গগৈ ডাঙৰীয়াই যোগ দিব।........... Interruption........... আপুনি ক'ব। এই কথাটোৰে আইন-শৃঙ্খলাত ব্যাঘাত জন্মাব পাৰে। এই কথাটো ইয়াত অলপ নিষ্পত্তি হ'ব লাগিব। সেইকাৰণে

অখিল গগৈ ডাঙৰীয়াই দুআষাৰ কোৱাটো মই বিচাৰিম। আজি সদনত যি ধৰণে বিৰোধী দলপতি ডাঙৰীয়াই ক'লে Constitutional Legal Rights, এইটো এক ঠাইত আৰু সমাজৰ Sensitivity বিলাক আন এটা ঠাইত। কালি যদি আপুনি কয় যে কামাখ্যাও অসমৰ আৰু কামাখ্যাত গৈ মই বহি ল'মেই। এইটো Legally Right হলেও কোনেও নকৰে। আজি আপোনালোকে আৱেগতে হওঁক বা অন্য কোনো কাৰণতে হওঁক প্ৰথমবাৰৰ বাবে বিধান সভাৰ ৰেকৰ্ডত ক'লে আমাৰ অধিকাৰ আছে আৰু আমি গোটেই অসমত যামেই। আৰ্টিকুল-১৪ ৰ মতে অধিকাৰ আছে। কিন্তু সেইটো অধিকাৰ আমি প্ৰয়োগ কৰিব পাৰো নেকি? আজি এটা খিলঞ্জীয়া জাতি-জনগোষ্ঠী উজনি অসমত এই ধৰণে বাস কৰিছে। তাত যদি আপোনালোকক কোনোবাই কাম কৰিব মাতিছে আপোনালোক যাবই। আপোনালোক অতিথি। কিন্তু মই যামেই, যিটো ষ্টেটমেণ্ট আপোনালোকে আৰম্ভ কৰিলে সেই ষ্টেটমেণ্টটো যদি সদনত আৰু দুই-তিনিবাৰ কোৱা হয়, তেনে ক্ষেত্ৰত মোৰ কাৰণে আইন-শৃঙ্খলা ৰক্ষা কৰাটো অসুবিধা হ'ব। কাৰণ আজি এই ষ্টেটমেণ্টটোৰ পৰা বেয়া বাৰ্তা যাব। দ্বিতীয়তে, কেইদিনমান আগতে আপোনালোকে আপোনালোকৰ ফালৰ পৰা কোনোবাই কৈছে যে নগাওঁৰ পৰা মাছ নপঠিয়ায়। মই নামটো নকওঁ। এইটো অৰ্থনৈতিক অৱৰোধ নহয় নেকি? এইটো এটা অৰ্থনৈতিক অৱৰোধ আৰম্ভ কৰিলে। তাৰ মানে ইমান দিনে যি মোক কৈ আছিল যে মই এনেই কওঁ, মইতো এনেই কোৱা নাই। আজি এইটো প্ৰমাণ হ'ল যে আপোনালোকৰ মনত অৰ্থনৈতিক অৱৰোধৰ কথা আছে। গুৱাহাটীত শাক-পাচলিৰ দাম বঢ়াৰ কথা কৈছে। এতিয়া 1:1 link কৰি দিয়ক। আপুনি মাছ নপঠিয়ায়, মাছ অন্ধ্ৰপ্ৰদেশৰ পৰা আহিব, মাছ অসমৰ ল'ৰাই উৎপাদন কৰিব। উজনি অসমত ক'তো ঘটনা হোৱা নাই। নাজিৰাত কেৱল সৰু ঘটনা এটা হৈছে। মানুহখিনিয়ে বিবৃতি দিছে, আইন হাতত লোৱা নাই। কিন্তু তেনেকুৱা ঘটনা নামনি অসমত আমাৰ মানুহখিনিৰ ওপৰত দৈনিক কিমান হৈ থাকে? .............Interruption........... মই উদাহৰণসহ কম।.............Interruption...........

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱা অসমতে আমাৰ মানুহ তোমালোকৰ মানুহ এই কথাটো উঠাই ল'ব লাগে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমৰ সকলো মানুহক নিজৰ মানুহ বুলি ভাৱিব লাগে। আমি সকলোকে নিজৰ মানুহ বুলি ভাৱো। .............Interruption...........

**মাননীয় অধ্যক্ষ ঃ** আপুনি এতিয়া বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়,.............Interruption........... এইখিনি কথাৰ পৰা আপোনাৰ ষ্টেটমেণ্ট ৰেকৰ্ডত যোৱাটো খুব দৰকাৰী। আজি যে ক'লে আমি উজনিলৈ যামেই। ইয়াৰ ওপৰত আপোনাৰ প্ৰতিক্ৰিয়া সদনত অহাটো খুব দৰকাৰী। উজনি অসমৰ বিৰুদ্ধে যি অৰ্থনৈতিক অৱৰোধ আৰম্ভ কৰিছে, ইয়াৰ ওপৰত আপোনাৰ মন্তব্য অহাটো খুবেই দৰকাৰ। .............Interruption.......... মই কেৱল এটা কথাই ক'ব খুজিছো যে যেতিয়ালৈকে অসমত খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষিত হৈ থাকিব, তেতিয়ালৈকে সকলোৱে সকলো কাম কৰিব পাৰিব। কিন্তু খিলঞ্জীয়া মানুহখিনিক যদি আপোনালোকে দাবী-ধমকি দি বহাব বিচাৰে, পৰিৱেশটো ঠিক নহ'ব। এই কথাটো সদায় মনত ৰাখিব যে এইখন অসমত জাতি-জনগোষ্ঠীৰ বিভিন্ন অঞ্চলত প্ৰভাৱ আছে আৰু এইটো আজিৰ নহয়, হাজাৰ হাজাৰ বছৰ ধৰি আছে। কাৰ্বি মানুহখিনি কাৰ্বি আংলঙত, বড়ো মানুহখিনি বড়োলেণ্ডত, আহোম মানুহৰ উজনি অসমত আৰু উত্তৰ অসমত সাংস্কৃতিক প্ৰভাৱ আছে। খিলঞ্জীয়াৰ অধিকাৰৰ ওপৰত ইউ এনৰ এটা চাৰ্টাৰ আছে। এইটো বাহিৰৰ

পৰা অহা কনচেপ্ট নহয় আৰু সন্মানীয় চুপ্রিম কোৰ্টে কৈছে যে অসমৰ ওপৰত এটা অগ্রাসন চলি আছে। এইটো মোৰ কথা নহয়, এই শব্দবোৰ ইয়াত লোকপ্রিয় গোপীনাথ বৰদলৈদেৰ, বিষ্ণুৰাম মেধি ডাঙৰীয়াই কৈ যোৱা কথা। সৰ্বানন্দ সোণোৱাল Vs Government of India ৰ কেচটো পঢ়িব। তাত কোৱা আছে যে অসমৰ ওপৰত Economic and external aggregation because of the population disbalance. এইবোৰ মোৰ শব্দ নহয়। সেইকাৰণে মই কেতিয়াবা সদনত কওঁ যে এইবোৰ মোৰ শব্দ নে লোকপ্রিয় গোপীনাথ বৰদলৈদেৰ, বিষ্ণুৰাম মেধি ডাঙৰীয়া, সন্মানীয় চুপ্রিম কোৰ্টৰ শব্দ, আপোনালোকে পৰীক্ষা কৰি ল'ব। আজি সদনত যিটো ঘটনা হ'ল মই তেতিয়া উত্তৰ দিব পৰা নাছিলো। মই দুই-তিনিটা মান তথ্য দিব বিচাৰিছো- ধৰ্ষণৰ কথাটো ওলালে, যোৱা ২২ আগষ্টৰ পৰা হোৱা কেইটামান ঘটনাৰ কথা আপোনালোকক কৈছো, দায়িত্বৰ কথা কৈছো। ইয়াত মই কাকো অভিযোগ কৰিব খুজা নাই। ধৰ্ষণ, হত্যা আদি সামাজিক অপৰাধ। ইয়াৰ বাবে সমাজে মাত মাতিব লাগিব। ক্রাইমৰ পেটাৰ্ণটো চাওঁক। সকলো মানুহৰ নাম কম।.............Interruption..........

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি পিছত ক'ব। অখিল গগৈ ডাঙৰীয়াৰ কথা ৰেকৰ্ডত নাযাব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমাজত ঘটনা ঘটিব পাৰে। মই শিৱসাগৰৰ কথা কৈ আছো আপুনি কিয় বেয়া পাই আছে? মাননীয় অধ্যক্ষ মহোদয়,২২ তাৰিখত হোৱা ঘটনা মই হিন্দু, মুছলমান নিৰ্বিশেষে কম।-------হুলস্থুল-------

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** এই ঘটনা চৰকাৰে কৰিছে। চৰকাৰে উচতাই অসমখনক বহুত ক্ষতি কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ**মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালিৰ পৰা অখিল গগৈ ডাঙৰীয়াই মোক সমালোচনা কৰি আছে যে ২৭ টা সংগঠনৰ পৰা আপুনি কিয় undertaking লৈছে? তাৰমানে আমি যে কোনো কাৰণতে আইন শৃংখলা compromise কৰা নাই, তাৰ প্ৰমান আজি অখিল গগৈ নিজেই দিলে। আপোনালোকে পিছত নক'ব যে এই সংগঠনবিলাকক মুখ্যমন্ত্ৰীয়ে লগাই দিছে। সংগঠনবিলাক আমাৰ বুলি অখিল গগৈয়ে কৈ আছে। ---------হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** Please আপোনালোকে বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অখিল গগৈ ডাঙৰীয়া, আপুনি অনুগ্ৰহ কৰি মোৰ কথাখিনি শুনি লওক।

**মাননীয় অধ্যক্ষ ঃ** Please আপুনি বহক। অখিল গগৈ ডাঙৰীয়াক এইখিনি সময়ৰ বাবে সদনৰ পৰা বহিস্কাৰ কৰা হ'ল। ---------হুলস্থুল-------অখিল গগৈ ডাঙৰীয়াই তেখেতৰ যিহেতু বিধেয়ক আছে, সেই সময়ত আহি যাব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় সদস্য সকল, আপোনালোকে মোক দোষ দি আছে, কিন্তু অখিল গগৈ ডাঙৰীয়াই বাৰে বাৰে কৈ আছে আমাৰ সংগঠন, আমাৰ সংগঠন। এতিয়া আপোনালোকে বুজিব সাপ হৈ কোনে খুটে, বেজ হৈ কোনে জাৰে। এতিয়া যোৱা ২২ তাৰিখৰ পৰা হোৱা ঘটনাবিলাক ৰ লগত জড়িত সকলোৰে নাম মই পঢ়ি দিম নিৰপেক্ষভাৱে। Rape of a minor girl student in Dhing on 22 August, 2024. এই কামটো কোনো কৰিছে মই নামখিনি ক'ব খোজা নাই। ইয়াত মই হিন্দু, মুছলিম সকলোৰে নাম ক'ম। Attempt

to rape of a 9 years old girl by a Moulobi in Lakhimpur.Attempt to a gang rape a teenage girl in Burohi, Bihali.Report of attempt to molestation a girl in Kamalabari, Majuli by Bikash Dutta.One Sharukh Hussain was caught and handed over to police for in-appropriate behaviour with a girl while walking in Tezpur.Sexual harassment of a student by a maths teacher in Hojai and accused handed over to police.Attempt to rape of a class vii student by a religious teacher in Bihpuria.Sexual harassment of a daughter in law by father in law.Sexual harassment of two assamese girls by VDP President, Jahiruddin. Attempt to kidnap Assam University's girl by a E-rickswa driver,Badarul Jaman.-------হুলস্থুল-----আপুনি কেবল মুছলিম মানুহখিনিৰ নামে ক'লে----(একেলগে বহুত বিধায়কে মাতে)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মই ইয়াত অকল মুছলমানৰ নামেই কোৱা নাই। বিকাশ দত্ত নামৰ মানুহ জনৰ নামো উল্লেখ কৰিছো। বলাৎকাৰী, বলাৎকাৰীয়ে। বলাৎকাৰীৰ কানো জাতি ধৰ্ম নাই। আপোনালোকে মোৰ কথাখিনি ধৈৰ্যসহকাৰে শুনি লওক। তেতিয়াহে আপোনালোকে ভুক্তভোগীৰ বেদনাখিনি বুজি পাব। আমিনুল ইছলাম মহাশয়, মোৰ কথাখিনি আপোনালোকে শুনক যে প্ৰত্যেক সমাজতে ধৰ্ষণ বা বলাৎকাৰৰ ঘটনা কম বেছি পৰিমাণে সংঘটিত হয়। কিন্তু এতিয়া কথাটো হ'ল যে এসময়ৰ ধিং এৰিয়াটোত আমাৰ হিন্দু মানুহৰ বসতি প্ৰধান আছিল। কিন্তু যেতিয়াৰ পৰা তাত অপৰাধবিলাক সংঘটিত হ'ব ধৰিলে তেতিয়া তাৰ পৰা মানুহবিলাক পলাব ধৰিলে। এতিয়া আপোনালোকে বিশেষকৈ ধিং সমষ্টিৰ বিধায়কে সেই ঠাইৰ মানুহখিনিক আশ্বাস দিব লাগিব নে নাই? ইয়াৰোপৰি নামনি অসমৰ যিবোৰ ঠাইত এনেকুৱা ধৰণৰ অপৰাধমূলক ঘটনা সংঘটিত হয়, সেই ঠাইৰ বিধায়ক সকলে তাৰ মানুহখিনিক নিৰাপত্তাৰ আশ্বাস দিব লাগিব নে নাই, যে আপোনালোকে গাওঁখন এৰি যাব নালাগে।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধিঙৰ পৰা কোনো মানুহ পলায়ন কৰা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অহাকালি মই ১৯৫১ চনৰ পৰা ধিং সমষ্টিৰ হিন্দু মুছলমান জনগাঁথনি কিমান পৰিবৰ্তণ হৈছে, তাৰ তথ্য মই দিম। যেতিয়া কোনো ঠাইত সঘনাই অপৰাধমূলক ঘটনা সংঘটিত হয়, তেতিয়া তাৰ পৰা ভুক্তভোগীবিলাক পলায়ণ কৰে। আজি কেইদিনমান আগতে বৰপেটাত শ্মশানত তলা মাৰি দিয়া ঘটনা সংঘটিত হৈছিল। বিধেয়ক ৰফিকুল ইছলাম মহাশয়, আপোনালোকে কয় যে বিধায়কৰ ক্ষেত্ৰত হিন্দু মুছলমান একো নাই, সকলোৰে কাৰণে সমান।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত কিন্তু এনেকুৱা ঘটনা সংঘটিত হোৱা নাই। মোৰ সমায়ত জনীয়া সত্ৰ খুব ভালদৰে চলি আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই জানো জনীয়াত কি আছে। তাত কেইখনমানহে সত্ৰ বৰ্তমান বৰ্তি আছে ১৯৫১ চনৰ পৰা। বৰপেটাত আমি ৭০ঃ৩০ ৰ পৰা ৩০ঃ৭০ হ'লো। এই বিষয়ে মই অহাকালি তথ্য দি দিম, প্ৰত্যেক ভোটাৰ কেন্দ্ৰ অনুযায়ী। যেতিয়া উজনিত সংখ্যাগুৰু নামনিত সংখ্যালঘুত পৰিণত হয় আৰু তাত যেতিয়া অপৰাধমূলক ঘটনা সংঘটিত

হয়,তাৰ মানুহবিলাকে অতি নিৰাপত্তাহীনতাত ভুগে তেতিয়া তাৰ বিধায়কসকলে সেই ঠাইবিলাকলৈ যায় নে নাযায়।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধিঙৰ যিটো পৰিয়ালৰ কিশোৰী গৰাকী ধৰ্ষিতা হ'ল সেই পৰিয়ালটোৰ সদস্য আমাৰ AIUDF ৰ কৰ্মী হয়। সেইসূত্ৰে সেই পৰিয়ালটোৰ লগত আমাৰ ভাল সম্পৰ্ক আছে আৰু লগতে মই নিজে সেই পৰিয়ালটোক লগ কৰি সেই কিশোৰী গৰাকীক কৈছো যে তুমি চিন্তা নকৰিবা, তোমাৰ লগত আমি সকলোৱে আছো আৰু মই কওঁ, ছোৱালী আপোনাৰে হওক বা মোৰে হওক, নাৰী জাতিক আমি সন্মান কৰো, ইয়াত হিন্দু মুছলিম বুলি কথা নাই। **আমি যোৱা নাই বুলি নক'ব । মই তাত গৈছিলো , খৰৰ লৈছো ।**

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ মই বুজিলো – মই আপোনালোকক সমাধানটো দি আছো । আজি বৰপেটা - ধুবুৰীত হিন্দু মানুহৰ ওপৰত অত্যাচাৰ হ'লে তাৰ মেজৰিটি চেকশ্যনটোৱে মানুহখিনি গৈ যদি প্ৰটেকশ্যন দিয়ে তেতিয়া হ'লে আমি যোৱাৰ প্ৰয়োজনেই নাথাকে । যোৱা ৪ মাহত বৰপেটা- ধুবুৰী জিলাত যিমান এনেকুৱা ঘটনা সংঘটিত হৈছে - জয়ন্ত মল্ল বৰুৱাক মই পঠিয়াইছো । কিন্তু স্থানীয় বিধায়কতো তাতে যোৱা নাই । আপোনালোকে খৰৰ কৰক- মই গাওঁৰ নাম লৈ পৰিবেশটো বেয়া কৰিব বিচৰা নাই । আপোনালোকে কৈছে মুখ্যমন্ত্ৰীয়ে চাই দিয়ক— চাইট কোনে লৈ আছে ? চাইট কোনে খেলি আছে ? আজি আপোনালোকে নামনি অসম, মধ্য অসম আৰু উত্তৰ অসমত যদি হিন্দু মানুহখিনিৰ প্ৰতি সহনশীল হয় তেতিয়া ঘটনাতো নহয় । আজি সমাজত যেতিয়া ৰেপ কেচবিলাক হয় মুছলমানৰ দ্বাৰা বিশেষকৈ হিন্দু ছোৱালী ওপৰত আৰু হিন্দু ল'ৰাৰ দ্বাৰা মুছলমান ছোৱালীৰ ওপৰত- তেতিয়া যদি মুছলমান উকিলসকলে কৈ দিয়ে যে - আমি এইবিলাক কেচ নলওঁ ।..... আজি সমাজত সমব্যৱস্থা কেনেকৈ আহিব ? আজি যেতিয়া মুছলমান একিউচড হয় আৰু হিন্দু ভিক্টিম হয় তেতিয়া যদি বৰপেটা - বঙাইগাওঁ- ধুবুৰীত মুছলমান উকিলসকলে কৈ দিয়ে যে - ভাই কেচটোত মই তোমালোকৰ হৈ থিয় নহওঁ কাৰণ এই কেচটোত মই থিয় হ'লে মানুহে ভাবিব যে আমি কমিউনিটিটোৱেই তোমাক চাপোৰ্ট কৰিছো । হিন্দু ল'ৰা এজনে যদি মুছলিম ছোৱালী এজনীক ধৰ্ষণ কৰে - হিন্দু উকিলে যদি কয় , তোমাৰ কেচ আমি নলওঁ - তেতিয়া সমাজত কি ৰেপ কেচ থাকিব ? আজি কংগ্ৰেছ দলৰ সদস্যসকলৰ শুনিবলৈ ধৰ্য্য নাই । বেদনাবিলাক যেতিয়া শুনে তেতিয়া গোটেই কথাবিলাক চল্ভ হৈ যায় । মৰিগাওঁৰ লাহৰীঘাটত যেতিয়া মুছলিম ছোৱালীৰ ওপৰত ধৰ্ষণ হ'ল মইতো তাতো গৈছো । মইতো ধৰ্ষণৰ ক্ষেত্ৰত হিন্দু - মুছলিম কৰা নাই । কিন্তু সেইজন মানুহক ৰক্ষণা-বেক্ষণ কোনে দি আছিলে - এতিয়া লাহৰীঘাটৰ বিধায়ক সদনৰ পৰা উঠি গ'ল- মোক তেওঁয়ে কয় যে বেছি একশ্যন ল'ব নালাগে । কিন্তু ভিক্টিমতো মুছলিম - আজি হাউচৰ পৰা এটা মেছেজ দিয়ক - তেওঁলোকেতো ভাল কথা শুনাৰ মতলবেই নাছিল - আজি আহিছিলে পোষ্টাৰ- বেনাৰ লৈ - যে আমাৰ যিকোনো ৰেপ কেচত আমাৰ যদি সমাজৰ আচামী হয় - সমাজৰ উকিলে তাত অংশ গ্ৰহণ নকৰে - তেওঁক প্ৰটেকশ্যন নিদিয়ে । আমি সকলোৱে মিলি পৰিবেশ এটা বনাওঁ । আজি ধিং ৰ কেচৰ যি দুজন অভিযুক্ত যেতিয়া ধৰা পৰিব সেই কেচ হিন্দু এডভোকেটে লওক। কিন্তু নগাওঁৰ মুছলমান বাৰে কওক এইটো কেচ আমি নলওঁ কাৰণ এইখন শংকৰদেৱৰ স্থান- আজান ফকীৰৰ স্থান আমি ইয়াত সামাজিক সম ব্যৱস্থাটো জীয়াই ৰাখিম । হিন্দু উকিলে কেচ লওঁক কিন্তু আমি মুছলিম উকিলে কেচ নলওঁ । প্ৰটেকশ্যন নাপালে ৰেপ হ'ব ? আৰু এনেকুৱা ভিক্টিম অতীষ্ট হৈ বৰপেটা ইত্যাদিৰ গাওঁৰ পৰা মানুহ ওলাই আহিব খোজে - আপোনালোকে প্ৰটেকশ্যন দিয়া**

আৰম্ভ কৰক - যে গাওঁ এৰি গুছি নাযাব - আমি আপোনালোকৰ লগত আছো । তাত প্ৰটেকশ্যন দিব পৰা ক্ষমতা আজি মোৰো নাই । কোনে ক্ষমতা দিব লাগিব- আপোনালোকে দায়িত্ব দিব লাগিব। আপোনালোকে ভাবে উজনিত যোৱা ব্যৱসায়ীখিনিক প্ৰটেকশ্যন হিমন্ত বিশ্ব শৰ্মাই দিব লাগে । কিন্তু বৰপেটা - ধুবুৰীত সদায় অত্যাচাৰৰ সন্মুখীন হৈ থকা হিন্দু মানুহখিনিক সুৰক্ষা আপোনালোকে দিব লাগিবনে নাই ?

শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) মানকাচাৰ ঃ ছাৰ, তাত এতিয়া অত্যাচাৰ হোৱা নাই ।

(এ আই ইউ ডি এফ দলৰ পৰা প্ৰতিবাদ)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মোৰ ওচৰত লিষ্ট আছে । আজিও মই কওঁ- প্ৰাইম ফিগাৰত - আজি মই আপোনালোকক আহ্বানহে জনাইছো । মই কৈছো যে আজি আপোনালোকে যদি এনেকুৱা এটা নেতৃত্ব লয় , উজনিত নিৰাপত্তা নিজে নিজে পাব ।

ডঃ ৰফিকুল ইছলাম, (জনীয়া) ঃ এইটোতো হৈছে - কবৰস্থানত ঠাই নিদিলে ।

(এ আই ইউ ডি এফ দলৰ পৰা প্ৰতিবাদ)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** গাওঁৰ মানুহখিনিয়ে জানাজা দিয়া নাই - কিন্তু আপোনালোকে ষ্টেটমেন্ট দি আছে যে পুখুৰীত কেনেকৈ পৰিল ? পুখুৰীত কেনেকৈ পৰিল সেইটো মই গ'ম পাম নেকি ? মই কেনেকৈ জানিম এতিয়া ?

শ্ৰীকৰিমুদ্দিন বৰভূঁইঞা, (সোনাই) ঃ পুলিছ ডিপাৰ্টমেন্টটো আপোনাৰ হাতত ছাৰ ।

- হুলস্থুল- প্ৰতিবাদ -

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মই কেনেকৈ জানিম ? কিবা কাৰণত মানুহ পুখুৰী- নদী সাগৰত পৰেই । সেইটো ৰ দায়িত্ব কি মুখ্যমন্ত্ৰীয়ে ল'ব নেকি ? পুলিছে কাৰোবাক গুলিয়াব বিচাৰিলে মই দায়িত্ব ল'ব পাৰো ।

শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ), (মানকাচৰ) ঃ অধ্যক্ষ মহোদয়, পুলিছক শক্তিশালী কৰক। হাত বন্ধা মানুহজন পুখুৰীত গৈ পৰে ।

মাননীয় অধ্যক্ষ ঃ হ'ব ....... হ'ব বহক ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** কেনেকৈ পুখুৰীত পৰিল মইতো ষ্টেটমেন্টটো লিখি আনিছো । কোনেও নুশুনিলে মই কি কৰিম ? হুলস্থূল কৰে আপোনালোকে । মই যিটো ষ্টেটমেন্ট লিখি আনিছো এতিয়া আৰু নকওঁ । মই আপোনালোকৰ চেৰলৈ পঠিয়াই দিম , পঢ়ি ল'ব । মোৰ কোনো আপত্তি নাই কিন্তু মই আপোনালোকক এটা কথা কওঁ যে- আপোনালোক আগ্ৰাসী নহ'ব । আজি আমাৰ জনীয়া সমষ্টিৰ বিধায়কে কৈ দিলে যে আমি উজনিত যামেই ।

**শ্ৰীআমিনুল ইছলাম, ( কনিষ্ঠ), (মানকাচৰ) ঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়, ভাৰতীয় নাগৰিক হিচাপে কোনো লোকে এখন জিলাৰ পৰা আন এখন জিলালৈ যাব পাৰে । এইখিনি নিৰাপত্তা আপুনি নিশ্চয় দিব লাগিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ**আপোনালোকে নাযাব । কাৰ্ব্বি আংলঙ জিলালৈ গ'লেও মই নিজকে নিৰাপত্তা দিব নোৱাৰো গতিকে আপোনালোকো নাযাব । এনেকৈ আপোনালোকে জেদ কৰি - কাৰ্ব্বি আংলঙ, বিটিআৰ, আৰু উজনি অসমত নাযাব মই অনুৰোধ জনাম ।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ) ধিং ঃ** আমি আপোনাক অনুৰোধ জনাইছো যে আপুনি মুখ্যমন্ত্ৰী হিচাপে নিৰাপত্তা নিশ্চিত কৰক । বিহাৰৰ মানুহ আহিব, পাঞ্জাৱী আহিব, মাৰোৱাৰী আহিব, গুজৰাটীও আহিব আৰু ইতিমধ্যে অসমত সেইসকল লোক আছেই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আজি মই বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াক আচৰিত পালো - তেওঁ নিজেই নাজিৰা সমষ্টিৰ বিধায়ক , তেওঁ কৈছে যে উজনি অসমত মানুহ আহিৱই । - তেওঁ কিন্তু মিঞা- মুছলমান বুলি কোৱা নাই । শেষত এটাই কথা ক'ম যে য'ত অসমীয়া মানুহখিনিয়ে নিবিচাৰে তাত আপোনালোকে জোৰ কৰি নাযাব । যেতিয়া য'ত বিচাৰে তাতে যাব । এতিয়াতো গুৱাহাটীৰ পাহাৰতো এই মানুহখিনি উঠি গ'ল । কিন্তু ফৰেষ্টত আমি আপোনালোকক বিচৰা নাই দেই ।

( বিৰোধী দল বিশেষকৈ এ আই ইউ ডি এফৰ দলৰ ফালৰ পৰা হুলস্থুল )

**শ্ৰীআমিনুল ইছলাম(কনিষ্ঠ), (মানকাচৰ) ঃ** মন্ত্ৰীসকলে দিল্লীত মাটি-বাড়ী কিনে। এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ যাব পাৰে। কিন্তু নিজৰ ৰাজ্যত এজন ব্যক্তি এখন জিলাৰ পৰা আন এখন জিলালৈ যাব নোৱাৰে । এইটো মুখ্যমন্ত্ৰী মহোদয়ৰ দায়িত্ব । ইয়াৰ বাবে আমি মাননীয় মুখ্যমন্ত্ৰীক নিৰাপত্তা দিবলৈ আহ্বান জনাইছো ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মই আপোনালোকক কৈছো যে, উজনি অসমৰ মানুহৰ বিৰুদ্ধে নাযাব। এতিয়া যদি আপোনালোকে জোৰ কৰি যায় তেনেহ'লে তাত কোনো নিৰাপত্তা নাথাকিব। ইচ্ছা অনুসৰি যাওঁক নিৰাপত্তা পাব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ.... হ'ব । এতিয়া পৰৱৰ্ত্তী কাৰ্য্যসূচী নং- ৫ শ্ৰীমনোৰঞ্জন তালুকদাৰ । (এ ইউ আই ডি এফৰ ফালৰ পৰা উফৰি অহা উক্তি- তেনেহ'লে মুখ্যমন্ত্ৰী মহোদয়, আমি ক'ত যাম ?)

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমনোৰঞ্জন তালুকদাৰ আপুনি কওক ?

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই - দি আসাম এগ্ৰিকালচাৰেল ৱৰ্কাচ ( ৱেলফেয়াৰ এণ্ড প্ৰটেকশ্যন ) বিল, ২০২৪ খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ ৰাখিলো ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল যে, বিধেয়কখন উত্থাপন কৰিবলৈ অনুমতি দিয়া হ'ল । যিসকল সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' যিসকলে বিপক্ষে আছে তেওলোকে কওঁক ' নহয়' মই ভাবো " হয়ৰ সপক্ষে" - " হয়ৰ সপক্ষে" - " হয়ৰ সপক্ষে" । অনুমতি প্ৰদান কৰা হ'ল- এতিয়া মনোৰঞ্জন তালুকদাৰে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই - দি আসাম এগ্ৰিকালচাৰেল ৱৰ্কাচ ( ৱেলফেয়াৰ এণ্ড প্ৰটেকশ্যন ) বিল, ২০২৪ খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং- ৬ শ্ৰীঅখিল গগৈ ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Quality Education Bill, 2024 বা অসম গুণগত শিক্ষা আইন ২০২৪ নামৰ এখন অতি সৰু এখন আইন আনিছো। য'ত মই একেবাৰে সৰু কেইটামান কথা এই আইন খনৰ জৰিয়তে অসমত নিশ্চয়তা প্ৰদান কৰিবৰ কাৰণে ব্যৱস্থা লবৰ কাৰণে এই বিল খন আনিছো। বিল খনৰ মই খুব চমু চমুকৈ কৈ দিওঁ আমাৰ এল পি স্কুল এখনত ৫ টাৰ পৰা ৬ টা শ্ৰেণী থাকে। কিন্তু এল পি স্কুল এখনত কেতিয়াবা এজন বা কেতিয়াবা ২ জন শিক্ষক থাকে। এতিয়া ৬ টা ক্লাছত এজন বা দুজন শিক্ষকে পাঠ দান কৰাতো কেতিয়াও সম্ভৱপৰ নহয়। একেটা ঠাইতে আমি দেখো যে এটা হলত ৬ টা ক্লাছ থাকে আৰু সেই ৬ টা ক্লাছ যেতিয়া চলি আছে সেই ৬ টা ক্লাছ চলি থাকোতে আমি দেখো মাত্ৰ ২ জন

শিক্ষকে পঢ়াই থাকে বাকী ৪ টা ক্লাছে হাল্লা কৰি থাকে। তাৰ ফল স্বৰূপে যি গুণগত শিক্ষা প্ৰদান কৰিব লাগে সেই গুণগত শিক্ষা প্ৰদান কৰা নহয়। সেই কাৰণে এই বিধেয়কৰ জৰিয়তে আমি কব খুজিছো যে এখন স্কুলত যিকেইটা শ্ৰেণী আছে প্ৰধান শিক্ষকক বাদ দি সিমান টা শ্ৰেণীত সিমানটা শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো হ'ল প্ৰথম কথা, এইটো এল পি স্কুল বিলাকৰ বাবে কৈছো। দ্বিতীয়তে, মাধ্যমিক স্কুল বিলাকৰ কাৰণে আমি কৈছো যে এখন স্কুলৰ শিক্ষকৰ সংখ্যা প্ৰধান শিক্ষকক বাদ দি বিদ্যালয় খনত থকা বিষয় বিলাকৰ সংখ্যাতকৈ কম নহ'ব। অৰ্থাৎ সেই স্কুল খনত যিমান বিষয় আছে এখন হাইস্কুল বা হায়াৰ চেকেণ্ডাৰী স্কুলত সেই স্কুল খনত যিমান বিষয় আছে যেনেকৈ ধৰক আমাৰ কলা শাখা বিষয় বুলি কৈ সমাজ অধ্যয়ন একেজন শিক্ষকে পঢ়োৱাই ইংৰাজীও একেজন শিক্ষকে পঢ়োৱাই, অসমীয়াও একেজন শিক্ষকে পঢ়োৱাই, এজন শিক্ষকে গোটেইবোৰ পঢ়োৱাব লাগে। আমি কৈছো যে বিষয় যদি আছে প্ৰত্যেকটো বিষয়ৰ ওপৰত এজন এজন শিক্ষক অন্তত : এখন স্কুলত থাকিব লাগে। তেতিয়া প্ৰকৃত অৰ্থত গুণগত শিক্ষা এজন ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰাতো সম্ভৱ হয়। তাৰ পিছত কৈছো যে স্কুল খনত শিক্ষকৰ সংখ্যা সকলো ষ্ট্ৰিমৰে প্ৰতিটো বিষয়ৰ বিশেষ জ্ঞান থকা শিক্ষক নিযুক্তি দিব লাগে। আৰু প্ৰত্যেকখন প্ৰাথমিক, মাধ্যমিক শিক্ষাত হিন্দী শিক্ষক নিয়োগ কৰাতো ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ বহুত স্কুলত এতিয়াও হিন্দী শিক্ষক নাই। আনহাতে শিক্ষক সকলে যাতে সুন্দৰ পাঠ দান কৰে তাৰ কাৰণে শিক্ষকৰ প্ৰশিক্ষণ আৰু যোগ্যতা বৃদ্ধি কৰিবৰ কাৰণে বিভিন্ন ধৰণৰ ব্যৱস্থা লব লাগে বুলি মই কব খুজিছো। তাত আছে প্ৰতিখন স্কুলত উচ্চশিক্ষিত শিক্ষা দান আৰু সুন্দৰ শৈক্ষিক বাতাবৰণৰ স্বাৰ্থত চৰকাৰে জাননীৰ জৰিয়তে বিদ্যালয়ৰ শিক্ষকক শৈক্ষিক কাম-কাজ আৰু মিড় দে মিলন লগত জড়িত থকা কামৰ বাহিৰে অন্য কোনো অনাশৈক্ষিক কামত নিয়োগ কৰিব নালাগে। আমাৰ এখন এল পি স্কুলত দুজন শিক্ষক থাকে ৬ টা ক্লাছ, তাতে আকৌ কেতিয়াবা ইলেক্‌চনৰ কামত কেতিয়াবা লোকপিয়লৰ কামত অন্যান্য চৰকাৰী কামত পঠিয়াই থাকে। তাৰ ফল স্বৰূপে কি হয় গুণগত শিক্ষা প্ৰদান কৰাতো কেতিয়াও সম্ভৱপৰ নহয়। সেই কাৰণে শিক্ষক সকলক অনাশৈক্ষিক কোনো কামত কেতিয়াও ব্যৱহাৰ কৰিব নালাগে বুলি ইয়াৰ জৰিয়তে কোৱা হৈছে। শিক্ষক সকলক স্কেল প্ৰমোচন দিব লাগে বুলি কোৱা হৈছে। যাতে তেখেত সকলে কাম কৰিবৰ কাৰণে মনত সদায় ফুৰ্তি পাই থাকে। আনহাতে Hygenic environment and mental health সকলো প্ৰাথমিক বিদ্যালয়ত এটা হলত বা পাঠ্যগৃহৰ ভিতৰত আটাইবোৰ শ্ৰেণী বহোৱাৰ ব্যৱস্থা অবলুপ্তি কৰি প্ৰতিটো শ্ৰেণীৰ বাবে একোটা শ্ৰেণীকোঠাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ এল পি স্কুল বিলাকত কি হয় এটা হল থাকে, তাত ৬ টা ক্লাছ হৈ থাকে। ৬ টা ক্লাছত এক ফালে নেওঁতা মুখস্ত কৰি আছে চিঞৰি চিঞৰি, ইফালে কবিতা পাঠ কৰি আছে চিঞৰি চিঞৰি, ইফালে গণিত পঢ়োৱাই আছে শিক্ষকে এনেকৈ এটা হলৰ ভিতৰত ৬ টা ক্লাছ থাকে তাৰ ফল স্বৰূপে কাৰো ভালকৈ পঢ়া শুনা কৰা নহয়। সেই কাৰণে আমি কৈছো যে গুণগত শিক্ষা যদি দিব লাগে তেতিয়াহলে প্ৰত্যেক খন এল.পি.স্কুল আৰু এম.ই. স্কুলত এটা ক্লাছৰ কাৰণে এটা শ্ৰেণী কোঠা ব্যৱস্থা কৰাতো বাধ্যতামূলক হ'ব লাগে। নহলে কেতিয়াও গুণগত শিক্ষা প্ৰদান কৰাতো সম্ভৱ নহয়। টয়লেট, বিশুদ্ধ খোৱা পানী, চাফচিকুণ আৰু আকৰ্ষণীয় মুকলি ঠাই, লাইবেৰী, খেলধেমালিৰ সামগ্ৰী আৰু আনন্দৰ বাবে প্ৰয়োজনীয় অন্যান্য সম্পদ যোগান ধৰিব লাগে। মূলত: প্ৰত্যেকখন এল পি স্কুলৰ সন্মুখত একোখনকৈ Children park থকাৰ ব্যৱস্থা কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰী সকলে আনন্দৰ মাজেৰে, কথা-বাৰ্তাৰ মাজেৰে, হাঁহিধেমালিৰ মাজেৰে আগবাঢ়িব পাৰে। আৰু প্ৰতিখন স্কুলতে mental health

provision বিলাকো ৰখাৰ ব্যৱস্থা কৰিব লাগে। স্মাৰ্ট ক্লাছ আৰু শিক্ষাৰ participatory engaging ব্যৱস্থা এটা কৰিব লাগে। আমি চেক্চন ৭ ত আনিছো যে সকলো স্কুলত খালী শিক্ষকৰ পদ পূৰণ কৰিব লাগে। খালী শিক্ষকৰ পদ পূৰণ কৰাতো অত্যন্ত গুৰুত্বপূৰ্ণ। বহুত স্কুলত এতিয়াও বহু খালী পদ আছে। সেই বিলাক পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। আনহাতে শিক্ষাৰ মাধ্যম এই সম্পৰ্কে আমি কব খুজিছো যে আন যিকোনো আইনত যি কথাই নাথাকক কিয় দশম শ্ৰেণী পৰ্য্যন্ত শিক্ষাৰ মাধ্যম হ'ব ঘৰুৱা ভাষা, মাতৃভাষা, স্থানীয় ভাষা, আঞ্চলিক ভাষা। লগতে ইংৰাজী ভাষা লিখা আৰু কথোপকথনত যথেষ্ট গুৰুত্ব আৰোপ কৰা হ'ব, এই আইন খনৰ জৰিয়তে সেই নিশ্চয়তা প্ৰদান কৰিব খোজা হৈছে। ৰাজ্য খনৰ বিভিন্ন জনগোষ্ঠীৰ ভাষা শিকাটো গুৰুত্ব আৰোপ কৰিবৰ কাৰণে ইয়াত কোৱা হৈছে। ৰাজ্য চৰকাৰে আনন্দৰ সৈতে আৰু নতুন নতুন আবিস্কাৰৰ মাধ্যমেৰে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। ৰাজ্য চৰকাৰে Gagette notification ৰ জৰিয়তে এই আইন কাৰ্যকাৰী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব। আজি এই বিধেয়ক খনৰ জৰিয়তে The Assam Quality Education Bill, 2024 অসম গুণগত শিক্ষা আইন, ২০২৪ বিধেয়কৰ জৰিয়তে আমি মূলত: অসমৰ শিক্ষা খণ্ডত চলি থকা সকলোৰে বাবে শিক্ষা আৰু লগতে গুণগত শিক্ষা এই দুয়োটা বস্তুকে আচলতে ইয়াত উপস্থাপন কৰিছো আৰু তাৰ কাৰণে মূলত: আন্তঃগাঁথনি যাতে তৈয়াৰ কৰা হয় তাৰ কাৰণে এই বিধেয়ক খনৰ জৰিয়তে একেবাৰে কম কথা আৰু বেছি অভিলাষী আঁচনি নিদিয়াকৈ আমি কৈছো যে টয়লেটটো টাইল্চ লগোৱা হ'ব লাগে, টয়লেটটো চাফা কৰাৰ কাৰণে সদায় মানুহ থাকিব লাগে আৰু ছোৱালী সকলৰ কাৰণে উপযুক্ত ব্যৱস্থা যিটো টয়লেট ত থাকিব লাগে সেইটো থাকিব লাগে, তেওঁলোকৰ মাহেকীয়াকে ধৰি যি বোৰ সমস্যা আছে সেইবোৰৰ কাৰণে আজিকালি যিবোৰ মেণ্ডেটৰী কৰি দিছে সেই বিলাক সুবিধা থকাৰ ব্যৱস্থা কৰিব লাগে। আমি দেখিছো যে অসম চৰকাৰে ডাঙৰ ডাঙৰকৈ একোখন স্কুল বনাবৰ কাৰণে ৮/১০/১৪ কোটি টকা দিয়ালৈকে ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু দেখা গৈছে যে এখন স্কুলত যদি ১৪/৮ কোটি টকাৰে খুব ভাল গৃহ বনাই খুব ভাল কথা, সকলো স্কুল তেনেকুৱাকৈ কৰিব পৰা হলে ভাল আছিল। কিন্তু মোৰ এনেকুৱা বিশ্বাস যে অকল এখন বা দুখন স্কুলত তেনেকুৱা ডাঙৰ গৃহ বনোৱাতকৈ যদি সেই সমষ্টিটোত তেনেকুৱা এই যে ৪ খন বা ২ খন স্কুল দিছে তাৰ পইচাখিনিৰে যদি গোটেই স্কুল বিলাকৰ আন্তঃগাথনি খিনি বনাই দিলে হেতেনে তেতিয়াহলে আমি এটা গুণগত শিক্ষাৰ ফালে যাব পাৰিলোহেতেন। শিক্ষক সকলক যদি নিয়মীয়াকৈ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিলে হেতেন আৰু একেবাৰে latest পৃথিৱীৰ শেহতীয়া যিবিলাক টেক্ন'লজী তেওঁলোকৰ লগত শিক্ষক সকলক সেই জ্ঞান বিলাক দি যাতে শিক্ষক সকলক একবাৰে গাঁৱৰ ভিতৰতো যাতে আমেৰিকাৰ নিচিনাকৈ শিক্ষা লাভ কৰিব পাৰে। একদম আপ টু দেট শিক্ষা। শিক্ষক জনক যাতে বছৰত এবাৰ মান ট্ৰেইনিং দিয়াৰ ব্যৱস্থা আৰু ভালকৈ ক্লাছ হৈছে নে নাই তাৰ inspections ৰ ব্যৱস্থা, তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই আকৌ এবাৰ ৰিপিট কৰি সামৰণি মাৰিব খুজিছো সেইটো হ'ল - ৬ টা ক্লাছত ৬ জন শিক্ষক দিবই লাগে, তাতকৈ এজনো কম শিক্ষক হোৱাকৈ এজনীয়া বা দুজনীয়া এতিয়া কিন্তু কৈ আছে কি আমাৰ যিমান ৩০ঃ১ এই অনু পাতত আছে। কিন্তু এখন স্কুলত যদি ৬০ জন ছাত্ৰ-ছাত্ৰী আছে দুজন শিক্ষক দিলে ৬ টা ক্লাছ কেনেকৈ চলাব। গতিকে ৬ টা ক্লাছৰ কাৰণে ৬ জন শিক্ষক আৰু এজন প্ৰধান শিক্ষক দিলেহে এখন ভাল স্কুল হ'ব। আৰু হলৰ ভিতৰত গোটেই ৬ টা ক্লাছ পঢ়োৱাই থাকিলে সেইখন আৰু কোনো পধ্যে ভাল শিক্ষা নহয়, এই মিনিমাম

কাম কেইটা কৰিবৰ কাৰণে অসমৰ শিক্ষামন্ত্ৰী মহোদয় আৰু বিশেষ ভাৱে আমাৰ দীৰ্ঘকালীন শিক্ষামন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয়ক এই ব্যৱস্থা খিনি গ্ৰহণ কৰিবৰ কাৰণে মই যিহেতু বিৰোধী পক্ষৰ বিধেয়ক এইখন হয়তো মোৰ জৰিয়তে কেতিয়াও গ্ৰহণ কৰাতো সম্ভৱ নহয় তেখেত সকলে কেতিয়াও আমাক ভোট নিদিব, সেই কাৰণে এই বিল খনকে বা অন্য ভাষাতে হলেও এই বিল খন উত্থাপন কৰি আমাৰ চৰকাৰী পক্ষই এই বিল খনৰ ওপৰত আলোচনাৰ ব্যৱস্থা কৰি এই বিল খন পাছ কৰি আমাৰ শিক্ষা ব্যৱস্থাটোৰ আন্তঃগাঁথনিটো তৈয়াৰ কৰি গুণগত শিক্ষাৰ মান নিশ্চিত কৰিব লাগে বুলি মই আহ্বান জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** উপাধ্যক্ষ মহোদয়, মই ভাবো আমি বিধান সভাত যিমান বিল পাছ কৰিলো, তাৰ ভিতৰত আমাৰ ৰাজ্যখনৰ শিক্ষা ব্যৱস্থা উন্নয়নৰ বাবে বোধহয় উত্তম বিল এখন অখিল গগৈ ডাঙৰীয়াই আনিছে। তেওঁ যিকেইটা point raise কৰিছে --- interruptions ---

**মাননীয় উপাধ্যক্ষ** ঃ তেওঁ কোৰা points খিনি raise কৰিব নালাগে. আপোনাৰ কিবা অতিৰিক্ত points আছে যদি সেইখিনি কওক।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** প্ৰত্যেকটো শ্ৰেণীত এজন শিক্ষক, প্ৰত্যেকটো বিষয়ত এজন শিক্ষক আৰু separate শ্ৰেণী কোঠাৰ লগতে প্ৰসাৰগাৰৰ ব্যৱস্থাখিনি যদি কৰা হয়, তেন্তে ই কেৱল শিক্ষাৰ ক্ষেত্ৰতেই নহয় আনুসংগিক আন সকলো ক্ষেত্ৰতে আগবাঢ়ি যাব। সেয়েহে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে যিমানখিনি সম্ভৱ এই বিষয়টোত গুৰুত্ব দি কামখিনি কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**ড° ৰফিকুল ইছলাম, (জনিয়া)** ঃ মাননীয় উপাধ্যক্ষ মহোদয় মই সংক্ষিপ্তে কম। গুণগত শিক্ষাৰ মানদণ্ডৰ বাবে অখিল গগৈ ডাঙৰীয়াই যি বিল আনিছে তাক আমি সমৰ্থন কৰিছো। মই মাত্ৰ দুটামান কথা যোগ কৰিম। প্ৰাথমিক স্কুলৰ কথা বিশেষভাৱে কৈছে যে প্ৰত্যেক শ্ৰেণীত শিক্ষক লাগে। আমি practically দেখিছো যেতিয়া আমি স্কুলবোৰত সোমাই যাওঁ তেতিয়া এটা শ্ৰেণীকোঠাতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক একেলগে বহুৱাই পঢ়াই থাকে। আমি ইয়াৰ কাৰণ সোধাত শিক্ষক নাই বুলি কয়। বহুত স্কুল এনেকৈয়ে চলি আছে। আনহাতে ২০১৩ চনত প্ৰাদেশীকৃত হোৱা স্কুল যেনে মোৰ সমষ্টিৰ কলগাছিয়া ছোৱালী হাইস্কুলখন ২৫০ ছাত্ৰ-ছাত্ৰীৰ বাবে মাত্ৰ ৩ জন শিক্ষকৰে চলি আছে। এনেকুৱা গোটেই অসমতে চলি আছে। ২০১৩ চনত provincialized হোৱা হাইস্কুলত শিক্ষক নাই। তাত অতি শীঘ্ৰে শিক্ষক দিয়াৰ প্ৰয়োজন আছে। উপাধ্যক্ষ মহোদয়, যিসকল টিউটৰ হিচাপে আছিল তেওঁলোকৰ পদ provincialized হ'ল। তেওঁলোক ১০- ১২ হাজাৰ টকাত কাম কৰি আছে। কিন্তু একেই কামৰ বাবে শিক্ষক সকলে ৫০-৬০ হাজাৰ টকা পাই আছে। গতিকে এই টিউটৰ সকলৰ মাননিৰ লগতে তেওঁলোকক যদি full -fledge কৰিব নোৱাৰো, তেন্তে শিক্ষাৰ মানদণ্ড কেতিয়াও সঠিক নহ'ব ----- interruptions ---

**মাননীয় উপাধ্যক্ষ** ঃ হ'ব আপুনি বহক। বিৰোধী দলৰ দলপতিয়ে ক'ব।----- interruptions

---

**ড° ৰফিকুল ইছলাম, (জনিয়া)** ঃ উপাধ্যক্ষ মহোদয় এক মিনিটত কৈ শেষ কৰিম। কলেজৰ পৰা আৰম্ভ কৰি এম. ই. স্কুললৈ যিসকল non-teaching staff আছে তেওঁলোককো সামান্য মাননি দিয়া হয়। তেওঁলোকৰ প্ৰয়োজনীয় শিক্ষাগত অৰ্হতা আছে কিন্তু তেওঁলোকৰ পদটো full-fledged নকৰি সামান্য মাননিত কাম কৰাই থকা হৈছে। কলেজবোৰত এটা বিভাগতে দুজনকৈ শিক্ষক থাকে। Department concurrence, subject concurrence ৰ নামত শিক্ষক নাই। (not recorded as per order of the Chair)

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় বিৰোধী দলৰ দলপতি আপুনি কওক।

**শ্ৰী দেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** মাননীয় উপাধ্যক্ষ, মহোদয় এই বিলখনৰ মই সমৰ্থন জনাই দুটামান কথা ক'ব বিচাৰিছো। প্ৰথমটো হ'ল মাতৃভাষাৰ প্ৰয়োজনীয়তা। বাগান অঞ্চল বা অন্য অঞ্চলত মাতৃভাষাৰ শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত চৰকাৰে মাজতে ঘোষণা কৰিছিল যে যিবোৰ স্কুল চৰকাৰী নহয় বেচৰকাৰী, তাত মধ্যাহ্ন ভোজন বন্ধ কৰি দিয়ে ফলত বহুত ল'ৰা-ছোৱালীৰ অসুবিধা হৈছে। সেয়েহে এই The Assam Quality Education Bill, 2024 খনত মধ্যাহ্ন ভোজনৰ ব্যৱস্থা থাকিব লাগে। ই চৰকাৰী স্কুলেই হওক বা বেচৰকাৰী স্কুলেই হওক। খাদ্যৰ নিৰাপত্তা হ'ব লাগে। আনহাতে right to education অনুসৰি ২০০৯ চনৰ আন্তঃগাঁথনি ৩ বছৰৰ ভিতৰত হোৱা কথা আছিল কিন্তু আমি বহু বছৰ অতিক্ৰম কৰিলো। সেয়েহে স্কুলবোৰত যাতে ব্যক্তিগত কোঠালীৰ ব্যৱস্থা কৰি দিয়ে তাৰ বাবে এই বিলখনৰ বাবে পৰামৰ্শ আগবঢ়ালো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী ---interruptions---

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)** ঃ উপাধ্যক্ষ মহোদয়, বিলখনত মোৰ সংশোধনী আছে।

**মাননীয় উপাধ্যক্ষ** ঃ এক মিনিটত কৈ দিয়ক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)** ঃ উপাধ্যক্ষ মহোদয় এই বিলখনক মই সমৰ্থন কৰিছো। আমাৰ ৰাজ্যখনত quality education গঢ়ি উঠা নাই। বিশেষকৈ, Section-IV ত numbers of teacher ৰ ক্ষেত্ৰত যিখিনি কথা কোৱা হৈছে তাৰ ওপৰঞ্চি মোৰ সংশোধনী আছে। যদি quality education লাগে, তেন্তে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত principle set কৰাটো দৰকাৰ। ৩০ঃ১ ৰ যি কথা কোৱা হৈছে ---interruptions---

**মাননীয় উপাধ্যক্ষ** ঃ বিলখন বিবেচনাৰ বাবে লোৱা হৈছে। এইটো হ'বনে নাই নিৰ্দ্ধাৰিণ হোৱা নাই। ---interruptions---

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)** ঃ উপাধ্যক্ষ মহোদয় মোৰ সংশোধনীটো হৈছে ৩০ঃ১ ratio টো fix কৰিব লাগে। ---interruptions---

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** ছাৰ, মই এটা কথা ক'ব বিচাৰিছো। **মাননীয় উপাধ্যক্ষ** ঃ কওক ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** উপাধ্যক্ষ মহোদয়, শিক্ষাক লৈ compromise কৰিব নোৱাৰি। শিক্ষা আমাৰ সকলোৰে অধিকাৰ ২০০১।ৰ পৰা ২০০৬ লৈ আমি education policy দেখিছো আৰু এতিয়া ২০২১ ৰ পৰা আজিলৈকে শিক্ষাৰ বাতাবৰণ আমি দেখিছো ।বৰ্তমান সময়ত বহুখিনি পৰিবৰ্তন হৈছে। শিক্ষাৰ ক্ষেত্ৰত amalgamation বা নিযুত মইনা ইত্যাদিৰ জৰিয়তে কিদৰে quality education দিব পাৰি তাৰ বাবে চৰকাৰে সিদ্ধান্ত

লৈছে আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পদক্ষেপ লোৱাৰ বাবে আমি ধন্যবাদ জ্ঞাপন কৰিছো। উপাধ্যক্ষ মহোদয়, remote অঞ্চলত শিক্ষক পাবলৈ অসুবিধা হয়, সেয়েহে remote অঞ্চলত শিক্ষক দিয়াৰ বাবে চৰকাৰে যাতে তথ্য গ্ৰহণ কৰে তাৰ বাবে মই অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ ঠিক আছে। মাননীয় মন্ত্ৰী ।

**ডº ৰনোজ পেগু, (মন্ত্ৰী,শিক্ষা ইত্যাদি)**ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক অখিল গগৈ ডাঙৰীয়াই অনা The Assam Quality Education Bill, 2024 খন মই চালো। ই দুই পৃষ্ঠাৰ এখন চমু বিল। শিক্ষা বা শিক্ষানুষ্ঠান বুলি ক'লে শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু আন্তঃগাঁথনি জড়িত। কিন্তু এই বিলখনত ছাত্ৰ-ছাত্ৰীৰ কথা উল্লেখ নাই। শ্ৰেণীকোঠা এটাত ছাত্ৰ-ছাত্ৰী নাথাকি কেৱল ঘৰ এটা আৰু শিক্ষক থাকিব লাগে বুলি ক'লে নহ'ব। আমাৰ ভাৰতবৰ্ষত elementary education ক সাৰ্বজনীন কৰাৰ বাবে Right to Education Act আছে । Right to Education Act য়ে শিক্ষাৰ বাবে parameter কিছুমান নিৰ্দ্ধাৰণ কৰি দিছে। সেই parameter ত কৈছে যে প্ৰতিটো habitate ত ১ কিঃ মিঃ ব্যাসাৰ্দ্ধৰ ভিতৰত এখন প্ৰাথমিক বিদ্যালয় থাকিব লাগে আৰু তাত ন্যূনতম ৩০ জন ছাত্ৰ-ছাত্ৰী থাকিব লাগে। ৩০ জন ছাত্ৰ-ছাত্ৰী থাকিলে তাত ২ জন শিক্ষক থাকিব। এখন প্ৰাথমিক বিদ্যালয় প্ৰথম শ্ৰেণীৰ পৰা ৫ম শ্ৰেণীলৈ থাকে। এই ৫ টা শ্ৰেণীৰ প্ৰতিটো শ্ৰেণীত যদি ১৫-২০ জনকৈ ছাত্ৰ-ছাত্ৰী থাকে, তেন্তে শ্ৰেণীয়ে প্ৰতি শিক্ষক দিয়াত কোনো আপত্তি নাই। কিন্তু বিদ্যালয় খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যদি ৬ গৰাকী হয়, তেন্তে তাত ৫ টা শ্ৰেণীকোঠা থাকিল বুলিয়েই ৫ জন শিক্ষক কেনেকৈ নিযুক্তি দিয়া যায়? অসমত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ সংখ্যা যাক আমি PTR বুলি কওঁ। অসমৰ PTR ভাৰতবৰ্ষৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ। প্ৰাথমিক স্কুলত PTR ৰ সংখ্যা ১৯ঃ১, তাৰ মানে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে আমাৰ এজন শিক্ষক আছে। হাইস্কুলত PTR ৰ সংখ্যা ২২ঃ১, প্ৰতি ২২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক আছে। হায়াৰছেকেণ্ডাৰীত ২৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক আছে। ইয়াৰ পিছতো আমাৰ কিছুসংখ্যক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যা কম। ইয়াৰ কাৰণ হ'ল আমাৰ দূৰৱৰ্তী বা দুৰ্গম অঞ্চলত যিবোৰ বিদ্যালয় আছে, যেনে চৰ-চাপৰি অঞ্চল, বাগান অঞ্চল, পাহাৰীয়া অঞ্চল, জনজাতীয় অঞ্চললৈ শিক্ষক সকল যাব নিবিচাৰে আৰু এটা সময়ত যি সকল শিক্ষক তালৈ গ'ল তেওঁলোকে বিভিন্ন সময়ত ৰাজনৈতিক ক্ষমতা খটুৱাই বা অন্য ধৰণে তাৰ পৰা বদলি হৈ ওলাই আহে। শিক্ষামন্ত্ৰী হৈ থাকোটে এখন আইন আনিলে ২০১৭ চনত। যি শিক্ষকৰ বদলি কৰা নাই যাতে শিক্ষক সকল দুৰ্গম অঞ্চলত আছো বুলি আহিব নোৱাৰে এখন জিলাৰ পৰা আন এখন জিলালৈ, গোটেই বদলি কৰা কাৰ্য্যটো এটা নিয়ন্ত্ৰনৰ মাজত হয় আৰু শিক্ষকৰ যেতিয়া চাকৰিটো জিলাভিত্তিক হয়, এইটো এটা ডিষ্ট্ৰিক কেডাৰ। অসম পুলিচৰ চাকৰি ৰাজ্যখনৰ কাৰণে গতিকে হাইলাকান্দিৰ পৰা ধুবুৰীলৈ বদলি হ'ব পাৰে বা আমাৰ এতিয়া যিবোৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰি, যিবিলাক ষ্টেট কেডাৰ তিনিচুকীয়া জিলাৰ পৰা তেওঁলোকৰ বদলি বৰপেটা জিলালৈ হ'ব পাৰে। কিন্তু শিক্ষকৰ চাকৰিটো ডিষ্ট্ৰিক্ট কেডাৰ হয় । গতিকে ডিষ্ট্ৰিক্টৰ পৰা তেওঁ বদলি হৈ যাব নোৱাৰে আৰু শিক্ষকজনেও চাকৰিটো প্ৰাপ্তিৰ সময়ত তেওঁ যেতিয়া ডিষ্ট্ৰিক্ট চয়চ দিব লাগে, ডিষ্ট্ৰিক্ট চয়চ প্ৰাৰ্থীজনে নিজে কৰে আৰু সেইমতে তেওঁ চাকৰি নিযুক্তি পায়। ধুবুৰী, গোৱালপাৰা আদি ঠাইত নিযুক্তি পায়। দুমাহৰ পিছত বদলি হৈ সুবিধাজনক ঠাইত গুচি আহে । তাৰ কাৰণে দুৰৱৰ্ত্তী অঞ্চল সমূহত শিক্ষকৰ নাটনি হৈছে । সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে শিক্ষামন্ত্ৰী হৈ থাকোতে বিল আনিলে যে দহ বছৰ যেতিয়ালৈকে নহ'ব শিক্ষকজনে

বদলি নাপায় । দিবাংগ ব্যক্তিৰ ক্ষেত্ৰত দুই বছৰ সম্পুৰ্ণ নহলে তেওঁ বদলি নহয় । কিন্তু আমি অমানৱীয় হ'বও নোৱাৰো কেতিয়াবা খুব জটিল ৰোগ হয়, কেঞ্চাৰ হয়, শিশুৰ Autism Spectrum হয়। তেনে ক্ষেত্ৰত বিশেষ বদলিৰ ব্যৱস্থা হয় আৰু এতিয়া আমি সেইখন আইনৰ অধীনত আমি শিক্ষকৰ বদলিকৰণ কৰিছো । মই আজি পৱিত্ৰ সদনৰ মজিয়াত জনাবলৈ পাই সুখী হৈছো যে বিশ হাজাৰ শিক্ষকৰ বদলিকৰণ আইনগত ভাবে বা বিধি সন্মতভাবে এই শিক্ষক বদলিকৰণ যিখন আইন এই আইনখনৰ দ্বাৰা বদলিকৰণ হৈছে । ইয়াৰ পিছত আমাৰ দুখন আইন গুৰুত্বপুৰ্ণ- এখন হ'ল শিক্ষাক্ষেত্ৰ আঁচনি আনখন হ'ল আমাৰ Rationalization যিটো প্ৰচেচ। শিক্ষাক্ষেত্ৰৰ আঁচনিত আজি অখিল গগৈ ডাঙৰীয়াই যিটো কৈছে যে শ্ৰেণীকোঠা অনুযায় শিক্ষক নাই । কিন্তু তাৰ লগত ক'ব লাগিব যে বিদ্যালয় অনুযায়ী ছাত্ৰ-ছাত্ৰীও তাত নাই । ১০০ মিটাৰৰ দুৰত্বত এখন গাওঁতে যদি দুটা চুবুৰীত দুখন বিদ্যালয় থাকে তাত ছাত্ৰ-ছাত্ৰী কৰ পৰা পাব । তাত ছাত্ৰ-ছাত্ৰী নাপায় । আমি সেই কাৰণে দুইখন বিদ্যালয়ক একলগ কৰাৰ পিছত তাত শিক্ষকৰ সংখ্যাও বাঢ়ি গ'ল ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বাঢ়ি গ'ল । গতিকে মাননীয় বিধায়ক সকলক মই অনুৰোধ জনাম যে যিখিনি বিদ্যালয় ওচৰা-ওচৰিকৈ আছে ছাত্ৰ-ছাত্ৰী নাই শিক্ষাক্ষেত্ৰ আঁচনিখন পঢ়ি লৈ সেই শিক্ষাক্ষেত্ৰৰ আঁচনিৰ অধীনত এই এমালগেমেশ্বন টোক সমৰ্থন জনাব লাগে । এমালগেমেশ্বনৰ অৰ্ডাৰ ওলোৱাৰ লগে লগে মানুহে কৈ দিয়ে যে ইয়াৰ লগত আমাৰ ঐতিহ্য জড়িত হৈ আছে । বহুতে কয় যে আমাৰ গাওঁৰ একমাত্ৰ চৰকাৰী অনুষ্ঠানখন বন্ধ নকৰিব । আমাৰ বন্ধ কৰাৰ কোনো অভিপ্ৰায় নাই । কিন্তু ছাত্ৰ-ছাত্ৰী নাই, এতেকে ছাত্ৰ-ছাত্ৰী তাত যাতে হয় Sustainable numbers of students. অখিল গগৈ ডাঙৰীয়াই বিলখনত আনিছে যে বিষয় অনুপাতে ছাত্ৰ-ছাত্ৰী হ'ব লাগে আমাৰ যি প্ৰাদেশীকিকৰণ আইন আছে ২০১৭ চনৰ, সেইখন ২০১৮ চন সংশোধন হ'ল । এই আইন খনতে স্পষ্টভাবে উল্লেখ আছে যে এটা বিষয়ত যদি নূন্যতম দহ গৰাকী ছাত্ৰ-ছাত্ৰী থাকে চৰকাৰে তাত শিক্ষক দিবলৈ বাধ্য বা শিক্ষক দিয়া হ'ব । যদি ছাত্ৰ-ছাত্ৰী নাথাকে, তেন্তে বিষয় অনুপাতে আমি শিক্ষক কেনেকৈ দিম । প্ৰায় ৮৪ elective subject আছে । তাৰমানে যদি প্ৰতিটো বিষয়ত শিক্ষক দিবলাগে বুলি কলে আৰু ছাত্ৰ-ছাত্ৰীৰ কথা উল্লেখ নকৰিলে elective subject টোৰ কাৰণে প্ৰতিখন হাইস্কুলত ৮৪ গৰাকী শিক্ষক দিব লাগিব । গতিকে বিষয় ভিত্তিক শিক্ষক দিয়াৰ লগে লগে তাৰ লগত এইটো কব লাগিব যে ইয়াত ছাত্ৰ-ছাত্ৰী সেইমতে থাকিব লাগিব । ছাত্ৰ-ছাত্ৰীয়ে যদি নাথাকে শিক্ষক দি আমি কি কৰিম । তেখেতে বিদ্যালয় সমূহত বিভিন্ন আন্তঃগাঠনি থকা কথা কৈছে, মই আজি সদনত মাননীয় উপাধ্যক্ষৰ জৰিয়তে মই জনাই দিব বিচাৰো গুণোৎসৱ ২০১৭ চনত হৈ যোৱাৰ পিছত চৰকাৰে যিখিনি পদক্ষেপ ল'লে আন্তঃগাথনি সমস্যা সমাধানৰ ক্ষেত্ৰত ইয়াত আমি ব্যাপক সফলতা লাভ কৰিবলৈ সক্ষম হলো। অসমৰ ৪৪১৮০ খন স্কুলৰ external electrification আমি achieve কৰিছো 99.86 শতাংশ, internal electrification 99.59 শতাংশ, drinking water facility 98.21 শতাংশ, boys toilel 98.55 শতাংশ, Girls toilel 99.26 শতাংশ, boundary wall ইয়াত আমি পিছ পৰি আছো 52.14 শতাংশ কাৰণ বহুতো বিদ্যালয়ত boundary wall নাই। আমি ক্ৰমান্বয়ে এইখিনি বনাই গৈ আছো। অতিৰিক্ত শ্ৰেণীকোঠাৰ বাবে যোৱা সময়খিনিত গুনোৎসৱৰ পিছত আমি ১৮০০০ অতিৰিক্ত শ্ৰেণীকোঠা অসমৰ বিভিন্ন বিদ্যালয়ত নিৰ্মাণ কৰিছো। কিছু সংখ্যক বিদ্যালয় যিখিনি প্ৰাদেশীকিকৰণৰ জৰিয়তে self base স্কুল, য'ত আন্তঃগাঠনিটো একেবাৰে দুৰ্বল কাৰণ সেই বিলাক ভেঞ্চাৰ বিদ্যালয় আছিল। সেই খিনি বিদ্যালয়ৰ আন্তঃগাঠনি

উন্নয়নৰ কাৰণেও বৰ্তমান আমি ব্যৱস্থা গ্ৰহণ কৰি আছো আৰু নিশ্চিত ভাবে খুব সোনকালে সেই সমস্যা বিলাক দুৰ হ'ব । শিক্ষক প্ৰশিক্ষনৰ কথা কৈছে, আমাৰ এইখন চৰকাৰে শিক্ষক প্ৰশিক্ষনটোক অগ্ৰাধিকাৰ দি আছে । আমি হাইস্কুলৰ, আপাৰ প্ৰাইমাৰী স্কুলৰ যি সকল বিজ্ঞান আৰু গণিতৰ শিক্ষক তেনেকুৱা ছয় হাজাৰ শিক্ষকৰ প্ৰশিক্ষন আমি সমাপ্ত কৰিছো আৰু প্ৰশিক্ষনটো নিৰৱচিন্ন öÆÊÂ ðÃµ ÆÊÂ Center of Excellence, IIT ৰ নিচিনা অনুষ্ঠানৰ লগত আমি চুক্তিবদ্ধ হৈছো । IIT, Guwahati, NIT, Silcahar, Tezpur University, Dibrugarh University এই চাৰিখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত আমাৰ গণিত আৰু বিজ্ঞানৰ শিক্ষক শিক্ষয়ত্ৰী সকলৰ প্ৰশিক্ষন চলি আছে আৰু এইটো নিৰৱচিন্ন ভাবে চলি থাকিব । প্ৰাথমিক পৰ্য্যায়ত নিপুন অসম আৰম্ভ হৈছে । বুনিয়াদী স্বাক্ষ্যৰতা আৰু সাংখিকতা ইয়াৰ জৰিয়তে জৰীপ কৰি দেখা গ'ল ল'ৰা-ছোৱালী হয়তো পঢ়িব শিকিছে কিন্তু বোধগাম্য তেওঁলোকৰ হোৱা নাই । পঢ়িব পাৰিছে কিন্তু কি পঢ়িছে তাক বুজিব পৰা নাই । নেওঁতাখন মুখস্থ কৰিছে কিন্তু নেওঁতাখন বুজিব পৰা নাই । সংখ্যাৰ জ্ঞানতো সম্পুৰ্ণৰূপে অহা নাই । ইয়াৰ কাৰণে ভাৰত চৰকাৰে নিপুন ভাৰত মিচন যাৰ অধীনত আমি অসমত নিপুন অসম আৰম্ভ কৰিছো আৰু এই মিচনৰ মুল লক্ষ্যটো হ'ল বুনিয়াদী স্বাক্ষ্যৰতা আৰু সাংখিকতা যোৱা ১৬ আগষ্টৰ পৰা আৰম্ভ হৈছে । প্ৰায় ১ লাখ ৯ হাজাৰ শিক্ষক শিক্ষয়ত্ৰী FL&N ৰ ওপৰত প্ৰশিক্ষণ প্ৰত্যেক জিলা আৰু ব্লকত চলি আছে । মই মাননীয় বিধায়ক সকলক অনুৰোধ জনাম এই বুনিয়াদী স্বাক্ষ্যৰতা আৰু সাংখিকতাৰ যিখিনি প্ৰশিক্ষণ চলি আছে, সেই প্ৰশিক্ষণত যাতে এপাক দেখা দিয়ে কেনেধৰণৰ প্ৰশিক্ষণ হৈছে, আমি ৰাষ্ট্ৰীয় শিক্ষা নীতি কেনেধৰণে ৰূপায়ন কৰিছো সেইখিনি অলপ খা-খবৰ লয় তাৰ কাৰণে মই অনুৰোধ জনাইছো । গতিকে এই গোটেই কামখিনি আমি কৰি আহিছো, যি মেন্টেল হাইজিনৰ কথা কৈছে যে আজিকালি চাইক'লোজি কাউঞ্চিলিং ও কৰিব লাগে । সেই কামও আমি কৰিছো । ভাৰতবৰ্ষত প্ৰখ্যাত যি মানসিক চিকিৎসালয় আছে National Institute of Mental Health and Science ইয়াৰ লগত অসম চৰকাৰৰ শিক্ষা বিভাগে চুক্তিবদ্ধ হৈ তেওঁলোকৰ দ্বাৰা প্ৰমানিত হোৱা ব্যক্তিৰ দ্বাৰা আমি বিদ্যালয়ে বিদ্যালয়ে ছাত্ৰ-ছাত্ৰী সকলৰ কাউঞ্চিলিংও আমি কৰিছো । হাইজিন ব্যৱস্থাটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে । তাৰ কাৰণেও চৰকাৰখনে বিশেষ আঁচনি ৰূপায়ণ কৰিছে। শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ দিনতে ২৪ হাজাৰ শিক্ষকক ইতিমধ্যে আমি নিযুক্তি প্ৰদান কৰিলো। আমাৰ বহুত পদ খালী নাই কিন্তু অৱসৰৰ কাৰণে যিসমূহ পদ খালী হৈছিল, তাৰো বিজ্ঞাপন প্ৰকাশ পাইছে। ইয়াৰ উপৰিও secondary section তো আমি এইবাৰ এটা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছো। যিহেতু গণিত বিষয়ত আমাৰ dedicated শিক্ষক নাছিলে, আমি Science Teacher বুলি নিযুক্তি দিওঁ আৰু তেওঁকেই আমি বিজ্ঞানৰ লগতে গণিতো পঢ়াবলৈ দিওঁ। আজি আমাৰ অনুভৱ যে গণিতৰ কাৰণে dedicated শিক্ষক লাগে আৰু আজি কিছুদিন আগত মাননীয় কেবিনেটে আমাক সন্মতি জনাইছে। ২০১৮ চনৰ সেৱা বিধিৰ সংশোধনীৰ জৰিয়তে আমি বিশেষ ভাৱে গণিতৰ শিক্ষক নিযুক্তি দিয়াৰ বাবে Graduate Teacher, Mathematics বুলি এটা পদ হাইস্কুল সমূহত সৃষ্টি কৰিছো। আমাৰ যি নতুন নিযুক্তি হ'ব, সেই ক্ষেত্ৰত প্ৰথম বাৰৰ বাবে অসমৰ বিদ্যালয়সমূহত আমি গণিত শিক্ষক specially নিযুক্তি কৰিম। ছাত্ৰ-শিক্ষকৰ ১৯:১ যিটো অনুপাত আছে, সেইটো ভালেই। মাত্ৰ তাৰ সম বিতৰণৰ কাৰণে আমি এটা rationalization ৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমি ইতিমধ্যে এটা ra-

tionalization drive কৰিলো। কিন্তু, আমি সকলো মানুহ, বিভিন্ন বিষয়া-কৰ্মচাৰীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। সেইটো কৰিবলৈ যাওঁতে কোনোবাই কাৰোবাক মৰম কৰে, কোনোবাই কাৰোবাক শাস্তিমূলক দৃষ্টিৰে চায় যাৰ বাবে প্ৰকৃত rationalization হৈ নুঠে। ইতিমধ্যে আমি Artificial Intelligence ৰ জৰিয়তে 'শিক্ষা সেঁতু' কৰিলো। 'শিক্ষা সেঁতু' ত ছাত্ৰ-শিক্ষকৰ উপস্থিতি লৈছো। এইবাৰ rationalization ৰ কাৰণেও আমি আকৌ Artificial Intelligence ব্যৱহাৰ কৰাৰ বাবে আমাৰ চফ্‌টৱেৰ সম্পূৰ্ণ হৈ গ'ল। এতিয়া এই চফ্‌টৱেৰ ব্যৱহাৰ কৰি জিলা এখনৰ বিদ্যালয়সমূহৰ পৰিসংখ্যা লৈ কোন শিক্ষকক ক'ত দিব পৰা যায় ইয়াৰ অংকটো চফ্‌টৱেৰটোৱে কৰি দিব আৰু আমি ইয়াৰ ওপৰত মাত্ৰ fine tuning হে কৰিম। অৰ্থাৎ যাতে কোনো বিদ্যালয় rationalization ৰ পৰা বাদ পৰি নাযায় আৰু অনাহকত কোনো শিক্ষকক যাতে বদলীকৰণ কৰা নাযায় তাৰ বাবে Artificial Intelligence ব্যৱহাৰ কৰি rationalization কৰা হ'ব। যিহেতু গোটেই কথাখিনি মানৱীয় আৰু এইটো infrastructure গঠন কৰাৰ নিচিনা নহয়, ইটা চিমেণ্ট বালিৰ অংক নহয়, human being ক বিভিন্ন ঠাইত নিয়োগ কৰিব লাগে, ইয়াত বহু ধৰণৰ কথা আছে। গৰ্ভৱতী মহিলা এগৰাকীক হঠাৎ বদলি কৰি দিব নোৱাৰি। মহিলা এগৰাকীক দুখন নদী পাৰ কৰি চৰ অঞ্চল এটাত চাকৰি দিব নোৱাৰি। দিব্যাংগ ব্যক্তি এজনক য'তে ত'তে নিয়োগ কৰিব নোৱাৰি। এই মানৱীয় কথাবিলাকো জড়িত হৈ থকা কাৰণে আমি কামখিনি লাহে ধীৰে কৰিবলগীয়া হৈছে আৰু আমি বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক দিয়াৰ ব্যৱস্থা কৰিছো । আমাৰ এতিয়া যিখিনি আইন আছে, Right to Education Act খন parent act আৰু তাৰ লগতে আমাৰ অসম চৰকাৰৰ Provincialization Act আছে, provincialization ৰ নিয়ম আছে, সেইখিনিয়েই আমাৰ কাৰণে যথেষ্ট। কামখিনি আমি আগুৱাই নি আছো আৰু তাৰ কাৰণে আন এখন বিলৰ প্ৰয়োজন নাই বুলি মই উপলব্ধি কৰি তেখেতক জনাওঁ যে যিহেতু আমাৰ প্ৰতিষ্ঠিত আইনৰ ওপৰত কামখিনি হৈয়েই আছে গতিকে এই বিলখন যাতে প্ৰত্যাহাৰ কৰে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মই এতিয়া সদনত প্ৰস্তাৱটো ভোটদানৰ বাবে ৰাখিম।

প্ৰশ্নটো হ'ল যে-

"The Assam Quality Education Bill, 2024" বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়',

মই ভাৱো 'নহয়'ৰ সপক্ষে 'নহয়'ৰ সপক্ষে 'নহয়'ৰ সপক্ষে প্ৰস্তাৱটো নাকচ কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৭ আৰু ৮, সংকল্প প্ৰস্তাৱ।

কাৰ্য্যসূচী নং ৭, ৮ আৰু ১৬ ৰ বিষয়-বস্তু একে হোৱাৰ বাবে তথা সদনৰ সময় বচোৱাৰ বাবে শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰী অখিল গগৈ আৰু শ্ৰী আব্দুল বতিন খন্দকাৰক তেওঁলোকৰ প্ৰস্তাৱসমূহ সদনত এজন এজনকৈ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা সংকল্প প্ৰস্তাৱ অসম বিধান সভাৰ মজিয়াত উত্থাপন কৰিব বিচাৰিছো। প্ৰস্তাৱটো হ'ল- 'অসমৰ নিবনুৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি এই সদনে চৰকাৰক আহ্বান জনাইছে যে ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত ১০০% খিলঞ্জীয়া যুৱক-যুৱতীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক।'

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** মই সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিছো- The Economic Survey, Assam, 2023-24 ৰ মতে ২০২১ চনত অসমত নিবনুৱাৰ সংখ্যা আছিল ২২,০০,১২৫ জন আৰু এবছৰত ১০,৩৪,৬১৩ জন বৃদ্ধি হৈ ২০২২ চনত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা হ'লগৈ ৩২,৩৪,৭৩৮ জন। অসমৰ নিবনুৱা সমস্যা এটা অতি জ্বলন্ত আৰু জটিল সমস্যা। অসমৰ প্ৰতিজন সক্ষম ব্যক্তিক কৰ্ম সংস্থাপন যোগান ধৰাটো অতি প্ৰত্যাহ্বানমূলক। বহিঃ ৰাজ্যত কৰ্মৰত লাখ লাখ যুৱক-যুৱতীক আমাৰ নিজৰ ৰাজ্যতে সংস্থাপন দিব পাৰিলে অতি উত্তম হয়। কিন্তু যি দ্ৰুত গতিত অসমৰ নিবনুৱা সংখ্যা বৃদ্ধি পাইছে সেয়া এক অতিশয় উদ্বেগৰ বিষয়। সেয়েহে আমি সকলোৱে মিলি অসমৰ নিবনুৱা সমস্যাৰ স্থায়ী সমাধানৰ বাবে আলোচনা কৰা, কৰ্মসূচী গ্ৰহণ কৰা, পৰিকল্পনা কৰাটো জাতীয় দায়িত্ব। অসমৰ প্ৰতিজন সক্ষম যুৱক-যুৱতী তথা ব্যক্তিক ১০০% কৰ্ম সংস্থাপন প্ৰদান কৰিবলৈ তাৰ বাবে সুনিৰ্দিষ্ট আঁচনি ৰূপায়ণ কৰিবলৈ আৰু নিবনুৱামুক্ত অসম গঢ়ি তুলিবলৈ অসম বিধান সভাত প্ৰস্তাৱ গ্ৰহণ কৰো আহক।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী আব্দুল বতিন খন্দকাৰ।

**শ্ৰী আব্দুল বতিন খন্দকাৰ (উত্তৰ অভয়াপুৰী)ঃ** চাৰ, মই নিয়ম ১৩১ ৰ অধীনত এটা প্ৰস্তাৱ দিছিলো। মোৰ এটা বেলেগ সংকল্প প্ৰস্তাৱ আছে ...interruptions.....

**মাননীয় উপাধ্যক্ষঃ** আপোনাৰ এইটোৱেই resolution ...interruptions.....

**শ্ৰী আব্দুল বতিন খন্দকাৰ (উত্তৰ অভয়াপুৰী)ঃ** চাৰ, মোৰ নিয়ম ১৩১ ৰ অধীনত এটা প্ৰস্তাৱ আছিল। যোৱা ৰাতি মোক বিধান সভা সচিবালয়ৰ অতিৰিক্ত সচিবে ফোন কৰি জনাইছে যে সংকল্প প্ৰস্তাৱৰ লগত আপোনাৰ motion ৰ বিষয়টোৰ মিল আছে কাৰণে আপোনাৰ motion টো simultaneously place কৰিব .........interruptions.....

**মাননীয় উপাধ্যক্ষঃ** আপুনি সংকল্প প্ৰস্তাৱটো নাৰাখে নেকি?

**শ্ৰী আব্দুল বতিন খন্দকাৰ (উত্তৰ অভয়াপুৰী)ঃ** মোৰ সংকল্প প্ৰস্তাৱটো আন এটা বিষয়ৰ ওপৰত আছে। নিয়ম ১৩১ ৰ প্ৰস্তাৱটো ইয়াত place কৰিব বুলি কৈছে।

**মাননীয় উপাধ্যক্ষঃ** ঠিক আছে, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, আপুনি আপোনাৰ বক্তব্য ৰাখক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আজিৰ বিধান সভাত এই সংকল্প প্ৰস্তাৱটো এইকাৰণেই আনিছো যে চৰকাৰী তথ্য মতে আমাৰ অসমত ক্ৰমশ নিবনুৱা সমস্যা যি ধৰণে এটা উদ্বেগৰ কাৰণ হৈ পৰিছে, সেই সমস্যাটো সমাধানৰ ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰে অনাগত দিনত কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিলে আমাৰ নিবনুৱা সমস্যাৰ এটা সমাধান হয় সেই সম্পৰ্কত এই প্ৰস্তাৱটো অনা হৈছিল। এতিয়া চৰকাৰী তথ্যমতে, ২০২২ বৰ্ষত অসমত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা আছিল ১০৩৪,৬১৩ গৰাকী। ঠিক সেইদৰে, ২০২৩ চনৰ জানুৱাৰী মাহৰ পৰা ২০২৪ চনৰ মে' মাহলৈকে ৰাজ্যৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহত আমাৰ ১৮,২০,৭১৩ গৰাকী নিবনুৱাৰ পঞ্জীয়ন কৰা হৈছিল। এইটো মে' মাহলৈকে ২০২৪ ৰ আৰু এতিয়ালৈকে ৰাজ্যৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহত আমাৰ ১৮,২০,৭১৩ গৰাকী নিৱনুৱাৰ পঞ্জীয়ণ কৰা হৈছিল। এইটো ২০২৪ চনৰ মে' মাহলৈকে আৰু এতিয়ালৈকে ৰাজ্যখনৰ নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ণ কৰা নিৱনুৱাৰ সংখ্যা হৈছে ৩০,৩৪৭৩৮ গৰাকী। গতিকে আমি এতিয়া লক্ষ্য কৰিছো যে ক্ৰমশঃ যিধৰণে আমাৰ ৰাজ্যখনত নিৱনুৱাৰ সমস্যা বৃদ্ধি পাইছে ইয়াৰ বাবে ৰাজ্য চৰকাৰে যে একো কৰা

নাই বা আন্তৰিকতা নাই সেইটো নহয়। কাৰণ ৰাজ্য চৰকাৰখনে বিগত দুই-আঢ়ৈ টা বছৰত ইতিমধ্যে আমাৰ যিখিনি চৰকাৰী বিভাগ আছে, এই চৰকাৰী বিভাগ সমূহত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰায় ১ লাখ নিযুক্তি দিয়া হৈছে। ঠিক সেইদৰে মাননীয় মুখ্যমন্ত্ৰীৰ আত্ম-নিৰ্ভৰশীল অসম অভিযানতো ইতিমধ্যে প্ৰায় ১,৪০০০ আবেদন পৰা বুলি জানিব পাৰিছো আৰু ইয়াৰ জৰিয়তে প্ৰত্যেক গৰকী নিৰনুৱাৰ ২ লাখ, ৫ লাখ কৈ স্বাৱলম্বী হোৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। ঠিক তেনেধৰণে কৃষি, ভেটেৰনাৰী, মীন, skill Development ত ও তেনেধৰণে যথেষ্ট সংখ্যক নিৰনুৱাক সংস্থাপিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু এই ব্যৱস্থাৰ দ্বাৰা আমি ভাৱো যে আজি প্ৰায় ৩২ লাখতকৈ বেছি যি নিৰনুৱা আছে, এই নিৰনুৱাৰ সমস্যা সমাধান কৰিব লাগিলে আমাৰ চৰকাৰে এটা নীতিগত সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। ইতিমধ্যে মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ওচৰৰ কৰ্ণাটক চৰকাৰে ইতিমধ্যে কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰিছে যে যিখিনি স্থানীয় নিৰনুৱা যুৱক-যুৱতী থাকিব সেই নিৰনুৱা যুৱক-যুৱতী সকলক বিশেষকৈ যিটো managerial category থাকিব, এই managerial category ত ৫০ শতাংশ স্থায়ী নিৰনুৱা যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব। ইয়াৰ কাৰণে ইতিমধ্যে কেবিনেটত সিদ্ধান্ত লৈছে। তেনেকৈ non-managarial যিটো category....

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় বিধায়ক ডাঙৰীয়া, আপুনি অলপ সময় ৰখক। মই এটা কথা কৈ লওঁ। আমাৰ গেলাৰীত যিসকল বিষয়া বহি আছে, তেখেত সকলক এইটো সতৰ্ক কৰা হৈছে যে তেওঁলোকে মোবাইলত ব্যস্ত নহয় আমাৰ সদস্য সকলে কি কৈ আছে তাত গুৰুত্ব দিয়ক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, ( পশ্চিম গুৱাহাটী) ঃ** এই কেটেগৰীটোত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদবীত ৭০ শতাংশ সংৰক্ষণ কৰাৰ কাৰণে ইতিমধ্যে সিদ্ধান্ত লৈছে আৰু তেওঁলোকে তেওঁলোকৰ বিধান সভাত বিল হিচাবে উত্থাপন কৰিছে। কৰ্ণাটকৰ চৰকাৰখনে তেওঁলোকৰ যিখিনি নিৰনুৱা যুৱক-যুৱতীৰ এটা সংজ্ঞা নিৰূপণ কৰিছে আৰু এই সংজ্ঞাত কোৱা হৈছে যে - It define a local candidate as any one born in Karnataka domicilated for at least 15 years in the state, who can read, write and speak Kannada. For those who do not possess a secondary school certificate the Bill calls for a Kannada language proficiency test. গতিকে তাত দেখা গৈছে যে কৰ্ণাটকৰ চৰকাৰখনে যিসকলে ৰাজ্যখনত নিম্নতম ১৫ বছৰ স্থায়ীভাৱে বসবাস কৰিছে, যিসকলে কান্নাড়া ভাষা লিখিব পাৰে, পঢ়িব পাৰে আৰু ক'ব পাৰে, সেইসকলক তেওঁলোকে local candidate হিচাবে গণ্য কৰিছে। ইতিমধ্যে আমাৰ চৰকাৰখনেও ২০১৯ চনত আমাৰ যেতিয়া বি.জে.পি মিত্ৰজোঁটৰ চৰকাৰ আছিল, তেতিয়াও আমাৰ এখন Skill Employment and Entrepreneurship Department য়ে কেবিনেটত সিদ্ধান্ত লৈ এখন অফিচ মেমোৰেণ্ডাম publish কৰিছিল। মাননীয় উপাধ্যক্ষ মহোদয়, এইখন publish হৈছিল, Dated Dispur, the 5th August 2019. In pursuance of the decision taken in the cabinet held on 22/07/2019 the Government resolved to formulate a definite policy for reservation of posts in managerial and supervisory category and also for recruitment in the managerial and non-managerial cadres of employees, workers and artisans for the Local Residents of Assam in Public Sector Undertaking of the State and Central Gopvernments

as well as all the industries being provided with incentives by the State Government.

After careful consideration in the matter the Government resolved as follows:

1. The minimum 80% of recruitment in the managerial and supervisory cadre and minimum 90% of recruitment in the non managerial cadre including Grade III & Grade IV employees, workers and artisans shall be reserved for the local residents of Assam in Public Sector Undertaking of the State Governments as well as all the industries being provided with incentives by the State Government. 2. In orde to adopt the said norm mentioned above of the minumum 80% in the mangerial and supervisory cadre and minimum 90% in the non-managerial cadre in the recruitment made in non-incentive industries and the Public Sector Undertaking the Central Goverment of India and its Public Sectors are being intimated to take all the actions in this matters.

3. While publishing the advertisement regarding recruitment in a public sector undertaking or other industry it should contain that it is mandatory that all canditates of Assam applying for managerial and supervisory cadre and in the non-managerial cadre including Grade III & Grade IV posts, workers and artisans must have valid Employment Exchange Registration Number of the State.

4. While publishing vacancy notifications(s), the public sector undertaking or other industry should notify the vacancies addressing to the Directorate of Employment & Craftsmen Training and the concerned Employment Exchanges, so that all Employment Exchanges functioning under the Directorate can take necessary action as per existing norms in furnishing the list of candidates as per the requirement of the employer. Intimation of all vacancies should be given in prescribed format as per the Employment Exchange (Compulsory Notification of Vacancies Act 1959).

This Notification will come into force with effect from 05/08/2019.

এইখন আমাৰ চৰকাৰে সেইসময়ত উলিয়াইছিল। চাৰ, মই এটা অনুৰোধ কৰিব বিচাৰিছো যে - আমাৰ যিখিনি managarial cader আছে, এই managarial cader টো ৮০ শতাংশ ৰাখি আমাৰ বাকী যিখিনি তৃতীয় আৰু চতুৰ্থ বৰ্গ থাকিব সেইটো ১০০ শতাংশ আমাৰ খিলঞ্জীয়া নিৰনুৱা যুৱক-যুৱতীক যাতে কৰ্ম-সংস্থাপত দিব পাৰে, তাৰ বাবে আমাৰ চৰকাৰখনে এখন বিল আনি, বিলখন পাছ কৰি আইনত পৰিণত কৰে, তাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী

ডাঙৰীয়াক বিশেষভাৱে অনুৰোধ জনাইছোঁ আৰু তেতিয়া হ'লে আমাৰ যিমান Public Undertaking আছে, ৰাজহুৱা উদ্যোগ খণ্ডই হওঁক বা ব্যক্তিগত উদ্যোগ খণ্ডই হওঁক বা প্ৰতিষ্ঠানে হওঁক বা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন undertaking যিবিলাক প্ৰতিষ্ঠান থাকিব, সেইবিলাকত যাতে 100% 4th আৰু 3rd grade পদত স্থায়ী নিৰনুৱা যুৱক-যুৱতীসকলক কৰ্ম-সংস্থাপিত কৰি ক্ৰমশ বাঢ়ি অহা নিৰনুৱা সমস্যাটোৰ সমাধান সূত্ৰ উলিয়াব পাৰো, তাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ । এতিয়া সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া। (to move your resolution)

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Economic Survey Assam 2023-24 ৰ মতে আমাৰ শেহতীয়া নিৰনুৱাৰ সংখ্যা হ'ল ৩২,৩৪,৭৩৮ জন। ২০২১ চনত এই নিৰনুৱাৰ সংখ্যা আছিল ২২,০০,১২৫ জন। এবছৰত বাঢ়ি গ'ল ১০,৩৪,৬১৩জন। এইটো অকল register কৰা নিৰনুৱা সকলৰ সংখ্যা।

আচলতে অসমৰ বেছি ভাগ মানুহে নিৰনুৱা। ইয়াৰ কাৰণটো হ'ল, অসমৰ যিসকল খেতিয়ক, বেছি ভাগ মানুহে খেতি কৰে। সেই খেতি কৰা মানুহবিলাকে এবাৰ খেতি কৰি বছৰত বাকী বেছি ভাগ সময় তেওঁলোকে এনে কটাব লগীয়া হয়। গতিকে তেখেতসকলো হ'ল আচলতে স্বদ্মবেশী নিৰনুৱা। তেখেতসকলৰ প্ৰকৃত অৰ্থত কৰ্ম-সংস্থাপন নাই। আমি দেখিছো আজিৰ দিনতো অসমৰ মানুহৰ সঁচাকৈ খেতিয়েই মূল উপাৰ্জন। কিন্তু খেতি মূল উপাৰ্জন হলেও এতিয়ালৈকে খেতিত আমাৰ কোনো professionalism নাই।

ভাৰত স্বাধীনতাৰ পিছত অসমীয়া জাতিয়ে চাৰিটা ক্ষেত্ৰত উৎপাদন বৃদ্ধি কৰিছে। কিন্তু আটাইকেইটা ক্ষেত্ৰত চৰকাৰৰ বিশেষ অৱদান নাই।

প্ৰথমটো হ'ল, উৎপাদন বৃদ্ধি হৈছে উজনি অসমৰ ক্ষুদ্ৰ চাহ খেতিৰ। তাত চৰকাৰৰ বিশেষ ভূমিকা নাই। তাত বহুত মানুহ নিজে সংস্থাপিত কৰি লৈছে।

দ্বিতীয়তে, গোৱালপাৰ, বঙাইগাঁও, কাৰ্বিআংলং এই অঞ্চল বিলাকত ৰবৰ খেতি। তাত কিছু পৰিমানে মানুহ সংস্থাপিত হৈছে।

তৃতীয়টো হ'ল, শাক-পাচলিৰ খেতি। সংখ্যালঘু মানুহবিলাকে শাক-পাচলিৰ জৰিয়তে নিজৰ এটা উৎপাদন ব্যৱস্থা গঢ়ি তুলিছে। আৰু

চতুৰ্থটো হ'ল, শেহতীয়াকৈ মাছৰ উৎপাদন।

কেৱল এই চাৰিটা ক্ষেত্ৰত স্বাধীনতাৰ পিছত কিছু পৰিমানে উৎপাদন বৃদ্ধি পাইছে। তাৰ বাহিৰে আমি দেখিবলৈ পাইছো যে ভাৰতৰ স্বাধীনতাৰ পিছৰ পৰা এতিয়ালৈকে আমাৰ কৃষি ব্যৱস্থাক সামন্তীয় ব্যৱস্থা কৰি ৰাখিলে। যাৰ ফলস্বৰূপে খেতিয়ক এজন প্ৰকৃত অৰ্থত কৰ্ম-সংস্থাপন পোৱা ব্যক্তি নহয়। সামন্তীয় ব্যৱস্থা মানে আমি নিজৰ ঘৰৰ কাৰণে উৎপাদন কৰো। ঘৰৰ কাষৰ পৰা গোবৰ অলপ দি তাৰ পৰা লাওঁ গছ, কোমোৰ গছ হ'ল, অলপ ঠাইত ধনীয়াৰ খেতি কৰিলো বা অন্য শাক-পাচলিৰ খেতি কৰিলো। আমি এই উৎপাদনটোক economic ৰ ভাষাত এইটো feudal production বুলি কওঁ। আমি এতিয়ালৈকে capitalist mode ত production লৈ যাব পৰা নাই। অসমৰ বেছি ভাগ মানুহে খেতিত থাকে। কিন্তু খেতি এতিয়া লাভজনক ব্যৱসায় নহয়। কিয় আমাৰ মানুহে খেতি ভালকৈ কৰিব নোৱাৰে। আমি আজিৰ দিনটো আকাশলৈ চাই থাকিব লাগে, ভেকুলীৰ বিয়া পাতি থাকিব লাগে যে বৰষুণ দিব, বৰষুণ দিলে আমি খেতি কৰিম

আৰু খেতি মাত্র বছৰত এবাৰ কৰিব পাৰো বাকী সময়খিনিত জলসিঞ্চন নথকাৰ বাবে পথাৰখন পেলাই থ'ব লাগে। তাৰ ফলস্বৰূপে আমাৰ বেছিভাগ মানুহেই এতিয়া নিৰনুৱা। সেই কাৰণে আমাৰ এই গোটেই নিৰনুৱা, শিক্ষিত নিৰনুৱা, অশিক্ষিক নিৰনুৱা, গাঁৱত খেতি কৰি ঘৰত থকা মানুহ বিলাক, মহিলা সকল, সকলো বিলাক যিমান নিৰনুৱা আছে, এই নিৰনুৱাৰ সমস্যাটোৰ আচলতে সমাধান কি হ'ব? এইটো হ'ল এই মুহূৰ্তৰ, মই ভাৰো অসমীয়া জাতি হিচাপে আমি ভাবিব লগীয়া আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন। আমি আমাৰ ফালৰ পৰা ভাৰো যে ৫ টা কামৰ জৰিয়তে অসমৰ এই নিৰুনৰা সমস্যাৰ সমাধান কৰিব পাৰো।

প্ৰথমটো হ'ল, আমাৰ খেতিত বছৰৰ সকলো সময়তে খেতি কৰাৰ পথাৰলৈ পৰিণত কৰা। এইটো কৰিবলৈ হলে প্ৰথমতে আমি পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব। জলসিঞ্চন ব্যৱস্থা কৰি দিয়াৰ পিছত যদি কোনোবাই পথাৰ সমূহ পেলাই থয়, তেতিয়া হ'লে, দৰকাৰ হ'লে চৰকাৰে ফাইন লোৱাৰ ব্যৱস্থাও কৰিব লাগে যে পানী দিয়াৰ পিছত পথাৰত কিয় খেতি নকৰা। এনেকুৱা ধৰণৰ ব্যৱস্থা যেতিয়ালৈকে নহ'ব, Professionalism যেতিয়ালৈকে আমাৰ কৃষিৰ ক্ষেত্ৰত গঢ়ি নুঠিব, তেতিয়ালৈকে অসমীয়া জাতিটো ধনী হোৱাটো কেতিয়াও সম্ভৱপৰ নহয়।

দ্বিতীয়টো হ'ল, আজি কালি মানুহে খেতি কিয় নকৰে? কাৰণ আজিৰ দিনটোত গাঁৱত খেতি কৰিলে লোকচান হয়। কাৰণ খেতি কৰোতে যিমান পইচা খৰচ হয়, সেই পইচাটো খেতিয়কৰ উৎপাদন বিক্ৰী কৰিলে নাপায়। আকৌ কোনোবা সময়ত বস্তুটো আগতীয়াকৈ উলিয়াই দিলে বস্তুৰ দাম পাওঁ, কিন্তু season ৰ সময়ত বস্তুৰ দাম একেবাৰে নাপায়। আমাৰ খেতিৰ অৱস্থা আচলতে তেনেকুৱা।

সেই কাৰণে দ্বিতীয় পেৰাটো, নিৰনুৱা সমস্যা সমাধানৰ কাৰণে আটাইতকৈ গুৰুত্বপূৰ্ণ যিটো বস্তু, চৰকাৰে ধানৰ ক্ষেত্ৰত যিটো আৰম্ভ কৰিছে যে minimum support price দিয়াৰ ব্যৱস্থা, সেইটো আটাইবিলাক গুৰুত্বপূৰ্ণ উৎপাদনৰ ক্ষেত্ৰত প্ৰনয়ন কৰাটো অত্যন্ত জৰুৰী আৰু সেই কামটো দুই ধৰণে কৰিব পাৰি। এটা হ'ল, চৰকাৰে এতিয়া যিটো দৰত ধান কিনি লৈছে, এনেকুৱা এটা আইন প্ৰণয়ন কৰিব লাগে যে ইমান দামৰ তলত যদি কোনোবাই কিনে তেতিয়া হলে সেই ব্যৱসায়জনক দৰকাৰ হ'লে গ্ৰেপ্তাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। এটা minimum support price আমাৰ মুকলি বজাৰটো থাকিব লাগিব। সেই ব্যৱস্থা চৰকাৰখনে কৰি দিব পাৰে। কিন্তু এতিয়ালৈকে আমি সেই ক্ষেত্ৰত গুৰুত্ব নিদিয়াৰ কাৰণে আমি খেতিয়ক হিচাপে নিজকে এটা professional ঠাইলৈ লৈ যাব পৰা নাই।

তৃতীয় বস্তুটো হ'ল, যে সঁচাকৈ অসমীয়া জাতিটো যদি ধনী হ'ব লাগে, সঁচাকৈ আগবাঢ়ি যাব লাগে, খেতিৰ পিছত বজাৰখন স্থানীয় মানুহৰ হাতলৈ আনিব লাগিব। আগতে অম্বিকাগিৰি ৰায় চৌধাৰীয়ে কৈ গৈছিল যে পথাৰো আমাৰ বজাৰো আমাৰ হ'ব লাগিব বুলি। সেই বজাৰখন আমাৰ হাতলৈ আনিবৰ কাৰণে সু-সংহত প্ৰচেষ্টা লোৱাৰ দৰকাৰ আৰু আমাৰ ৰাইজৰ দলে সেই সম্পৰ্কে কেনেকৈ বজাৰ নিজৰ দখললৈ আনিব পাৰি, পথাৰ নিজৰ হাতলৈ আনিব পাৰি, অসমীয়া জাতিক কেনেকৈ ধনী কৰিব পাৰি, তাৰ আমি এখন নিজে কিতাপ লিখিছিলো "আমাৰ সপোনৰ অসমখন, অসমীয়া জাতিৰ কৰ্মসূচী" বুলি। ইয়াত আমি কেনেকৈ অসমীয়া জাতি প্ৰত্যেকটো বিষয়ত professional হৈ উঠিব, এই ব্যৱস্থাটোৰ কথা উল্লেখ কৰিছিলো।

ইয়াৰ পিছতে আমি ক'ব খোজে যে কৃষি, বাণিজ্য, উদ্যোগ, পৰ্য্যাটন, সেৱা আৰু আতিথ্য

খণ্ড। এই পাঁচটা খণ্ডত আমি নিজকে professional কৰিব লাগিব। এতিয়ালৈকে আমাৰ কামৰ behaviour হয় tribal নহয় feudal য'ত mode of production বুলি যাক কয়। mode of production টো হয় tribal production নহয় feudal production। আমি capitalist mode of production লৈ একো ক্ষেত্ৰতে আহিব পৰা নাই, নে কৃষিত, নে বাণিজ্য, নে উদ্যোগত। আমি প্ৰত্যেকজন অসমীয়া মানুহে উদ্যোগ বুলি কলে আমি ভাৱো যে বাহিৰৰ পৰা কোনোৱা উদ্যোগপতিক মাতি আনি ইয়াতে investment কৰোৱা। পৃথিৱীত কোনো এটা উদ্যোগপতিয়ে আহি কোনো জাতিক ধনী কৰি দিয়া নাই। জাতি এটা কেতিয়া ধনী হ'ব? যেতিয়া নিজৰ জাতিৰ ভিতৰত পৰা investment আৰম্ভ হ'ব। অসমীয়া জাতিৰ ভিতৰত পৰা যদি investment আৰম্ভ হ'ব লাগে, তেতিয়া হ'লে কি কৰিব লাগিব? আমি কিছুমান সৰু সুৰা উদ্যোগ আৰম্ভ কৰিব লাগিব আৰু আমাৰ নিজৰ উৎপাদনৰ ওপৰত, আমাৰ নিজৰ খেতি সমূহৰ ওপৰত সেই উদ্যোগসমূহ কৰিব লাগিব। উদাহৰণ স্বৰূপে আমি সকলো মানুহে ভীম কল খাই ডাঙৰ হৈছিলো। শিশু খাদ্য হিচাপে ভীম কল খাইছিলো। এতিয়া কিন্তু আমি চেৰেলেক খাওঁ। কিন্তু bady food ৰ পৰা আমি vimvita বা vimsakti বা এনেকুৱা পাওদাৰ তৈয়াৰ কৰি পৃথিৱীৰ বজাৰ দখল কৰিবৰ কাৰণে অসমীয়া জাতিয়ে কেতিয়াও চিন্তা কৰা নাই। আমি তেনেকুৱা এটা জাতিৰ লিডাৰ উলিয়াব পৰা নাই যি পৃথিৱীৰ bady food ৰ বজাৰখন দখল কৰিব পাৰে আমাৰ নিজৰ উৎপাদনৰ জৰিয়তে। এই যিটো professional চিন্তা উদ্যোগ ক্ষেত্ৰত, সেই চিন্তা ধাৰা নোহোৱাৰ কাৰণে আমাৰ অসমৰ লৰা-ছোৱালীবিলাকে এতিয়া অসমৰ বাহিৰত গৈ কাম কৰিব লাগে।

আমাৰ সেৱা আৰু আতিথ্য খণ্ড। অসমীয়া মানুহৰ যিটো আতিথ্য পৰায়নতা, অসমীয়া মানুহে স্বভাৱতে যিধৰণে মানুহক মৰম কৰে, তাৰ পৰা আমি সেৱা খণ্ডত সাংঘাটিক ধৰণে professional হ'ব পাৰো। আমাৰ নাৰ্চ, ড্ৰাইভাৰ সকলো সেৱাখণ্ডৰ ওপৰিও এই বিষয়টোত যদি আমি professional যিসকল লোকে বেংগলুৰুত গৈ security guard ৰ কাম কৰিছে তাত যদি চৰকাৰে ভালকৈ Skill Development ৰ জৰিয়তে training দি পঠিয়াই তেওঁলোকৰ দৰমহা দুগুণ হৈ যাব। কিন্তু সেই কামটোত আমি এতিয়ালৈকে systematic কৰিবলৈ চেষ্টা কৰা নাই। আটাইতকৈ important sector টো হ'ল এটা পৰ্য্যটন। দুৰ্ভাগ্যজনক কথা অসমৰ পৰ্য্যটন ক্ষেত্ৰ একেবাৰে প্ৰাথমিক অৱস্থাত আছে। আমি professional এতিয়ালৈকে পৰ্য্যটন ক্ষেত্ৰ গঢ়ি তুলিব পৰা নাই। আমি সকলোৱে জানো যে গোৱাত নিজৰ একোৱেই resource নাই। আমাৰ ইমান resource আছে, কিন্তু গোৱাই কি কৰিছে যে আজিৰ দিনটোত ভাৰতবৰ্ষৰ ভিতৰত এজন মানুহৰ per capita income গোৱাত ৫ লাখ ৬৫ হাজাৰ টকা আমাৰ এজন মানুহৰ per capita income ১ লাখ ২০ হাজাৰ টকা। আজি চিকিমত per capita income ৫ লাখ ১৫ হাজাৰ টকা। এই চিকিমত একোৱেই নাই কেৱল পাহাৰ আছে। কিন্তু তাত tourism ৰ ক্ষেত্ৰত per capita income এনেকুৱা পৰ্য্যায়লৈ লৈ গৈছে। গতিকে মই এই কথাই সদনত ক'ব খুজিছো আমি সকলোৱে মিলি কেৱল চৰকাৰী চাকৰিয়েই নহয়, চৰকাৰে চাকৰি দিম বুলি কৈছিল ১ লাখ। আজিৰ দিনটোলৈকে ১ লাখ হোৱা নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেইদিনা ঘোষণা কৰিছে যে ৯৯ হেজাৰটামান পদবীত এতিয়ালৈকে দিয়া হ'ল। তাৰমানে এতিয়ালৈকে একবছৰত কৰিব পৰা কামটো এতিয়ালৈকে কৰিব পৰা নাই। ১ লাখ হোৱা নাই। ১ লাখ কেতিয়া হ'ব। White Paper উলিয়াই দিম ১ লাখ মানুহৰ চাকৰি দিয়া

বুলি। এতিয়ালৈকে সেইটোও দিয়া নাই। গতিকে কেৱল চৰকাৰী চাকৰিয়ে কেতিয়াও নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। আমি অসম বিধান সভাত এইবিলাক কথা seriously চৰ্চা কৰিব লাগে। আমি সকলো বিধায়কে এই বিষয়বিলাকক লৈ বহিব লাগে। এনেকৈ আমি আগবাঢ়ি যাব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী আব্দুল বাতিন খণ্ডকাৰ। মই প্ৰথমতে কওঁতে ধ্যান নিদিলে। যিহেতু মন্ত্ৰী এগৰাকীয়ে একেই বিভাগৰ আপোনাৰ প্ৰশ্নৰ উত্তৰত, প্ৰস্তাবো একেই। সেইকাৰণে আপোনাক ক'বলৈ দিয়া হৈছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ** ঃ প্ৰস্তাৱ মানে ছাৰ সেইটো motion হিচাপে move হ'ব।

**মাননীয় উপাধ্যক্ষ** ঃ সেইটো সংকল্প প্ৰস্তাৱ আপুনি আনক। আপোনাৰ এইটো কাৰ্য্যসূচী নং ১৬ নম্বৰত আছে। যিহেতু মন্ত্ৰী একে গৰাকীয়ে। সেইকাৰণে একেলগে club কৰি দিছো। যাতে এইটো easy হয়।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ** ঃ ঠিক আছে ছাৰ, মই কৈ দিছো।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি প্ৰস্তাৱটো ৰাখক আৰু বক্তব্যও ৰাখক। ৫ মিনিটত শেষ কৰিব।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ** ঃ প্ৰথমতে মই মাননীয় উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো যে Rule 131 ৰ অধীনত এটা motion move কৰিবলৈ সুযোগ দিছে।

The motion is "This House urges upon the Government to take effective measures to develop Assam with a vision where every willing individual has access to dignified employment, where our youth find ample opportunities within the State and where economic prosperity is inclusive and sustainable, so as to make the State a model State of employment generation and economic development, not just for North-East India but for the entire nation." Hon'ble Deputy Speaker Sir, I will put some words in favor of this motion. Assam the gateway of North-East India is a State rich in natural resources, cultural heritage and human capital. However, like many other region of the nation the Assam is the cripple with the persistence challenge of unemployment. As we stand today in a crucial juncture of development of the State development addressing of unemployment crisis of just an economic imperative but a social and moral obligation. Sir, with regard to current unemployment situation our previous speaker has put some data. I will not go in detail but I will try to some heins. Sir, as per economic survey of Assam 2022 and 2023 the unemployment rate in Assam is 6.9 whereas in the year 2021 and 2022. Whereas national unemployment rate is 4.2 which is higher in Assam unemployment. Therefore again center for monitoring Indian economy data shows Assam unemployment rate has fluctuate significantly reaching as I as 11.1% in recent month. Moreover one alarming features is also there

33.9% female is unemployment. Whereas comparatively male unemployment rate is 8% only. These features may also be considered while we proceed in our discussion. The sector was breakdown reveals that agriculture which employs about 49% the workforce is experiencing declining productivity and disguised unemployment. It is reported by the Assam Government itself 2023. The Industrial sector accounting for only about 22% employment has shown slab is growth all the service sector despite its potential has not the sufficient due to observe the goal labour force. Hon'ble Sir, the key factors which are contributing to unemployment in our State is limited industrialization dependence on agriculture and informal sectors. Over reliance _traditional agricultural informal economy has late to low productivity employment and under employment.মই আৰু বিতংকৈ ক'ব নোখুজো যিহেতুকে তেখেতসকলে ইতিমধ্যে কৈছে আৰু এটা ডাঙৰ factor আছে scheme misness. Ministry of labour and employments annual report 2022-2023 highlighted significant gap between the skills imparted by the education system those demanded by market leading to educated unemployment শিক্ষাৰ যিটো quality বা যিধৰণৰ শিক্ষা দিয়া হয় industry ৰ যিটো requirement তাৰ লগত মিল নাথাকে। গতিকে আমি curriculam ৰ কিছু চিন্তা-চৰ্চা কৰিব লাগিব আৰু recently যিহেতু আমি এটা pandemic situation পাৰ কৰিলো ২০২১ চনত। গতিকে আমি কেৱল সমালোচনামুখী নহৈ আমি গঠনমূলক পৰামৰ্শ দিব লাগিব। Hon'ble Sir, অসমৰ ক্ষেত্ৰত specific কিছু challenge আছে। অসমৰ challenge হৈছে, geographical isolation এটা as compare to the national level scenario. Geographysical isolation এটা infrastructural limitations আছে। যাৰ কাৰণে large scale investment টো আহি নাপায় আৰু আমাৰ insurgency problem ত বিগত সময়ত যিটো ভালেকেই খিনি আছিল সেইটো আমাৰ industrial growth ত decreasing factor হিচাপে কাম কাম কৰে। Moreover in natural calamities like flood and errossion also act as a negative agent in respect of industrial growth. Hon'ble Sir, NITI Aayog Assam State Human development report 2020 under this challenges highlighting their impact on education implement and income level in the state. এই সকলোবিলাক factor নীতি আয়োগৰ দ্বাৰা reflect কৰা হৈছে ২০২০ report ত। গতিকে এই কথাবিলাক আমি সকলোৰে মিলি একেবাৰে চাই চিতি বিবেচনা কৰি আমি আগবাঢ়িব লাগিব। ছাৰ মোক এক মিনিট বেছি দিব লাগিব। তেখেতসকলে ১১ মিনিট কৈছে, মই উপস্থাপন সহকাৰে কৈ আছো। ১২ মিনিট পাব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ কথাখিনি কোৱাৰহে প্ৰয়োজন।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ** ঃ ঠিক আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয় আছে, বিশেষভাৱে মই দুটা

কথা তেখেতক মই জনাম। এতিয়া propose solution ৰ ক্ষেত্ৰত short term measure, long term strategy আৰু অসমৰ যি labourising Assam unique State. এই তিনিটা ক্ষেত্ৰত আমি solution বিচাৰিব পাৰো। Short term measure ত যেনেকৈ rural unemployment ৰোধ কৰাৰ কাৰণে MGNREGA ত যিটো আজিৰ তাৰিখত ৰূপায়ণ almost বন্ধ হৈছে, সেই ক্ষেত্ৰত আমি MGNREGA revered কৰিব লাগে rural unemployment দূৰ কৰাৰ কাৰণে practically criteria ৰ কাৰণে MGNREGA য়ে আজিৰ তাৰিখত বাস্তৱত একো আঁচনি ৰূপায়ণ হৈ থকা নাই। যিয়ে নহওঁক, local enterpreneurship develop কৰাৰ কাৰণে small আৰু medium enterprises ক একেলগ কৰি funding কৰাৰ ব্যৱস্থা কৰিব লাগে বিভিন্ন মাধ্যমত আৰু skill development initiative ত skill development ৰ Minister আছে, গতিকে তেখেতে ভাল পাব মই ক'লে। The Assam Skill Development mission has make significant strides in this direction having trend 1.5 lakh use in various skills. মাননীয় অধ্যক্ষ মহোদয়, small entrepreneurship developed কৰাৰ কাৰণে small আৰু medium enterprises of encourage কৰি বিভিন্ন মাধ্যমত ফাণ্ডিং কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াত Skill Development ৰ মন্ত্ৰী মহোদয় আছে, তেওঁ শুনি ভালেই পাব। The Assam Skill Development Mission has made significant development in this direction having train to over 1.5 Lakhs youth in various Skills as per 2023 Report. ইয়াত Expanding and refine কৰাৰ প্ৰয়োজনীয়তা আছে to allain more closely with industry needs can further improve employment. এই ক্ষেত্ৰত এইটো আমাৰ ক'বলগীয়া আছিল। Long term ৰ ক্ষেত্ৰত আমি কেনেকৈ বিনিয়োগবোৰ আকৰ্ষণ কৰিব পাৰো সেই বিষয়ে আমাৰ আলোচনা কৰাৰ প্ৰয়োজন আছে। বিশেষকৈ Tea processing, Oil refining and tourism ৰ ক্ষেত্ৰত আমি বিশেষ পলিচি ইনচেণ্টিভ আৰু আন্তঃগাঁথনি প্ৰদান কৰাৰ বাবে চেষ্টা কৰিব লাগিব। Developing Special Economic Zone to create Industrial Clusters and genarate employment. Long terms stratagy হিচাপে আমি এইখিনি হাতত ল'ব লাগিব। শিক্ষাৰ সংস্কাৰ কৰি কাৰিকুলাম ৰিভাইচ কৰিব লাগিব যাতে উদ্যোগসমূহৰ প্ৰয়োজনীয়তা অনুসৰি আমি কাৰিকুলামটো স্থিৰ কৰিব পাৰো। আমাৰ পৰা শিক্ষালৈ যাতে উদ্যোগসমূহত সংস্থাপন পাব পাৰে তাৰ বাবে যদি আমি কাৰিকুলাম সমূহৰ সংস্কাৰ কৰাৰ এটা পৰিকল্পনা কৰিব লাগে। ভকেশ্যনেল আৰু কাৰিকৰী শিক্ষাৰ বাবে বহুখিনি কাম ইতিমধ্যে চৰকাৰে হাতত লৈছে আৰু বেছি কৰিব লাগে। আন্তঃগাঁথনি উন্নয়ণ, Rail and Road connectivity বঢ়াব লাগে, বজাৰৰ চাহিদাৰ কথা চিন্তা কৰিব লাগে আৰু প্ৰয়োজনীয় বিদ্যুৎ ৰ যোগান থাকিলেহে আমাৰ বিনিয়োগকাৰী আকৰ্ষণ কৰিব পাৰিম। আমি কৃষি খণ্ডকো আধুনিকীকৰণ কৰিব লাগে। আমাৰ অসমত Eco-tourism and Cultural tourism ৰ unique strength আছে। গতিকে এইখিনি আমি capitalized কৰিব লাগে। ইয়াক যদি আমি ভালকৈ উন্নয়ণ কৰিব পাৰো তেতিয়া আমাৰ যুৱক-যুৱতীসকলে ভালকৈ নিয়োগ পাব। Traditional Craft ৰ promotion কৰিব লাগে to supporting and marketing Assam's renown handicraft industrial to genarate employment and preserve cultural

heritage. Developing the service sector and focusing the emerging areas like IT, Health Care and Education to create white coller job opportunity and retained skilled work force within the state. আমি বিশেষভাৱে আৰু এটা ক্ষেত্ৰত মনোযোগ দিব লাগিব সেইটো হৈছে Stream lining the bureaucratic business establishment and operation in the state. Secondly, we have to provide incentive such as tax breaks and subsidies to companies for operation in Assam specially in less develop areas. I want to draw the attention of the Hon'ble CM Sir in the later 70s and early 80s of 20th century, European Garment Industry and Taxtile Industry সমূহ চীনলৈ যোৱাৰ বাবে চীনৰ চৰকাৰে সুবিধা কৰি দিছিল। তেওঁলোকে কম দামতে শ্ৰমিক আৰু উদ্যোগৰ পৰিৱেশ দিছিল আৰু বস্ত্ৰ উদ্যোগটো চীনৰ পৰিচালিত হৈ থাকিল। যাৰ বাবে চীনে অৰ্থনৈতিক উন্নয়ণ হ'ল আৰু নিয়োগো পালে। আকৌ ৮০ দশকৰ শেষৰ ফালে আৰু ৯০ দশকৰ প্ৰথমতে বাংলাদেশে European Garment Industry and Taxtile Industry সমূহক কম দামতে শ্ৰমিক যোগান ধৰাৰ আৰু উদ্যোগ গঢ়াৰ প্ৰতিশ্ৰুতি দি বাংলাদেশ আনিলে। আজিৰ তাৰিখত বাংলাদেশৰ জি ডি পি ভাৰতৰ জি ডি পিতকৈ বেছি। আমাৰ পাঞ্জৱ আৰু গুজৰাটৰ যিটো বস্ত্ৰ উদ্যোগ আছে সেইটো লাহে লাহে ঝাৰখণ্ডৰ ফালে স্থানান্তৰিত হৈ আছে। কাৰণ ঝাৰখণ্ডত কম দামতে শ্ৰমিক পাই আছে আৰু চৰকাৰেও এনেকুৱা এটা সুবিধা দিছে যে যদি এজন কৰ্মচাৰীৰ দৰমহা ৩০ হাজাৰ হয়, তাৰে ১০ হাজাৰ টকা চৰকাৰে দি আছে আৰু ২০ হাজাৰ টকা বস্ত্ৰ উদ্যোগৰ পৰা দি আছে। এই সুবিধাটো যাতে আমি ল'ব পাৰো আৰু এই উদ্যোগসমূহ অসমলৈ অহাৰ বাবে আকৰ্ষিত কৰিব পাৰো। Act East Policy যাতে mission mode ত Large Scale ত চুবুৰীয়া দেশসমূহৰ লগত Implement কৰিব পাৰো তাৰ বাবে ব্যৱস্থা ল'ব লাগে।

**মাননীয় উপধ্যক্ষ ঃ** ধন্যবাদ। বিৰোধী দলপতি ডাঙৰীয়াই কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি স্কীল আৰু নিবনুৱা সমস্যাৰ ক্ষেত্ৰত মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু অখিল গগৈ ডাঙৰীয়া আৰু আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়াই যিখিনি তথ্য সহকাৰে প্ৰস্তাৱ উপস্থাপন কৰিছে তাক মই সমৰ্থন কৰিছো। এই ক্ষেত্ৰত আমাৰ অসম বিধান সভাৰ Investigation Report on the Employment Review Committee Assam Assembly on recruitment annamolies by the HR Department of ONGC Assam. ১৯ জুন ২০১৭ তাৰিখে ৰিপোৰ্ট এটা দাখিল কৰিছিল আৰু এই ক্ষেত্ৰত গুজৰাট চৰকাৰৰ এখন চাৰ্কোলাৰ আছিল যিখনৰ মতে 85% post in public sector as well as joint sector and large scale industries from among the local residence filling up. এইটো তেওঁলোকৰ প্ৰস্তাৱ আছিল। ঠিক একেধৰণে আমাৰ ইয়াতে মুখ্য সচিব মহোদয়ৰ লগত Employment Review Committee ৰ আলোচনা মৰ্ম্মে Government should formulate a definite policy for reserving Grade-III and Grade-IV post for local candidate in all Public Sector Under Taking Industries in Assam as per resolution of Gujrat Government. A Govt. circuler

should be in this regard while publishing the advertisement regarding the recruitment in Public Sector Under Taking. It should be mandatory and candidate apply for the post must have valied certificate from the Local Employment Exchange and the recommendation should be submitted to the Employment Review Committee Assam within 31st December 2017. সেই মৰ্ম্মে কামখিনি আগবঢ়োৱা হৈছিল। কিন্তু কেবিনেট মে'ৰেণ্ডমৰ পিছত যিটো চৰকাৰৰ নোটিফিকেশ্যন উলিয়াব লাগিছিল সেইটো এতিয়ালৈকে হৈ উঠা নাই। ইয়াৰ ফলত যিখিনি সীমিত নিশ্চিত নিয়োগৰ ব্যৱস্থা আছে, সেই ক্ষেত্ৰতো বাহিৰৰ লোকে আহি কাম কৰি আছে। এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা ল'ব লাগে। দ্বিতীয়তে, কৃষিৰ ক্ষেত্ৰত আৰু উৎপাদন কৰিবলৈ হ'লে মোৰ সমষ্টিত প্ৰায় ৩ হাজাৰ হেক্টৰ মাটিত পানী জমা হৈ থকাৰ বাবে কৃষকে খেতি কৰিব পৰা নাই। যাৰ বাবে বাৰ্ষিক ১৭ কোটি টকাৰ লোকচান হৈ আছে। গতিকে এনেকুৱাকৈ বহুতো পতিত মাটি ৰৈ গৈছে। এতিয়া চৰকাৰী নিয়োগৰ ব্যৱস্থা নহয় স্ব-নিয়োগৰ ব্যৱস্থা হ'ব লাগিব। কৃষিৰ ক্ষেত্ৰত এনেকুৱা ধৰণৰ কথাখিনি চিনাক্তকৰণ কৰি পুঁজিৰ ব্যৱস্থা কৰিব লাগে যাতে অসমৰ আৰ্থিক ব্যৱস্থাটো আৰু বেছি ভাল হয়। এইখিনি পৰামৰ্শকে আগবঢ়াই মই প্ৰস্তাৱকেইটাৰ সমৰ্থন জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই দুটা data correction কৰি দিব খুজিছো। আমাৰ economic survey ৰ যিটো report ৩২ লাখ নিৰনুৱা বুলি কোৱা হৈছে। তাতে অকণমান এটা cunfusion আছিল, সেইটো মই কৈ দিছো।২০২১ চনলৈকে অসমৰ employement exchange সমূহত মেনুৱেলী নাম register কৰিছো। ২০২১ চনত সেই সংখ্যাটো আছিল ২০,০০১২৫ জন। ২০২২ চনত আমি এটা সিদ্ধান্ত ললো যে মেনুৱেল সকলক আমি বেলেগ সেৱা আগবঢ়াব নোৱাৰো। সেইটো মেনুৱেলে থাকিব। সেইকাৰণে আমি তেখেতসকলৰ কাৰণে online re-register ৰ ব্যৱস্থা কৰিছো। Re-register কৰিলে ২০২২ চনত ১০,৫৮,৯০৫ আৰু ২০২৩ চনত re-register আৰু register কৰিলে ৯,৬৭,৮৫৪ গৰাকী নিৰনুৱাৰ সংখ্যা ওলাব। অৰ্থনৈতিক সমীক্ষাৰ প্ৰতিবেদন দিওঁতে online আৰু manual দুয়োটা যোগ কৰি তেওঁলোকে প্ৰতিবেদন দিলে কিন্তু তেখেতসকলে বিভাগৰ circular খন গম পোৱা নাছিলে যে manual খিনিয়ে পুনৰ online কৰিব লাগে। সেইকাৰণে আজিৰ দিনত অধীকৃত আমাৰ skill employement department ৰ report মতে ২০২২ চনত আমাৰ নিৰনুৱা registration হ'ল১০,৫৮,৯০৫, ২০২৩ চনত ৯,৬৭,৮৫৪, গোটেইখিনি মিলি ২০ লাখ কিন্তু ৩২ লাখ হিচাপত দেখুওৱা হৈছে। আৰু এই বিষয়ত আমাৰ বিভাগে নিৰিক্ষণ কৰি আৰু Director of Economic survey and statistics য়ে চিঠি লিখিছে যে এই তথ্যখিনি শুদ্ধ কৰি ল'ব লাগিব। গতিকে আমি যিটো বিষয়ত বিতৰ্ক কৰি আছো সেই বিষয়ত নিৰনুৱা ২০ লাখ বুলি ধৰিব লাগে। ভাৰত চৰকাৰৰ যিখন employment bulletin আছে, সেই bulletin খন জানুৱাৰী ২০২৩ ৰ পৰা মাৰ্চ ২০২৪ ৰ বাবে আছে। তাত অসমৰ নিৰনুৱাৰ সংখ্যা ৬.১ শতাংশ মুঠ জনসংখ্যা বুলি কৈছে। It is in declaning trend. তেওঁলোকৰ মতে যোৱা এবছৰত অসমৰ নিৰনুৱা সংখ্যা কমিছে। And it is only 6.1% of the total population. কিন্তু এইটো এটা পৰিসংখ্যাগত কথাহে, আচলতে অসমত ১০ ৰ পৰা ১৫ লাখ

নিৰনুৱাৰ সংখ্যা আছে। যিটো আমাৰ চিন্তনীয় বিষয়। প্ৰথমতে মই মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই উদ্যোগী ক্ষেত্ৰত কৰ্ণাটকৰ কথা কৈছে, সেই বিষয়ে দুষাৰ কম। কৰ্ণাটক চৰকাৰে এই অধিসূচনাখন দিছিলে আৰু পিছত তেখেতসকলে এইখন প্ৰত্যাহাৰ কৰিলে কাৰণ বাংগালুৰুত থকা সকলো IT Industry য়ে ক'লে যে আপোনালোকৰ যদি এনেকুৱা notification দিয়ে, তেতিয়াহ'লে আমি industry বোৰ ইয়াৰ পৰা হায়দৰাবাদলৈ লৈ যাম। কাৰণ আমি পেচাৰত কাম কৰিব নোখোজো। It is a human intensive industry.গতিকে ভাৰতবৰ্ষত আমি মানৱ সম্পদ পাম, সেই অঞ্চলৰ মানুহকে আমি নিযুক্তি দিব বিচাৰো আৰু কৰ্ণাটক চৰকাৰে যদি ইয়াত influence কৰে, তেতিয়াহ'লে আমি ইয়াৰ পৰা industry বোৰ লৈ যাম। লগে লগে ৰেগম ৰেড্ডী, তেলেংগনাৰ মুখ্যমন্ত্ৰী আৰু চন্দ্ৰবাবু নাইডুই বিবৃতি দিলে যে আমি কোনো চৰ্ত নিদিওঁ যে industry বোৰ আমালৈ আহক। আৰু লগে লগে কৰ্ণাটক চৰকাৰে সিদ্ধান্ত ললে আৰু তেওঁলোকে circular খন Kept in Abeyance বুলি ক'লে। এইটো হ'ল সম্পূৰ্ণ শুদ্ধ কথা। অসমৰ নিৰনুৱা সমস্যা সমাধানৰ বাবে আমাৰ চৰকাৰে যোৱা তিনিটা বছৰত লোৱা কিছু ব্যৱস্থাৰ বিষয়ে মই আভাষ দিব বিচাৰিছো। প্ৰথম কথাটো হ'ল-এচাম নিৰনুৱা আছে যাক আমি aspiring নিৰনুৱা বা আকাংখিত নিৰনুৱা বুলি কওঁ। যিধৰণে আমাৰ সমাজত এচাম মানুহ আছে, যাক আমি aspiritional category বুলি কওঁ। এই category ৰ মানুহখিনিয়ে ভাৱে যে আমি ACS দিম, APS দিম , চৰকাৰী চাকৰি কৰিম। তেওঁলোক হৈছে এক আকাংখি মনোভাৱৰ মানুহ। যেনেকুৱা আমাৰ মনত এটা আশা থাকে যে মোক গাড়ী এখন লাগে, আমি এৰোপপ্লেনত ঘূৰিব খোজো অৰ্থ্যাৎ আমাৰ সমাজত যি এটা aspiritional category আছে। আৰু সেই সকলৰো চৰকাৰী চাকৰিৰ প্ৰতি দূৰ্বলতা থাকে। যোৱা তিনিটা বছৰত আমি অসম চৰকাৰে এক স্বচ্ছ নিযুক্তি প্ৰক্ৰিয়া আগুৱাই লৈ গৈছো ইয়াত কোনো বিতৰ্ক কৰাৰ অৱকাশ নাই। আৰু ই এটা ঐতিহাসিক পদক্ষেপ বুলিও ক'ব লাগিব কাৰণ যোৱা তিনিটা বছৰত হোৱা কোনো এটা নিযুক্তিৰ ক্ষেত্ৰত কোনো কোৰ্ট কেচ হোৱা নাই। হয়তো কেতিয়াৱা কোনোবাই reservation ৰ কাৰণে কোৰ্টত গৈছে, সেইটো এটা বেলেগ কথা। কিন্তু ইয়াত কিবা দূৰ্নীতি হৈছে যেনে- select list খন বাতিল কৰক, এনেকুৱা ধৰণৰ এটাও কেচ নোহোৱাকৈ আমি ৯৯,৯০৩ টা নিযুক্তি সম্পূৰ্ণ কৰিলো। ইয়াৰ লগতে যোৱা কেইদিনমান আগতে BTAD ত ৭০০ আৰু নিযুক্তি দিয়া হৈছে গতিকে সৰ্বমুঠ আমি ১ লাখ নিযুক্তি পাবৰ কাৰণে ২০০ টা সংখ্যাই বাকী আছে। আৰু এইটো হয়তো আমি এই মাহত বা অহা মাহত সম্পূৰ্ণ কৰিম। এই ১ লাখ নিৰনুৱাৰ স্বচ্ছ নিযুক্তিৰ পিছত অসমত এটা শৈক্ষিক বাতাবৰণ উভতি আহিছে। এতিয়া লৰা-ছোৱালী স্কুল গৈছে বা কলেজত পঢ়িছে আৰু আপোনালোকে এটা কথা মন কৰিব যেতিয়া কোনোবাই আন্দোলন ঘোষণা কৰিব তেতিয়া কোনো ডেকা লৰাই আন্দোলনলৈ নাহে কাৰণ সন্মুখত পৰীক্ষা আছে অহা চেপ্তেম্বৰত। পুলিচৰ পৰীক্ষা আছে দৌৰিব লাগে। আজি অসমত সৰু সুৰা, ৰাতিপুৱা আইন শৃঙ্খলাৰ কথা পাতিলো, আজিৰ পৰা ৫ বছৰ আগতে হ'লে ই spark কৰি দিলেহেতেন। কিন্তু এতিয়া spark নোহোৱাৰ এটা ডাঙৰ কাৰণ হৈছে প্ৰত্যেকজন লৰা-ছোৱালী পৰীক্ষাৰ কাৰণে ব্যস্ত। যুৱ শক্তিতো আমি divert কৰা অৰ্থত এটা আন্দোলনমুখী পৰিৱেশৰ পৰা গঠনমূলক পৰিৱেশলৈ লৈ যোৱা ক্ষেত্ৰত আমি বহু পৰিমাণে সফল হৈছো। লৰা-ছোৱালী পঢ়াৰ কাৰণে আৰু এটা সুবিধা হৈছে যে সন্মুখত low hang food আৰু State Government ৰ চাকৰি। এতিয়া আমি employment exchange বোৰ computrised

কিয় কৰিলো। এই লৰা ছোৱালীখিনিক আমি nukori.com বুলি এটা সংগঠন আছে আৰু আমি এই তথ্যবোৰ সেই সংগঠনটোৰ লগত share কৰিছো। তাৰ ফলত এই nukori.com য়ে কৰে যে ভাৰতবৰ্ষৰ যিকোনো ঠাইতে খালী পদ ওলালে সেই লৰা-ছোৱলীখিনিৰ মোবাইললৈকে share কৰি দিয়ে যে আজি BSF,CRPF,Bank PO আদিৰ পদ ওলালে, RBI ত পদ ওলালে, Reliance Company ৰ পদ ওলালে, আদানীত পদ ওলালে online employement exchange কৰাৰ পাছত nukori.com ৰ লগত MoU কৰা হ'ল যে প্ৰত্যেকটো interview ৰ খৱৰ বিলাক আমাৰ লৰা-ছোৱলীবিলাকে পাই যায় যদি মোবাইল নম্বৰ বিলাক register কৰা থাকে। এইবাৰ আমি e-mail ত এই খৱৰবিলাক পঠোৱাৰ কাৰণে তেওঁলোকক e-mail ত link up কৰিব কৈছো। মই ভাৱো যে ভাৰত চৰকাৰৰ চাকৰিৰ ক্ষেত্ৰত অসমীয়া লৰা-ছোৱালী বহুত কম আছে। শিক্ষাৰ প্ৰতি উভতি অহা আৰু ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ স্বচ্ছ নিযুক্তিয়ে শিক্ষিত নিৰনুৱাক absorption ৰ হাৰটো কমাই আনি থাকিব। ১ লাখ চাকৰি টাৰ্গেট শেষ হোৱাৰ পিছত আমি এতিয়া ভাৱিছো যে অহা ৬-৭ মাহৰ ভিতৰত আৰু ৫০ হাজাৰ নিযুক্তি দিব পাৰো নেকি। অহা ১ অক্টোবৰৰ পৰা পুলিচৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। চেপ্তেম্বৰত Gr-iii, gr-iv ৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব আৰু স্বাস্থ্য বিভাগৰ বিভিন্ন পদত আমি অহা মাৰ্চ মাহৰ আগত নিযুক্তি দিবলৈ যো-জা কৰিছো। এই গোটেই ব্যৱস্থাটোৰ জৰিয়তে আমি অহা ১০ মে' তাৰিখৰ আগতে এটা টাৰ্গেট কৰিছো যে আৰু ৩০- ৫০ চাকৰিৰ নিযুক্তি বাবে- **কিন্তু আমাৰ চৰকাৰৰ দিনত প্ৰায় দুই লাখৰ ওচৰা ওচৰিলৈকে চৰকাৰী চাকৰি দিয়াৰ যি প্ৰতিশ্ৰুতি আছিল তাৰে এক লাখ নিযুক্তি দিয়া আৰু এক লাখলৈ আগুৱাই যোৱা তেনে এটা পৰিবেশলৈ আমাৰ চৰকাৰখনক লৈ যাব খুজিছো । আমাৰ চাকৰিৰ ক্ষেত্ৰত , আমি কিছুমান পৰীক্ষা ৰিপিটি হিচাপে পাতিব লাগে । অৰ্থ্যত ডি আৰ ডিএত যিসকলে এচিচটেন্ট ইঞ্জিনিয়াৰৰ চাকৰি পালে তেওঁলোকে পি ডব্লিউ ডিত আকৌ এপ্লাই কৰে । কেতিয়াবা এজন ল'ৰাই একেটা পোষ্টতে দুই তিনি বছৰলৈকে তেওঁৰ ফাইনেল ডেষ্টিনেশ্যনটো নোপোৱালৈকে পৰীক্ষা দি থাকে । এজন ল'ৰাই যদি গ্ৰেড থ্ৰি সোমালে সেই লৰাজনে নেক্সট এচিএচ পৰীক্ষা দিয়ে আৰু তাত যদি নিযুক্তি পায় তেতিয়াহ'লে লগে লগে তৃতীয় শ্ৰেণীটো এৰি দিয়ে । গতিকে এক লাখ বা ডেৰ লাখ সংখ্যা হ'লৈও তাতকৈ দহ শতাংশ পোষ্টত কাম কৰা ল'ৰাৰ সংখ্যা ক'ম থাকে । যদি মই এক লাখ বুলি কওঁ তেনেহ'লে এক লাখ দহ হাজাৰ নিযুক্তি দিব লাগিব নহ'লে তাত সদায় দুই -তিনি হাজাৰৰ সংখ্যা এটা ক'ম থাকিব । কাৰণ এই সকল বেলেগলৈ যায় নহ'লে কেন্দ্ৰীয় চৰকাৰৰ ভাল চাকৰি পালেও গুছি যায় । দ্বিতীয়তে অখিল গগৈ ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ মানুহৰ হস্পিটেলিটি কথাটো আমাৰ মানুহ বুলি কোৱা এই মানুহখিনিকে বুজাইছো যে যিখিনি মানুহে আমাৰ সভ্যতা সংস্কৃতিৰ সৈতে জড়িত হৈ আছে লগতে ভাষাৰ ক্ষেত্ৰত তেওলোক খুব শুৱলা - তেওলোক অতি মৰমিয়াল । চো নাৰ্চিং এডুকেশ্যন ইজ বিকামিং এ বিগ হিট চো ফাৰ এচ এমপ্লইমেন্ট ইজ কনচাৰ্ণ ——— এতিয়া অসমত আমাৰ চৰকাৰ অ্হাৰ পিচত আমি এটা পিলিচি ললো যে, নাৰ্চিং হোমখিনি কেৱল হস্পিটেল হিচাপে নচলাই একো একোখন নাৰ্চিং কলেজ হিচাপে স্থাপন কৰো । এতিয়া এই নাৰ্চিং এডুকেশ্যনটোৱে অসমত এবজৰ্ভ কৰিছে । ক'বাত ক'বাত কোৱালিটি সংখ্যা বঢ়া কাৰণে কোৱালিটিত কিছু সমস্যা হৈছে কিন্তু কোৱালিটি কনট্ৰ'ল কৰিবলৈ আমি ব্যৱস্থা লৈছো । আমাৰ নাৰ্চিঙ এডুকেশ্যনটোৱে এটা পৰ্য্যায় পাইছে যে চিংগাপুৰ চৰকাৰেও আমাৰ ওচৰলৈ আহিছে যে, অসমৰ পৰা তেওঁলোকক নাৰ্চ লাগে । তেওঁলোকে আমাৰ নাৰ্চিঙ কোৰ্ছটোত কিছু**

সংশোধনীৰ কথা কৈছে যাতে ইংৰাজী শিক্ষাটো থাকে লগতে আন কিছু ব্যৱস্থাও থাকিব । তৃতীয় পটভূমিতো হ'ল - স্কীলড ডেভে'ল'পমেন্ট - আজি মঙলদৈত যিখন স্কীলড ইউনিৰ্ভাচিটি কৰি আছো তাত আমি বছৰি দহ হাজাৰ লৰাক স্কীলড এডুকেশ্যন দিম । এই স্কীলড এডুকেশ্যনত ফাইনেনন্সিয়েল ইনক্লুজন , এ আই , ষ্ট'ক মাৰ্কেট- অৰ্থাৎ আমি ফিউচাৰ ইণ্ডাষ্ট্ৰী কৰিবলৈ গৈ আছো । বহু সময়ত কোৱা হয় যে আমাৰ অসমত বহু সম্পদ আছে । এই বিষয়ে এই সদনত মই এটা কথা ক'ব খুজো যে, মই ভাৰতবৰ্ষৰ বহু ৰাজ্যত ঘুৰিছো - আৰু গ'ম পালো যে আমাৰ অসমতে আটাইতকৈ ক'ম সম্পদ আছে । আমি বছৰি যদি এক শতাংশ কয়লা উৎপাদন কৰো তাৰ বিপৰীতে উৰিষ্যাই তিনি শতাংশ কৰে । আমি খাৰুৱা তেল ৩.২০ মিলিয়ন মেট্ৰিকটনৰ ওপৰত যাব পৰা নাই । চাহৰ ক্ষেত্ৰত এতিয়া বিশ্ব বজাৰত অসমৰ চাহৰ দাম ক'মি গৈছে । কোৱালিটিৰ যথেষ্ট ইছ্যু আছে । চাহ ইণ্ডাষ্ট্ৰি এতিয়া আমাৰ বাবে আৰ্শীবাদ নহয় এটা প্ৰত্যাহ্বানতহে পৰিনত হৈছে । যেতিয়া সম্পদৰ লিষ্টখন আমি বনাও তেতিয়া আমি বহু সম্পদ দেখা নাপাও কাৰণ কয়লাৰ কথা ক'লে কোল ইণ্ডিয়াই কয় যে ইট ইজ জাষ্ট নট এ ডিপজিট ——— গতিকে কয়লা, চাহ , পেট্ৰ'ল- ডিজেল বাদ দিলে আমাৰ একো নাই । এতিয়া অসমৰ বিকল্প হ'ল মানব সম্পদ । আজি কেৰেলাৰ গোটেই আন এমপ্লইমেন্টটো কেনেকৈ চ'লভ কৰিলে ? গোটেই বিশ্বতে আজি তেওঁলোকে কয় যে, কোষ্টেল ইক'ন'মি- যে বাহিৰৰ পৰা কেৰেলাত পইচা পঠিয়াই - কাৰণ তেওলোকে গোটেই বিশ্বতে মানব সম্পদ ডিষ্ট্ৰিবিউট কৰিছে । মঙলদৈত হৈ থকা স্কীলড ইউনিৰ্ভাচিটি খনত এচিয়ান ডেভল'পমেন্ট বেংকে আমাক সহায় কৰিছে । তাৰ বাব আমি চেটেলাইট কেম্পাচ আমি অসমৰ বিভিন্ন ঠাইত কৰাৰ সিদ্ধান্ত লৈছো । তাত আমি প্ৰতি বছৰে দহ হাজাৰ লৰা ছোৱালীক স্কীলড কৰিব পাৰিম । তাৰ বাবে মই আজি চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াক ধন্যবাদ জনাব খুছিছো যে তেখেত মন্ত্ৰী থাকোতে তেখেতৰ দিনতে এই পদক্ষেপটো লোৱা হৈছিল । গতিকে এই কামটো যাতে সম্পূৰ্ণ হয় । এই স্কীলৰ লগত আৰু এটা ডাঙৰ পদক্ষেপ হ'ল - আই টি আই আৰু পলিটেকনিকসমূহক আমি টাটা টেকনোলোজিৰ লগত এম ও ইউ কৰি ইণ্ডাষ্ট্ৰি কাৰণে আমি প্ৰিপেয়াৰ কৰি আছো । গোটেই অসমত টোটেল ৭৮ আই টি আই আৰু - পলিটেকনিক অটোমেটেড কৰিছো । টা টাই মানুহ দিছে আৰু এশ শতাং গেৰান্টি এমপ্লইমেন্ট দিছে । তাত আমি আৰ্টিফিচিয়েল ইন্টেলিজেন্স, এ আৰ, চি আৰ , অগমেন্টেড ৰিয়েলিটি - ইত্যাদি আমি মানৱ সম্পদক ব্যৱহাৰ কৰাৰ বাবে আমাৰ আই টি আইবিলাকক কমপ্লিট ৰিফৰ্ম কৰিছো । এল এণ্ড টিক আমি ৪ খন আই টি আই দিছো যে তাত আপোনালোকে কনষ্ট্ৰাকশ্যন ইণ্ডাষ্ট্ৰিৰ লগত জড়িত মেন পাৱাৰটো আপোনালোকে অসমত বনাই লওঁক । চো গৰ্ভমেন্ট এমপ্লইমেন্টত ট্ৰেন্সপাৰেন্সি -ডেট ইজ দি ফাৰ্ষ্ট পিলাৰ অৰ আন এমপ্লইমেন্ট - আমি চ'লভ কৰিব খুজিছো । চেকেণ্ড পিলাৰটো হৈছে - স্কীলড এডুকেশ্যন । স্কীলড এডুকেশ্যনত আমাৰ বাবে এটা পজিটিভ আহিলে যে, ফিউচাৰ ইণ্ডাষ্টিত খুৱ ডাঙৰ ৰোল প্লে কৰে চেমি কনডাক্টৰ । আজি অসমত চেমি কনডাক্টৰ ৰিলেটেড কোনো ৰিচ'ৰ্চ নাই । চেমি কনডাক্টৰটো গুজৰাটত তৈয়াৰ হৈ আহিব- কাৰণ তৈয়াৰ হওঁতে পানী লাগে । গুজৰাটত চেমি কনডাক্টৰটোৰ ষ্ট্ৰাকচাৰটো তৈয়াৰ হৈ আহিব- ইয়াত কেৱল আমাৰ মানুহে বহি গুটি কেইটা সন্মূখত বহুৱাই দিব । এইটোৱে কাম । যাক এচেমব্লীং ইউনিট বুলি কোৱা হৈছে । টাটাই আজি প্ৰথমবাৰ অসমত আহিছে - তাত আমি ২৭ হাজাৰ ল'ৰা ছোৱালীক ৰিক্ৰুইটমেন্ট দিব পাৰিম । অল ইণ্ডিয়াত চেমি কনডাক্টৰ ইণ্ডাষ্ট্ৰিটো এতিয়া ৰেভূলিউশ্যন আৰম্ভ হৈছে । টাটাত চাকৰি কৰিব - দুদিন চাকৰি কৰাৰ পিচত যদি বেছি দৰমহা পায় তেতিয়াহ'লে ভাৰতৰ আন চেমি কনডাক্টৰ

**ইণ্ডাষ্ট্ৰিলৈকে মুভ কৰিব ।** মোক ফোন কৰি আছে যে যাব পাৰিমনে নোৱাৰিম অসমত। দ্বিতীয়টো স্তম্ভ হৈছে যে অসমত আমি উদ্যোগ আনিব লাগিব। মই আজিও সদনও কওঁ মুখ্যমন্ত্ৰী হোৱাৰ পিছত মই মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈ ডাঙৰীয়াৰ ঘৰত গৈছিলো। ৰঞ্জন গগৈ মোক তিনিটা পৰামৰ্শ দিছিল কেতিয়াবা আমি আলোচনা কৰিম, এটা তেওঁ মোক কৈছিল যে হিমন্ত এটা brand লৈ আহক, ৰিলায়েন্স হওঁক, টাটা হওঁক, আদানী হওঁক কিবা এটা লৈ আহা অসমত। যাতে অসমত industry হ'ব পাৰে তাৰ কথা ওলাব। কাৰণ অইল ইণ্ডিয়া, অ' এন জি চি ৰ বাদে অসমত industry নাই তেল থকালৈকে তেওঁলোক থাকিব। তেল নোহোৱা হোৱা দিনা খনে তেওঁলোক গুচি যাব। কিন্তু টাটাৰ উদ্যোগটো যিহেতু সম্পদৰ ওপৰত নিৰ্ভৰশীল নহয়, গতিকে এনেকুৱা industry এটা যদি আমি Eco system কৰিব পাৰো, ৬/৭/৮ টা এনেকুৱা industry আমি লৈ লৈ গৈ থাকিব পাৰিম। এটা এটা industryয়ে ৫০ হাজাৰলৈকে নিয়োগৰ সুবিধা দিব পাৰে। তেওঁলোকে fab plant আৰু assembly দুয়োটাৰে অসমত পাতিব খুজিছিল। মই পানী নাই বুলি কোৱাত তেওঁলোকে গুচি গ'ল গুজৰাটলৈকে fab টো কৰাৰ কাৰণে, নহলে একেটা industryতে ৬০ হাজাৰ নিযুক্তি হ'ল হেতেন তেওঁলোকে তেনে এটা বহল মন লৈ ইয়াত আহিছিল। মই আজি হাউচৰ পৰাই পৰেশ বৰুৱা ডাঙৰীয়াক আহ্বান জনাম যে অসমত ১৯ লাখ নিবনুৱা আছে। ১৯ লাখ নিবনুৱাক সংস্থাপন দিয়া গুৰু দায়িত্ব বিধান সভা খনৰ আছে। অসমৰ ৰাইজৰ আছে। মই আপোনাক বিনম্ৰতাৰে অনুৰোধ কৰিম, আলাপ আলোচনা, সমস্যা, কেন্দ্ৰীয় চৰকাৰৰ লগত আছে। অসমৰ মানুহৰ লগত নাই। আপোনাৰ সংগ্ৰাম কেন্দ্ৰৰ লগত, দিল্লীৰ লগত। কিন্তু অসমৰ যুৱক-যুৱতী সকলৰ লগত নহয়, গতিকে অসমত উদ্যোগীকৰণৰ আমি এক যি সোণশেৰীয়া অধ্যায় আৰম্ভ কৰিছো টাটাই উদ্যোগ স্থাপন কৰিব, মই আক্ষেপেৰে কম যে কিছুমান ক্ষেত্ৰত আমি কৰিলেও সকলোকে আদৰণি জনোৱাৰ সাহস এটা আমাৰ থাকিব লাগে। যদি পৰেশ বৰুৱা ডাঙৰীয়াই বম ফুটোৱাটো বা আলফাই বম ফুটোৱাটো ইয়াত যদি চাপৰি মাৰিবলৈ হয় তেতিয়াহ'লে ক'তো আমি যাব নোৱাৰিম। মই অনুৰোধ কৰিম আৰু তেখেতৰ লগত ময়ো কথা পাতি থাকো ক'তো কোনো বিসংগতি নাই। তেওঁ অসম প্ৰেমিক, কোনো কথা নাই। মই বিনম্ৰতাৰে সৈতে অনুৰোধ কৰিম, যে যদি অসমত ২৬ জানুৱাৰীত আৰু এবাৰ বমা ফুটে টাটা ইয়াৰ পৰা উঠি গুচি যাব। ইয়াত নাথাকে, কাৰণ ইয়াত সম্পদৰ কাৰণে অহা নাই, যে আমাৰ কিবা সম্পদ লুণ্ঠন কৰিব আহিছে it is just a jester, আৰু যদি এটা বম ফুটে ২৬ জানুৱাৰীত, যদি ব'ম ফুটাব লাগে মোৰ ঘৰৰ সন্মূখত ফুটাই দিয়ক ময়ো মৰি যাওঁ কোনো কথা নাই। মনোৰঞ্জন তালুকদাৰে মোৰ প্ৰতি দয়া মমতা দেখুৱাইছে মোৰ কোনো আক্ষেপ নাই। আমাৰ মিনিষ্টাৰ কলনিৰ পাৰ্কখনত ব'ম ফুটোৱা হওক, that will be more better. আমি উৰি গুচি যাও। আৰু মই আহ্বান জনাম ২৬ জানুৱাৰীত যদি বম ফু টাব লগীয়া আছে মই পুলিচক কৈ দিম আমাৰ মিনিষ্টাৰ কলনিৰ গাৰ্ডেনখনত ফুটাৱক, তাতে ফুটি যাওঁক, কিন্তু অসমত উদ্যোগী কৰণৰ পৰিৱেশটো আমি বেয়া কৰিব নালাগে আৰু যদি উদ্যোগীকৰণৰ পৰিৱেশ বেয়া নাথাকে অসমৰ পৰিৱেশ যদি এনেদৰে ধৰি ৰাখিব পাৰো, মই খুব আশাবাদী যে আমি জাগীৰোড, পলাশবাৰী, উজনি নামৰূপৰ fertilizerৰ কাৰণেও আমি ডাঙৰ কথা চিন্তা কৰি আছো এই ধৰণে অসমত এটা উদ্যোগীকৰণৰ পৰিৱেশ এটা আমি নিৰ্মাণ কৰিব পাৰো। চতুৰ্থতে, যিটো মই অখিল গগৈ ডাঙৰীয়াক সমৰ্থন কৰো। যে কৃষি, চতুৰ্থতে যিটো স্তম্ভ, প্ৰথম স্তম্ভ হৈছে স্বচ্ছ চৰকাৰী চাকৰি, অকল অসম নহয়, অসম ভাৰত আৰু আমাৰ ডাঙৰ ডাঙৰ কোম্পানী বিলাকত চাকৰি। দ্বিতীয়টো হ'ল, স্কীল, অসম হৈছে net

supplier of human resource to everywhere in India. কেতিয়াবা আমি আগত আঞ্চলিক ৰাজনীতি কৰি ভাৱিছিলো যে অসমত তৃতীয়, চতুৰ্থ শ্ৰেণীৰ চাকৰি ৰিজাৰ্ভেচন কৰি দিও। ভাল পৰামৰ্শ। কিন্তু আজি অসমত ক'ভিডৰ সময়ত মই গম পালো ২০০০ টকাকৈ দিম বুলি আমি কৰিছিলো, ১২ লাখ ল'ৰা-ছোৱালীয়ে এপ্লাই কৰিছিল অকল সেই পইচাটোৰ কাৰণে। আজি অসমৰ বহু ল'ৰাই বাহিৰত থাকে। এতিয়া অসমত আমি যিটো ভাৰি থাকো যে অনাঅসমীয়া অসমত আহিছে। হাইদৰাবাদ, কৰ্ণাটকত গ'লে গম পাম যে অনা-কানাড়া যি বিলাকক কয় তাৰ ভিতৰত অসমীয়াও অন্যতম। অনাতেলেগু বুলি যিটো শব্দৰ ব্যৱহাৰ হয় তাত অসমীয়া সকলৰো গাত চিকুতটো পৰে। মই বিচাৰিছো নহয় ভাৰতৰ কিছুমান ঠাইত উদ্যোগ হ'ব কাৰণ তেওঁলোকক সম্পদ দিছে ভগবানে। কাৰোবাক ইউৰেনিয়াম দিছে, কাৰোবাক কয়লা দিছে, সাগৰৰ কাষত থকা দেশ বিলাকত বাহিৰৰ পৰা তেল আনি ৰিফাইন কৰি লৈ যোৱাৰ সাগৰৰ সুবিধা দিছে। কিন্তু ভাৰত টো একেখনে। অসমৰ মানুহ কিয় কৰ্ণাটকত নাযাব? ভাৰতৰ সমবৃদ্ধিৰ সুযোগ অসমীয়া ল'ৰাই পাব লাগিব। সেই কাৰণে মই দেশত য'ত মিটিঙত যাওঁ মই তাতে কওঁ যে অনাতেলেগু, অনাকানাডা, অনাঅসমীয়া এই শব্দটো নোহোৱা হৈ যাব লাগে। কাৰণ ভাৰত মোৰ জন্মভূমি। এই দেশত ইনকাম টেক্স মইয়ো দিও। সকলোৱে দিয়ে সকলো ঠাইত। অলপ আগতে ইউ দি এফয়ে কৈ আছিল যে আমাক সকলো ঠাইত কাম কৰিবলৈ যাব দিব লাগে, বলেদি নহয় Through pursuation যেতিয়া শক্তি প্ৰয়োগ কৰিব খুজিম it will bounce back. আজি মই পুনৰ কৈছো হাউচত যি কেইটা শব্দ কলো it will bounce back. কিন্তু যদি আমি কও যে নহয় মাছৰ বজাৰৰ ঠাই খালী আছে আমি খালী ঠাইখিনিত হে যাম আপোনালোকৰ ঠাইত নাযাও নহয়। তেতিয়া আমাৰ সকলোৱে মাতি লৈ যাব। এতিয়া স্কীল এডুকেশ্যনৰ মঙ্গলদৈত স্কীল ইউনিভাৰচিটি আহিছে, টাটাৰ লগত পলিটেকনিকত আৰম্ভ কৰিছো there are many more initiatives, through which Assam can be net supplier of human resources. কাৰণ ইণ্ডিয়াটো prosper হ'ব এতিয়া ইণ্ডিয়াক কোনেও ধৰি ৰাখিব নোৱাৰে। ইণ্ডিয়া যি গতিত আগুৱাই আছে aviation industry, defence industry, এতিয়া নিউ ক্লিয়াৰ পাৱাৰ উৎপাদনত India will be one of the top most power supplier হ'ব গৈছে, চ'লাৰত আটাইতকৈ টপ মষ্ট হ'ব গৈ আছে। ভাৰতৰ উন্নয়নত অসমীয়া ল'ৰাই সুযোগ ল'ব লাগিব সেই কাৰণে অসমীয়া ল'ৰাই বাহিৰত যাবই আৰু কাম কৰিবই। অনাঅসমীয়া শব্দটো ক'লে তেওঁলোক বিপদত পৰিব। ইয়াত যদি আমি কানাড়া ল'ৰা এজনক, মাৰোৱাৰী ল'ৰা এজনক দিগদাৰ কৰো ৰাজাস্থানত, কাম কৰা অসমীয়া এজনেও একে ট্ৰিটমেন্ট পাব। যিটো ৭০, ৮০ অথবা ৯০ ৰ শ্লোগান আছিল সেইটো এতিয়া relevant নহয়। বিহুৰ সময়ত আপোনালোকে গম পাই কিমান ল'ৰা বাহিৰৰ পৰা বিহু খাব অসমত আহে। গতিকে আমি ইয়াত মাৰোৱাৰী, বঙালী, বিহাৰী অনাঅসমীয়া বুলি কাৰোবাক ক'লে তাতে আমাক অনাবিহাৰী, অনাকানাডা, অনামাৰোৱাৰী বুলি আমাক ধৰিব। কিন্তু অসমত unemployment অসুবিধা সমাধান কৰাৰ দ্বিতীয়টো স্তম্ভ হ'ল স্কীল। তৃতীয়টো স্তম্ভ হ'ল আমাৰ ইয়াতে উদ্যোগীকৰণ। কিন্তু আমাৰ সম্পদ নাই। সম্পদ বিহীন ৰাজ্য এখনত যেতিয়া উদ্যোগ হ'ব তাত ভবিষ্যতৰ উদ্যোগ হ'ব, ব্ৰেইনৰ উদ্যোগ হ'ব। Artificial intelligente, software development তাত ব্ৰেইনৰ উদ্যোগ হ'ব। কাৰণ এইখন বানে ধোৱা অসম ৰাজ্য। ইয়াত আমি কাম কৰিলে ব্ৰেইনৰ উদ্যোগ হ'ব লাগিব। আৰু তাৰ কাৰণে আগুৱাই গৈ আছো। The forth pillar is Agriculture , অখিল গগৈ ডাঙৰীয়াক মই

সমৰ্থন কৰো তেখেতেও ধনাত্মক ভাৱে কৈছে যে আমি ধানত আজি আপোনালোকে চাওক ৬০০ টকা কুইন্টলত ধান বিক্ৰী কৰা হৈছিল, চৰকাৰ কাৰ আছিল কি আছিল মই নকও। কিন্তু কোনেও এইখিনি কৰিব পৰা নাছিল যে আমাৰ ইয়াতে চাউল আপোনালোকে প্ৰথম কিনিব লাগিব হাউচে আজি জানি ভাল পাব যে এফ চি আই য়ে আমাৰ লগত এখন এগ্ৰিমেন্ট কৰিছে যে অসমৰ পি ডি এচ ৰ চাউল প্ৰথম অসমে দি ল'ব, বাকী থকা খিনিহে হাৰিয়াণা পাঞ্জাৱৰ পৰা আহিব। যি খন মই magna carta বুলি ক'ম। আজি আমি বঙাইগাঁৱত এইবাৰ আৰম্ভ কৰিছো মই ৰঞ্জিৎ দাস ডাঙৰীয়াক আহ্বান জনাম, তেওঁ নাই, আপোনালোকক চাৰ্কোলেট কৰি দিব, ভাৰত চৰকাৰে এতিয়া আমাক কৈছে decentralize procurement অসমে কিনিব, অসমৰ পি ডি এচত যিমান ধান লাগে অসমে দিব অসমে বিচাৰিলেহে বাহিৰৰ পৰা ধান আহিব। এইবাৰ বঙাইগাঁও জিলাত আমাৰ ধানেৰেই বঙাইগাঁও পি ডি এচক আমি দিয়াৰ চেষ্টা কৰি আছো। কিন্তু আমাক কিমান লাগে ৪০ লাখ মেট্ৰিকটন লাগে। চত্তীশগড় ৰাজ্য হোৱাৰ পিছত তেওঁলোকে ১ কোটি ১০ লাখ মেট্ৰিকটন ধান উৎপাদন কৰিব পাৰিছে। আমি এই বছৰ বহুত চেষ্টা কৰাৰ পিছত ৪ লাখ মেট্ৰিকটন ধান কিনিব পাৰিছো। কিন্তু এটা সুবিধা হৈছে যে প্ৰাইভেট মিল বিলাকেও এতিয়া ২ হাজাৰ টকাৰে ধান কিনা কাম আৰম্ভ কৰিছে। কিন্তু net উৎপাদন ১০ লাখ, ১২ লাখতকৈও বিক্ৰী কৰিব পৰা অৱস্থাত যোৱা নাই। মই অখিল গগৈ ডাঙৰীয়াক সমৰ্থন কৰো যে ঘৰৰ প্ৰয়োজনীয় ধানখিনি ঘৰতেই কিনি তেওঁলোক সন্তুষ্ট হৈ আছে, তাতকৈ আগুৱাব খোজা নাই। অহাবাৰ মোৰ planning আছে যে ২২শ টকা ধানৰ লগত ৰাজ্য চৰকাৰে আৰু কিবা পইচা দিব পাৰে নেকি? atleast একো নকৰিলেও ধান অনাৰ যিটো খৰচ to the PPC, paddy procurement centre লৈকে কৃষক এজনে আনিবৰ কাৰণে যিটো ২শ টকা খৰচ কৰে, সেইটো আমি ঘূৰাই দিব পাৰো নেকি? তেতিয়া লগে লগে অকনমান মানুহৰ আৰু অলপ সাহস হ'ব যে আমি অহাবাৰ এইটো ঘোষণা কৰিব খুজিছো, বাজেটত আহিব কিন্তু we want to support the transportation cost. transportation cost টো আমি support কৰিম। লাহে লাহে মই কেইদিনমান আগতে অশোক সিংহল ডাঙৰীয়াৰ লগতো প্ৰায় ৪ ঘন্টা মিটিং কৰিছো যে ৰাস্তা আৰু মথাউৰি এই ৫ বছৰত extensively কৰিছো। অহাবাৰ যি চৰকাৰেই নাহওঁক কিয় জলসিঞ্চনটোক আমি discussion ৰ mainstream কৰিব লাগিব। ইমানদিন আমি হাউচতো আলোচনা কৰো মথাউৰি আৰু ৰাস্তাৰ জলসিঞ্চনটো পিছ পৰি আছে। এতিয়া জলসিঞ্চনৰ সুবিধা আছে কি, মই october ত ভূটানলৈ যাম। আমাৰ ইয়াত নদী নাই জলসিঞ্চন কৰাৰ কাৰণে কিন্তু ভূটানৰ পাহাৰৰ পৰা অহা পানীখিনি দি আমি সমগ্ৰ বড়োলেণ্ড আৰু সমগ্ৰ উত্তৰ অসমত আমি constant water supply ৰ কাৰণে irrigation scheme বহুৱাব পাৰো। মই ভূটানৰ ৰজাক কৈছো, যেতিয়া বানপানী হয় আপোনাৰ পানী আমি ল'ব লাগে। গতিকে আপুনি আমাক irrigation ৰ কাৰণে পানী দিয়ক। এটা study য়ে কৈছে বাক্সাত যদি পানীৰ পাইপ লগাই লৈ গুৱাহাটীলৈকে আমি পানী দিব পাৰো, অকল gradient তে, পানী তেওঁলোকৰ ইমান আছে। আমাৰ নিজৰ source নাই, অহাবাৰ আমি irrigation টোক discourse ৰ প্ৰধান এটা মাধ্যমলৈ আনিব খুজিছো যাতে PWD ক আমি যিমান গুৰুত্ব দিলো প্ৰথমতে, এইবাৰ আমি water resource ক বহুত গুৰুত্ব দিলো আৰু বহুত টকা water resource ত আহিছে, অহাবাৰ আমি গুৰুত্ব দিব লাগিব irrigation ক কাৰণ আমাৰটো সম্পদ নাই, priority কৰিব লাগে। কিন্তু মই এতিয়াৰ পৰাই লাগি আছো যে irrigation should be mainstream

আৰু যিটো অখিল গগৈ ডাঙৰীয়াৰ প্ৰস্তাৱটোক মই সমৰ্থন কৰো আৰু কৃষিৰ ক্ষেত্ৰত ধানৰ উৎপাদন আমি বঢ়াব লাগিব। দ্বিতীয়তে হ'ল mustard, আপোনালোকে গম পাই যে যোৱাবাৰ আমি mustard অকনমান কিনিছিলো এইবাৰ আমি mustard বহুত কিনিছো। প্ৰায় যোৱাবাৰতকৈ ৫ গুণ বেছি কিনিছো, আৰু অহাবাৰ আমি mustard ত msp টো permanent কৰি দিব খুজিছো যে mustard ৰ বহুত demand আছে। Nafed য়ে mustard কিনিবৰ কাৰণে ৰেডি আছে, আৰু অহাবছৰ আমি মৌৰ ওপৰটো minimum support price দিব খুজিছো। mustard টো minimum support price দিম, চাউলটো দিম লাহে লাহে ৬-৭ টা agriculture item লৈকে আমি বঢ়াই বঢ়াই লৈ গৈ থাকিম। যাতে আমি minimum support price দিব পাৰো। আমি ইতিমধ্যে মৌটো চিনাক্তকৰণ কৰিছো, কাৰণ এইটো কম খৰচত হয়। যাৰ ঘৰতে খেতি আছে যিয়ে মৌ উৎপাদন কৰিব পাৰে, আৰু মৌটোত আমি minimum support price দিব খুজিছো। কাৰণ agriculture টো হৈছে এটা অন্যতম স্তম্ভ। মই agriculture টোৰ ক্ষেত্ৰত অখিল গগৈ ডাঙৰীয়াই দিয়া কথাখিনিৰ সম্পূৰ্ণ সমৰ্থন কৰিছো। irrespective of political identity মই অতুল বৰা ডাঙৰীয়াকো অনুৰোধ জনাম যে অখিল গগৈ ডাঙৰীয়াৰ লগত আৰু এবাৰ বহিব। যিখিনি তেওঁৰো আইডিয়া আছে ল'ব আৰু we must implement it. আকৌ মই আপোনাৰ লগত agree কৰো the fifth pillar is tourism. অসমত আমি tourism sector টোক বহুত আগুৱাব পাৰো। কাৰণ আমাৰ culture টোত আমাৰ এটা ডাঙৰ strength আছে। যেতিয়া মই বিহুক ইয়াত লৈ আনিছিলো সমালোচনা হয় কিন্তু মানুহে বিহুটো চিনি পালে। আগতে আমাৰ অসমীয়াৰ সম্পদ আছিল, অসমে জানিছিল। কিন্তু বিশ্বই জনা প্ৰয়োজন আছিল। এইবাৰ আমি ঝুমুৰটোক উলিয়াই লৈ আনিম, তাৰ পাছত আমি বাগুৰুমবা ক লৈ আনিম। আমি culture টোক এটা selling point হিচাবে ল'ব খুজিছো যে culture আমাৰ অকল স্বাভিমানেই নহওঁক, culture আমাৰ economy ৰো এটা strength হওঁক, টুৰিজিম আৰু economy । Home stay ত আমি বহুত কাম কৰিব পাৰো, মই ইতিমধ্যে জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াক কৈছো যে অহাবাৰ আমি ৫ হাজাৰ Home stay বনাবৰ কাৰণে আমি এবাৰতে চেষ্টা কৰিম, যাতে ভাল ভাল Home stay হ'ব পাৰে আৰু Home stay বিলাক marketing হওঁক। এটা common marketing portal হওঁক, অসমৰ home stay ক'ত আছে, home stay জনে যাতে ব্যৱসায় কৰিব নালাগে , টুৰিজিম বিভাগৰ portal তে home stay ৰ এটা যি ঠাইতে থাকিব খোজে, centraly যাতে তেওঁলোকে বুক কৰিব পাৰে প্ৰত্যেকটো home stay ই জনৰ লগত সি জনৰ তেওঁলোকৰ connectivity হওঁক। নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আমি অত্যন্ত চিৰিয়াচ, হাউচ চিৰিয়াচ। একেলগে আমি কাম কৰিলে আমাৰ সমস্যা ইমান বেছি নহয়। ১৯- ২০ লাখ ল'ৰা-ছোৱালী আছে, যি employee বুলি কওঁক বা under employee বুলি কওঁক, আমি resolve কৰিব পাৰিম। Next ৬-৭ বছৰত আৰু অসমৰ কাৰণে এটা ভাল খবৰ কি ? মই কেইদিনমান আগতে নতুনকৈ Health Department লোৱাৰ পাছত অসমৰ হস্পিতাল বিলাকৰ birth rate বিলাক চাই আছিলো। পৰহি শিলচৰত আছিলো, মেডিকেল কলেজৰ principal য়ে কৈছে ছাৰ, every year ২ শতাংশ কমি আছে। আমাৰ সংখ্যাটো লাহে লাহে কমিছে। উজনিত টো we are running in negative now উজনিত জন্মৰ pattern টো হস্পিতাল বিলাকত drastically হ্ৰাস হৈছে। কেতিয়াবা ই এটা politically discuss কৰিলে তাৰ মই negative impact টো কম।

কিন্তু positive impact টো হ'ল যে উজনি অসম আৰু আমাৰ যিবিলাক পুৰণি অসমীয়া খিলঞ্জীয়া মানুহ থকা ঠাইবিলাকত birth rate significantly fall কৰি আছে। সেই কাৰণে আমাৰ নিবনুৱা সমস্যাটো ইমান complecated নহ'ব। কিন্তু যদি বৰপেটা ধুবুৰীত যাওঁ কিছু দিনৰ পাছত তেওঁলোকৰ ক্কৰণে এইটো ডাঙৰ সমস্যা হ'ব. পুৰণা মানুহখিনিয়ে birth rate control কৰাৰ কাৰণে it will be less problematic সেই কাৰণে migration টো বৰপেটা ধুবুৰীৰ পৰা বেছি। বহুত মানুহ বাহিৰত যায় কাৰণ তাত নিবনুৱাৰ সংখ্যাটো বেছি হৈ আছে। আমাৰ ফালে because of the birth ratio যিটো পৰিবৰ্তন হৈছে, তাৰো এটা positive premium এটা আমি ১০ বছৰৰ পাছত পাম। মই আকৌ এবাৰ কম যে ঠিক আছে, তাত গড়াখহনীয়া আছে, কিন্তু এনেকুৱা বহুত ঠাই আছে য'ত নদীও নাই, তথাপিটো তাতো migration হৈছে। য'ত নদীৰ লগত কোনো সম্পৰ্ক নাই. গতিকে সেইটো demography ৰ ওপৰত ইয়াৰ পাছতে এটা কমলাক্ষ দে পুৰকায়স্থৰ এটা আছে, demography ৰ ওপৰত আমি এটা ডিবেট কৰিব পাৰো। এইটো ডিবেটত মই আনিব খোজা নাই। মই এটাই কৈছো যে আমাৰ কাৰণে এটা positive sign আছে যে আমাৰ birth rate কমি গৈ আছে। সম্পদ আমাৰ বাঢ়িব। গতিকে আমি within ten years এটা balance কৰিব পাৰিম। আৰু হাউচে যদি collectively কাম কৰে এইটো আমি কৰিব পাৰিম। শেষত এটা শব্দৰে মই সামৰণি মাৰিছো ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াৰ এটা কথাত মই একেবাৰে সমৰ্থন কৰো যে অসম চৰকাৰৰ চাকৰিখিনি আমি অসমীয়া ল'ৰাই যাতে পায় তাৰ ব্যৱস্থা কৰিব লাগে। যাতে তাত আৰু- কোনো ধৰণৰ বাহিৰৰ পৰা মানুহ আহিব নোৱাৰে. সেই কাৰণে আমি এটা domicile Rule এটা domicile policy এটা আমি বনাই আছো। এই বছৰৰ ভিতৰতে আমি domicile policy এটা অসমত প্ৰকাশ কৰিম যাতে non-domicile য়ে ১০ শতাংশ চাকৰিত apply কৰিব পাৰে। high court ৰ judgement আছে যে আমি চাকৰিত restriction আনিব নোৱাৰো কিন্তু বিধান সভাত আইন পাছ কৰি আমি এটা restriction আনিব খুজিছো যে ৯০ শতাংশ of the job only domicile can apply আৰু ১০ শতাংশ চাকৰি আমি খোলা ৰাখিম। বাহিৰৰ পৰা নহয়, তাতো PRC লাগিব। কিন্তু domicile is much stricter than PRC.আজি হৈছে PRC থাকিলেই সকলোতে apply কৰিব পাৰে। অসমত ২ বছৰ আহি থাকিলেই PRC পাব পাৰে। গতিকে PRC ১০০ শতাংশ লাগিব, কিন্তু ৯০ শতাংশ Domicile Policy আমি ল'ম আৰু দল-সংগঠনৰ লগত কথা পাতিম। তেতিয়া Gr.III, Gr.IV, Class I, class-II অসমৰ চাকৰি খিনি আমি ring fence কৰি ল'ম। অসমৰ চাকৰিখিনি যাতে ring fence হৈ থাকে। Employment ৰ ক্ষেত্ৰত Skill Department ইতিমধ্যে আছেই। ইয়াতে TATA ই industry কৰিব আহিছে। মই তেওঁলোকক কৈছো যে ১০০ শতাংশ চাকৰি অসমৰ ল'ৰা-ছোৱালীক দিব। ৮০ শতাংশ শব্দটো কোৱাৰ প্ৰয়োজনেই নাই। কাৰণ আমাৰ ল'ৰা-ছোৱালী থকাৰ পিছত বাহিৰৰ পৰা অহা টো কোনো কথা নাই। কিন্তু এইটো কথা ঠিক যে আমি managerial ত restriction দি দিলে আমাৰ ইয়াত manpower নাই আৰু সেই restriction বিলাক counter productive হ'ব। তেতিয়া উদ্যোগ নাহিব। গতিকে আমি ফাইন বেলেঞ্চ এটা মেইনটেইন কৰি কাম কৰি যাম। এই আলোচনাৰ বাবে সদনক মই ধন্যবাদ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সুন্দৰ উত্তৰৰ পিছত মাননীয় সদস্য

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰী অখিল গগৈ আৰু শ্ৰী আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়া আপোনালোকৰ প্ৰস্তাৱ সমূহ প্ৰত্যাহ্বান কৰিবনে ?

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই মোৰ প্ৰস্তাৱ উঠাই লৈছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে খুব পজিটিভ লাইনত কথাখিনি কৈছে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাছো। মোৰ প্ৰস্তাৱটো উঠাই লৈছো।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কৈছো যে যিটো garment sector ৰ কথা, যিটো পঞ্জাৱ আৰু গুজৰাটৰ পৰা ঝাৰখণ্ডলৈ চিফ্‌ট কৰি আছে। এইক্ষেত্ৰত আমি অসমে কিবা কৰিব পাৰো নেকি এইটো এটা পইণ্ট কৈছিলো আৰু Act East Policy যিটো কেন্দ্ৰীয় চৰকাৰৰ আছে এইটোত মিছন মুডত কাম কৰি আমি infrastructure develop কৰি চুবুৰীয়া দেশৰ লগত যদি Trade and Commerce open up কৰিব পাৰো এইক্ষেত্ৰত যদি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কিবা এটা ক'লে ভাল পালো হেতেন।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহাদয়, ঝাৰখণ্ডলৈ মই প্ৰায় গৈ আছো। তাত মই এনেকুৱা আঁচনিৰ কথা শুনা নাই। কিন্তু গুজৰাটে যদি এনেকুৱা আঁচনি লৈছে মই এবাৰ পৰীক্ষা কৰি চাম।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ (অভয়াপুৰী উত্তৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ মোশ্যনটো ৰিজ'লিউশ্যনত ক্লাব কৰি দিছিল। মই মোৰ মোশ্যনটো উইদ্ৰ কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া প্ৰস্তাৱ সমূহ প্ৰত্যাহাৰৰ বাবে অনুমোদন দিয়াত সদনৰ সমৰ্থন আছে নে? প্ৰস্তাৱ সমূহ প্ৰত্যাহাৰ কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৯

সংকল্প প্ৰস্তাৱ। মাননীয় বিধায়ক শ্ৰী আব্দুল ৰছিদ মণ্ডল।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল (গোৱালপাৰা পশ্চিম) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, I beg to move this House urges upon the Government to revive and restore 10% Quota for Economically Weaker Section in services under the Government of Assam so as to ensure compliance with the Union Government Policy of reservation for Economically Weaker in services as laid down in the Constitution (103rd Amendment) Act the validity of which has also been upheld by the Supreme Court in their judgement dated-7th November, 2022. মাননীয় উপাধ্যক্ষ মহোদয়, ২০১৯ চনৰ ৯ নৱেম্বৰত Parliament ত ভাৰতীয় সংবিধানৰ 103rd Amendment ৰ দ্বাৰা clause 56 and 66 সংযোজনৰ দ্বাৰা Economically Weaker Section ত ১০ শতাংশ reservation ত provision কৰা হৈছিল। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ বিলাকৰ service and Educational instituion ১০ শতাংশ reservation ত provision কৰা হৈছিল। অৱশ্যে পিছলৈ এইটো Supreme কোৰ্টত চেলেঞ্জ হয় যদিও মহামান্য Supreme কোৰ্টে এইটো খাৰিজ কৰি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক কাৰ্য্যকৰী কৰিবলৈ নিৰ্দ্দেশ দিয়ে। সেই হিচাপে

অসমকে ধৰি ভাৰতৰ ১২ খন ৰাজ্যত যিটো কোটা আছিল সেইটো পালন কৰা হয় আৰু অসম চৰকাৰে ২০১৯ চনৰ ১০ এপ্রিলত অফিচ মেমোৰেণ্ডাম উলিয়ায়। য'ত কোৱা হৈছে যে A person who are not covered under the scheme of reservation for SC/ST and OBC and whose families has gross annual income bellow 6 lakhs are to be identify as EWS for benefits of reservation income shall also include income from all societies i.e salary, agriculture, bussiness, profession etc. For the financial year prior to income eligibility.মাননীয় উপাধ্যক্ষ মহোদয়, আমি যদি এখন ৰাজ্যৰ উন্নয়ণৰ কথা কওঁ তেতিয়াহ'লে সেই ৰাজ্যখনত বসবাস কৰা সকলো মানুহৰ উন্নতি বিচাৰিব লাগিব। আজি যদি আজি ইজৰাইলৰ কথা কওঁ তেতিয়াহ'লে তাৰ মানুহবোৰ ধনী এইকাৰণে যে তেওঁলোকৰ মানুহবোৰ শিক্ষিত আৰু অৰ্থনৈতিক ভাৱে স্বাৱলম্বী। আমাৰ অসমত ও বিভিন্ন জাতি-জনগোষ্ঠীৰ reservation আছে। আমাৰ ৬ টা জনগোষ্ঠীৰ reservation দিব পৰা নাই। কিন্তু আজি যদি EWS থাকিল হয় তেতিয়াহ'লে মানুহবোৰে তাৰ বেনিফিট লৈ অৰ্থনৈতিক ভাৱে আৰু শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা পালে হয়। কিন্তু আমাৰ চৰকাৰে Educational Institution ৰ যিটো reservation আছে সেইটো ঠিকে ৰাখিছে কিন্তু চাকৰিৰ ক্ষেত্ৰত যিটো reservation আছিল সেইটো scrap কৰাৰ কাৰণে দেখা গৈছে যে অৰ্থনৈতিক ভাৱে যিসকল দুৰ্বল লোক আছে তেওঁলোকে চৰকাৰী সা-সুবিধা পোৱাৰ পৰা বঞ্চিত হৈছে। গতিকে মই এই পবিত্ৰ সদনত মোৰ ৰিজ'লিউশ্যনটো মুভ কৰিছো যাতে আজিৰ সদনে economically weaker section ৰ কাৰণে যিটো ১০ শতাংশ সংৰক্ষণৰ ভাৰতীয় সংবিধানৰ ১০৩ নং দফা অনুসৰি সংশোধনৰ দ্বাৰা দিয়া হৈছে যাক Supreme Court য়েও legal validity দিছে। গতিকে আজিৰ আমাৰ এই সদনে এপ্ৰোভ কৰাৰ কাৰণে এই ৰিজ'লিউশ্যনটো মুভ কৰিলো।

(Hon'ble Chairman in the Chair)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহাদয়, আমাৰ সন্মনীয় সদস্য আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়াই EWS reservation ৰ ওপৰত এটা প্ৰস্তাৱ আনিছে। আমাৰ ভাৰতবৰ্ষৰ সংবিধানৰ ১০৩ তম সংশোধনৰ জৰিয়তে মেক্সিমাম আপ টু ১০ শতাংশ EWS reservation ৰ সুবিধা ভাৰত চৰকাৰে লৈ আহে। ইয়াৰ ওপৰত Supreme কোৰ্টত এটা কেচ হয়। Supreme কোৰ্টে এই সাংবিধানিক সংশোধনীটোৰ বৈধতাটো স্বীকৃতি দিয়ে। কিন্তু লগত এইটো কথা কয় যে এইটো মেণ্ডেটৰী নহয়, এইটো ৰাজ্য চৰকাৰৰ ওপৰত ডিপেণ্ড কৰিব যে তেওঁলোকে ইয়াক ৰূপায়ণ কৰিবও পাৰে আৰু ৰূপায়ণ নকৰিবও পাৰে। ভাৰতবৰ্ষত বহুত কেইখন ৰাজ্য চৰকাৰ আছে যিয়ে এতিয়ালৈকে EWS reservation implement কৰা নাই আৰু বহুত কেইখন ৰাজ্য আছে যিবিলাকে partially EWS reservation implement কৰি আছে। আমাৰ ৰাজ্য চৰকাৰে এটা সিদ্ধান্ত লয় যে আমি Education ত EWS কৰিম। Employment ত EWS বৰ্তমান নকৰো। যেতিয়া লৈকে আমি ১০ শতাংশ additional post create নকৰাকৈ EWS কৰো, তেতিয়া হ'লে আমাৰ marit ত থকা লৰাখিনিৰ কাৰণে অসুবিধা হয়। কাৰণ তেওঁলোকৰ total space টো 40% লৈ কমি আহে। ১০০ টা চাকৰি ওলালে অসমত ৫০ টা SC, ST, OBC আৰু দিব্যাংগ category যায়। 10% যদি EWS ত যায়, 60% চাকৰি block হৈ যাব। পঢ়া-শুনা কৰা ল'ৰা-ছোৱালীৰ কাৰণে 40% থাকে। সেই

কাৰণে কেবিনেটত এটা সিদ্ধান্ত হয়, যে আমি 10% additional post create কৰি EWS reservation দিম পূঁজি সাপেক্ষে। যেতিয়ালৈকে সেই কামটো নকৰো, তেতিয়ালৈকে চাকৰিৰ ক্ষেত্ৰত EWS reservation নানো, কিন্তু শিক্ষাৰ ক্ষেত্ৰত EWS reservation ৰূপায়ন কৰিম। তাৰ পৰিপ্ৰেক্ষিতত বৰ্তমান অসমত শিক্ষাৰ ক্ষেত্ৰত EWS reservation আছে, চাকৰিৰ ক্ষেত্ৰত EWS reservation নাই। বিষয়টোত আমি মুকলি হৈ আছো, সম্পদ যেতিয়া আহিব,আমি post কিছু নতুনকৈ create কৰিব পাৰিম, তেতিয়া আমি চাকৰিতো EWS reservation অনাৰ কথাটো বিবেচনা কৰিম। নহ'লে marit ৰ ঠাইতো বহুত কমি যায়, যদিও horizontal, women reservation বুলিও 30% গুচি যায়। গতিকে একেবাৰে marit থকা ল'ৰাখিনিয়ে বহুত deprive হৈ যায়। সেই কাৰণে আমি এইটো বৰ্তমান কৰিছো, কিন্তু ভৱিষ্যতে আমাৰ মনটো মুকলি আছে, যদি আমি 10% additional post create কৰিব পাৰো, তেতিয়া হ'লে EWS টো পুনৰ ৰূপায়ন কৰিম, আজি তাক আমি kept in abeyance থৈ দিছো। এইটো হৈছে status।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য শ্ৰী আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়া, আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বক্তব্যৰ পৰা মই আশাবাদী, যে খুব কম দিনৰ ভিতৰত অতিৰিক্ত ১০ শতাংশ পদ create হ'ব আৰু hold ত থকা EWS ৰ কোটাটো মুকলি হ'ব। মই সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াৰ সদনৰ সমৰ্থন আছে নে?

সদনৰ সন্মতি সাপেক্ষে সদনৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ১০, সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুপেটা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সংকল্প প্ৰস্তাৱ। এই সদনে সংকল্প গ্ৰহণ কৰে যে "চৰকাৰে গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে শেহতীয়া প্ৰযুক্তিগত উদ্ভাৱন সমূহ ব্যৱহাৰ কৰি কাৰ্যকৰী পদক্ষেপ ল'ব লাগে আৰু লগতে পহুমৰা, পল্লা, কালদিয়া, টিহু, বুঢ়াদিয়া আৰু পূৰ্বে সৰুক্ষেত্ৰী হিচাপে জনাজাত পাকাবেতবাৰী সমষ্টিৰ মাজেৰে বৈ যোৱা বেকী নদী আৰু অসমৰ আন নদীসমূহৰ দুয়োপাৰে মথাউৰি নিৰ্মাণ কৰিব লাগে"।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমত প্ৰত্যেক বছৰে বানপানী হয়। বানপানীৰ ফলত অসমৰ জীৱন সম্পত্তি আৰু আন আন সকলো ক্ষেত্ৰতে যথেষ্টখিনি ক্ষতি সাধন হয়। মই প্ৰতিনিধিত্ব কৰা সৰুক্ষেত্ৰী সমষ্টিত কেইবাখনো নদী আছে, বুঢ়াদিয়া, টিহু, পহুমৰা, পল্লা, কালদিয়া আৰু বৰপেটা জিলাৰ মাজেৰে বৈ যোৱা বেকী নদীও আছে আৰু তাৰ লগে লগে অসমৰ বৰাক আৰু ব্ৰহ্মপুত্ৰ নদীৰ বহু উপনৈ সমূহ আছে। এই সমুহ নদীৰ যেতিয়া বানপানী হয়, সেই বানপানীৰ ফলত ৰাস্তা-ঘাট, পুখুৰী, পশুধন, খেতি-বাতি আদি সমূহ অনিষ্ট হয়, নষ্ট হয়, যাৰ ফলত অৰ্থনৈতিক দিশত মানুহবিলাকৰ যথেষ্ট ক্ষতিৰ সন্মুখীন হয় আৰু জীৱন নিৰ্বাহ কৰাত বিষম পৰিস্থিতিয়ে দেখা দিয়ে তেওঁলোকৰ মাজত।

এই পবিত্ৰ সদনত নদীৰ গৰাখহনীয়া ৰোধৰ বিষয়ে, বিভিন্ন সময়ত আমি কথা-বতৰা পাতিছো আৰু ২০১৬ চনৰ পিছৰে পৰা যেতিয়া পৰা মই বিধায়ক হৈছো, এই পবিত্ৰ বিধান সভাত বুঢ়াদিয়া, টিহু, পহুমৰা, পল্লা, কালদিয়া এই নদীসমূহৰ গৰাখহনীয়া ৰোধ কৰাৰ কথা বিভাগীয়

মাননীয় মন্ত্ৰী সকলকো অনুৰোধ জনাই আহিছো আৰু মথাউৰি নিৰ্মাণৰ কথা প্ৰতিটো বছৰতে অসম চৰকাৰৰ লগতে মাননীয় মন্ত্ৰী মহোদয় সকল বা বিভাগীয় বিষয়া সকলক ৰাইজৰ এজন প্ৰতিনিধি হিচাপে কাতৰ অনুৰোধ জনাই আহিছো। কিন্তু অনুৰোধৰ পিছত, অনুৰোধ জনোৱাৰ পিছতো আজিৰ তাৰিখতো গৰাখহনীয়া যিধৰণে ৰোধ কৰিব লাগে, যি ব্যৱস্থা ল'ব লাগে, চৰকাৰে বা বিভাগে সেই ব্যৱস্থাখিনি লোৱা নাই আৰু মথাউৰি সমূহ নিৰ্মাণ কৰি বানপানীৰ পৰা অঞ্চল সমূহক ৰক্ষা কৰিব পাৰি, সেই বিষয়েও কিন্তু বিভাগে কোনো ধৰণৰ দৃষ্টি দিয়া নাই বা নিৰ্মাণ কৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অঞ্চল সমূহত বছৰত ৩ - ৪ বাৰকৈ বানপানী হয়, বেছি বৰষুণ হ'লে বানপানী হয়, ভূটানে পানী এৰি দিয়াৰ লগে লগেও বানপানী হয়। বছৰত ৩-৪ বাৰ বানপানী হোৱাৰ লগে লগে নদীসমূহ উফন্তি উঠে আৰু পানী সমূহ নামি আহে। যদি মথাউৰি থাকে, তেতিয়া হ'লে বছৰত খুব বেছি পৰিমানে এবাৰ বানপানী হ'ব, তাতকৈ বেছি নহয়। গতিকে এই বিষয়ে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো আৰু মই যি বুঢ়াদিয়া, টিহু, পহুমৰা, পল্লা, কালদিয়া নদীৰ কথা উল্লেখ কৰিছো ; এই নদীসমূহ আমাৰ সমষ্টিত সোমোৱাৰ আগতে ভৱানীপুৰ বিধান সভা সমষ্টি, পাটাছাৰকুছি বিধান সভা সমষ্টি বা বৰমা বিধান সভা সমষ্টি বা আমি যদি জিলা হিচাপে চাওঁ বাক্সা, বজালী, চিৰাং এই জিলা সমূহৰ মাজেৰে আমাৰ সমষ্টিলৈ আহিছে। সেই সমূহ এলেকাত গৰাখহনীয়া বহু পৰিমানে ৰোধ হৈছে আৰু মথাউৰি নিৰ্মাণ কৰা হৈছে। যেতিয়া আমাৰ সমষ্টিলৈ নদীসমূহ আহিছে, তাত মথাউৰি নাই। একেবাৰে মথাউৰি নোহোৱাৰ ফলত মিনিটৰ ভিতৰত, ঘন্টাৰ ভিতৰত, দিনটোৰ ভিতৰত আপুনি কল্পনা কৰিব নোৱাৰাকৈ বানপানী হৈ যায়। গতিকে এই সমূহৰ ক্ষেত্ৰত বিভাগে বা ৰাজ্য চৰকাৰে যদি পৰ্য্যবেক্ষণ কৰে, চৰজমিন যদি তেখেতসকলে নিজে গৈ কৰে, দেখাৰ লগে লগে মথাউৰিৰ কথা প্ৰয়োজন বোধ কৰিব। গতিকে আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো যে মই উল্লেখ কৰা নদীসমূহৰ দুয়োপাৰে মথাউৰি নিৰ্মাণ কৰিব লাগে। মথাউৰি নিৰ্মাণ কৰাৰ লগে লগে চৰকাৰী ভাবে বিভিন্ন খৰচ কমি আহিব। প্ৰত্যেক বছৰে বানপানীৰ পিছত এই নদীসমূহৰ কাৰণে যিমান ক্ষয়-ক্ষতি হয়, জিলা প্ৰশাসনে যেতিয়া ৰাজ্য চৰকাৰলৈ ক্ষয়-ক্ষতিৰ পৰিমান পঠিয়াই, তেতিয়া দেখিব কোটি কোটি টকাৰ ওপৰত লোকচান হয় বুলি দেখুৱাই দিয়ে। বছৰি বছৰি এনেকুৱা ভাৱে লোকচান হয়। গতিকে সেই লোকচানৰ পৰা ৰক্ষা পাবলৈ হলে মথাউৰি নিৰ্মাণ কৰিব লাগিব। ইয়াৰ লগে লগে গৰাখহনীয়া এটা অন্যতম বিপদ, গৰাখহনীয়া ৰোধ যদি আমি নকৰো, নদীৰ পাৰত বসবাস কৰা মানুহৰ ঘৰ-দুৱাৰ আছে, খেতিবাতি কৰা মাটি আছে, গৰাখহনীয়াই ৰাতিৰ ভিতৰতে এজন জমিদাৰক ভিক্ষাৰী বনাই দিয়ে। এনেকুৱা বহু পৰিয়াল আছে, যিসকলৰ ১ - ২ বিঘা মাটি আছে, বা তাতকৈ কম আছে, নদীৰ বুকত যেতিয়া গুচি যায়, তাৰ পিছত থাকিবলৈ তেওঁলোকৰ মাটি আছে নে কি, তেওঁলোকে অঘৰী হৈ যায়। এনেকুৱা ভাৱে গোটেই নদীসমূহৰ গৰাখহনীয়া ৰোধৰ ক্ষেত্ৰত যোৱা সময়ছোৱাত আমি দেখো শ শ বিঘা মাটি, ঘৰ-দুৱাৰ, সম্পত্তি নদীৰ বুকত জাহ গৈছে। গতিকে এই সমূহৰ ওপৰত বিভাগে এনেকুৱাভাৱে গোটেই নদীসমূহৰ গড়াখহনীয়া ৰোধৰ ক্ষেত্ৰত যোৱা সময়চোৱাৰ কথা কওঁ, শ শ বিঘা মাটিত নদীৰ বুকুত মানুহৰ সম্পত্তি জাহ গৈছে আৰু মানুহ আজি ৰাষ্টাত আছে মানুহ আজি অঘৰী হৈছে। গতিকে এই সমূহৰ ওপৰত বিভাগে যদি ব্যৱস্থা নলয়, তেনেহ'লে মানুহৰ জীৱন সম্পত্তি নষ্ট হৈ গৈ থাকিব সভাপতি মহোদয়। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি

অনুৰোধ জনাইছো। পহুমাৰা, পল্লা, কালডিয়া, টিহু, বুঢ়াদিয়া আৰু পাটাৰবাতবাৰী বিধান সভা সমষ্টি যি নতুনকৈ অন্তৰ্ভুক্ত হৈছে এলেকা সমূহৰ মাজেৰে বৈ যোৱা বেকী নদী গড়াখহনীয়া ৰোধ কৰি যিসমূহ অঞ্চলত গড়াখহনীয়া হৈছে বিভাগৰ জৰিয়তে জৰিপ কৰি কোন কোন এৰিয়াত হৈ আছে সেই এৰিয়াসমূহৰ গোটেইখিনি পৰ্য্যবেক্ষণ কৰি গড়াখহনীয়াসমূহ ৰোধ কৰি আৰু নদীসমূহ দুয়োপাৰে মাথাউৰি নিৰ্মাণ কৰিব লাগে যাতে মানুহে যি কষ্টৰ মাজেৰে জীয়াই আছে জীৱন যাপন কৰি আছে আৰু যিখিনি সম্পত্তি অনিষ্ট হৈছে ভৱিষ্যতে যাতে আৰু ইয়াতকৈ বেছি লোকচান নহয় আৰু যাতে জীৱন সম্পত্তি নষ্ট নহয় মাননীয় মন্ত্ৰী মহোদয়ে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ অনুৰোধেৰে মোৰ বক্তব্য সামৰিলো।

**শ্ৰী ভূৱন পেগু, মাননীয় সভাপতি** ঃ মন্ত্ৰী মহোদয়।

**শ্ৰীপীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় সভাপতি ডাঙৰীয়া, সন্মানীয় সদস্য গৰাকীয়ে ভাল গুৰুত্বপূৰ্ণ সমষ্টিপৰ সমস্যাৰ কথা উল্লেখ কৰিছে। আমি পৰ্য্যায়ক্ৰমে অসমৰ বিভিন্ন অঞ্চলত বানপানী আৰু গড়াখহনীয়া ৰোধৰ বাবে কাম কৰিছো। অহাকালি আমাৰ জলসম্পদ বিভাগৰ কৰ্তন প্ৰস্তাৱ আছে তাতে আমি details ত নিশ্চয়কৈ আলোচনা কৰিম আৰু কেইবাটাও কালি প্ৰশ্ন আছে। আজিও ৩ টা আছে। তথাপিও মই কালি সম্পূৰ্ণকৈ উত্তৰ দিবলৈ চেষ্টা কৰিম। মই অস্বীকাৰ নকৰো যে সন্মানীয় সদস্য গৰাকীৰ সমষ্টিত কৰিবলগীয়া যথেষ্টখিনি আছে. কিন্তু ইয়াৰ লগে লগে এইটো কওঁ যে, বিশেষকৈ যোৱা ৩ বছৰত আমি যথেষ্ঠখিনি কাম কৰিবলৈ প্ৰচেষ্টা চলাইছো আৰু সক্ষমো হৈছো। যদি মই এটা এটাকৈ details ত reply দিওঁ কোনেও ক'ব নোৱাৰে যে fund allocation ত কোনোবা অঞ্চলত কোনোবা ঠাইত আমি discriminate কৰিছো। সেই কাৰণে আমি এইবাৰ 15 th finance commssion ৰ অধীনত পহুমাৰা নদীত protection of different reaches at Koyakuch area by protection works from the eroision of rever পহুমাৰা নামৰ এখন আঁচনিৰ প্ৰস্তাৱ দিছো আৰু এই আঁচনিখনত আমি ৪৭.৩ কোটি টকা ধাৰ্য্য কৰিছো। আমি প্ৰাককলন প্ৰস্তুত কৰি জমা দিছো। অকনমান আগতে আমাৰ যিগৰাকী Finance Commissioner তেখেতৰ লগত আলোচনা কৰিছিলো এই specific issue টোৰ কাৰণে নহয়, এই ৫ শ কোটি টকা যাতে পোৱা সোনকালে ব্যৱস্থা কৰি দিয়ে। আগতে কিছুমান এনেকুৱা নিয়ম নাছিল. যদি কৰবাত বানপানী হয় সেই সময়ত সভাপতি ডাঙৰীয়া, আপোনাৰ সমষ্টিত আপুনি জানেই যে percupine আগতে দিয়াৰ ব্যৱস্থা কৰা যিমান লাগে জিঅ' বেগ বানপানীৰ temporary protection ৰ কাৰণে। জিঅ' বেগ percupine sand bag আমি পৰ্য্যাপ্ত পৰিমাণে দিয়াৰ ব্যৱস্থা কৰিছো। আপোনাৰ বৰপেটা জিলাতো আমি প্ৰয্যাপ্ত পৰিমাণে দিছো। যিমান লাগে, সিমানলৈকে দিছো। সমগ্ৰ অসমতে দিয়াৰ ব্যৱস্থা কৰিছো। তেখেতৰ সমষ্টিৰ কেইবাটাও serious কাম আছে গতিকে এইখিনি মই seriously কৰিবলৈ প্ৰচেষ্টা কৰিম। কেইবাকনো আমি আঁচনি ল'বলৈ চেষ্টা কৰিছো পূঁজি সাপেক্ষে নিশ্চয়কৈ কৰাৰ ব্যৱস্থা কৰিম। মই মাত্ৰ এটা difference ক'ম 'মি ২০০১ চনৰ পৰা ২০১৬ চনলৈকে অসমত নতুন মাথাউৰি বনাইছিলো মাত্ৰ ১৫.৪২ কিলোমিটাৰ। ১৫ বছৰত কৰিছো। It is an official recorded statement. আমি যোৱা ৩ বছৰত অসমত ১৮৮ কিলোমিটাৰ মাথাউৰি বনাইছিলো আৰু অতি ভাল খবৰ আমি আপোনালোকক দিম এইবছৰৰ ডিচেম্বৰৰ পৰা এপ্ৰিলৰ ভিতৰত ২২৫ কিলোমিটাৰ মাথাউৰি আমি ইতিমধ্যে বাচনি কৰিছো, পূঁজিও পাম আৰু ১০০ শতাংশ বনাম। ১৫ বছৰত ১৫ কিলোমিটিাৰ আৰু ৩ বছৰত ৪১৩ কিলোমিটাৰ আৰু এবছৰতো

আমাৰ আছেই। গতিকে মই ভাৰো অসমত আৰু ১২০ কিলোমিটাৰমান মাথাউৰি বনাব পাৰো তেতিয়া অসমত Unembakement portion আৰু নাথাকিব। Provided fisibility কিছু কিছু অঞ্চলত আমি মাথাউৰি কৰিব নোৱাৰো। যেনেকৈ আমি মাননীয় মন্ত্ৰী শ্ৰীঅতুল বৰা ডাঙৰীয়াৰ কাজিৰঙা সমষ্টিত মাথাউৰি নকৰো কাৰণ কাজিৰঙাত আমি পানী সুমাবই লাগিবই। ঠিক তেনেকৈ মোৰ সমষ্টিত পপৈয়া নদীৰ ওপৰত আমি শ্লুইচ গেট দিব নোৱাৰা পানী পবিতৰালৈ সুমাবই লাগিব। গতিকে অসমৰ এনেকুৱা অঞ্চল আছে য'ত আমি পানী আহিবই দিবই লাগিব বা কিছুমান অঞ্চল আছে fisibility নাই। আমি ১২-১৩ টা প্ৰকল্প গুৱাহাটীৰ IIT ক দি থৈছো। তেওঁংলোকে আমাক এটা এটাকৈ দি আছে। যোবাবছৰ হোজাই অঞ্চলত মাথাউৰি কেনেকৈ বনাব পাৰি, গুৱাহাটীৰ IIT ক দিছিলো আমাৰ বিভাগে অকলে সিদ্ধান্ত ল'ব পৰা নাছিল। তেখেত সকলে কৰি দিলে আমি প্ৰায় ৪০ কোটি টকা ইতিমধ্যে দিলো। নিবিদাও হৈ গ'ল অতি সোনকালে কাম আৰম্ভ হ'ব। সেই কেইটা মই ২২৫ কিলোমিটাৰৰ ওপৰত গৈছো। অহাবছৰ প্ৰায় ২৪০ কিলোমিটাৰ মাথাউৰি হ'ব আৰু পৰ্য্যায়ক্ৰমে কৰিম। আপোনালোকে অহাকালি কৰ্তন প্ৰস্তাৱ আনিছে, আপোনালোকেও details যাব, মইও details ত যাম। আপোনালোকৰ চৰকাৰ যেতিয়া আছিল কিমান খৰচ হৈছিল, আমি কিমান খৰচ কৰিছিলো সেই ছবিখন দাঙি ধৰিবলৈ চেষ্টা কৰিম। কিন্তু মই আপোনালোকক এটা কথা ক'ব খুজো fisibility থাকিলে অসমত আৰু দুটা বছৰৰ পাছত কতো মাথাউৰি নোহোৱাকৈ নাথাকিব এই কথা মই গেৰাণ্টি সহকাৰে ক'ব পাৰো। গতিকে আপোনাৰ সমষ্টিত মাথাউৰি বনাম protection কৰিম। ১২০-৩০ কিলোমিটাৰ নতুন উন্মুক্ত অঞ্চল আছে অহাবছৰ এপ্ৰিল মে মাহৰ পাছৰ পৰা অসমত আৰু ১২০ কিলোমিটাৰ উন্মুক্ত অঞ্চল থাকিব। নহ'লে সকলো অঞ্চলতে Embakement হৈ যাব। গতিকে আপোনাৰ সমষ্টি তাৰপৰা আতৰি নাথাকে। নিশ্চয় আপোনাৰ সমষ্টিতো বনাম বুলি মই প্ৰতিশ্ৰুতি সামৰিছো।

**শ্ৰী ভূৱন পেগু, (সভাপতি)** ঃ মন্ত্ৰী ডাঙৰীয়াই খুৱ positively বিষয়টোৰ উত্তৰ টো দিছে. আপুনি সংকল্প প্ৰস্তাৱটো উঠাই ল'ব নেকি?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় সভাপতি ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বক্তব্যত স্বীকাৰ কৰিছে যে আমাৰ অসুবিধাখিনি আছে। গতিকে অসুবিধাখিনি তেখেতে যেতিয়া বুজি পাইছে নিশ্চিতভাৱে আহি থকা সময়খিনিত সমস্যাখিনি দূৰ কৰা আশাৰে মই সংকল্প প্ৰস্তাৱটো উঠাই লৈছো।

**শ্ৰী ভূৱন পেগু, (সভাপতি)** ঃ ধন্যবাদ। এতিয়া সংকল্প প্ৰস্তাৱ শ্ৰী কমলাক্ষ দে পুৰকায়স্থ নামত তেখেতে এই প্ৰস্তাৱটো উত্থাপন কৰক।

**শ্ৰীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ)** ঃ সভাপতি মহাশয় motion to move করার সুযোগ দেওয়ার জন্য ধন্যবাদ জ্ঞাপণ করছি। "Keeping in view that- the population of Assam has been increasing faster than the other parts of India, specifically in a few particular districts as reflected in recent data and statistics. This abnormal increase in population is changing the demography of the State considerably and also affecting the socio economic grwoth of the State. স্যার এই বিষয়টা উত্থাপন করার সুযোগ দেওয়ার জন্য আমি ধন্যবাদ জ্ঞাপণ করছি। সত্যি কে সত্যি বলা এবং বিধান সভায় সত্যি কথাগুলো উপস্থাপন করা আমাদের কর্তব্য। আমি কারো বিরুদ্ধে কথা বলছি না। ব্যক্তিগতভাবে যে বাতাবরণ দেখতে

পারছি বিধান সভায়, ব্যক্তিগত একটা আক্রোশ সেই মনোভাব নিয়ে কাজ চলছে। আমি কতগুলো ডাটার কথা বলছি বিশেষ করে সেই ডাটাগুলো আমার ডাটা নয় মহাশয়। EAC -PM ডাটা মতে Economic Asvisory Council to the Prime Minister শামিকা রভি উনি যে সার্ভে করেছিলেন সেই সার্ভে মতে ১৯৫০ থেকে ২০১৫ অবধি আমাদের জনসংখ্যার সমীক্ষায় বর্তমান ভারতবর্ষের যে অবস্থা সেদিকে যদি আমরা লক্ষ্য করি তাহলে দেখতে পারব হিন্দু জনসংখ্যা declined ৮৪ শতাংশ থেকে ৭৭ শতাংশ,৭.৮ শতাংশ কমেছে। সমহারে দেখা যায় যদি মুসলিম জনসংখ্য ৯.৮৪ থেকে বেড়েছে ১৪.০৯ অর্থাৎ ৪৩ শতাংশ মুসলিম জনসংখ্যা বেড়েছে। মুখ্যমন্ত্রী মহাশয় যে কথাগুলো বলছেন সেই কথাগুলো মুখ্যমন্ত্রী মহাশয়ের নিজের কথা নয়। আজ যে আলোচনা হবে সেই আলোচনাগুলো আমাদের নিজের কথা নয়। অসমের স্ব-ভিমান, অসমের অর্থনীতি, আজ যতই তর্ক চলছে সেই তর্কগুলো যদি বাস্তবে রূপ দিতে হলে আমাদের জনসংখ্যাকে রোধ করতে হবে। ১৯/২০র total fertility rate এর ডাটা দেখা যায় যদি ২.৪ শতাংশ হারে মুসলিমদের জনসংখ্যা বৃদ্ধি হয়েছে। সমহারে হিন্দুদের জনসংখ্যা বৃদ্ধি হচ্ছে ১.৬ শতাংশ। এই যে বর্তমান পরিবেশ অধ্যক্ষ মহোদয় অন্যান্য দেশগুলোর মধ্যে মায়ান্মারে ৯.৮৪ শতাংশ, কমেছে। ভারতে ৭.৮২ কমেছে, নেপালে ৩.৫১ কমেছে, মালদ্বীপে মাইনাস ১.৭৪ কিন্তু আবাব পক্ষান্তরে দেখা যায় যদি আফগানিস্থানে ২৯ শতাংশ বেড়েছে। পাকিস্থানে ৩.৭৫ বেড়েছে। শ্রীলঙ্কায় ৫.২৫ বেড়েছে। ভুটানে ৬৫ শতাংশ বেড়েছে। বাংলাদেশে ১৮.৫ সেখানে মেজোরিটি জনসংখ্যা বেড়েছে। অনেক সময় দেখি কোন একটা তথ্য আসার সঙ্গে সঙ্গে ব্যক্তিগত আক্রোশ নিয়ে কথা-বার্তা শুরু হয়। আমি ব্যক্তিগত কথা বলছি না। সবথেকে বড় বিষয় হচ্ছে যে আমাদের ১৯৫১ জনসংখ্যা হয়ত বা ১৮, ২০, বা ২৫ ছিল আমি সে কথা বলছি না আমরা ২০১১ সালে যদি দেখি তাহলে ৩১ থেকে বর্তমানে অর্থাৎ ৪০ শতাংশ হয়ে গিয়েছে মুসলিম জনসংখ্যা। এই যে মুসলিম জনসংখ্যা বাড়ছে সেটার কারণ কি? অনেকে হয়ত বলবেন যে আপনারা তো ৮০ শতাংশ কিন্তু কথা হচ্ছে সব জায়গায় তো ৮০ শতাংশ নয়। জনসংখ্যার কথা যে বলছি তাহলে দেখা যায় দক্ষিণ শালমারায় ৯৪.২ শতাংশ, ধুবরীতে ৭৯ শতাংশ, বরপেটায় ৭৮ শতাংশ, হাইলাকান্দিতে ৬৪ শতাংশ, গোয়ালপাড়াতে ৫৭ শতাংশ, মরিগাওঁ ৫২ শতাংশ, নওঁগায়ে ৫৫ শতাংশ, করিমগঞ্জে ৫৬ শতাংশ, বঙ্গাইগাওয়ে ৫০ শতাংশ অর্থাৎ এই ১১ টা জেলা আছে, সেই জেলাগুলোতে এই অবস্থা। সভাপতি মহাশয় আপনাকে বলছি অনেকে বলে থাকে হিন্দু জনসংখ্যা ৮০ শতাংশ কিন্তু সব জায়গায় ৮০ শতাংশ নয়। দক্ষিণ শালমারার যে চ্যালেঞ্জ সেই চ্যালেঞ্জ শিবসাগরে নয়। চেঙ্গার যে অবস্থা সেই অবস্থা তিনসুকীয়ার নয়। আজ মুখ্যমন্ত্রী মহাশয়কে আমি বলেছি যে কাটিগড়ায় একটা ঘটনা হয়েছে। সেখানের জনসংখ্যার নমুনা পরিবর্তন হয়েছে। একটা ঘরে ১০ জন মানুষ থাকবে কিন্তু সেখানে যদি ২০ জন মানুষ থাকে তাহলে সেখানে সেই অবস্থাটাই হবে। কাটিগড়ায় পুলক নাথের ঘরে গিয়ে হামলা চালিয়েছে দুর্বৃত্তরা। সে ঘটনাগুলো হচ্ছে কেন? অসমীয়া ..........সভাপতি মহাশয় আমি আপনাকে বলছি যে আমাদের মানসিকতার পরিবর্ত্তন করতে হবে। বাংলাদেশে যদি কিছু হয় তাহলে আপনারা বলছেন যে বাংলাদেশে মঠ-মন্দির, হিন্দু মানুষ সেখানে সুরক্ষিত। আমরা বলছি বাংলাদেশে হিন্দু মানুষের সুরক্ষা দিন। এখান থেকে আপনারা কিছু মানুষ উকিল দিয়ে সহায়তা করছেন।

যখন মুখ্যমন্ত্রী বলছেন এখানে ধর্ষণ হচ্ছে তখন আপনারা বলেন ধর্ষণকারীর কোন ধর্ম নেই। সেখানে হিন্দু মুসলমানের কোন কথা নেই। কথা হচ্ছে সন্ত্রাশের। পশ্চিম বঙ্গের আর জি

করে যখন ঘটনা হয়েছিল তখন সেখানের সকল সনাতন ধর্মাবলম্বী মানুষ বেরিয়ে এসেছিলেন। বাংলার মুখ্যমন্ত্রীর বিকৃত মানসিকতা ও চিন্তাধারার আমরা ধিক্কার জানাই। যখন একটা ক্রাইম হয় তখন সেই ক্রিমিনালদেরকে আটক করা, ব্যবস্থা নেওয়া আমি মনে করি সরকারের দায়িত্ব। যাই হোক আমাদের একটাই মানসিকতা থাকা উচিত যে জনসংখ্যা রোধ করতে হবে। আমরা কি করে করতে পারব? সেই কথাগুলো আজ থেকে নয় সেই কথাগুলো **১৯৫৪** থেকে চলছে। দেশ বিভক্ত হল। পাকিস্থানের হিন্দুরা এদেশে এলেন, আর ইসলাম ধর্মের মানুষ পাকিস্থানে গেলেন **১৯৫০** থেকে **১৯৫৫** মধ্যে। কিন্তু আমরা দেখতে পারলাম Waqf board বানিয়ে ইসলাম ধর্মাবলম্বীদের সম্পত্তি সুরক্ষিত করা হল। কিন্তু হিন্দুদের যে সংস্থাপন দেওয়া উচিত ছিল সেই সংস্থাপন দেওয়া হল না। আপনাদের যদি তথ্যের প্রয়োজন হয় তাহলে তথ্য দিতে পারব কারণ তথ্যের উপর ভিত্তি করে কথাগুলো বলা হয়। আমি fraud secularism বিশ্বাস করি না। আমি আমার বাবাকে সন্মান করতে পারব না, এই কারণে পারবো না যে আমার পাশের বাড়ীতে কোন এক বিশেষ সম্প্রদায়ের মানুষ আমাকে খারাপ পাবে। আমি রাম মন্দিরে গিয়ে পূজা করতে পারবো না, এইজন্য পারবো না যে কোন এক সম্প্রদায়ের মানুষ আমাকে খারাপ পাবে। সেই fraud secularism বিশ্বাস করি না। জনসংখ্যা বৃদ্ধি হচ্ছে , ডেমোগ্রাফি যেভাবে পরিবর্তন হচ্ছে সেই কথাগুলো আমরা অস্বীকার করতে পারিনা। আপনারা চাকুরীর ক্ষেত্রে, ব্যবসার ক্ষেত্রে, অসমকে যদি আরও এগিয়ে নিতে চান তাহলে আমি মনে করি জনসংখ্যা কন্ট্রোল করতে হবে। বিশ্বের যতগুলো দেশ এগিয়ে আছে, সেই দেশের একমাত্র উপাদান হচ্ছে সরকার জনসংখ্যা রোধ করার জন্য সিদ্ধান্ত নিয়েছে। আমি মনে করি আমাদের দেশের জনসংখ্যা রোধ করা হোক। মাননীয় মুখ্যমন্ত্রী কোন ব্যক্তিগত কথা বলেন না। অসমকে এগিয়ে নিয়ে যাওয়ার জন্য মুখ্যমন্ত্রীর যে দৃষ্টিভঙ্গী সেই দৃষ্টিভঙ্গীকে এগিয়ে নিয়ে আমরা যাতে একটা সুস্থ সমাজ গঠন করতে পারি, সেই চেষ্টা আমাদের করতে হবে। কিন্তু সেই সুস্থ সমাজ তখনই গঠন হবে যখন আমরা জনসংখ্যাকে রোধ করতে পারবো। নমস্কার, ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা amendment আছিলে এইটো গ্ৰহণ হৈছে নে নাই মই নাজানো। কিন্তু সংকল্প প্ৰস্তাৱত যিহেতু অংশগ্ৰহণ কৰিব পাৰো সেইকাৰণে মোক অলপ সময় দিব।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি ২ মিনিট সময় ক'ব পাৰিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,জনসংখ্যা নিয়ন্ত্ৰণ হ'ব লাগে এই সম্পৰ্কে মই এখন বিল আনিছিলো আৰু মই এই ক্ষেত্ৰত ১০০ শতাংশই পক্ষপাতী। সেইদিনা মোৰ প্ৰশ্নত এই কথাবোৰ স্পষ্টকৈ দিছিলো যে Yes, I agree with the fact taht growth rate of muslims is higher then of hindus.আৰু কিহৰ কাৰণে growth rate টো বেছি হৈছিল সেই কথাটো কৈছিলো। আৰু The rate of decline, the growth rate of muslim is much faster then the decline of the growth rate of non muslims. কিন্তু ইয়াত যিকোনো কথা কৈ ইয়াৰ পৰা ভুল message এটা যাব নালাগে। ওপৰোক্ত বক্তাজনে মানকাচাৰ জিলাখনৰ কথা ক'লে।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মই মানকাচাৰ জিলাৰ কথা কোৱা নাই। দক্ষিণ শালমৰাৰ কথাহে কৈছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অবিভক্ত গোৱালপাৰা জিলাখন

১৯৮৩ চনত ভাগ হৈ তিনিখন জিলা হ'ল-গোৱালপাৰা, ধুবুৰী আৰু কোকৰাঝাৰ। তাৰ পিছত আৰু ১৯৮৭ চনত বঙ্গাইগাওঁ জিলাৰ জন্ম হ'ল। তাৰ পিছত আকৌ চিৰাং জিলা হ'ল। অৰ্থ্যাৎ পুৰণি গোৱালপাৰা জিলাখনত অনা মুছলিম অধ্যুষিত অঞ্চলবোৰ হৈ নতুন জিলা সৃষ্টি কৰা হয় তেতিয়াহ'লে এই পিছৰ ফালে থকা জিলাবোৰত জনসংখ্যা বৃদ্ধিৰ হাৰটো বেছি দেখা যাব। গতিকে আমি মূল কথালৈ যাব লাগিব যে আজি বিধানসভাত আমি ধৰি ললো ১২৬ জনৰ ভিতৰত ২৫ জন মুছলমান বিধায়ক আছো অৰ্থাৎ ২০ শতাংশ। কিন্তু যদি ইয়াৰ পৰা অনা মুছলমান সকলোবোৰ বিধায়ক বিধানসভা কক্ষৰ পৰা ওলাই যায় আৰু যদি ২৫ জনো মুছলমান বিধায়ক ইয়াত থাকে তেতিয়াহ'লে সংখ্যাটো ১০০ শতাংশ হৈ যাব। আমি এই কথাটো উপলব্ধি কৰিব লাগিব। দ্বিতীয়তে, মই অবিভক্ত গোৱালপাৰা জিলা ১৯৩১ চনত মুছলমানৰ জনসংখ্যা বেছি আছিল ৩,৮৭,০০০ আৰু হিন্দু জনসংখ্যা আছিল ৩,৮৫,০০০।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কিমান হ'ল?

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,মই কৈ আছো। অবিভক্ত গোৱালপাৰা জিলাৰ পৰা কোকৰাঝাৰ বেলেগ হ'ল, বঙাইগাওঁ বেলেগ হ'ল, সৰ্বমুঠ ৫ খন জিলা হ'ল। ১৯৪১ চনত মুছলমান আছিল ৪,৬০,০০০ আৰু হিন্দু আছিল ৩,০৬,০০০। মই এতিয়া ক'ব বিচাৰিছো স্বাধীনতাৰ আগতে কোকৰাঝাৰ আদি লগত থাকোতেও গোৱালপাৰাত মুছলমানৰ জনসংখ্যা বেছি আছিল আৰু সেই গোৱালপাৰাৰ পৰা যেতিয়া বঙাইগাওঁ, কোকৰাঝাৰ, চিৰাং, বাক্সা আদি অনা মুছলিম অধ্যুষিত জিলাবোৰ ওলাই যাব তেতিয়া আপোনাআপুনি ধুবুৰী, মানকাচাৰ আৰু দক্ষিণ শালমৰা আদি জনসংখ্যা বেছি দেখা যাব। মই এই ক্ষেত্ৰত আৰু এটা কথা ক'ব বিচাৰিছো polygamy ৰ কথা। আপোনালোকে সত্য কথা কওঁক আৰু আমি অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সত্য কথা মানি ল'ব লাগে। ইয়াত মোৰ কোনো আপত্তি নাই, কোনোবাই যদি সত্য কথা কৈছে মই মানি লম। কিন্তু কোনোবাই যদি অসত্য কথা কৈছে তেতিয়া ৰাজনীতি ঠিকেই হ'ব। কিন্তু ৰাজ্যখনৰ ভাল নহ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ point টো কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, point টো হ'ল যে Register General of India Social studies department য়ে দিয়া প্ৰতিবেদনত উল্লেখ আছে যে polygamy among muslim 5.7% and among hindu it is 5.80%.অৰ্থ্যাৎ মুছলিমতকৈ হিন্দুৰ polygamy বেছি। মুছলমানক সদায় কোৱা হয় যে মুছলমানে চাৰিজনীক বিয়া কৰে। আৰু এটা কথা মহাশয়, মুছলমানৰ মাজত পুৰুষ মহিলাৰ অনুপাত ১০০০ঃ৯৩৬। অৰ্থ্যাৎ প্ৰতিজন পুৰুষৰ কাৰণে এজনকৈ মহিলা নাইয়ে। আৰু হিন্দুৰ মাজত এই অনুপাতটো হ'ল ১০০০ঃ৯৩১। অৰ্থ্যাৎ হিন্দুৰ মাজতো পুৰুষ মহিলাৰ অনুপাতটো কম আছে।

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ লাষ্ট পইন্ট এটা আছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ আৰু কোনো পইন্ট নাই । আপুনি বহক। এতিয়া আব্দুল ৰহিম আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** ছাৰ, জনসংখ্যা বৃদ্ধিৰ আচল কথাবোৰ নকয়। অখিল গগৈ ডাঙৰীয়াই এখন বিল আনিছিলে আৰু মোৰ তাত কি হৈ আছে ১৮৩ জন ছাত্ৰ আৰু শিক্ষক

হ'ল মাত্ৰ ৩ জন। Pt. ratio is 61.

**মাননীয় উপাধ্যক্ষ ঃ** শিক্ষকৰ অভাৱৰ কাৰণে জনসংখ্যা বৃদ্ধি হৈছে নেকি?

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** হয় ছাৰ। Hon'ble Deputy Speaker sir, Education is the best contraceptive.

**মাননীয় উপাধ্যক্ষ ঃ** Please sit down. Nothing will go on record. Please sit down, You have already spoken.It is about to 4pm, we have so many resoloutions.

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** অধ্যক্ষ মহোদয়, জনসংখ্যা নিয়ন্ত্ৰণৰ কথাটো আমিও স্বীকাৰ কৰো। হয় আমাৰ মাজত জংসংখ্যা বৃদ্ধিৰ হাৰটো বেছি কিন্তু এইটোৰ ক্ষেত্ৰত এটা দিশ আমি চাব লাগিব। এইটোৰ প্ৰথম কাৰণটো হৈছে নিৰক্ষৰতা আৰু অৰ্থনৈতিকভাৱে অত্যন্ত পিছপৰা । সেই কাৰণে আমাৰ মানুহৰ মাজত সজাগতাটো নাই । আপোনালোকে চাব যিখিনি শিক্ষিত মানুহ, অৰ্থনৈতিকভাৱে স্বাবলম্বী সেই জাতি - জনগোষ্ঠী সামঞ্জস্যভাৱে প্ৰায় একে পাব । কিন্তু যিখিনি অশিক্ষিত মানুহ, দৰিদ্ৰ সীমাৰেখাৰ তলত আছে , অৰ্থনৈতিকভাৱে পিছপৰা তেওঁলোকৰ মাজত জনসংখ্যা বৃদ্ধিৰ হাৰটো বেছি কিন্তু এনেকুৱা বেছিও নহয় । চেনচাচ চালে দেখিব যে, মহাৰাষ্ট্ৰ, বিহাৰ, ইউ পি ইত্যাদি এনেকুৱা বহু ৰাজ্য আছে তাৰ জিলাবিলাকৰ জনসংখ্যা বৃদ্ধিৰ হাৰ আমাৰ ধুবুৰী- গোৱালপাৰা জিলাতকৈও বেছি । আজি শ্বেৰমান আলি ডাঙৰীয়াই যিটো কথা ক'ব খুজিছে যে আমাৰ ছাত্ৰ- ছাত্ৰী অনুপাতে যেতিয়ালৈকে শিক্ষকৰ ব্যৱস্থা নকৰিব, উপযুক্ত শিক্ষা দি আগবঢ়াই নিনিব , অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰা নহ'ব তেতিয়ালৈকে এই জন বিস্ফোৰণ ৰোধ কৰিব পৰা নাযাব । এই মানুহখিনিক যদি অৰ্থনৈতিক সকাহ নিদিয়ে, ভাল দৃষ্টিৰে নাচায় তেতিয়ালৈকে অপৰাধ প্ৰৱনতাটো কম নহ'ব । আপোনালোকে জানে যিখিনি মানুহ অতি দৰিদ্ৰ তেওঁলোকে পেটৰ তাড়নাত, এমুঠি অন্নৰ বাবে ল'ব নলগীয়া পথ বাচি লয় । অধ্যক্ষ মহোদয় আজি আমি ব্লেম দি আছো । এখন সুন্দৰ বাগিছা হ'বলৈ যেনেকৈ বিভিন্ন ফুলৰ দৰকাৰ হয় তেনেকৈ এখন সুন্দৰ অসম গঢ়িবলৈ অসমৰ প্ৰতিটো জাতি জনগোষ্ঠীৰ লগতে এই সংখ্যালঘু মানুহখিনিকো সমান আস্থাৰে আকোঁৱলী ল'ব লাগিব। তেওঁলোকৰ শিক্ষা - অৰ্থনৈতিক অৱস্থাৰ প্ৰতি যদি চৰকাৰে সুদৃষ্টি দিয়ে মই ভাবো এই আশংকা বহু পৰিমানে কমি যাব ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ... মাননীয় মুখ্যমন্ত্ৰী ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** উপাধ্যক্ষ মহোদয়, আজি এই বিষয়টোৰ ওপৰত অসমৰ সাম্প্ৰতিক পৰিবেশৰ পটভূমিত মই দীঘলীয়াকৈ ক'ব বিচৰা নাই কিন্তু এইটো কথা ঠিক যে, আমাৰ ৰাজ্যখনত যিটো ডেম'গ্ৰাফী চেঞ্চ দ্ৰুত গতিত হৈছে এইটো এটা অত্যন্ত জটিল অৱস্থালৈ ৰূপান্তৰিত হৈছে । আজি যদি আমি চাবলৈ যাওঁ ২০১১ চনৰ অফিচিয়েল চেনচাচ অনুসৰি অসমৰ জনসংখ্যা হৈছে -তিনি কোটি বাৰ লাখ পাঁচশ ছয়সত্তৰজন । এই জনসংখ্যাৰ ভিতৰত হিন্দুৰ জনসংখ্যা হ'ল- এক কোটি একানব্বৈ লাখ আশী হাজাৰ সাতশ উনাশীজন। ইয়াৰ ভিতৰত মুছলমান মানুহৰ জনসংখ্যা হ'ল- এক কোটি ছয় লাখ উনাশী হাজাৰ তিনিশ পঞ্চলিশ জন । ইয়াৰ ভিতৰত খ্ৰীষ্টান জনসংখ্যা হ'ল- এঘাৰ লাখ পয়ষষ্ঠি হাজাৰ আঠশ আঠষষ্ঠি জন । ইয়াৰে শিখ জনসংখ্যা বিশ হাজাৰ ছয়শ বাসত্তৰ জন, বৌদ্ধধৰ্মী মানুহ বাৱন্ন হাজাৰ জন, জৈন ধৰ্মৰ পঁচিশ হাজাৰ আৰু অন্যান্য সাতাইশ হাজাৰ । ২০১১ চনৰ চেনচাচ অনুসৰি হিন্দু জনসংখ্যা ৬১.৬৭ পাৰ্চেন্ট আৰু মুছলিম জনসংখ্যা হ'ল ৩৪.২২ শতাংশ। যদি হিন্দু আৰু মুছলমানৰ মাজত আমি জনসংখা বিশ্লেষণ

কৰিলে দেখা পাম যে, এইটো ৬৫ আৰু ৩৫ নহয় । ইট ইছ বিটুইন ৬১ঃ ৩৫ এচ পাৰ চেনচাচ অব ২০১১-এতিয়া ২০২১চনৰ চেনচাচত এই ফিগাৰটো কেনেকুৱা হ'ব এই কথা নিশ্চয় আমি অনুমান কৰিব পাৰিম । প্ৰথম কথাটো হ'ল স্বাধীনতাৰ আৰম্ভনীতে মুছলিম জনসংখ্য আছিলে ২২ পাৰ্চেন্ট । ১৯৭১ চনত ২৪.৫৬ পাৰ্চেন্ট আৰু ১৯৯১ চনত ২৮.৪৩ শতাংশ। ২০০১ ত ৩০.০৯ পাৰ্চেন্ট আৰু ২০১১ চনত ৩৪.১২ পাৰ্চেন্ট । ২০০১ৰ পৰা ২০১১ লৈকে আটাইতকৈ বেছি জনসংখ্যা বৃদ্ধি হৈছে । মই অফিচিয়েল চেনচাচটোহে কৈছো । যি সময়ত শিক্ষিত মানুহে সন্তান কমকৈ জন্ম দিয়াটো আৰম্ভ কৰিছে সেই সময়তে মুছলিম জনসংখ্যা আটাইতকৈ বৃদ্ধি পাইছে । ২০১১ চনৰ পৰা ২০২১ চনৰ ডাটা বৰ্ত্তমান আমাৰ হাতত নাই । প্ৰত্যেক চেনচাচতে ৩ পৰা ৪ শতাংশ মুছলিম জনসংখ্যা বাঢ়ি গৈ আছে । প্ৰত্যোকখন জিলাত ডেমোগ্ৰাফীটো শ্বীফট্ হৈছে । আমি যদি আজি অবিভক্ত গোৱালপাৰা জিলাখন একেই বুলি ধৰি লওঁ- ইনক্লুডিঙ কোকৰাঝাৰ - কামৰূপ জিলাখন যদি এখনেই বুলি ধৰো ঠিক তেনেকৈ মঙ্গলদৈ শোনিতপুৰ, লক্ষিমপুৰ যদি একেই বুলি ধৰি লওঁ - বৰ্ত্তমান এইটো গোলাঘাটলৈকে এক্সপান হৈছে । মই অসমৰ পৰিবেশৰ প্ৰেক্ষাপটত এই বিষয়টো ক'বখোজা নাই । আপোনালোকে মোক মনত পেলাই দিছে যে , মই অসমৰ মুখ্যমন্ত্ৰী আৰু মোৰ দায়িত্ব আছে । নামনি অসমত ডেম'গ্ৰাফী ইমানেই দ্ৰুত গতিত পৰিৱৰ্ত্তন হৈছে যে তাত ই এটা অভাৱনীয় - হিউমেন ডিজেষ্টাৰলৈ ৰূপান্তৰ হ'বলৈ গৈ আছে । যিবোৰ শুদ্ধ হিন্দু গাওঁ আছিল এতিয়া কিন্তু সেই গাওঁবিলাকত হিন্দু মানুহ নাই । হাজোৰ কলিতাকুছিত এতিয়া কলিতা মানুহ নাই । আমি ভবাতকৈ ডিমোগ্ৰাফীটো বহু বেছি আজি পৰিৱৰ্ত্তন হৈছে । আমি পাৰ পুলিং বুথত এখন ডকুমেন্ট উলিয়াই আছে । কোনোবা এখন বিধান সভা সমষ্টিত সেই পুলিং বুথত স্কুল হ'ল হস্পিটেলো হ'ল সেই পুলিং বুথত হিন্দু আৰু মুছলমানৰ জনসংখ্যাৰ ৰেচিঅ' ব্যাপক গতিত সলনি হৈছে ।

**শ্ৰীশ্বেৰমান আলি আহমেদ,(বাঘবৰ) ঃ** ছাৰ, মই এটা কথা ক'ব খুজিছো- আপোনাক অসুবিধা নকৰো।

**মাননীয় উপাধ্যক্ষ ঃ** শ্বেৰমান আলি এতিয়া বহক--- ক'ব নালাগে ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মই কোনো এজন সদস্যৰ প্ৰতি ব্যৱহাৰ বেয়া নকৰো। কিন্তু মই কিবা এটা কথা ভাবি চিন্তা কৈ থাকো । আপুনি যদি মাজতে কিবা এটা কথা কৈ দিয়ে তেনেহ'লে মই ক'বলগীয়াখিনি পাহৰি যাম । এতিয়া আপুনি মাজতে মাতি মোৰ ফ্ল'টো ভাঙি দিলে - এতিয়া এইটো মই ডিজাইন বুলি ক'ম নে নেচাৰেল বুলি ক'ম - হয়তো এইটো । ষড়যন্ত্ৰও হ'ব পাৰে । আপুনি এজন ইণ্ডিপেণ্ডেন্ট মেম্বাৰ আপুনিও দুই মিনিট ক'বলৈ সময় পাইছে। যে শিক্ষা নাই কাৰণে আমাৰ হোৱা নাই, যি খন ঠাইত হাস্পতাল হৈছে যি খন ঠাইত স্কুল হৈছে, যি খন ঠাইত বিভিন্ন ধৰণৰ চৰকাৰী ৰাস্তা হৈছে বিদ্যুৎ সংযোগ হৈছে তাৰ পুলিংবোথ ৱাইজ আমি যিটো দাতা উলিয়াইছো। Hindu Muslim Ratio in 20:11, Hindu Muslim Ratio in 20:21 and Hindu Muslim Projected Ratio 2031 as per the population. আৰু এই ধৰণে আপোনালোকে চাব যে ইয়াত তিনিটা criteria কৰি আছে। এটা হৈছে Birth & Death, যে মুছলিমৰ জনসংখ্যা বেছি। হিন্দু পলায়ন, মই আজি এটা ডাঙৰ কথা কৈছো পিছত elaborate কৰিম। হিন্দু পলায়ন। নামনি অসম আৰু মধ্য অসমৰ পৰা হিন্দুৰ পলায়ন, অকল জন্মই Demography change ৰ কাৰণ নহয়। জন্ম আৰু মৃত্যুক বাদ দিও হিন্দু পলায়ন এটা বহুত ডাঙৰ সমস্যা হৈ পৰিছে Demographic District.

( হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, শ্বেৰমান আলী ডাঙৰীয়া। I will be compelled to suspend you, Please maintain the decorum.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** যেতিয়া ৪০ ঘৰ মানুহৰ কথা কয়। তেতিয়া এটা দুখ লগাটো তাৰ পৰা আৰম্ভ হৈ যায়। যে ৪০ ঘৰহে আছে নে তাত। দুখটো তাৰ পৰা লাগি যায়তো মনত। এতিয়া ইয়াত কি হয়, পলায়ন বিলাক কেনেকৈ হয় তাৰ ওপৰতো যোৱা ৩.৬ বছৰতো মই একেবাৰে micro level ত মই বিশ্লেষণ কৰিছো। কেনেকৈ তাত Instigate কৰা হয় ক্ৰাইমৰ লগত, আপোনালোকে যেতিয়া আলোচনা কৰিব আজি সময় বেয়া কাৰণে মই বহুত কথা কব খোজা নাই।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** আপুনি বন্ধ কৰিলে ভাল হয়।

**মাননীয় উপাধ্যক্ষ ঃ** Please, অখিল গগৈ ডাঙৰীয়া।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ**মাননীয় উপাধ্যক্ষ মহোদয়, অসমত হিন্দু মুছলমানতকৈ ডাঙৰ বিষয় একোৱে নাই।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** আপুনি যুদ্ধখন লগাইহে এৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** Please, বহক, অখিল গগৈ ডাঙৰীয়া।

(হুলস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মই কলো যে অসমত হিন্দু মুছলমানৰ মাজত debate এটা হবই লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** Please, বহক, অখিল গগৈ ডাঙৰীয়া।

(হুলস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আমাৰ মুছলমান বিধায়ক সকলেও যুক্তি শুনিবলৈ ৰাজি। আপুনি কিয় ইমান মুছলমান প্ৰেমী হৈছে।

**শ্ৰীঅখিল গগৈ ঃ** আপুনি কাজিয়া লগাবলৈ সকলো কৰি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** Please, বহক, অখিল গগৈ ডাঙৰীয়া।

(হুলস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি হাউচত এটা resolution কৰিম যে ডেমোগ্ৰাফীৰ দৰে কথা আলোচনা হলে অখিল গগৈক বাহিৰত ৰাখিব লাগে। উপাই নাই আমাৰ আমিতো কবই লাগিব।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** এনেকৈ যদি ডমিনেট কৰিলে হাউচটো। এনেকৈ কৰিব নোৱাৰে।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** যেতিয়া তেওঁলোকে ভুল তথ্য দিলে যে জিলা কেইখন ভঙাৰ কাৰণেহে গণ্ডগোল হৈছে, আপোনালোকে বিজ্ঞান সন্মত উত্তৰ শুনক।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মোৰ আজি ৬০ বছৰ বয়স হ'ল।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, বহক। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ভাষণটো শেষ কৰিব দিয়ক। অখিল গগৈ ডাঙৰীয়াক ১০ মিনিটৰ বাবে suspend কৰা হ'ল।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** উত্তৰ দিমেই, ৰাতি ২.০০ বাজিলেও উত্তৰ দিমেই।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া আপোনালোকে মুখ্যমন্ত্ৰীৰ উত্তৰ শুনিব নোখোজে। আপোনালোকে ডিবেটটো কিয় কৰিলে, ইয়াতে আপোনালোকে ভুল কথা কিয় কলে। ৪০ ঘৰ মানুহৰ কথা কব আহে বৰপেটাত? শংকৰদেৰ মাধৱদেৰ থকা ঠাইখিনিত ৪০ জন অসমীয়া আছে সেইটো আপোনালোকে কব খোজে। মুখ খুলি নল'ব দেই। মই ইমানে কৈ আছো। ৪০ ঘৰ অসমীয়া মানুহ, আৰু শ্বেৰমান আলী আহমেদে কয় যে মই ৰক্ষণাবেক্ষণ দিছো, অসমীয়াৰ আজি ইমান দুৰৱস্থা হোৱা নাই শ্বেৰমান আলী। আপোনালোকৰ মানুহে তাতে যিমান হিন্দুক খেদিলে মানুহক খিনিক লৈ আহক মই কৈ আছো, শুনি যাওক। কব কিয় নিদিয়ে।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপোনালোকে যদি নবহে মই কেনেকৈ কম। যে পুলিং বোথ ৰাইজ দাতা দিব গৈ আছো। মই দি আছো।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, বহক। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ শুনক পিছত কব লগীয়া আছে যদি কব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** যদি আপোনালোকে উত্তৰ নুশুনে। উপাধ্যক্ষ মহোদয়, শ্বেৰমান আলী টো এটা guest appearence of asset, মই request কৰিম disqualify petition খন সোনকালে ডিছপোছ কৰি দিয়ক লেঠা মৰি গ'ল। মোক ধমকি নিদিব দেই।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** শ্বেৰমান আলী Please, বহক। শ্বেৰমান আলী আপুনি suspend ১০ মিনিটৰ বাবে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** শ্বেৰমান আলী আপুনি ঘৰকা না ঘাট কা, গতিকে আপুনি বেছি কথা নকব আপুনি বহি থাকক। আপোনাৰ মিঞা মুছলমানেও নামানে। আপুনি ঘৰকাও নহয় ঘাটকাও নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** হাইচ চলাবলৈ মই কৈ আছো। I am telling you, I am repeatedly requesting you.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ**এই প্ৰশ্নটোৰ উত্তৰ শুনিব যদি সাহস নকৰে তেতিয়াহলে আনে কিয় প্ৰশ্নটো? কমলাক্ষ দে' পুৰকায়স্থ আপোনালোকৰ মানুহ মোৰ মানুহ নহয়। --interruptions---

**মাননীয় উপাধ্যক্ষ ঃ** Please sit down.এনেকৈ উঠি কথাবোৰ নকয়। There is no

system, no rule. --interruptions-

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** উপাধ্যক্ষ মহোদয়, যোৰাবাৰ এই প্ৰশ্নটো আনিছে। --interruptions---

**মাননীয় উপাধ্যক্ষ ঃ** উত্তৰ দি থাকোতে এনেকৈ উঠি কথা নকয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** শ্বেৰমান আলি আহমেদ ডাঙৰীয়াই যোৰাবাৰ নিজেই এই প্ৰশ্নটো আনিছিল। এইবাৰ কমলাক্ষই আনিছে। কমলাক্ষ্যই যি ক'লে, ক'লে তাত শ্বেৰমান আলি আহমেদ, আব্দুৰ ৰহিম আহমেদে কিয় ক'ব লাগে? যদি তেওঁলোকে মুখ্যমন্ত্ৰীৰ উত্তৰ নুশুনে --interruptions- মোৰ উত্তৰটো আপোনালোকে কৈ দিব নেকি মই কি কম। --interruptions- মই অখিল গগৈ হ'ব লাগিব। --interruptions- - মোক মিঞা ভোট নালাগে গতিকে মই অখিল গগৈ নহওঁ। --interruptions-

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ, মানকাছাৰ) ঃ** মিঞাৰ দালালি বন্ধ কৰক। --interruptions-

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মই সঁচা কথা আৰু ভাল কথা কম। আপোনালোকে যদি মোৰ কথাখিনি শেষলৈ শুনে তেন্তে তাত এটাও সাম্প্ৰদায়িকতা নাপায় আৰু যদি মাজত কৈ থাকে তেন্তে ভোক মোৰো বাঢ়িব, আপোনালোকৰো বাঢ়িব কিন্তু সমস্যাৰ সমাধান নহ'ব। --interruptions-

**শ্ৰী ৰাজেদ আলি চৌধুৰী, (দক্ষিণ শালমাৰা)ঃ** আপোনাৰ কথা আমি শুনি আছো কিন্তু কিয় provoke কৰিব? --interruptions-

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপোনালোকে মোৰ ভাষণটো ১০ মিনিট শেষ হোৱাৰ পিছতহে ক'ব ই provoke আছিল নে নাই। মোৰ ভাষণেই নুশুনে। ৰাতিপুৱাও নুশুনে এতিয়াওঁ নুশুনে। আপোনালোকে যদি ভাবি আহিছে যে এনেকৈ --interruptions-

**শ্ৰী ৰাজেদ আলি চৌধুৰী, (দক্ষিণ শালমাৰা)ঃ** আপুনি নিৰপেক্ষ ভাৱে কথা কওঁক --interruptions-

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য আপুনি বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** উপাধ্যক্ষ মহোদয় মই ৰাতি ২ টা বাজিলেও মাইকত মোৰ কথাখিনি কৈহে যাম। মই ৰাতি ২ টা বজালৈ ইয়াত বহি থাকিম। ২ টা বজাত কোনো নহ'লেওঁ মই ইয়াত কৈ থৈ যাম।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** উপাধ্যক্ষ মহোদয় যিমান দেৰি হ'লেও আমাক উত্তৰ লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মই কথাখিনি অসমৰ ভৱিষ্যতৰ বাবে কৈ আছো। গতিকে মই ইয়াত ৰেকৰ্ড কৰাইহে যাম। ৰাতি ২ বজাত মই ইয়াত যদি অকলেও ক'ব লাগে তেন্তে মই মোৰ কোৱাখিনি কম। শুনিব বিচাৰে বা নিবিচাৰে সেইয়া আপোনালোকৰ কথা।

উপাধ্যক্ষ মহোদয়, ২০ বছৰ পিছত যেতিয়া বিধান সভাৰ প্ৰচিডিং ওলাব তাত walk-out ৰ কথা লিখা নাথাকে, speech টোহে থাকিব। সেই কাৰণে মোৰ ভাষণটো ৰেকৰ্ডত থাকিব লাগে। নলগা কথাখিনিও থাকিব। ইতিহাসে judgement ল'ব। মই এটা নতুন আৰু ভাল কথা ক'ব বিচাৰিছো। জন্ম আৰু মৃত্যুতকৈ ডাঙৰ element এটা আছে- পলায়ন। হিন্দু মানুহৰ সংখ্যা ধুবুৰীত, দক্ষিণ শালমাৰা, মঙ্গলদৈ , মৰিগাওঁত দ্ৰুতগতিত কম হৈ আছে। কেৱল জন্ম-মৃত্যুক দোষাৰূপ কৰিলে শুদ্ধ নহ'ব। ইয়াৰ লগত second element এটা আছে, সেইটো হ'ল হিন্দুৰ

পলায়ন। আমি সদনত বিচাৰিব লাগিব হিন্দুৱে কিয় পলায়ন কৰি আছে? তাৰ কাৰণ কি? এই কাৰণখিনি এতিয়া বিজ্ঞান সন্মতভাৱে বিশ্লেষন কৰিব লাগে নহ'লে নামনি অসমত আপোনালোকেও থাকি ভাল নাপাব। ই সম্পুৰ্ণভাৱে one section of people হৈ যাব। আপোনালোকে এই মাত্ৰ বাগিচাৰ কথা ক'লে যে বাগিচাত সকলো ফুল থাকিব লাগে কিন্তু এতিয়া এটা ফুল নোহোৱা হৈ যাব। আপোনালোকৰ ভাষাতে মই কৈছো । শ্বেৰমান আলি আহমেদ ডাঙৰীয়াই কৈছে বাঘবৰত তেওঁ ৪০ ঘৰ হিন্দু মানুহ ৰাখিছে। কিন্তু ই কিমান দুখৰ কথা আপোনালোকে ভাৰকঙ্গ মাত্ৰ ৪০ ঘৰ হিন্দু মানুহ। তাৰ মানে বাঘবৰ সমষ্টিৰ পৰা কিমান মানুহৰ পলায়ন হ'ল। বাঘবৰ, কনৰা সত্ৰ, অসমীয়া হিন্দু মানুহৰ একোটা পৃথ ভূমি। আপোনালোকে সদনত বিচাৰ কৰক যে জন্ম- মৃত্যুৰ সামঞ্জস্যৰ লগতে বিভিন্ন ঠাইৰ পৰা পলায়ন কিয় হৈছে? আপোনালোকে কৈছে অসমৰ উজনি - নামনিত ক'তো মুছলমান মানুহৰ পলায়ন হোৱা নাই। ভালকৈ শব্দকেইটা বুজিব । গোলাঘাট, কামৰূপ (মেট্ৰো), ডিব্ৰুগড়, লক্ষিমপুৰত মিঞা মুছলমান মানুহৰ সংখ্যা বাঢ়িছে। --interruptions-

(মাননীয় বিধায়ক অখিল গগৈয়ে সদনত প্ৰবেশ কৰাৰ বাবে মাননীয় উপাধ্যক্ষৰ অনুমতি বিচাৰে)

**মাননীয় উপাধ্যক্ষ** ঃ ভাষণ শেষ হোৱাৰ পিছত ক'ব পাৰিব, মাজত আপুনি disturb কৰিব নোৱাৰিব। --interruptions-

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ আপুনি এটাও আসন নাপায়, guarantee ত থাকক। মই এইটো ৰাজনীতি কৰি পাইছো। ইয়াক যিমানেই কওঁক এজনেও ভোট নিদিয়ে। কংগ্ৰেছে যদি দয়া কৰি ক'ৰবাত এটা আসন দিয়ে তেন্তে দিলে আৰু। বাকী মই নাজানো। ইমান তেল মাৰিব গৈ লাভ নাই। আপোনালোকে এতিয়া বিজ্ঞানসন্মত ভাৱে চাওঁক যে অসমৰ কোনো ঠাইৰ পৰা মুছলমান মানুহৰ পলায়ন হোৱা নাই। হিন্দু majority area ত মুছলমানৰ সংখ্যা বাঢ়িছে --interruptions-

**মাননীয় উপাধ্যক্ষ** ঃ Akhil Gogoi you are suspended for another half an hour.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ অসমত হিন্দু মানুহ সাম্প্ৰদায়িকতাবাদী নহয়। আপোনালোকে কৈ আছে যে উজনিৰ পৰা কাৰোবাক খেদিছে --interruptions- মোৰ কথাটো বাৰু বাদ দিয়ক, মই destiny line এটা লৈ লৈছো। এতিয়া কথাটো হ'ল হিন্দু মানুহৰ ঠাইত মুছলমান মানুহৰ সংখ্যা বাঢ়িছে আৰু মুছলমান মানুহৰ ঠাইত হিন্দু মানুহৰ সংখ্যা কমিছে। এই কথাটো মুছলমান নেতা সকলে বিচাৰ কৰিব লাগিব যে হিন্দুৱে যে মুছলমান মানুহখিনিক আদৰি লৈ আছে তেওঁলোকে কিয় হিন্দু মানুহখিনিক আদৰি ল'ব পৰা নাই? আজি সকলো সমষ্টিতে যদি চাওঁ ২০০১ চনতকৈ ২০১১ চনত আৰু ২০১১ চনতকৈ ২০২১ চনত মুছলমানৰ সংখ্যা বাঢ়িছে আৰু এজন মুছলমান মানুহকো অত্যাচাৰ কৰা নাই। --interruptions-

**শ্ৰী ৰাজেদ আলি আহমেদ, (দক্ষিণ শালমাৰা)** ঃ হিন্দুক অত্যাচাৰ কৰা বুলি কিবা প্ৰমাণ আছে নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ আছে। মই কৈ আছো,মই প্ৰমাণ দিম। মুছলমান অধ্যুসিত অঞ্চলত হিন্দু কমিছে আৰু হিন্দু অধ্যুসিত অঞ্চলত মুছলমান বাঢ়িছে। এতিয়া আপোনালোকে তথ্য বিচাৰিব, কিন্তু মই আজি তথ্য নিদিওঁ । অহা বিধান সভাত মই polling গোট wise আপোনালোকক তথ্য দিম। মই ইতিমধ্যে অধ্যয়ণ কৰি লৈছো । আপোনালোক ৰাজনীতিৰ নেতা,

সমাজে আপোনালোকক মানে। আপোনালোকে যাতে অলপ বিশ্লেষণ কৰে যে এনেকুৰা কিয় হৈছে। এনেকুৰা হোৱাৰ ফলত ভৱিষ্যতলৈ অসমৰ বাবে বেয়া নহ'ব জানো? আপোনালোকে মানুহখিনিক যদি অভয় , বিশ্বাস দিব পাৰে তেন্তে এই পৰিবেশটো পৰিবৰ্তন হ'ব। মই ধণাত্মক কথা ক'বলৈ ইয়াত উঠিছো, ঋণাত্মক কথা ক'বলৈ মোৰ ইচ্ছা নাই। যেনেকৈ আমাৰ হিন্দু বিধায়ক খিনিয়ে মুছলমান মানুহখিনিক সংৰক্ষণ দি আছে, মুছলমান মানুহখিনিয়ে হিন্দু মানুহখিনিক সংৰক্ষণ দিব পাৰিব নে নাই। এতিয়া মই আপোনালোকক নিজৰ সমষ্টিৰ ডাটা দিম যে ২০ বছৰত হিন্দু মানুহ কেনেকৈ কমি গ'ল। সংৰক্ষণ দিবৰ বাবে কেইটামান হাৰ্ড কাম কৰিব লাগিব। আজি মই কামকেইটা নকওঁ। আজি ক'লে আপোনালোকৰ মনত দুখ লাগিব। সেইকাৰণে মই আজি কথা কেইটা নকওঁ। আমাৰ হিন্দু মানুহ পালয়ণৰ কেইটামান কাৰণ আছে। মানুহ নামঘৰলৈ যায়। যেতিয়া দেখে যে ইয়াত নামঘৰ চলাব পৰা অৱস্থা নাই মানুহখিনি উঠি গুছি আহে। মানুহখিনি ধৰ্মক শৰণ দি থাকে। গতিকে মই next debet ত ক'ম যে কোন কেইটা কথাৰ কাৰণে হিন্দু মানুহ ওলাই ওলাই আহি আছে। কাৰণ এইখন অসমত percentage যিয়েই নহওঁক কিয় যেতিয়া এদিন এইধৰণৰ demography change হ'ব মানুহ উত্তেজনা বাঢ়িব আৰু মানুহে অসম আন্দোলনৰ দৰে এটা পৰিবেশ দেখা পাব। সেই পৰিবেশটো ৰক্ষা কৰাৰ দায়িত্ব আজি আমাৰ House খনৰ। House খনে যদি চিন্তা কৰে যে আমি আৰু এজনো হিন্দু মানুহ বৰপেটাৰ পৰা, ধুবুৰীৰ পৰা পলায়ণ হ'ব নিদিওঁ। তেতিয়া দেখিব অসমত পৰিবেশ বিলাক নিজে নিজে ঠিক হৈছে, হিমন্ত বিশ্ব শৰ্মাই হিন্দু-মুছলমানৰ কথা কোৱাৰ প্ৰয়োজনেই নাই। দ্বিতীয়তে, ছোৱালী হিন্দুৰে হওঁক বা মুছলমানৰে হওঁক মা ৰ এক প্ৰতিবিম্ব। শিক্ষাৰ কথা নাই। যদি মুছলমান বিধায়ক, নেতা সকলে লাগি যায় যে ১৮ বছৰৰ তলত বিয়া নিদিব। এজনী ছোৱালীও বিয়া হ'ব নোৱাৰে। আপোনালোকৰ মই Face Book খুব চাওঁ। ৰাতি ২-৩ টাত শুনো। আপোনালোকে যেতিয়া পাবলিক মিটিং কৰে। এতিয়া যদি আমাৰ জননেতা সকলে প্ৰত্যেকটো ভাষণৰ পিছত কয় যে ১৮ বছৰৰ তলত আমাৰ গাওঁত বিয়া হ'ব নালাগে। পৰিবেশ এটা মই বনাইছো। কেইদিনমান আগতে মই বিজনী টুকলঙলৈ গৈছিলো। তাত মই মুছলমান মানুহখিনিক লগ কৰিলো। সুধিলো কাৰোবাৰ আজিকালি ১৮ বছৰৰ তলত বিয়া হয় নেকি? তেওঁলোকে ক'লে যে এতিয়া নহয়। আমি আগতে জনা নাছিলো। এতিয়া জানো যে ইয়াত আইনৰ বাধা আছে। এতিয়া আমি বিয়া হ'বলৈ নিদিওঁ। কিন্তু মইতো আজিহে কলো। আপোনালোকে যদি মিটিং বিলাকত সদায় কৈ থাকিলে হেতেন যে আমাৰ ছোৱালী বিলাকক ১৬-১৮ বছৰৰ তলত বিয়া নিদিবি। আজি বিয়া দিয়াৰ কাৰণে কি হৈছে? বিয়া দিয়াৰ কাৰণে ছোৱালীখিনি ২২-২৩ বছৰ বয়সতে ৪ টা ল'ৰা-ছোৱালীৰ মাক হয়। চালে দেখিব যে শৰীৰত অলপো তেজ নাই। শুকাই-খীনাই অৱস্থা নাই। কাৰণ চাৰিটা ল'ৰা-ছোৱালী জন্ম দিওঁতে যিমান তেজ যায়, যিমান nutrition শিশুটোৱে লৈ লয়, আমাৰ হিন্দু সমাজৰ ২৪ বছৰীয়া ছোৱালী এগৰাকী আৰু মুছলমান সমাজৰ ২৪ বছৰীয়া ছোৱালী এজনী ২০ শতাংশ একে হ'ব। ৮০ শতাংশ যদি আপোনালোকে থিয় কৰায় দিয়ে তেতিয়া মোৰ লগত আপোনালোকে তৰ্ক নকৰে। আপোনালোক সকলো এগৰাকী মাতৃগ গৰ্ভৰ পৰা .জন্ম হৈছে। মা ৰ প্ৰতি মমতা আপোনালোকৰো জাগি উঠিব। অপ্ৰয়োজনীয় ভাৱে মই ভাল কথা কোৱাৰ পিছতো মোক টাৰ্গেট কৰি আছে। আপোনালোকে মিটিঙবোৰত কোৱা আৰম্ভ কৰক। এতিয়া আপোনালোকে এটা polygamy তথ্য লৈ আহিছে। ক'ৰ তথ্য মই নাজানো। আপোনালোকে জানে যে হিন্দু ধৰ্মত ডিৰ্ভোচ নোহোৱাকৈ দ্বিতীয় বিবাহ কৰিব নোৱাৰে। আমাৰ অসমৰ ট্ৰাইবেল মানুহবিলাকেও দুজনী বিয়া

নকৰায়। ট্ৰাইবেল বোৰ কেতিয়াও এই নিয়মত নপৰে। কিন্তু কোনো বড়ো মানুহৰ ঘৰত দুগৰাকী ঘৈণীয়েক দেখা নাপায়, Except rare case . এতিয়া আমি polygamy ৰ ওপৰত আইন আনিব বিচাৰিছো। আপোনালোকৰ মতেতো polygamy হিন্দুত বেছি। গতিকে আপোনালোকেতো মুকলি সমৰ্থন কৰিব পাৰে। যিহেতু আপোনালোকে কৈছে হিন্দুত বেছি। তেতিয়াহ'লে আমি হিন্দুক ban কৰিব আনো। তাত আপোনালোকে সমৰ্থন কৰক। কাৰণ আপোনালোকে কৈছে polygamy হিন্দুত হে বেছি। গতিকে হিন্দুত বহু বিবাহ বন্ধ কৰিবৰ কাৰণে আমি বহু বিবাহ বন্ধ আইন এখন আনিম। হিন্দুত বহু বিবাহ বন্ধ কৰিবৰ কাৰণে আমি যিখন আইন আনিম তাত আপোনালোকে সমৰ্থন কৰিব নে নাই? তেতিয়াই কথাটো ওলাই পৰে। এগৰাকী ছোৱালীৰ ঘৰত এজনী থাকোতে যেতিয়া দ্বিতীয় জনী ঘৈণীয়েক আহি পায়, তৃতীয় জনী ঘৈণীয়েক আহি পায় সেই ছোৱালীজনীৰ বেদনা অনুভৱ কৰিব লাগিব আৰু ছোৱালীজনী মুছলমান ছোৱালী। মই যদি হিন্দু হৈ মুছলমান ছোৱালী এজনীৰ বেদনা অনুভৱ কৰিব পাৰো আপোনালোকে একে মাৰ পৰা জন্ম হোৱা এগৰাকীয়ে কিয় নোৱাৰে। সেই প্ৰশ্নটোৰ উত্তৰ দিয়ক। মাননীয় বিধাক শ্ৰী অখিল গগৈ য়ে হিন্দু-মুছলমানৰ কথা কৈ গুছি গ'ল। মই মুছলমান ছোৱালীৰ কথা কৈ আছো। তাইক পঢ়িবলৈ দিয়ক, তাইক মাক হ'বলৈ নিদিব। এই কথা বিলাক আপোনালোকে মিটিঙত কোৱা কৰক। এটা-দুটা ভোট নাপালেও একো নহয়। এইবাৰ নিৰ্ব্বাচনৰ সময়ত মই মাইন'ৰিটি এলেকাত মিটিং কৰিছো। মই কৈছো যে সোনকালে বিয়া নাপাতিবি। মোক কৈছে মাইন'ৰিটি এলেকাত মই ভোট খুজিব গৈছো। মই ভোট খুজিবলৈ যোৱা নাই, মেছেজ দিবলৈ গৈছো। হেণ্ড চেক কৰোতেই সুধিছো কেইজনী বিয়া কৰাইছ? মই মোৰ কাম কৰিবলৈ হে গৈছো। প্ৰত্যেকটো ভাষণতে কৈছো বিয়া নকৰাবি, স্কুল-কলেজলৈ যাবি। আজি নিযুত মইনাৰ দৰে স্কীম, অৰুণোদয়ৰ দৰে স্কীম আমি হিন্দু-মুছলমান চাই কৰিছো? এইখন চৰকাৰৰ দৰে চেকুলাৰ কাম কংগ্ৰেছে কৰাই নাছিল। মাননীয় অখিল গগৈ ডাঙৰীয়াক চাওঁক দুইফালে কেনেকৈ মাৰে? আপোনালোকক সংৰক্ষণ দিয়াৰ বাবে মই তাত অলপ strict হলো। তেওঁ কৈছে আমাৰ সংগঠন কেইটাৰ ওপৰত কিয় নটিচ দিছে? মুখ্যমন্ত্ৰী হিচাপে মোৰ দায়িত্ব মই পালন কৰিছো। মোৰ ৰাজনৈতিক আদৰ্শ যিয়েই নহওঁক কিয়। আজি foot marge হৈছে, flag marge হৈছে। পুলিচ ৰাস্তাত ওলাইছে। মুখ্যমন্ত্ৰী হিচাপে মোৰ সাংবিধানিক দায়িত্বত মই ত্ৰুটি কৰা নাই। ৰাজনৈতিক ব্যক্তি হিচাপে মোৰ মতাদৰ্শ থাকিবই। মই বহু বিবাহৰ বিৰোধিতা কৰো। মই demography change লৈ চিন্তিত যে নামনি অসম, মধ্য অসমৰ demography change য়ে আমাক শেষ কৰিব। অসমখন ভৱিষ্যতে অস্থিৰ হ'ব। শেষত আৰু এটা কথা কৈ মই সামৰনি মাৰিম যে আৰু এটা concern হৈছে যে বাংলাদেশৰ পৰা নতুনকৈ বিদেশীৰ অনুপ্ৰৱেশ। taxtile industry ৰ কথা অলপ আগতে কোৱা হৈছে। বাংলাদেশত taxtile industry বন্ধ হৈ যোৱাৰ লগে লগে আজি ৬ মাহত বহুতো ৰুহিঙ্গীয়া মুছলমান মানুহ টিপুৰা অসম হৈ ভাৰতত সোমাই আছে। এইটো যোৱা ৩ বছৰ নাছিল, যোৱা ৩-৪ মাহত মুছলিম infiltration has began, বোৰ্ডাৰত BSF আৰু অসম পুলিছে action লোৱাৰ কাৰণে এই খবৰটো পোৱা গৈছে। মই কলো যে চিন্তাৰ বিষয় কিহৰ কাৰণে এনেকুৱা পৃথিৱীত কতো technology নাই যে ৮শ কিলোমিটাৰত এনেকৈ এনেকৈ পুলিচ থাকিব। কাৰণটোও মই কৈছো যে বাংলাদেশত হ্লtextile industry বন্ধ হৈ যোৱাৰ পিছত হঠাতে, আমি কি কৰিব লাগে ৰখাৰ আমি ব্যৱস্থা কৰিব লাগিব আমি কৰিম, আৰু আমি কৰি আছো, post back দৈনিক কৰি আছো। কাৰণ তেওঁলোকক এৰেষ্ট কৰিলে থাকি যাব, তাৰ

কাৰণে উকিল আহি যাব, আমাৰ হোটেলত আমি খুৱাব লাগিব, গতিকে আমি তেওঁলোকক post back কৰি আছো। যোৱা চাৰি মাহত যথেষ্ট ৰোহিঙ্গীয়া মুছলিমক post back কৰিছো যিটো মই twite ত দি থকাৰ পিছতো অসম মিডিয়াৰ লগতে বিধান সভাতো এই বিষয়ে কোনো প্ৰশ্ন উত্থাপন হোৱা নাই। আমি এই সমস্যাটোৰ প্ৰতি আমি নিৰ্বীকাৰ হৈ গৈছো। আমি সকলোৱে শুই গৈছে, নিৰুদেশ হৈ গৈছো, এই নিৰুদেশ হৈ থকা অসমখনক কৰবাত বিবেকটো জাগ্ৰত কৰাৰ কাম অসমৰ মূখ্যমন্ত্ৰী জনে কৰিব লাগিব। এইটো মোৰ সাংবিধানিক দায়িত্ব। মই সদনত আহ্বান জনাম মুছলিম registration য়ে হওঁক, polygamy বন্ধ বিৰুদ্ধে অনা আইনে হওঁক, child marriage ৰ বিৰুদ্ধে অনা আইন আপোনালোকে আমাক মুকলি ভাৱে সমৰ্থন কৰক।

দ্বিতীয়তে, প্ৰত্যেকজন বিধায়কক আহ্বান জনাম যে হিন্দু বিধায়কজনে নিজৰ নিজৰ সমষ্টিৰ মুছলমান মানুহখিনি আপোনালোকে সংৰক্ষণ কৰক আৰু মুছলমান বিধায়কসকলেও আপোনালোকৰ সমষ্টিৰ হিন্দু মানুহখিনিক সংৰক্ষণ কৰক। সংৰক্ষণ কেনেকৈ কৰিব লাগে দুটা বুদ্ধি দি কম। অপৰাধৰ ভয়ত মানুহ নপলায়। কিহৰ ভয়ত পলায় মই কৈ দিম, আজি মই সদনত ক'ব খোজা নাই। এতিয়া ধিং যিগৰাকী ছোৱালীৰ ঘটনাটো হ'ল, সেই ছোৱালীজনীৰ লগতে পৰিয়ালটোৱে তাত থাকিব নোখোজে ধিঙত, আমাক খবৰ দি আছে। তাৰ মানে ভোটাৰ তালিকাত ৫ টা ভোট কমি গ'ল।

তৃতীয়তে হৈছে, যে কোনো এখন সভ্য সংস্কৃতি, বিয়া বাৰু এটা system ৰ মাজেৰে হ'ব লাগে। লাভ জেহাদ শব্দটো মই ব্যৱহাৰ নকৰো। কিন্তু যি ধৰণে আমি বিবাহ বিলাক সংগঠিত কৰিছো, ই সুস্থ পৰিয়ালৰ foundation হ'ব নোৱাৰে। এটা সুস্থ পৰিয়াল হ'বৰ কাৰণে বিবাহৰ এটা মৰ্য্যদা থাকে। যেতিয়া মৰ্য্যদা ভাঙি বিয়া হয়, সেই বিয়া সমাজত কেতিয়াও স্থায়ী নহয়। তাৰ কাৰণেও অহা অধিবেশন অৰ্থাৎ এপ্ৰিল মাহত আইন এখন আনিম, আপোনালোকে সমৰ্থন কৰক যে বিবাহৰ ৬ মাহ আগতে notice দিব লাগিব। ৬ মাহত মন পৰিবৰ্তন হ'ব নোৱাৰে। ৬ মাহত যদি মন পৰিবৰ্তন সেই স্বামী-স্ত্ৰী কেনেকৈ থাকিব। আমি সদনত আইন আনিম যে হিন্দুৰ বিয়া হওঁক, মুছলমানৰ বিয়া হওঁক, ৬ মাহ আগতে notice দিব, ৬ মাহ পিছত বিয়া হ'ব, মন change হ'ব নালাগে। ৰাতি পলাই লৈ যোৱা সেইটো কথা হ'ব নোৱাৰে। facebook হিন্দুৰ নাম দি হিন্দুৰ ছোৱালী বিয়া কৰাই। এইবিলাক আমি কোনোও সমৰ্থন কৰিব নালাগে। যেতিয়া আপোনালোকে সাহসৰে সদনত বাল্য বিবাহৰ বিৰুদ্ধে মাতিব, স্কুল লাগে, আজি নায়াৰ আলগাত কলেজ দিছো, মাটি দিব পৰা নাই আপোনালোকে, মোৰ কোনো আপত্তি নাই শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত। কিন্তু সেইটো বাহানা হ'ব নোৱাৰে যে শিক্ষাৰ কাৰণে এইটো বাঢ়ি আছে। আপোনালোকৰ মতে ১০ লাখ ভোট এঠাইত আপোনালোকক মানুহে দি দিয়ে। আপোনালোক কিমান শক্তিশালী মানুহ চিন্তা কৰক। একোটা একোটা পুলিং বোথত আপোনালোকে কলে ১ হাজাৰৰ ৯৯৯ টা ভোটে আপোনালোকৰ সপক্ষে দিয়ে। আপোনালোকে কলে বাল্য-বিবাহ বন্ধ হৈ নাযাব জানো। যিজন মানুহে কোৱাৰ কাৰণে যে এই চিহ্নত ভোট দিয়ক, সকলো পোৱা নোপোৱাৰ কথা পাহৰি গৈ মানুহে সেই ঠাইতে ভোট দিয়ে। আপোনালোক আমাতকৈ বহুত শক্তিশালী বিধায়ক। গতিকে আপোনালোকে যদি এবাৰ কৈ দিয়ে যে ১৮ বছৰৰ তলত মোৰ সমষ্টিত বিয়া নহ'ব, এজন পুৰুষে দুজনী বিয়া কৰাৰ নোৱাৰিব, কোনো হিন্দু ছোৱালীক পৰিয়ালৰ বিপক্ষে গৈ পলুৱাই লৈ নানিবি। হিন্দুৱে মুছলমানক বিয়া কৰোৱাত বা মুছলমানে হিন্দুক বিয়া কৰোবাত কোনো আপত্তি নাই। কৰবাত যদি নামঘৰ আছে, হিন্দুৰ নিষিদ্ধ বস্তু ব্যৱহাৰ নকৰিব আৰু কৰবাত যদি মুছলমান আছে,

মুছলমানৰ নিষিদ্ধ বস্তু ব্যৱহাৰ কৰিব নালাগে। ১০ টা code of conduct হৈ গলেই, হিন্দু মুছলমান কৰাৰ প্ৰয়োজনীয়তা নোহোৱা হৈ যাব। কিন্তু এইবোৰ নকৰিলে আমাৰ মনৰ দুখ, ক্ষোভ বিলাকতো আমি কৰবাত কব লাগিব। সেই বিলাক আপোনালোকে শুনিব লাগিব। যদি আপোনালোকে মনৰ দুখ আৰু ক্ষোভ বিলাক নুশুনে কেনেকৈ অসমখন হ'ব। আকৌ বড়োলেণ্ডৰ দৰে ৰায়ত হ'ব তেতিয়া। বিধান সভাত আমি কোৱা কৰিছো মানুহৰ পঞ্জিভুত ক্ষোভবিলাক আমি কওঁ কাৰণে অসমত এতিয়া গণ্ডুগোল নাই। মোৰ দিনত সম্প্ৰদায়িক সংৰ্ঘষ অসমত হোৱা নাই। যি হৈছে কংগ্ৰেছৰ দিনতে হৈছে আৰু আহিলগীয়া ডেৰ বছৰতো নহয়, কাৰণ আইন কেনেকৈ চলাব লাগে মই জানো। কিন্তু মুখৰ মাত যদি বন্ধ কৰি দিয়ে সংঘৰ্ষ হ'ব। democracy ৰ আটাইতকৈ ডাঙৰ কথাটো হ'ল যে কথা কওঁক লাগিলে আমি নামানো। সেই কাৰণে আপোনালোকে কথা কওঁতে মই এবাৰো উঠা নাই, শুনি আছো। মই কমল্যক্ষ দে পুৰকায়স্থ দেৰ ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ। demography change is real, migration is real। এপ্ৰিলৰ বিধান সভাৰ অধিবেশনত যদি পৰিবেশ ভালে থাকে, প্ৰত্যেকটো পুলিং বোথত যোৱা তিনিটা দশকত কেনেকৈ জনগাঠনিৰ পৰিবৰ্তন হৈছে, মই আপোনালোকক দাতা দি দিম, তেতিয়া আপোনালোকে গম পাব demography change সঁচা নে মিছা। এইখন অসম হয়, কিছুমান কথা আমি বাদ দিব নোৱাৰো জানো। আজি ইয়াত গোভক্ষ নিবাৰণী আইন আছে যে মন্দিৰৰ ৫ কি.মি. ভিতৰত গো-মাংস বিক্ৰী বা হত্যা নিষিদ্ধ আছে। আজি সকলো ঠাইতে indicative hotel, নামটো এনেকৈ চাইবোৰ্ডত লিখা থাকে, যে বুজি পোৱা যায় যে ইয়াত এইবিধ মাংস পোৱা যায়। কিন্তু মই তাত একো কোৱা নাই, মই এটা conciliation বিচাৰি আছো। ১০ বছৰ আগতে অসমত আৰবিক নামত কোনো হোটেল নাছিল। এতিয়া এই আৰবিক নামৰ হোটেলবোৰ কিয়? এইটো এটা in-dication নহয় জানো, ইয়াত কি পোৱা যায়। হ্লre-conciliation হ'ব লাগিব সমাজৰ মাজত। সমাজৰ মাজত কথা পাতিব, কথা ক'লেই নহ'ব তেতিয়া সংঘৰ্ষ হৈ থাকিব। যোৱাকালি মই বৰাকভেলীত গৈ আছো। কৰিমগঞ্জৰ পৰা শিলচৰলৈকে আহমেদিয়া হোটেল আহমেদিয়া হোটেল আৰু সন্মুখত অলপ আগত ২ শ মিটাৰৰ দূৰত্বত মন্দিৰ।What is that indication ? এতিয়া আপোনালোকে যদি কয়, ইয়াত কিবা নিবিচাৰে তেতিয়া বুজি ল'ব যে মইও অসমৰ Home Minister কৰবাত যদি মদ বিক্ৰী হৈ আছে মই এইটোও গম পাম। অবৈধ মাংস বিক্ৰী হৈ থাকিলে এইটোও গম পাম। গতিকে blame টো বাদ দিয়ক। এইটোৱে সমস্যাৰ সমাধান নকৰে। বহি কথা পাতিলে সমাধান ওলাব। আপোনালোকে মনতো খুলি লওঁক। ভাৰতবৰ্ষত সনাতন হিন্দু মানুহৰ লগতে যুজ কৰি আমি ইয়াত থকাৰ কথাটো নহয়। সংঘাতে হৈ থাকিব আৰু আমাৰ মানুহখিনি আপোনালোকৰ পৰা দুৰত নহয়। এটা সমষ্টিৰ এজন বিধায়কক আঙুলি টোৱাই কওঁক যে আপোনালোকৰ তাৰপৰা মুছলমান মানুহ পলাই আছে. আমাৰ তাতে সাম্প্ৰদায়িক সম্প্ৰতিৰ উদাহৰণ আদি সদায় দেখুৱাই আহিছো আৰু আমি দেখুৱাই থাকিম। এতিয়া অলপ আপোনালোকে দেখুৱাৰ সময় আহিল because you are one of the lergest community in Assam now আগৰ দৰে পৰিৰেশ নাই। আগতে যেতিয়া ১০-১১ শতাংশ আছিল সেইবোৰ বাদ দিয়ক। কাৰণ আমি lead লওঁ কিন্তু অবিভক্ত গোৱালপাৰা, অবিভক্ত কামৰূপ, অবিভক্ত দৰং, অবিভক্ত ধুবুৰী বুলি কওঁক. আপোনালোকে leading community আৰু এজনো হিন্দু মানুহ সেই টাইৰ পৰা পলায়ন কৰাতো আপোনালোকৰ ওপৰত প্ৰশ্নবোধক চিন আনি দিয়ে। ৰাখি থওঁক মানুহখিনিক. এইখিনি কথা ক'লে মানুহ communal নহয় আৰু মোৰ খুৱ passion-

ate appel. মোৰ দিনত কতো সাম্প্ৰদায়িক সংঘৰ্ষ নহয়। কাৰণ law will take it show own cource. মই Home Miniter হিচাপে মোৰ দায়িত্বত মই কতো পিছ হুহুকি নিদিওঁ। আজি শিৱসাগৰত যোৱা দুদিন ধৰি যিমান পুলিচ গৈছে action লৈছে। একে action যদি কোকৰাঝাৰ আৰু ওডালগুৰিত ললেহেঁতেন, কেতিয়াও riot য়ে নহ'লেহেঁতেন কংগ্ৰেছৰ দিনত। আমি বহুত stract. When it comes to law and order. কিন্তু লাঠি আৰু গুলি বিলাকো মানুহৰ ক্ষোভ আৰু আবেগকতো দবাই ৰাখিব নোৱাৰি। মানুহৰ মনত যি ক্ষোভ আছে, বেদনা আছে সত্ৰক হেৰুৱাৰ বেদনা, মাটি হেৰুৱাৰ বেদনা সেই বেদনাখিনি আপোনালোকে কেনেকৈ ধুই দিব। মোৰ মাত বন্ধ কৰি ধুৱাব নেকি? মই আজি সদনতে কৈছো মই যিধৰণে কৈ আছো কিমান দিন মই lasting কৰিম কোনেও নাজানে। Thats the record thats the history. মই তেনেকৈ নিজকে প্ৰস্তুত কৰিয়েই লৈছো যে সঁচা কথাখিনি ক'ম and without melish মই কাকো eviction কৰিব খোজা নাই। Sharia Law বন্ধ কৰিব খোজা নাই। Islamic is one of the great religion কোনো মোৰ religion ৰ against একো নাই আৰু মই কাৰো বিপক্ষে কথা নকওঁ। কেতিয়াওঁ মই শব্দ ব্যৱহাৰ নকৰো। কিন্তু সঁচা কথাটো হিন্দু মানুহৰ ঠাইত এই কামখিনি নকৰিব। ছোৱালীজনীক এনেকৈ পলুৱাই লৈ নাযাব, মাক-দেউতাকৰ পৰা খুজি লৈ যাব। সেইখিনি কতা কোৱাটো অপৰাধ হ'ব নোৱাৰে। ফৰেষ্টৰ কাজিৰঙাত নোসোমাব। সেইখিনি অপৰাধ হ'ব নোৱাৰে। জনজাতীয় লোকৰ ঠাইত নাযাব, সেইটো অপৰাধ হ'ব নোৱাৰে। সেইখিনি মুখ্যমন্ত্ৰী হিচাপে মোৰ কোৱাতো দায়িত্ব। আজি মই বহুত নকওঁ। কেতিয়াবা আপোনালোকেও মনৰ কথাখিনি কওঁক। আপোনালোকৰ মনতো ক্ষোভ থাকিব পাৰে। এপ্ৰিল মে' মাহত এখন ভাল house হওঁক। মানুহক ক'ব লাগিব, লাগিলে without camera হওঁক, without mike হওঁক, without facebook live হওঁ। আপোনালোকৰো আমাৰ ওপৰত ক্ষোভ থাকিব পাৰে। আপোনালোকেও আপোনালোকৰ কথাখিনি কওঁক। আমিও আমাৰ কথাখিনি কম। কিন্তু this is not the way একপক্ষীয় যুজ এখন সদায় চলি নাথাকে, ইয়াত গণ্ডগোল হবই আৰু সৰু সৰু কথা, সৰু সৰু সংশোধন, সৰু সৰু symbolic আপোনালোকে কৰিব পাৰে, তাকে নকৰি provoke কৰি থাকিব এইটো ভোটৰ কাৰণে বৈছে। আমি ৯৬ খন চিট লৈ থৈছো। ভোটৰ কথা আমি চিন্তা কৰিব লাগে নেকি? আমাৰ এইটো চিন্তা কৰিবলগীয়া নাই we are not under crises. মই election ৰ বাহিৰত গৈ কথা কৈ আছো। মানুহে কৈয়ে দিছে ভোটৰ জৰিয়তে এইটো বদলাব খুজিলে ইমান আৰু হিমালয় ভঙা ইমান সহজ নহয়। এইটো যি আছে, আছে। Politics টো ডাঙৰ কথা নহয়। কিন্তু BJP ৰ track record চাব ২০১৪ চনৰ পৰা সোনোৱাল চৰকাৰ, চাৰে তিনি বছৰ মোৰ চৰকাৰ এটাও riot হোৱা নাই। Riot যদি হৈছে কেৱল মাত্ৰ অসমত কংগ্ৰেছ চৰকাৰৰ দিনত হৈছে আৰু riot কাৰো দিনত হোৱা নাই। সংখ্যালঘুক যদি নিৰাপত্তা দিয়াত কোনোবা দল ব্যৰ্থ হৈছে, সেইটো কেৱল কংগ্ৰেছ দল ব্যৰ্থ হৈছে আৰু কোনো দল ব্যৰ্থ হোৱা নাই। AGP ৰ দিনতো riot হোৱা নাই, জনতাৰ্পাটীৰ দিনতো riot হোৱা নাই, BJP ৰ দিনতো riot হোৱা নাই, মই record চাইছো। গতিকে যাৰ নিজৰ শৰীৰত মলিনতাৰে ভৰি আছে তেওঁ বেলেগক ক'ব নালাগে যে আপোনালোকে হিন্দু মুছলমান কৰিব। Hindu Muslim issue is a real issue. We need to debate, we need to resolve যেতিয়া জনজাতীয় অজনজাতীয় হৈছিল অসমত that was a real issue. আমি কথা পাতিলো, আমাৰ আগৰ নেতাসকলে কথা পাতিলে, Six sheduled আহিল, BTC

আহিল, কাৰ্বি আংলং আহিল। কথা পতাৰ কাৰণে আজি সমস্যা নোহোৱা হৈ গ'ল। জনজাতীয় আৰু অজনজাতীয় মানুহখিনিৰ সমাধান কেনেকৈ হ'ল because we started dialogue. যে আমি কথা পাতিম। যেতিয়া হিন্দু আৰু অসমীয়া মুছলমান মানুহখিনিৰ লগততো কোনো is-sue নাই। অধিবাসী মুছলমান আৰু হিন্দু মানুহখিনিৰ মাজত যেতিয়া সংবাদ হ'ব তেতিয়া সমস্যা সমাধান হ'ব আৰু সংবাদ নকৰাকৈ বহ বহ কৰি এনেকৈ থাকিলে সেইটো নহ'ব। সেইটো বাঢ়ি যাব। আজিলৈ ইমানেই, পিছত মই ক'ম।

মাননীয় উপাধ্যক্ষ ঃ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা সুন্দৰ প্ৰস্তাৱ আগবঢ়াইছে যে আগন্তু বিধান সভাত আমি demography change ৰ ওপৰত extensively discuss কৰিম আৰু শাসক আৰু বিৰোধী সকলোৱে partcipate কৰিব। এতিয়া house democracy হৈছে চলিবৰ কাৰণে দুই পক্ষই আলোচনা কৰিব লাগিব। সময় বিৰোধীকো দিব লাগিব, শাসক পক্ষকো দিব লাগিব। বিৰোধীৰ active participation ৰ অবিহনে healthy democracy কেতিয়াও lasting নকৰে আৰু আমাৰ চকীৰ পৰা আমি rule ৰ জৰিয়তে কাম কৰিব পাৰিম। Withour rule আমি একো কৰিব নোৱাৰো। আপোনালোকে যে প্ৰত্যেকবাৰ উঠি কয় ইয়াততো rule য়েই নাই যে কোনোবা Chief Minister ৰে reply দি আছে তাত যে সকলোৱে উঠি দিগদাৰ কৰো সেইটো কোনো rule ত নাই। মোক দেখুৱাই দিয়কচোন কোনটো rule? গতিকে আমি শাসক আৰু বিৰোধীৰ combine effort তাকিব লাগিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই খুব সুন্দৰ পৰামৰ্শ দিছে। গতিকে এই পৰামৰ্শটো আমি ল'ম। আপোনালোকে adequate time পাব। কোনটো দলৰ কিমান সময় আছে, তাত মই দিম। মই ১ মিনিটো আপোনালোকক dis-turb নকৰো। ১০ মিনিট থাকিলে, ১০ মিনিটতেই ক'ব, ১৫ মিনিট থাকিলেই ১৫ মিনিটেই ক'ব। দলে আপোনালোকক যিমান সময় দিয়ে।

**শ্ৰী জাকিৰ হুছেইন, (সৰুক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মোৰ ১ মিনিট ক'বলগীয়া আছে। আপোনাক সুযোগ দিয়াৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ আপোনাৰ সংকল্প প্ৰস্তাৱ প্ৰত্যাহাৰ কৰা বুলি কৈছে।

**শ্ৰী জাকিৰ হুছেইন, (সৰুক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যেতিয়া আমাৰ বিধায়ক সকলে বাল্যবিবাহৰ কাৰণে সজাগতা নকৰা বুলি কৈছে এই কথাটো সঁচা নহয়।৷ প্ৰত্যেকজনে বাল্যবিবাহ বন্ধ কৰাৰ কাৰণে সকলোৱে চেষ্টা কৰি আছে. যাৰ কাৰণে সফলতাৰে বহুত দিশত আগবাঢ়ি গৈছে. দ্বিতীয়তে, বাংলাদেশৰ পৰা ৰহিংগিয়া অহাৰ কিছু কথা কৈছে. আমি চৰকাৰৰ অনুৰোধ জনাইছো কঠোৰ পদক্ষেপ ল'ব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ সমজাতীৰ ওপৰত যেতিয়া debate কৰিম, তেতিয়া proceeding আনিব। শ্ৰীশ্বেৰমান আলী ডাঙৰীয়া যেতিয়া next session ত আহিব demographic আপোনালোকক আমাৰ ফালৰ পৰা ৫ মিনিট extra time দিম। This is my permission.

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ উদ্বিগ্নতা প্ৰকাশ কৰিছে, তাত আমি ১০০ শতাংশ একমত। কথাটো হ'ল ভুল ব্যাখ্যা যাব নালাগে। .............Interrruption.............

**মাননীয় উপধ্যক্ষ ঃ** এতিয়া কমলাক্ষ্য ডাঙৰীয়া, আপুনি সংকল্প প্ৰস্তাৱটো উঠাই ল'ব নে?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সুন্দৰকৈ কথাখিনি উপস্থাপন কৰিলে। মই কেৱল এটা কথা ক'ব বিচাৰিছো যে আমাৰ

দেশ বিভক্ত হৈ এখন ইছলামিক দেশ হৈছে আৰু আংশিক ইছলামিক ৰাজ্য হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱাৰ দৰে আমাৰ ৰাজ্যখন ধৰ্মনিৰপেক্ষ ৰাজ্য হ'ব লাগে আৰু পৰৱৰ্তী চেচনত বাল্য বিবাহৰ দৰে কঠোৰ আইন আহিব লাগে। এই আশা ব্যক্ত কৰি মই সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সংকল্প প্ৰস্তাৱ প্ৰত্যাহাৰৰ বাবে অনুমোদন দিয়াৰ বাবে সদনৰ সমৰ্থন আছেনে?

(সদনে সমৰ্থন দিয়ে।)

**মাননীয় উপাধ্যক্ষ ঃ** সদনৰ সমৰ্থন সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া কাৰ্য্যসূচী নং-১২। সংকল্প প্ৰস্তাৱ মাননীয় সদস্য আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (অভয়াপুৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Rule-115 ৰ অধীনত মোক দু-আষাৰ ক'ব দিয়াৰ বাবে ধন্যবাদ। প্ৰস্তাৱটো আছিল - This House urges upon the Govt. to increase the financial assistance provided by the Govt. to the families severely affected by the natural calamites, esp. floods and erosion to Rupees Three lakhs. মই অসমীয়াত অলপ ভাঙণি কৰি দিছো। নহ'লে ৰাইজে বুজি নাপাব। বান আৰু গড়াখহনীয়া ক্ষতিগ্ৰস্ত পৰিয়াল সমূহে বৰ্তমান যিটো চৰকাৰী অনুদান লাভ কৰি আছে, সেইটো বৃদ্ধি কৰি তিনি লাখ কৰিব লাগে। প্ৰস্তাৱটো অনা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিধান সভাত উপস্থিত থকা সকলোখিনি সদস্য অৱগত যে আমাৰ ৰাজ্যখন বান আৰু গড়াখহনীয়া পীড়িত ৰাজ্য। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ লগতে ইয়াৰ ৫০ টাৰো অধিক উপনদী প্ৰতিবছৰে বানপানীৰ সৃষ্টি কৰিছে। ৰাষ্ট্ৰীয় বান আয়োগৰ তথ্যমতে ৰাজ্যখনৰ ৩১.০৫ লাখ হেক্টৰ ভূমি বানপীড়িত। ই ৰাজ্যখনৰ ৭৮.৫২৩ লাখ হেক্টৰ ভূতি৯.৫৮ শতাংশ। আনহাতে আমাৰ দেশৰ বানপীড়িত অঞ্চল মাত্ৰ ১০.২০ শতাংশ। অৰ্থাৎ ৰাষ্ট্ৰীয় আমাৰ ৰাজ্যৰ বানপীড়িত অঞ্চল চাৰিগুণ অধিক।

আনহাতে, ৰাজ্যখনত আছুতীয়া সমস্যা হৈছে গড়াখহনীয়া সমস্যা। এই গড়াখহনীয়া সমস্যা দেশৰ আন ৰাজ্যত নাই বুলিয়েই ক'ব পাৰি। আমাৰ ৰাজ্যখনত ৪.২৭ লাখ হেক্টৰ ভূমি সম্পদ ইতিমধ্যে নদীৰ বুকুত জাহ গৈছে। ই ৰাজ্যখনৰ মুঠ ভূমি সম্পদৰ ৭.৪০ শতাংশ। বছৰি ৮ হাজাৰ হেক্টৰ ভূমি এতিয়াও নদীৰ বুকুত জাহ গৈয়েই আছে।

এই গড়াখহনীয়াৰ ফলত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ ৰিপোৰ্ট মতে ১৯৫০ চনৰ পৰা বৰ্তমানলৈকে ৰাজ্যখনৰ ৪ হেজাৰ গাওঁ সম্পূৰ্ণ ৰূপে বা আংশিক ভাৱে নদীৰ বুকুত জাহ গৈছে। ইয়াৰে ১ হাজাৰ গাওঁ মানচিত্ৰত পৰাই বিলুপ্তি ঘটিছে। ১ লাখৰো অধিক পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ক্ষতিগ্ৰস্ত হোৱা লোকৰ সংখ্যা ৩০ ৰ পৰা ৪০ লাখমান হ'ব।

মই ২০২১ চনত বিধায়ক হিচাপে নিৰ্ব্বাচিত হোৱাৰ পিছত অভয়াপুৰী উত্তৰ সমষ্টি আৰু বৰ্তমান নতুনকৈ গঠন হোৱা সৃজনগ্ৰাম সমষ্টিত ৰাজবংশী, বড়ো, অনুসূচীত জাতি, দেশী আৰু ন-অসমীয়া মুছলমান লোকসকল এই গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈ ঘৰ-বাৰী হেৰুৱাই সৰ্বস্বান্ত হোৱা দেখা পাইছো।

আই নদীৰ গড়াখহনীয়াৰ ফলত হাপাচৰা, চক্ৰভূম, ভাণ্ডাৰা, বালাৰপেট, বাশবাৰী, টেণ্টনপুৰ, হালধিবাৰী, কাছাৰীপেটী, সন্তোষপুৰ, ধলাগাছা, ঘোঁৰামাৰা, ভাৰালীপাৰা, ক্ষুদ্ৰখোৱা,

মেৰেৰচৰ, ডুবাচুৰী, লতিবাৰী, বৰজনা, গোবিন্দপুৰ আদি গাঁৱত প্ৰতিবছৰে বহু সংখ্যক পৰিয়ালে নিজৰ ঘৰ-বাৰী হেৰুৱাই আহিছে।

আনহাতে, মানাহ নদীয়ে ভাণ্ডাৰা, বাশবাৰী, গণবিন্না, বাংলাপাৰা, নাম্বাৰপাৰা, গোৱালপাৰা, মাত্ৰাঘোলা, বালাৰচৰ কালীকুৰা, বৰাইছালা আদি গাঁৱত প্ৰতিবছৰে বহু সংখ্যক পৰিয়ালৰ ঘৰ-বাৰী নিশ্চিহ্ন কৰি আহিছে।

ব্ৰহ্মপুত্ৰ নদীয়ে মালেগড়, যোগীঘোপা, ঔডুবি, পূব মাজেৰ আলগা আৰু পশ্চিম মাজেৰ আলগা আদি গাওঁ পঞ্চায়ত এলেকাত প্ৰতিবছৰে গড়াখহনীয়া সংঘটিত হৈ আহিছে। যিহেতু গড়াখহনীয়াই ঘৰ-বাৰী, কৃষিভূমি আদি সকলো নিশ্চিহ্ন কৰি পেলায়, সেয়ে গড়াখহনীয়াৰ ফলত একো একোটি আঢ্যৱন্ত পৰিয়াল নিমিষতে দৰিদ্ৰতাৰ কৱলত পৰাটো নিচেই সাধাৰণ কথা হৈ পৰিছে।

গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ একাংশই চৰকাৰী অনুদান লাভ কৰিছে যদিও কিছুমান ক্ষতিগ্ৰস্ত পৰিয়ালৰ অভিযোগ মতে তেওঁলোকে কোনোধনণৰ চৰকাৰী অনুদান লাভ কৰা নাই। যোৱা বচৰলৈকে যিসকল পৰিয়ালে চৰকাৰী অনুদান লাভ কৰিছে, তেওঁলোকে মাত্ৰ ৯৫,১০০.০০ টকা নিৰিখতহে লাভ কৰিছে। ক্ষতিৰ পৰিমাণৰ জোৰা মাৰিবলৈ এই অনুদান কোনোপধ্যে পৰ্য্যাপ্ত নহয়। সেয়েহে এনে এক ভয়াৱহ ক্ষতিৰ চৰকাৰী অনুদানৰ নিৰিখ ৩ লাখ টকালৈকে বৃদ্ধি কৰিব লাগে আৰু সকলো ক্ষতিগ্ৰস্ত পৰিয়ালে এই অনুদান লাভ কৰাটো নিশ্চিত কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Hon'ble MLA শ্ৰী আব্দুল বাতিন খণ্ডকাৰে গৰাখহনীয়া সন্দৰ্ভত এটা প্ৰস্তাৱ আনিছে। "This House urges upon the Government to increse the financial assistance provided by the Government to the families serverely affected by natural calamities,especially floods and erosion to rupees three lakhs." এই টকাটো আমি পূৰ্বতে ৯৫,০০০ দি আছিলো আৰু যোৱা ২০২২-২৩ চনত ইয়াক ১,২০,০০০ কৰা হ'ল আৰু পকা ঘৰৰ ক্ষেত্ৰত ১,৩০,০০০ কৰা হ'ল। এইটো হ'ল NDRF ৰ কাম আৰু NDRF ৰ fund ৰ পৰা বানপানী আৰু গৰাখহনীয়াৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হয়। তেখেতে কৈ থকা গৰাখহনীয়া সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে এটা প্ৰতিবেদন বিচাৰিছে যে গৰাখহনীয়াত জাহ যোৱা মানুহ অসমত কিমান আছে? এইক্ষেত্ৰত ৫০০ কোটি টকাৰ এটা পেকেজ কেন্দ্ৰীয় চৰকাৰৰ পৰা বিচাৰিছে। এই ক্ষেত্ৰত আমি প্ৰতিখন জিলাৰ আয়ুক্ত সকলক নিৰ্দেশ দিছো যে তেওঁলোকৰ জিলাত গৰাখহনীয়াত জাহ যোৱা কিমান মানুহ আছে আৰু এই সম্পূৰ্ণ তথ্যখিনি আমাৰ চৰকাৰলৈ অহাৰ পিছত আমি এটা proposal সাজু কৰিম যাতে তেওঁলোকক সংস্থাপন দিব পৰা যায়। চৰকাৰী ভূমিত সেই মানুহবিলাকক সংস্থাপন কৰাকে ধৰি বিভিন্ন ধৰণৰ আমি ব্যৱস্থা গ্ৰহণ কৰিম। এই বস্তুটো কেন্দ্ৰীয় চৰকাৰে গৃহীত কৰাৰ পাছত ৩ লাখলৈ বঢ়োৱাৰ যিটো কথা কৈছে আমি এটা নতুন নীতি লৈ এই গৰাখহনীয়াত জাহ যোৱা মানুহখিনিক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিম। অধ্যক্ষ মহোদয়, আপুনি জানে যে ২০২২-২৩ বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈকে এইটো হৈছে আমাৰ guideline.এইখন হয়তো আপোনালোকে ইতিমধ্যে পাইছে আৰু দৰকাৰ হ'লে মই আপোনালোকক দি দিম। ১১ জুলাই, ২০২৩ ৰ পৰা ২০২২-২৩ আৰু ২০২৪-২৫ লৈকে কেন্দ্ৰীয় চৰকাৰে এই guideline খন আমালৈকে পঠাইছে। এই guideline ৰ মতে ক'ত কিমানক পুনৰ সংস্থাপন দিব লাগে,

ইয়াত গোটেই কথাখিনি severely, partially আৰু severely মানে সম্পূৰ্ণ ধ্বংস হ'লে আমি কিমান দিব পাৰো আৰু এইক্ষেত্ৰত আপুনি যি তিনি লাখৰ কথা কৈছে এই ক্ষেত্ৰত আমি হয়তো গৰাখহনীয়াত আক্ৰান্ত যোৱা মানুহখিনিৰ বাবে পাম। যেতিয়া এইটো কেন্দ্ৰীয় চৰকাৰৰ পৰা approve হৈ আহিব। গতিকে আপোনাৰ জিলাত কিমান গৰাখহনীয়া আক্ৰান্ত মানুহ আছে এই বিষয়ে DC ৰ লগত কথা পাতি আমাক সোনকালে দিয়ক আমি যাতে এই বস্তুখিনি কেন্দ্ৰীয় চৰকাৰলৈকে পঠাব পাৰো। আমি যাতে এই বছৰতে গৰাখহনীয়াত আক্ৰান্ত মানুহখিনিক পুনৰ সংস্থাপন কৰিব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সংকল্প প্ৰস্তাৱটো আপুনি প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী আব্দুল বাতিল খণ্ডকাৰ, (অভয়াপুৰী উত্তৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহাশয়ে যিহেতু নতুন কিবা নীতি আনিম বুলি কৈছে গৰাখহনীয়াত আক্ৰান্ত মানুহখিনিক পুনৰ সংস্থাপন দিয়াৰ কাৰণে সেয়েহে মই তেখেতক আদৰণি জনাইছো। ইয়াৰ লগতে যিটো পৰিমাণ ১,২০,০০০ লৈকে কৰা বুলি ক'লে গাৱলীয়া ঘৰ বিলাকৰ ক্ষেত্ৰত সেই বস্তুটো কেন্দ্ৰীয় চৰকাৰৰ গতিকে এইক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পৰা কিছু পুঁজি ইয়াত যোগ কৰিলে ভাল হয় আৰু এইটো বিবেচনা কৰিব বুলি মই আশা কৰিলো।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, য'ত guideline য়ে এই বস্তুটো cover নকৰে, বিশেষকৈ VGR/PGR. কিন্তু এই ক্ষেত্ৰত CM ছাৰৰ ফাণ্ডৰ পৰা বিভিন্ন ঠাইত দিয়াৰ ব্যৱস্থা কৰা হৈছে।

**শ্ৰী আব্দুল বাতিল খণ্ডকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে কিন্তু মই এটা কথা ক'ব বিচাৰিছো যে কিছুমান এনেকুৱা গৰাখহনীয়াত আক্ৰান্ত পৰিয়াল আছে তেওঁলোকে এতিয়ালৈকে চৰকাৰী বিষয়াৰ গাফিলতিৰ বাবে হওঁক বা অন্য ক্ষেত্ৰতে হওঁক এতিয়ালৈকে এই ক্ষেত্ৰত কোনো সাহায্য পোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এইক্ষেত্ৰত জিলা আয়ুক্ত সকলক এটা নিৰ্দেশনা দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। ধন্যবাদ।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,এই ক্ষেত্ৰত মন্ত্ৰীৰ লগতে বিধায়ক সকলেও অলপ চোৰাচিতা কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, আপোনাৰ যদি কিবা থাকে আপুনি লিখি দি দিব।

**শ্ৰী আব্দুল বাতিল খণ্ডকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমাৰ মন্ত্ৰী মহাশয়ে যিখিনি আশ্বাস আমাক দিলে তাৰবাবে ধন্যবাদ জনাই মোৰ প্ৰস্তাৱটো মই প্ৰত্যাহাৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ,(বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move that,"whereas, the river -bed of Brahamaputra and its tributaries have become shallow for deposition of silt from the hills due to unabated shifting cultivation and indiscriminate destruction of forest and also for unabated erosion of landmass in the plains, and whereas, erosion of Brahmaputra and its tributaries have rendered lakhs of families homeless and have washed away Government properties such

as roads, bridges, schools, Mandirs, Masjid, etc. worth thousands of crores of rupees, and whereas, erosion and floods in the State have now become an unmanageable menace, and whereas, land and water are valuable natural resources which can be gainfully utilized for the prosperity of the State, this House resolves that, the Government should take immediate steps to channelize the river Brahmaputra and control the erosion of river Brahmaputra and its tributaries from Sadiya to Dhubri scientifically without any loss of time."মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অত্যন্ত গুৰুত্বপূৰ্ণ। মই নদী-উপনদী এইবোৰ বিষয়ে নাযাও কিন্তু যোৱা ১৪ বছৰত মোৰ ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনদী সমূহৰ বিষয়ে আমি এই সদনত হয়তো শতাধিকবাৰ আলোচনা কৰিছো আৰু বহুতো সংকল্প প্ৰস্তাৱ লৈছো গতিকে মই সেই বিষয়ে ক'ব নাযাও। মোৰ মনত বিভিন্ন কথা উদয় হৈছে এইখিনি কথা আপোনাৰ যোগেদি মই চৰকাৰক অৱগত কৰিম। প্ৰথম কথাটো হ'ল ব্ৰহ্মপুত্ৰ নদী আজি যিটো অৱস্থাত আছে, কোনোবা ঠাইত ২৫ কিঃমিঃ বহল, কিছু ঠাইত ২০ কিঃ মিঃ বহল আৰু সেই এটা ব্ৰহ্মপুত্ৰৰ পৰা ২০ টা সুঁতি ওলাই গৈছে আৰু এই অৱস্থাতো ১৯৫০ চনলৈকে নাছিলে কিন্তু ১৯৫০ চনৰ ভূমিকম্পৰ পিছত ব্ৰহ্মপুত্ৰ নদীৰ বুকুটো বাম হৈ গল আৰু তাৰ লগতে আমাৰ ওচৰৰ পাহাৰীয়া ৰাজ্যবোৰত যিবোৰ shifting cultivation হয়, তাৰপৰা বহুত বালি আহিলে, যাৰফলত ব্ৰহ্মপুত্ৰ বাম হৈ গল আৰু ইয়াৰ পানী প্ৰাকৃতিকভাৱে বৈ যোৱাত অসুবিধাৰ সৃষ্টি হ'ল। তেতিয়াৰ পৰাই আমাৰ গৰাখহনীয়া আৰম্ভ হ'ল। গতিকে সমস্যাটো বাঢ়ি গৈ থাকিল। কাষৰ মাটিবোৰ খহি ব্ৰহ্মপুত্ৰৰ বুকুত পৰিব ধৰিলে তেতিয়া ইয়াৰ যিটো natural channel সেইটো বাধাপ্ৰাপ্ত হ'ল। তাৰফলত বিভিন্ন সুঁতি ওলাই যায়। ফলত নতুনকৈ আৰু বহুত ঠাইত গৰাখহনীয়াৰ হৈ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যায়। এইটো হৈছে এটা অতি জলন্ত সমস্যা। স্বাধীনতাৰ পিছৰ পৰা এতিয়ালৈকে যিখিনি চেষ্টা কৰা হ'ল তাৰ ভিতৰত আটাইতকৈ বেছি হ'ল মথাউৰি বনোৱাটো। কিন্তু আমি প্ৰাকৃতিক এটা বান্ধ বান্ধি বা ভেটা দিবলৈ চেষ্টা কৰাটো বোধহয় আমাৰ ভুল। মই কোনো অভিযন্তা নহয়, মই কোনো বৈজ্ঞানিক নহয় কিন্তু মই এজন সাধৰাণ মানুহ হিচাপে নদীৰ লগত সহবাস কৰি দেখা পাইছো যে খৰালি কালত নদীৰ বুকুয়েদি কিছুমান ঠাই শুকাই যায় আৰু বাৰিষা হ'লে সেইবোৰ ঠাই মহাসাগৰ হয়। এই নদীৰ লগত সহবাস কৰি মোৰ যিটো ধাৰণা হৈছে আমাৰ বোধহয় চেষ্টা হ'ব লাগিছিল যে ব্ৰহ্মপুত্ৰৰ বুকুতো যে বাম হ'ল সেইটো খান্দি বা আমাৰ অভিযন্তাসকলে যিটো পৰামৰ্শ দিয়ে যাতে পানীখিনি প্ৰাকৃতিকভাৱে বৈ যাব পাৰে। এই যে ২০ টা নদী বৈ গল তাৰ কাৰণটো হ'ল আমি বাধাৰ সৃষ্টি কৰিছো। আমাৰ বালিবোৰ পাহাৰৰ পৰা আহিছে অথবা গৰাখহনীয়া কৰি নদীৰ বুকু বাম কৰি পেলাইছে। আৰু আমি আৰু এই নদীত বাধা দিয়াৰ বাবে নদীত সমস্যা হৈছে যাৰফলত চাৰিওফালে সুঁতি ওলাই গৈছে গতিকে মই এজন সাধাৰণ মানুহ হিচাপে ক'ব বিচাৰিছো যে নদীটোৱে যাতে কোনো বাধা নোপোৱাকৈ ই প্ৰাকৃতিকভাৱে বৈ যাব পাৰে। গতিকে এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব সেইটো ক'ব আমাৰ বৈজ্ঞানিকসকলে আৰু আমাৰ প্ৰযুক্তিবিদসকলে। কিন্তু ইমানদিনে আমি প্ৰস্তাৱ লৈ আহিলো যে এইটো এটা ৰাষ্ট্ৰীয় সমস্যা কিন্তু What is national problem? আজি মাজুলীত ব্ৰহ্মপুত্ৰ নদীৰ তলেৰে দলং হৈ আছে। সেইটোতো আমি national problem কৰা নাই। গতিকে মই ভাৱো এই সমস্যাটো স্থায়ীভাৱে সমাধান কৰাৰ সিদ্ধান্ত লোৱা,

খৰতকীয়াভাৱে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। আপোনাৰ সমস্যাটো বুজি পাইছে। আপুনি এইক্ষেত্ৰত প্ৰস্তাৱ আনিছে। বহক।

**শ্ৰীমতী শিবামনি বৰা , (বটদ্ৰবা) ঃ** যুগ যুগ ধৰি বানপানী আৰু গড়াখহনীয়াই আমাৰ ৰাজ্যখনক বিস্তৰ ক্ষতি কৰি আহিছে । বৰ্ত্তমান আগতে বানপানী নোহোৱা অঞ্চলতো বানপানী হোৱাটোত আৰু বেছি চিন্তনীয় হৈ পৰিছে । অসমৰ বানপানীৰ সমস্যাটো দেশৰ অন্য ৰাজ্যৰ বানপানীতকৈ পৃথক ।কাৰণ বানপানী অসমত যিমান দীঘলীয়াকৈ হয় ভাৰতৰ আন আন ৰাজ্যত তেনেকৈ নহয়। অসমত বছৰটোত তিনি- চাৰিবাৰমান বানপানী হয় , অসমত বেছিকৈ পৰযুণ হয় তাৰ ওপৰিও বিদেশী ৰাষ্ট্ৰৰ ভূটান- চীনৰ ওপৰিও অসমৰ কাষৰীয়া ৰাজ্য মেঘালয় অৰুণাচল প্ৰদেশৰ পৰাও পানী অসমলৈ নামি আহে । দেশৰ মুঠ মাটিকালিৰ ১০.২ শতাংশত বানপানী হয় কিন্তু অসমৰ মুঠ মাটিকালিৰ প্ৰায় ৪০ শতাংশত বানপানী হয় । বান আৰু গড়াখহনীয়াৰ ফলত ৰাজ্যখনত বহু হাজাৰ কোটি টকা বছৰি ক্ষতি হৈ আহিছে । গড়াখহনীয়া সমস্যাটোও দেশৰ আন অঞ্চলতকৈ অসমত ব্যাপক । ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ ৫০ খনতকৈও অধিক নদী আৰু উপনদীয়ে কৰি অহা গড়াখহনীয়াৰ ফলত অসমে বছৰি প্ৰায় আঠ হাজাৰ হেক্টৰ উৰ্ব্বৰ ভূমি হেৰুৱাই আহিছে । ইতিমধ্যে যোৱা ছয়টা দশকত ৪.২৭ লাখ হেক্টৰ উৰ্ব্বৰ ভূমি নদীৰ বুকুত জাহ গৈছে । ব্ৰহ্মপুত্ৰ নদীৰ কিছু কিছু স্থানত ১৫ কি.মি লৈকে বহল হৈছে । গড়খহনীয়া কি ভয়ংকৰ ৰূপ লৈছে ইয়ে প্ৰমাণ দিয়ে । অসমত বানপানী আৰু গড়খহনীয়া ৰোধৰ বাবে বহু আঁচনি ইতিমধ্যে ৰূপায়ণ কৰি থকা হৈছে । কিন্তু বছৰ বহু শ কোটি টকা খৰছ কৰি থকাৰ বাহিৰে বিশেষ কোনো কামত অহা নাই ।২০১৪ চনৰ নিৰ্ব্বচনত বিজেপি দলে ক্ষমতালৈ আহিলে অসমৰ বান আৰু গড়াখহনীয়া সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি সমাধান কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিলে । ২০২১ চনত বিজেপিয়ে দহটা সংকল্প আগবঢ়াইছিল আৰু ইয়াৰ প্ৰথম সংকল্পই আছিলে যে অসমক বান মুক্ত কৰা হ'ব কিন্তু তিনি বছৰ পাৰ হৈ গ'ল বান মুক্ত কৰাটো দূৰৰ কথা বানপানী বেছিহে হ'বলৈ ধৰিলে । প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াই ব্ৰহ্মপুত্ৰ খনন কৰি দুয়োটা পাৰত দুটা এক্সপ্ৰেছ হাইৱে নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰিছিল । অলপতে বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ব্ৰহ্মপুত্ৰক ক'ম বহল কৰি বোৱাই নিয়া হ'ব বুলি ঘোষণা কৰিছে কিন্তু এই বৃহৎ আঁচনিবিলাক কেৱল ঘোষণা হৈয়ে থাকিব যেতিয়ালৈকে অসমৰ বান আৰু গড়াখহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি বৃহৎ পৰিমানে পুঁজি অনুমোদন দিয়া নহয় । অধ্যক্ষ মহোদয়, অসমৰ বান আৰু গড়াখহনীয়া সমস্যাটো সমাধান কৰাৰ ব্যৱস্থা কাৰটো মুম্বাই- আহমেদাবাদত বুলেট ট্ৰেইন প্ৰকল্প নিৰ্মাণ কৰাতকৈও অধিক জৰুৰী । বুলেট টেৃইনত এক লাখ কোটি টকাতকৈও অধিক ব্যয় হ'ব । জাইকাৰ পৰা ৮৮ হাজাৰ কোটি টকা চফ্ট লোনৰ ব্যৱস্থা কৰিছে । এনেধৰণৰ পদক্ষেপ অসমৰ বাণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰে নিশ্চয় ল'ব পাৰে । কিন্তু কেন্দ্ৰই সদায় মাহি আইৰ চকুৰে অসমক চাই আহিছে গতিকে তেওলোকে অসমত এই ব্যৱস্থা কৰা নাই । বান আৰু গড়খহনীয়াই অসমৰ ক্ষেত্ৰত সদায় নেতিবাচক প্ৰভাৱ পেলাই আহিছে । চলিত বছৰত বান পানীয়ে অসমত আৰু বেছি ভয়ংকৰ ৰূপ লৈছে । গুৱাহাটীত আজি কিমান পানী হ'ল মাননীয় সদস্যসকলে সকলোৱে দেখিছে । এই বছৰত বান পানী আৰু খহনীয়াত প্ৰায় ১০ হাজাৰ কোটি টকা ক্ষতি হৈছে । অসমত বান পানী অক্টোবৰ-চেপ্টেম্বৰলৈ প্ৰায় গোটেই বছৰটোৱে থাকে । অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিৰোধী দলৰ দলপতি মহোদয়ক মই সদনত উত্থাপন কৰা অসমৰ বান আৰু

**গড়াখহনীয়াটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা হওঁক এই বিশেষ প্ৰস্তাৱটো ৰাজ্যখনৰ সামগ্ৰিক উন্নয়ণৰ স্বাৰ্থত অসম বিধান সভাত সৰ্ব্ব সন্মতিক্ৰমে গ্ৰহণ কৰাৰ বাবে তাৎক্ষনিক প্ৰচেষ্টা ল'বলৈ মই অনুৰোধ জনালো ।**

**মাননীয় অধ্যক্ষ ঃ ধন্যবাদ..... অনাৰেবল্ মিনিষ্টাৰ ।**

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ অধ্যক্ষ ডাঙৰীয়া, আচলতে অহা কালি আমাৰ জল সম্পদ বিভাগৰ কাট মোশ্যনো আছে - মই অহা কালি ডিটেইলচত ক'ম বুলি ভাবিছিলো - আজি সম্পূৰ্ণকৈ নকও কাৰণ আৰু কেইবাটাও কাৰ্য্যসূচী আমাৰ বাকী আছে । মই মাননীয় শ্বেৰমান আলি ডাঙৰীয়াৰ কথাটোত একমত । আমি ব্ৰহ্মপুত্ৰখনক কেনেকৈ কন্ট্ৰ'ল কৰিব পাৰিম চেষ্টা কৰিব লাগে। আমি কিন্তু অহৰহ প্ৰচেষ্টা চলাইও আছো । এটা কথা এইটো ভূল নে শুদ্ধ মই নকওঁ - সেইটো মানে মঠাউৰি বনোৱাটো পঞ্চাশৰ দহকতে হৈছিল । অসমত প্ৰায় ৫৫০০ কি.মি মঠাউৰি আছে । গতিকে এই মঠাউৰিৰ ওপৰত ভিত্তি কৰি সকলোৱে অসমক বানপানীৰ পৰা ৰক্ষা কৰিবলৈ সকলোৱে চেষ্টা চলাই আছে । আমি আজি তাৎক্ষনিকভাৱে এই খিনি চেঞ্জ কৰিব নোৱাৰো । আমাৰ সমষ্টিবিলাকত যিবিলাক মঠাউৰি আছে সেইবিলাক কোনোবাই ভাঙিব দিব নেকি ?** আপোনাৰ সমষ্টিত মঠাউৰি ভাঙিব দিব নেকি, মোৰ সমষ্টিত দিব নেকি ? গতিকে মঠাউৰিসমূহ ৰাখি ব্ৰহ্মপুত্ৰখনক কেনেকৈ আমি কনট্ৰ'ল কৰিব পাৰো , ইৰোজন কেনেকৈ আমি ৰোধ কৰিব পাৰো তাৰ কাৰণে বিভিন্ন পদক্ষেপ আমি হাতত লৈছো । অধ্যক্ষ মহোদয়, এই বিষয়ে আমি গুৱাহাটী আই আই টিৰ লগতো আমি কথা পাতি আছো আৰু তেনেকুৱা অনুষ্ঠান- প্ৰতিষ্ঠানৰ লগত কথা পাতি তেখেতসকলৰ পৰা কি ডাইৰেকশ্যন পাওঁ এই বিষয়ে আমি চিন্তা-চৰ্চা কৰি আছো । আমাৰ বিভাগৰ অভিযন্তাসকলে এটা প্ৰপোজেল দিছিলে - ব্ৰহ্মাপুত্ৰৰ দুয়োপাৰে উত্তৰ পাৰ আৰু দক্ষিনপাৰে ১০ কি.মি দূৰত্বত আধা কি.মি স্পাৰ দি যদি আমি দুয়োফালৰ পৰা ব্ৰহ্মপুত্ৰখনক ঠেলি দি চেপি আনিব পাৰো তেতিয়া ব্ৰহ্মপুত্ৰৰ মাজত সোঁত বেছি হ'ব আৰু খান্দিবলৈ আৰম্ভ কৰিব। এইদৰে আমাৰ কিছু প্ৰপোজেল আছে আমি নিশ্চয় চিন্তা- চৰ্চা কৰিম । শিবামনি বৰা ডাঙৰীয়ানীয়ে যিখিনি কথা ক'লে মই দ্বিমত প্ৰকাশ কৰিছো । তেখেতে কৈছে বানপানী আগতকৈ বাঢ়িছে , কিন্তু মই ক'ম যে বানপানী আগতকৈ কমিছে । তেখেতে কৈছে বৰ্ত্তমানৰ চৰকাৰে একো কাম কৰা নাই , কিন্তু মই ক'ম যে পূৰ্ব্বৰ কংগ্ৰেছৰ চৰকাৰতকৈ আমি যথেষ্ট কাম কৰিছো । অধ্যক্ষ ডাঙৰীয়া , কাইলৈ মই ডিটেইলচ ক'ম আজি কেৱল এটা কথা কওঁ - ২০০৪ চনত অসমত মঠাউৰি ভাঙিছিল -৩৫৪ টা এইটো ৰেকৰ্ডত আছে । ২০০৭ চনত মঠাউৰি ভাঙিছিল - সন্মানীয় অধ্যক্ষ ডাঙৰীয়া - ১৯৫ টা । ১৫ টা বছৰত মঠাউৰি ভাঙিছিল ১১১৩ টা তাৰ বিপৰীতে অধ্যক্ষ মহোদয় - এই বছৰ মঠাউৰি ভাঙিছে মাত্ৰ ৮ টা । অধ্যক্ষ ডাঙৰীয়া আগতে কাম কৰা চিষ্টেম টো এতিয়া বদলি হৈ গ'ল । পূৰ্ব্বৰ ১৫ টা বছৰৰ ভিতৰত মই যেতিয়া ৰহা সমষ্টিৰ প্ৰতিনিধি আছিলো- তেতিয়া ৰহাৰ চানচুকী আৰু গাৰোখুন্দাৰ মাজৰ মঠাউৰি এটা ভাঙিছিল - অধ্যক্ষ ডাঙৰীয়া ছয় মাহলৈ কোনো ভঙা অংশ মেৰামতি নকৰিলে, কোনো পুঁজি চেংশ্যন নাই , টকা নাই - মই নিজে চৰকাৰী পক্ষৰ এম এল এ হৈ থকা স্বত্বেও টকা আনিব নোৱাৰি বিপাঙত পৰি মই নিজৰ এক লাখ বিশ হাজাৰ টকা খৰছ কৰি জেচিবি লগাই সেই ভঙা অংশ মেৰামতি কৰিছিলো । সেইটো পৰিবেশ এই অসমত আছিল অধ্যক্ষ ডাঙৰীয়া । এইবাৰ যিটো ৮ টা মঠাউৰি ব্ৰীচ হ'ল- আপোনালোকে মোৰ লগত ব'লক তাত এতিয়া ব্ৰীচ হোৱা পোৰশ্যনটো আপোনালোকে ধৰিবই নোৱাৰিব মই গ্যেৰান্টি দি কৈছো । আপোনালোকে মোৰ লগত মাজুলীৰ যুগুনী ডাইলৈকে ব'লক- তাত আজিৰ

পৰা ডেৰ মাহ আগতে যিটো মঠাউৰি ভাঙিছিল এতিয়া সেইটো ভাঙিছে বুলি কোনেও ক'ব নোৱাৰে অধ্যক্ষ ডাঙৰীয়া । আপোনালোকে মোৰ লগত বোকাখাতৰ বাঙপোৱাল লৈকে ব'লক, তাত কোনেও ক'ব নোৱাৰে যে তাত এটা মঠাউৰি ভাঙিছিল । আপোনালোকে মোৰ লগত টেঙাখাতলৈ ব'লক- বৰাক ভেলীত ব'লক কোনেও ক'ব নোৱাৰে তাত মঠাউৰি ভাঙিছে । অধ্যক্ষ ডাঙৰীয়া আগতে কেনেকুৱা আছিল এবাৰ যিটো মঠাউৰি ভাঙিছে এক বছৰলৈ মঠাউৰী বনাবলৈ প্ৰয়াস কৰা হোৱা নাছিল , ধনৰ আবন্টণ হোৱা নাছিল । গতিকে পুৰা চিজন- যদি অক্টোবৰলৈকে একেটা ভঙা অংশইদি গোটেই অঞ্চলটোত বানপানী হৈয়ে আছিল । কিন্তু অধ্যক্ষ ডাঙৰীয়া এতিয়া অসমত সেইটো পৰিবেশ হৈ থকা নাই । এতিয়া য'ত মঠাউৰি ভাঙিছে- তৃতীয় দিনাৰ পৰা আমি ব্ৰীচ ফিলআপৰ কাম আৰম্ভ কৰো । সদনত দুলীয়াজানৰ বিধায়ক ডাঙৰীয়া উপস্থিত আছে -তেখেতৰ সমষ্টিত ব্ৰীচ হৈছিল আমি এক সপ্তাহৰ ভিতৰত কাম আৰম্ভ কৰিছো । আমাৰ মাজুলী সমষ্টিৰ বিধায়ক ডাঙৰীয়া আছে তেখেতৰ সমষ্টিতো ব্ৰীছ হৈছিল আমি এক সপ্তাহৰ ভিতৰত কাম আৰম্ভ কৰিছো । আপোনাৰ বিমল বৰা ডাঙৰীয়াৰ সমষ্টিত আমাৰ যি খিনি কৃষিবান, কৃষি বিভাগে বনাইছিলে বা পঞ্চায়ত বিলাকে বনাইছিল প্ৰত্যেকটোৰে breach মই সম্পূৰ্ণ কৰিছো। নন্দিতা দাস ডাঙৰীয়ানী আছে, তেখেত নাছিল কাৰণ মই তেখেতক জনোৱা নাছিলো, তেতিয়া কোৰ্ট অফ কনডাক্ট চলি আছিল অফিচিয়েলি যাব পৰা নাছিলো মই আহি আছিলো গোৱালপাৰাৰ পৰা, গোৱাল পাৰাৰ পাৰ আহি থাকোতে কোনোবাই কলে যে breach হৈছে মই লগে লগে সোমালো সেইটো আছিল কৃষিবান্ধ, সেই কৃষিবান্ধটো বকো টাউনৰ পৰা অকমান যাব লাগে মই নামটো পাহৰিলো। বকো টাউনৰ পৰা খুব বেছি ২/২.৫ কি.মিটাৰ যাব লাগে। সেইটো কামো ইতিমধ্যে শেষ কৰি দিছো। নতুন আমি টেকন'লজি আনিছো। এতিয়া এটা কথা মই আপোনালোকক কব খোজো যে য'ত য'ত মথাউৰী ভাঙিছে তাত আমি যেনেকৈ breach fillup কৰিছো সেই মথাউৰীত, হয়তো সেইখিনি ঠাইত ৫০ বছৰলৈ কোনো শক্তিয়ে ভাঙিব নোৱাৰে। মই কালি আকৌ কম। গতিকে মই একমত নহয়, আগতকৈ বানপানী বাঢ়িছে বুলি কলে মই একমত নহয়। বানপানী কেনেকুৱা অধ্যক্ষ ডাঙৰীয়া, যদি এটা breach হয় সেই breach টো হলে ৩ খন বা ৪ খন পঞ্চায়তত বানে গৰকে। গতিকে ৮ টা breach গতিকে কিমান খিনি হৈছে তাৰ পৰা আমি উপলব্ধি কৰিব পাৰো। বানপানী হয়, ক'ত বেছি দেখিছো, বানপানী দেখিছো ৰিৰ্ভাছ চাইডত দেখিছো, ৰিৰ্ভাছ চাইডত আৰু country side ৰ পাৰ্থক্য আছে। আমি ৰিৰ্ভাছ চাইড কাক কওঁ নদী আৰু মথাউৰীৰ মাজৰ সেই অঞ্চলটোক কও। আৰু মঠাউৰীৰৰ বাহিৰৰ ঠাইখিনিক country side কওঁ, country side ত কেতিয়া পানী হয় breach হলে পানী হয়। গতিকে ৰিৰ্ভাছ চাইদত পানী হবই। কিয় ৰিৰ্ভাছ চাইদত পানী হ'ব সেই মানুহ খিনিয়ে ভাবি লৈছে যে আমি তাতে থাকিম। তেওঁলোকে এটা সিদ্ধান্ত লৈছে যে আমি এই নদী আৰু মঠাউৰীৰৰ মাজত থাকিম। গতিকে তাৰ কাৰণে আমি চেষ্টা কৰিবলৈ প্ৰয়াস কৰিছো। পৰৱৰ্তী সময়ত সেই এৰিয়াত চাং ঘৰৰ দৰে ঘৰ বনাব পাৰে নেকি এই বিষয়ে চিন্তা চৰ্চা কৰিছো। আকৌ কৈছো কালি যিহেতু উত্তৰ দিব লাগিব বহুত নকওঁ এটা কথা কও যে কেন্দ্ৰীয় চৰকাৰে এই খিনি সময়ত যোৱা তিনি বছৰত এ ডি বি আৰু বিশ্ব বেংকৰ পৰা তেখেত লোকে লোন লৈ ৯০ শতাংশ তেখেতলোকে ঘুৰাই দিয়ে আমি ১০ শতাংশ ঘুৰাই দিও। প্ৰায় ৫.৫ হাজাৰ কোটি টকা দিছে আৰু অসম চৰকাৰে প্ৰত্যেক বছৰে এক হাজাৰ নহলেও ৮০০ ৰ পৰা ৯০০ কোটি টকা আমি প্ৰত্যেক বছৰে কাম কৰি আছো। কালি বাকী খিনি কম। ২০০১ চনৰ কিমান টকা আছিল, বাজেট কিমান আছিল , লাহৰী

ঘাটত কংগ্ৰেছৰ দিনত কাম হলনে মই কৰিলো, ধিংত মথাউৰী ভাঙি যাওতে কোনে কৰিলে আমাৰ বেকী নদীৰ কাৰণে কোনে কাম কৰিলে কালি বিতং কম। এতিয়া আমাৰ সমস্যা হয়, আমি কেন্দ্ৰীয় চৰকাৰক সদায় কও আমাক সহায় কৰক, সহায় কৰিছে, সহায় লৈ অসমৰ সমস্যা নাইকীয়া কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীমতী শিবামণি বৰা** ঃ অধ্যক্ষ ডাঙৰীয়া, অসমৰ বান সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা হওঁক। মই ৰাষ্ট্ৰীয় সমস্যাত ইয়াত কিবা বাধা আছে নেকি, বানপানীৰ সমস্যা অসমত নাই বুলি কব নেকি?

**মাননীয় অধ্যক্ষ** ঃ আজি সময় নাই।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মই কৈ আছো, কালিও কম, আপোনালোকে কিমান বনাইছিল আমি কিমান কৰিলো কালি কম।

**মাননীয় অধ্যক্ষ** ঃ হৈছে, ধন্যবাদ। এতিয়া শ্বেৰমান আলী আপুনি উঠাই লব।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ অধ্যক্ষ মহোদয়, উঠাই লম, স্বীকাৰ কৰিছে, মন্ত্ৰী মহোদয়ক কেৱল এটা কথা আৰু ডেৰ বছৰ সময় আছে আৰম্ভটো কমেও কৰি থৈ যাওক। National, International team work এইটো হথাতে লোৱা সিদ্ধান্ত নহয়। তেওঁলোকে অধ্যয়ন কৰক, অধ্যয়ন কৰি লাগিলে ১০০ কোটি দিয়ক, প্ৰজেক্ট বনোৱাতে যাওক, পিছত আমি ফাণ্ডৰ চিন্তা কৰি থাকিম। এতিয়া মই এটা ৰিকুৰেষ্ট কৰি শেষ কৰিব খুজিছো আমাৰ মাননীয় মন্ত্ৰী মহোদয় বহৰী ৰ পৰা বাঘবৰৰ যিটো কেছটো ডিছপোজেচ হৈছে গতিকে মই অনুৰোধ কৰিম এতিয়া এ ডি বি ৰ পৰা যিমান সোনকালে পৰা যায় আৰম্ভ কৰিব লাগে। এই খিনি কৈয়ে মই উঠাই ললো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, ধন্যবাদ। সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া শিবামণি বাইদেউ আপোনাৰ স্পেচিয়েল মোচন।

**শ্ৰীমতী শিবামণি বৰা** ঃ অধ্যক্ষ মহোদয়, মই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ অনুৰোধ কৰিছিলো আৰু অসমৰ বানপানীৰ সমস্যাটো যেন নাই সেইটো মাননীয় মন্ত্ৰী মহোদয়ে ভালকৈ জানিব।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ সমস্যা সমধানৰ কাম আমি কৰি আছো। আগতকৈ বেছি গুৰুত্ব সহকাৰে কৰি আছো।

**শ্ৰীমতী শিবামণি বৰা** ঃ নাই কৰা বুলি কোৱা নাই। মই কৈছো যে এইটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে যদি ঘোষণা কৰে সেইটো তেতিয়াহলে আৰু বেছি ভাল হ'ব। সেইটোৰ কাৰণে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ হ'ব ঠিক আছে, সমস্যা ঠিক হলে হল।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ ছাৰ, ২০০৪ চনত ৩৮৪ টা মথাউৰী ভাঙিছে, ২০০৭ চনত ১৯৫ টা, যোৱা বছৰ হল ৮ টা, এই বছৰ ৮ টা, ২০২৩ চনত ৭ টা, ২০২২ চনত ৪৪ টা, ২০২১ চনত ১ টা, আগতকৈ কাম হৈছে নে নাই?

**মাননীয় অধ্যক্ষ** ঃ হ'ব ঠিক আছে, আপুনি উঠাই লৈছে?

**শ্ৰীমতী শিবামণি বৰা** ঃ লৈছো ছাৰ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, সদস সন্মতি সাপেক্ষে প্ৰস্তাৱটো প্ৰত্যহাৰ কৰা হ'ল। এতিয়া ১৫ নম্বৰত আকৌ শ্বেৰমান আলী আহমেদ। ২ মিনিট কব, সময় নাই, বিল আছেই।

**শ্ৰীশ্বেৰমান আলী আহমেদ** ঃ মাননীয় অধ্যক্ষ মহোদয়, Motion may kindly be con-

sidered to have been moved এতিয়া আজি এটা Exemplary মই উদাহৰণ আনিছো প্ৰতিটো কোম্পানীয়ে আমি private company খিনিয়েও কৰিব লাগে, public undertaking যিখিনি আছে সেইখিনিয়েতো কৰিবই লাগে আমাৰ চৰকাৰৰ অধীনত, প্ৰত্যেকটো কোম্পানীয়ে তেওঁলোকৰ Net Profit ৰ ২ শতাংশ CSR activitiesৰ কাৰণে খৰচ কৰিব লাগে। আমাৰ Resource Grand State এইটো, যিমান সমস্যাহয় খিমান টকা নাই আমাৰ, টাটা আগবাঢ়ি আহিছে ভাল কথা। তাৰ লগতে যদি আমাৰ গোটেইকেইটা পাব্লিক চেক্টৰ আন্দাৰটেকিঙত আমি যদি বাধ্য কৰাব পাৰো যে তোমালোকৰ ২ শতাংশ যিটো নেট প্ৰফিটৰ ২ শতাংশ চি এচ আৰৰ কাৰণে খৰচ কৰা। তেতিয়াহলে আমাৰ ৰাজ্য খনৰ বহুখিনি সমস্যা সমধান হ'ব। এতিয়া যিটো মই উদাহৰণ আনিছো সেইটো হ'ল Brahmaputra Cracker & Polymer Limited, this is only an example.এই Brahmaputra Cracker & Polymer Limitedত দেখা গৈছে যে ২০২২-২৩ৰ যিটো Annual Report তেওলোকৰ ২৫ কোটি টকা CSR activitiesৰ কাৰণে Unmark কৰিছিল তাৰে খৰচ কৰিছে মাত্ৰ ৭কোটি ৯৬ লাখ, ১৭ কোটি ৩০ লাখ টকা আজিলৈকে খৰচ কৰা নাই। তেনেকৈ ২০২০-২১ চনত ৯ কোটি ৩৫ লাখ আৰু ২০২১-২২ ত ৪ কোটি ৫৫ লাখ ইমান টকা CSRৰ সৰু এটা কোম্পানী, এইটো এটা Small Public Sector Undertaking. ইয়াতে যদি ৫০ কোটি মান টকা অব্যৱহৃত হৈ থাকে তেতিয়াহলে আমাৰ ডাঙৰ ডাঙৰ কোম্পানীত আৰু কিমান শ শ কোটি টকা CSRৰ টকা ব্যৱহাৰ নোহোৱাকৈ আছে। মই বিচাৰিছো যে ছাৰ, এই চি এচ আৰ ৰ টকা খিনি আমাৰ Public Sector Undertaking atleast Cities under the direct control of Government. তেওঁলোককো বাধ্য কৰাব লাগে আৰু প্ৰাইভেদ চেক্টৰৰ যিখিনি কোম্পানী আছে তেওঁলোককো বাধ্য কৰাব লাগে তেওঁলোকে যদি এইটো কোম্পানী এক্টৰ এই প্ৰভিজন violate কৰে তেওঁলোকৰ permission cancel, license cancel. হৈ যাব। সেই কাৰণে মই ছাৰ এই উদাহৰণৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি অনুৰোধ কৰিব খোজো যে এনেকুৱা Not only Brahmaputra Cracker & Polymer limited. তাৰ লগতে আমাৰ যিমান Public Sector Undertaking আছে আমাৰ অসমত যিমানখিনি প্ৰাইভেদ চেক্টৰৰ কোম্পানী আছে এই গোটেইখিনি মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মন্ত্ৰীক অনুৰোধ জনাম যে আপুনি এটা committee গঠন কৰি দিয়ক, house committee যে আমাৰ এই Public Sector Undertaking কোম্পানী আৰু প্ৰাইভেদ চেক্টৰ কোম্পানী বোৰে তেওঁলোকে ২ শতাংশ চি এচ আৰৰ খতোৱাইছে নে নাই যদি খতুৱাইছে asset creation হৈছে নে নাই, আৰু এটা গুৰুত্বপূৰ্ণ কথা ইয়াত চাওঁক প্ৰায় ১০ কোটি টকা খৰচ কৰিছে তেওঁলোকে ৰিপোট দি দিলে এচেট ক্ৰিয়েচন হোৱা নাই। This is very serious. This creates doubt whether the amount have been utilized. সেই কাৰণে এখন কমিটী গঠন কৰি দিয়ক। আমাৰ Public Sector Undertaking কোম্পানী আৰু প্ৰাইভেদ চেক্টৰ কোম্পানী আণ্ডাৰত অসমত তেওঁলোকে চি এচ আৰ খৰচ কৰিছে নে নাই যদি কৰিছে whether the amount have been utilized to creates asset. সেইটো মোৰ অনুৰাধ ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্বেৰমান আলি ডাঙৰীয়াই BCPL ৰ CSR

খৰচ সংক্ৰান্তীয় যিটো বিষয় তেখেতে উত্থাপন কৰিছে, মই আপোনাৰ জৰিয়তে সদনক জনাব বিচাৰিছো যে যি সমূহ কেন্দ্ৰীয় চৰকাৰৰ PHU অথবা ৰাজ্য চৰকাৰৰ PHU অথবা কোম্পানী, তেওঁলোকক সামাজিক দায়বদ্ধতাৰ বাবে ২০১৩ চনৰ কোম্পানী আই-ৰ অধীনত Rules, 135 Schedule 7 অনুসৰি কিছু সামাজিক দায়বদ্ধতা আঁচনি ৰূপায়ন কৰিবৰ বাবে কতৃত্ব প্ৰদান কৰা হৈছিল, দায়িত্ব প্ৰদান কৰা হৈছিল আৰু বিভিন্ন ধৰণৰ company ক বিভিন্ন পেৰা মিটাৰত তেওঁলোকক নিৰ্ণয় কৰা গৈছিল। কোম্পানীটোৰ মুল্য ৫শ কোটি টকা বা তাতকৈ অধিক হ'ব লাগিব বা কোম্পানীটোৰ লেনদেন এক হাজাৰ কোটি টকাৰ অধিক হ'ব লাগিব আৰু কোম্পানীটোৰ মুঠ লাভ পাঁচকোটি টকাৰ অধিক হ'লে তাৰে গড় লাভৰ কমেও দুই শতাংশ CSR ত তেওঁলোকে ব্যয় কৰিব লাগিব। প্ৰথম অৱস্থাত চৰকাৰী যি সমূহ PHU আছিল সেই বিলাকৰ বিষয়ে উল্লেখ নাছিল। কিন্তু পৰৱৰ্তী সময়ত চৰকাৰৰ দ্বাৰা পৰিচালিত সংস্থা সমূহেও এই ব্যৱস্থাৰ আধাৰত তেওঁলোকে সামাজিক দায়বদ্ধতা আঁচনিত তেওঁলোকে খৰচ কৰা প্ৰয়োজনীয়তা আছে আৰু সেই অনুসৰি আমাৰ যি Brahmaputra Cracker and Polymer Limited সেই লিমিটেডে ইতিমধ্যে বিগত ২০২০-২১ বৰ্ষত প্ৰায় ১১কোটি ৫০ লাখেৰে ৩৫ টা Scheme বিগত ২০২১-২২ বৰ্ষত ১৯ কোটি ১০ লাখ টকাৰে ৭৮ টা Scheme ২০২২-২৩ বৰ্ষত ২৫ কোটি ২৭ লাখ টকাৰে ৯১ টা Scheme ২০২৩-২৪ বৰ্ষত ১৪ কোটি ২৩ লাখেৰে ৬৬ টা স্কীম আৰু ২০২৪-২৫ বৰ্ষত ৬ কোটি ১৪ লাখ টকাৰ তেওঁলোকে ইতিমধ্যে ধাৰ্য্য কৰি বিভিন্ন ধৰণৰ কাম কৰিছে আৰু আপোনাৰ জ্ঞাতাৰ্থে জনাব বিচাৰো যে এই চি এচ আৰ ৰ অধীনত সামাজিক যি দায়বদ্ধতা, সেই দায়বদ্ধতাত বিভিন্ন ধৰণৰ বিষয় সন্নিবিষ্টহৈ থাকে। ক'ত খৰচ কৰিব, ক্ষুধা, দৰিদ্ৰতা, পুষ্টিহীনতা নিমুল, বিশেষ শিক্ষা, নিযুক্তি বৃদ্ধিৰ লগতে বিশেষভাৱে শিশু মহিলা, বৃদ্ধৰ বাবে, লিঙ্গ সমতাৰ প্ৰচাৰ, পাৰিপাশ্বিক স্থিৰতা, পাৰি পাশ্বিক ভাৰসাম্যতা, ঐতিহাসিক গুৰুত্বপুৰ্ণ শিল্প, ভৱন, সশস্ত্ৰ বাহিনী, প্ৰাক্তন যুদ্ধ বিধবা ইত্যাদি বিভিন্ন ধৰণে এই খা-খৰচ সমূহ তেখেত সকলে কৰিব লাগে। কিন্তু শ্বেৰমান আলি ডাঙৰীয়াই যিটো প্ৰস্তাৰ দিছে বহু ধাৰ্য্য কৰা ধন ভাল ধৰণে BCPL য়ে খৰচ কৰা নাই। এই ক্ষেত্ৰত আচলতে ৰাজ্য চৰকাৰৰ বিষেশ কৰনীয় নাথাকে। পোনপতীয়াকৈ তেখেত সকলে Ministry of Corporate Affairs ক তেখেত সকলে অৱগত কৰিব লাগে। কিন্তু তথাপিও যদি এই সদনে ভাৰে তেখেতে যি প্ৰস্তাৱ দিছে যে BCPL ৰ এই খা-খচৰ সমূহ কেনেধৰণে হৈছে, তেখেতক আমি নিশ্চয় তেওঁলোকৰ up-date আমি ল'বৰ কাৰণে তেওঁলোকক আহ্বান জনাম।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (দক্ষিণ শালমাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়,মই আপোনাক এটা অনুৰোধ কৰিছো যে এটা পাৰিলে আমাৰ ১০-১১ জনীয়া কমিটি কৰক। তেওঁলোকে গোটেই কোম্পানীবোৰ চাব। তেওঁলোকৰ earmarked কৰা টকা কিমান, ক'ত খৰচ কৰিছে? এতিয়া মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে ইমান ইমান টকা খৰচ হৈছিল কিন্তু তেওঁলোকে report ত দিছে No assets has been created সেইটো অলপ confusing হৈ গ'ল। So, I would like to propose that please constitute a House Committee with Chairman, you will select, Members you will select, Let the Committee study whether the Public Sector Undertaking and the Private Sector Undertaking are earmarking the 2 percent and utilised it.

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰীয়ে কৈছে, তেওঁলোকৰ পৰা খতিয়ানটো আগতে লৈ ল'ব।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** BCPL কতৃপক্ষৰ লগত কথা পাতিম। কথা পাতি যিprogress সেই progress ৰ সম্পৰ্কত মই নিশ্চয়কৈ সদনৰ জৰিয়তে আপোনালৈ প্ৰেৰণ কৰিম।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ জনাইছো গোটেই কোম্পানীখিনিক Private Sector , Public Sector, since it has come to the knowledge of the House I have requested the Hon'ble Speaker.

**মাননীয় অধ্যক্ষ ঃ** You just write to the Hon'ble Minister,

**শ্ৰীশ্বেৰমান আলি আহমেদ, (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে নোৱাৰিব নহয়, আপুনিহে পাৰিব ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** No, No, I am Speaker only, first let him do.আগতে মন্ত্ৰীয়ে কৰক। ইয়াৰ পাছত দেখা যাব, আপুনি এতিয়া withdraw কৰিছেনে ?

**শ্ৰীশ্বেৰমান আলি আহমেদ, (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়,কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ধন্যবাদ। সদনৰ সন্মতি সাপেক্ষে প্ৰস্তাবটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া কাৰ্য্যসূচী নং ১৭. মাননীয়Parliamentary Affairs Minister,য়ে মুখ্যমন্ত্ৰীৰ হৈ ব্যাখ্যা দাঙি ধৰিব।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ হৈ অসম বিধান সভাৰ Rules of Procedure and conduct of Business ৰ 69(1)নিয়মৰঅধীনতThe Assam right to Public Services(amendment) Ordinance, 2024 ৰ সম্পৰ্কত ব্যাখ্যা দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়াItem No-18 ৰাজভৱনৰ পৰা এটা বাণী আছে বাণীটো হ'ল "Under the Provision of Article 207(1) of the Constitution of India, I Shri Laxman Prasad Acharya, Governor of Assam recommend the Introduction of the Assam Right to Public Services, (amendment), Bill, 2024 in the Assam Legislative Assembly." এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক মুখ্যমন্ত্ৰীৰ হৈ উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে The Assam right to Public Services(amendment) Bill, 2024 ৰ খনৰ উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰিবলৈ অনুমতি দিয়া হওঁক যিকল সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয় মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে অনুমতি প্ৰদান কৰা হ'ল। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ হৈআপোনাৰ অনুমতি সাপেক্ষে The Assam right to Public Services(amendment) Bill, 2024 সদনত উত্থাপন কৰিলে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং ১৯ ।

ৰাজভৱনৰ পৰা এটা বাণী আছে বাণীটো হ'ল "Under the Provision of Article 207(1) of the Constitution of India, I Shri Laxman Prasad Acharya,

Governor of Assam recommend the Introduction of the Assam Motor Vehicle Taxation (amendment), Bill, 2024 in the Assam Legislative Assembly." এতিয়া মই মাননীয় মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াক সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Motor Vehicle Taxation (amendment), Bill, 2024 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰিবলৈ অনুমতি দিয়া হওঁক যিকল সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয় মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে অনুমতি প্ৰদান কৰা হ'ল। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Motor Vehicle Taxation (amendment), Bill, 2024 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং ২০, মাননীয় মন্ত্ৰী শ্ৰী যোগেন মোহন।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Fixation of Ceiling on Land Holdings (amendment), Bill, 2024 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰিবলৈ অনুমতি দিয়া হওঁক যিকল সপক্ষে আছে তেওঁলোকে কওঁক হয় আৰু যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয় মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে অনুমতি প্ৰদান কৰা হ'ল। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Fixation of Ceiling on Land Holdings (amendment), Bill, 2024 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং ২১ । এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Compulsory Registration of Muslim Marriages and Divorce (amendment), Bill, 2024 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে এতিয়া বিধেয়কখন উত্থাপন কৰিবলৈ অনুমতি দিয়া হওঁক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে কওক 'হয়'

যিসকল সদস্য/সদস্যা বিপক্ষে আছে কওক নহয়

মই ভাবো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে,

অনুমতি প্ৰদান কৰা হ'ল।

এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে

.................................হুলস্থুল.......................................

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলখনৰ অনুমতি দিয়াৰ আগত Marriage Act,1935 ত যি আছিল তাক সংশোধন কৰিব বিচাৰিছে তাত

আমাৰ কোনো আপত্তি নাই। কিন্তু এই বিলখন উত্থাপন কৰাৰ আগত ইয়াৰ লগত জড়িত বিভিন্ন সংগঠন, ইয়াৰ লগত জড়িত বিভিন্ন ব্যক্তি সকলৰ লগত চৰকাৰে আলোচনা কৰিব লাগিছিল। আজিৰ তাৰিখলৈকে কাৰো লগত আলোচনা কৰা হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, বিল যেতিয়া কোনো এখন আইন হয় বা আইন এখন যেতিয়া সংশোধন কৰে বা Amendment কৰে তাৰ কাৰণে কাৰোবাৰ পক্ষত দাবী থাকিব লাগে, কিবা অসুবিধা থাকিব লাগে, তাক লৈ আলাপ-আলোচনা হ'ব লাগে। কিন্তু আমি দেখিছো যে কেবিনেটত এটা সিদ্ধান্ত লৈছে তাৰ পিছত ইয়াত বিলখন আনিছে। কাৰো লগত কোনো আলোচনা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাক অনুৰোধ জনাইছো যে ইয়াত অনাত কোনো আপত্তি নাই, কেৱল বিলখন অনাৰ আগত অলপ মান আলোচনা কৰিব লাগে যাতে কোনো বিতৰ্ক নহয়। চৰকাৰৰ লগত আমি একমত। কিন্তু তাৰ আগতে আলোচনা হ'ব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলখন যেতিয়া introduce কৰিছে, ইয়াৰ পিছত phase by phase বা clause by clause বিলখনৰ ওপৰত consideration ত আহিব। গতিকে consideration stage ত they have got enough time. ইয়াত সংশোধন বিচাৰিলেও they have got enough time. গতিকে introduction ত বিৰোধিতা কৰাৰ কি যুক্তি আছে।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যুক্তি আছে।

**মাননীয় অধ্যক্ষ ঃ** আগতে Introduction টো হৈ লওঁক। ইতিমধ্যে House য়ে concent দিছে। এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আপত্তি জনাইছো।

........................................সদনত হুলস্থুল.......................................

**মাননীয় অধ্যক্ষ ঃ** Introduction হৈ গ'ল।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মানি লোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে আলোচনা কৰক, Amendment আনক।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** ইয়াৰ আগত আলোচনা কৰাত কি আপত্তি আছে?

...................................সদনত হুলস্থুল.............................

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২২।

...................................সদনত হুলস্থুল.............................

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, বিলখন introduction কৰিব আৰু ....................

...................................সদনত হুলস্থুল.............................

**শ্ৰীজাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** আলোচনা কৰাৰ বাবে অনুৰোধ জনাইছো মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** বিলৰ ওপৰত আলোচনা কৰাৰ বাবে সকলোৰে সুযোগ আছে। কিয় নোৱাৰিব। বিলখন introduce হোৱাৰ পিছত আপোনালোকৰ যিখিনি পইণ্ট আছে সেইখিনি কোৱাৰ পিছত সদন যদি একমত হয় আকৌ সেইখন পুনৰ বিবেচনাৰ বাবে পঠাব পাৰিব।

...................................সদনত হুলস্থুল.............................

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাছাৰ) ঃ** Already repeal কৰা হৈছে। Repeal ৰ কাৰণে প্ৰস্তাৱ আনিছে সেইটো এতিয়ালৈকে সংশোধিত হোৱা নাই। Same Act আজিৰ

দিনতো আছে। Repeal is not amended, repeal এতিয়ালৈকে পাচ হোৱাই নাই। তাৰবাবে ২৯ তাৰিখে date আছে। তাৰ আগতে একেটা বিষয়ৰ ওপৰত কেনেকৈ নতুন বিল উত্থাপন হ'ব পাৰে। যিহেতু Muslim Marriages and Divorce Registration Act 1935 is repealed. Ordinance টো repeal হ'ব আৰু সেইটোৰ repeal pass কৰিব আৰু তাৰ পিছতহে repeal bill টো আহিব। কিন্তু আগৰ বিলখন থকাৰ অৱস্থাত আৰু এখন বিল কেনেকৈ tabulation হ'ব পাৰে? দুখন বিল কেনেকৈ হ'ব পাৰে।

........................সদনত হুলস্থুল...........................

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,The Rules and Procedure conduct of Business in Assam Legislative Assembly, it is clearly written that যদি introduction stage ত কোনোবাই দুআষাৰ ক'ব বিচাৰে সেইটোত আপোনাৰ অধিকাৰ আছে, সেইটো আপুনি শুনিব পাৰে। তাৰ পিছত সিদ্ধান্তটো আপোনাৰ। You can allow Minister.

**মাননীয় অধ্যক্ষ ঃ** No no Hon'ble Minister, already introduced, They have some confusion or they want to speak sometime. I am allowing it. আপোনালোকে বুজি লওঁক আৰু এই বিষয়টো আপোনালোকে আলোচনাটো আনিব পাৰে। ইয়াত কিয় প্ৰতিবাদ কৰিছে। সদনৰ consent ত introduction টো হৈ গ'ল।

....................................সদনত হুলস্থুল...................

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাছাৰ) ঃ** এখন বিল ৰিপিল কৰাৰ কাৰণে হৈছে। It is under process. এখন বিল Muslim Marriages and Divorces Registration Act 1935 is in process. দুটা repeal part same subject ৰ ওপৰত আহি আছে।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ , ধিং) ঃ** এইটো ৰিপিলৰ পিছতহে আনিব পাৰে। হাউচত যদি সেই বিলখন ৰিপিল নকৰে তেতিয়াহ'লে এই বিলখনৰ কি ভেলিডিটি থাকিব।

....................................সদনত হুলস্থুল...................

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২২।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Land and Revenue Regulation(Amendment) Bill, 2024.

....................................সদনত হুলস্থুল...................

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ ওপৰত আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য আলোচনা হ'ব লাগিব বুলি কোনো কথা নাই। আলোচনা হ'বই , যিহেতু introduction হৈ গ'ল।

....................................সদনত হুলস্থুল...................

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ , ধিং) ঃ** আগতে ৰিপিল হ'লেহে introduce হ'ব।

....................................সদনত হুলস্থুল...................

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) Land Bill ৰ ওপৰত আলোচনা।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Land and Revenue Regulation(Amendment) Bill, 2024, ইয়াত যিটো Agriculture

land আছে, চৰকাৰে বিচাৰিছে যে এইটো ইচ্ছা কৰিলে তেওঁলোকে Urban Area বা Industrial land হিচাপে ঘোষণা কৰিব পাৰে। এই proposed Amendment Bill, তেওঁলোকে আনিছে, তাত কোৱা হৈছে যে ইয়াৰ ওপৰত এখন gazetted notification দিব আৰু তাৰ ওপৰত যদি ৰাইজৰ কিবা আপত্তি থাকে বা আলোচনা থাকে সেইটো redression কৰি তাৰ পিছত হে নটিফিকেশ্যনটো হ'ব আৰু তাৰ ওপৰত যদি public ৰ কিবা complain থাকে, grivance থাকে, সেইটো redressal কৰি তাৰ ওপৰত notification। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কথাটো হ'ল যে অমুক জিলাৰ অমুক গাঁৱৰ ইমান মাটিখিনি agriculture land ৰ পৰা urban land হিচাপে চৰকাৰে Gezette Notification দিব। সেই অঞ্চলৰ কেইজন ৰাইজে Gezette Notification টো চাব, আমি বহুসময়ত বিধায়কসকলেও Gezette Notification কেতিয়া কি ওলাই থাকে, আমিয়ে গম নাপাও। গতিকে সেই গাঁৱৰ ৰাইজে Gezette Notification চাই, তেওঁলোকে objection কৰিব কাৰোবাৰ কিবা কব লগীয়া থাকিলে। সেই কাৰণে ইয়াত এটা সংশোধনী আনিছো এই নতুন প্ৰস্তাৱিত বিলত এই notification টো যে এই গাঁৱৰ অমুক মাটিখিনি agriculture land টো convert কৰিব বিচাৰিছো urban land লৈ, গতিকে ইয়াত আপোনালোকৰ কিবা ওচৰ আপত্তি থাকিলে ১৫ দিনৰ বা ১ মাহৰ ভিতৰত জনাব পাৰে। এই notification টো সেই গাঁৱৰ পঞ্চায়ত অফিচ থাকিলে তাত দিয়ক, পোষ্ট অফিচত দিয়ক, বজাৰ এৰিয়াৰ দোকানৰ সন্মুখত notification টো দিয়ক আৰু অসমৰ পেপাৰত দিয়ক ইলেক্টনিক মেডিয়াত দিয়ক, তেতিয়াহে ৰাইজে গম পাব। গতিকে কেৱল Gezette Notification কৰাতকৈ আদিসমূহত দিবলৈ দিছো যাতে ৰাইজে ভালকৈ গম পায় আৰু within due time ত ওচৰ আপত্তি থাকিলে দিব পাৰে, এই সংশোধনীটো আমি আনিছো আৰু আমি আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো।

**শ্ৰীযোগেন মোহন, (ৰাজহ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া যিটো সংশোধনী আনিছে, এইখন বিলৰ সংশোধনী নহয়। এই সংশোধনীটো বেলেগ এখন বিলত আহিব।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য শ্ৰীআব্দুৰ ৰছিদ মণ্ডল।

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, in the amendment Bill in Section 28 (A) sub-section (1) in the second line in between word sees and the following words shall be inserted namely for 20 years।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা কেইদিন অসমত বিভিন্ন ফোৰলেণ্ড বা নেচেনেল হাইৱেৰ উন্নয়ন হোৱাৰ কাৰণে দেখা গৈছে যে নেচেনেল হাইৱেৰ কাষে কাষে বহুতো ব্যৱসায় গোষ্ঠিয়ে, উদ্যোগপতিয়ে বহু মাটি কিনি তৎক্ষনাত মাটিৰ শ্ৰেণীৰ পৰিবৰ্তন কৰি আছে। অৰ্থাৎ আমাৰ কৃষি ভূমি উদ্যোগিক ভূমিলৈ পৰিবৰ্তন হৈ আছে। আমাৰ সন্দেহ হৈছে যে সেই সকল বাহিৰা মানুহে মাটি কিনি তৎক্ষনাত সেই বিলাক মাটি কৃষিভূমিৰ পৰা চহৰৰ ভূমি হিচাপে পৰিবৰ্তন কৰি তেওঁলোকৰ মালিকীস্বত্ব লোৱাৰ কিবা ষৰযন্ত্ৰত চৰকাৰেও উদগনি জনাইছে নেকি? সেই কাৰণে আমি ইয়াত কি কৈছো যিটো কৃষি ভূমি বন্ধ হৈ থকাৰ কথা কৈ যিটো শ্ৰেণী পৰিবৰ্তন কৰা হৈছে, যিটো সংশোধনী বিলত যিটো কথা কৈছে, যে যি কৃষিভূমিৰ মাটিত কৃষি কাৰ্য্য বন্ধ হৈ আছে, এইটো certificate দিলেই যথেষ্ট। কিন্তু বন্ধ হৈ থকাৰ সময়তো আমি কৈছো ২০ বছৰ। যদি

২০ বছৰৰ পৰা কোনোবা খেতি মাটিত কোনো কৃষি কাৰ্ম কৰা নাই, সেই মাটিৰহে শ্ৰেণী পৰিবৰ্তন কৰিব পাৰে। বৃহত্তৰ জাতি, মাটি, ভেটি ৰক্ষাৰ চৰকাৰৰ যিটো শ্লো গান, সেই শ্লো গানকেই বেছিকৈ মজবুত কৰিব বুলি ভাবি এই সংশোধনী অনা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** মোৰ সংশোধনীটো আছিল, বিলৰ নাম হ'ল "The Assam Land and Revenue Regulation (Amendment) Bill, 2024. It is clear আৰু ইয়াত সংশোধনীটো আছিল in clause 3, after sub-clause 2, a new sub-clause shall be added and the remaining sub-clauses shall be renumbered as 3 and 4. ইয়াত আছিল prior to notification under sub-section 1, the matter shall be circulated in leading news papers, electronic media and all the local public places। এইটো আমাৰ সংশোধনী আছিল।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** এইটো কেৱল gazette notification ত notify কৰা হ'ব আৰু public ৰ পৰা যিটো guidence বা objection কিবা আহে সেইটো আকৌ redressal কৰি পিছত finally notify কৰিব। আমি কৈছিলো যে এইটো কেৱল gazette notification ত দিলে এইটো ৰাইজে গম নাপাব। আমি বিধায়ক সকলে বহুত সময়ত gazette notification টো গম নাপাওঁ। সেই কাৰণে আমি ইয়াত এটা sub-clause include কৰিছো ১ আৰু ২ ৰ পাছত। ১ ৰ পাছত ২ নং sub-clause দি ২ আৰু ৩ ক ক্ৰমান্বয়ে ৩ আৰু ৪ ক sub-clause কৰিব দিছো। মাজতে এটা sub-clause সোমাই দিছো, আপোনাৰ যিটো proposed bill সেই ২ নং sub-clause যিটো আমি সোমোৱাই দিছো তাত দি দিছো যে এইটো circulation হ'ব লাগে কোনোবা local reading news paper, electronic media আৰু local public place বিলাকত এই notification খন দিব লাগে যাতে ৰাইজে ভালকৈ গম পায়। এইটো আমি ২ নং Sub-clause টো মাজত সোমাই আপোনালোকে দিয়া ২ নং sub-clause টোক ৩, ৩ নং টোক ৪ কৰিবলৈ আমি প্ৰস্তাৱ কৰিছো। এইটোত এটা উত্তৰ দিয়ক। In same আমাৰ amendment টো চাগে মই ভূল কৰা নাই মন্ত্ৰী মহোদয়, আপুনি বুজি লওঁক।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যিখন বিল আহিছে এই বিলখনৰ যিখিনি Agricultural land যিটো লিখা হৈছে যে any specified area well substantial agricultural activities have seized আগতে খেতি কৰি আছিল কিন্তু এতিয়া খেতি কৰা নাই। খেতি কৰা সম্পূৰ্ণ বন্ধ হ'ল। এতিয়া সেই area টোৰ specify কৰি আহিব। এতিয়া সেই area টো আহিলে এতিয়া কথা হ'ল যে, এই area টো যেতিয়া টাউনত সোমাব, টাউনত সোমাওঁতে এইটো objection দিয়াৰ কাৰণে তেওঁলোকৰ সুবিধা থাকিব। Objection তেওঁলোকে দিব পাৰিব আৰু objection টো তেওঁলোকে লোৱাৰ পাছত চৰকাৰে সেই objection টো লৈ যদি তেওঁলোক satisfied নহয়, তেতিয়াহ'লেও সেই মাটিতো গুচাই হ'লেও তেওঁলোকে সেই area টো ল'ব পাৰিব। এইটো হৈছে যে চৰকাৰে এইটো ঠাইৰ value যিটো হ'ব, সেই value টো সেই ঠাইডোখৰৰ ওচৰৰ পাজৰৰ যিটো মাটিৰ দাম হ'ব,

সেই দামটোৰ লগত মিলাই ঠিক তেনেকুৱা সময়ে সময়ে তেওঁলোকে সেই price টো ঠিকঠাক কৰি ল'ব পাৰিব। মই ভাৰো যে যদি township তাত সোমাই, সেই মাটিতো যদি নোলোৱাকৈ এৰি থয় তেতিয়াহ'লে সেই মালিক যিজন হ'ব, সেই মালিকজনৰ বহুত লোকচান হ'ব। সেই মাটিতো যেতিয়া regularise কৰি দিব তেতিয়া, মাটিতো লোনৰ কাৰণে এই মাটিতো দি তেওঁলোকে লোন লৈ তাত কিবা কাম কৰিব পাৰিব আৰু সুবিধা হ'ব। নহ'লে সেই মাটিতো এনেই পৰি থাকিব। কিছুমান টাউনত তেনেকুৱা আছে। যি মাটিত আগতে খেতি কৰিছিল, এতিয়া টাউনৰ মাটিতোৰ area টো সোমোৱাই ললে, সোমোৱাই লোৱাৰ পাছত কোনো খেতিও কৰিব পৰা নাই আৰু অন্য কামো কৰিব পৰা নাই। মই ভাৰো যে এই যিখন বিল আনিছে এই বিলখনে এই যিখিনি মানুহৰ অসুবিধা হৈ আছিল এই মানুহখিনিক এতিয়া এই সুবিধাটো প্ৰদান কৰিব, তেওঁলোকে বেংকৰ পৰা লোন ল'ব পাৰিব আৰু তেওঁলোকে ধুনীয়াকৈ টাউন area ত কাম কৰিব পাৰিব। সেই কাৰণে মই আশা ৰাখিম যে এই বিলখন আনি চৰকাৰে ভাল কাম কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। শ্ৰীভূবন পেগু।

**শ্ৰী ভূবন পেগু, (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বহুত দেৰী হ'ল আৰু এইবাৰ যিখিনি বিলত আনিছে বহুত দৰকাৰী আছিল, বহুত পুৰণি এই বিষয়বোৰ যিটো নেকি আমি সদায় প্ৰত্যেক ঠাইতে মুখামুখি হওঁ। মই ভাৰো যে এইটো সোনকালে পাচ কৰিলেহে ভাল হ'ব। সেই কাৰণে মই সোনকালে পাছ হোৱালৈ এৰি দিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীলৰেঞ্চ ইছলাৰী।

**শ্ৰী লৰেঞ্চ ইছলাৰী, ঃ** মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে আমাৰ মাননীয় সদস্য ডাঙৰীয়াই কোৱাৰ নিচিনা মন্ত্ৰী ডাঙৰীয়াই যি বিল আনিছে সেইটো আমিও সমৰ্থন কৰো। দীঘলীয়া কৰিব বিচৰা নাই। সোনকালে পাছ হ'ব লাগে বুলি আমাৰ ফালৰ পৰা সমৰ্থন জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীকমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিলো যে there is a mentality. এইটো এটা mentality হৈ গ'ল. যোৱাকালি শ্ৰীশ্বেৰমান আলী ডাঙৰীয়াই Tenancy Bill এখন আহিছিল। এই বিলখনত হিন্দু মুছলমান আছে নে নাই সেই কথাখিনি চোৱা হয়। সেইবাবে মই ভাৰো বিলখন ঠিকে আছে। এই বিষয়টো চাব নালাগে। প্ৰধানকৈ চাব লাগে concept টো হৈছে ৰাইজৰ উন্নয়ন হ'ব নে নহয় মই ভাৰো বিলখন পাছ হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী সুশান্ত বুঢ়াগোহাঁই।

**শ্ৰী সুশান্ত বুঢ়াগোঁহাই, (থাওৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৮৮৬ চনৰ Assam Land and Revenue Act ত এইখিনি আছিল। যিখিনি এতিয়া amendment আনিছে, এই amendmnent য়ে নিশ্চিতভাৱে টাউন অঞ্চলৰ ওচৰত যিবিলাক agricultural land এটা সময়ত আছিল। যিবিলাকৰ activities নাই আৰু সেই agricultural land বিলাকৰ valuation হোৱা নাছিল। এতিয়া নতুন amendment ৰ যোগেদি এইখিনি valuation হ'ব আৰু এই valuation ৰ যোগেদি অঞ্চলৰ মানুহখিনিয়ে যথেষ্টখিনি সকাহ পাব আৰু মই ভাৰো যে ১৮৮৬ চনৰ Assam Land and Revenue Act যিখন amendment কৰিছে এই amendment য়ে আমাৰ এই অঞ্চলৰ থলুৱা বহু মানুহ উপকৃত কৰিব। এই বিলখনক মই আদৰণি জনাইছো।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, Actually

একোৰেই নাই এইখন reform এটা. এইখন বহুত পুৰণা বিল। আগতে গোটেই অসমত revenue এটাই। গতিকে এতিয়া Zonal value ৰ লগত revenue টো link কৰি দিয়া হ'ব। বেলেগ একো নাই। চাৰ, গোটেই অসমতে এটা revenue, এটা revenue টো হ'ব নোৱাৰে. বেলেগ বেলেগ ঠাই হ'ব। গতিকে Zonal value ৰ লগত revenue টো link হ'ব। সেইটোৰে বাকী উঠাই ল'ব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰীঅখিল গগৈ, আপুনি কিবা ক'ব। Amendment দিছিল নে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Amendment টো কম নে?

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ এই বিলৰ ওপৰত ক'বলগীয়া কি আছে? আমি একেলগে পাছ কৰি যাম। কেৱল points টো কলেই হ'ল। Amendment টো move কৰিব নালাগে। Clause by clause কওঁতে আপুনি কলেই হ'ল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ Clause by clause কম নে?

**মাননীয় অধ্যক্ষ** ঃ ভাষণটো কওঁক। Clause by clause ৰাখিলে আমি ভাষণ নাৰাখো। আপুনি উঠাই ল'ব নে move কৰিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মই clause by clause কৈ যাম।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ এই বিলৰ ওপৰত ক'বলগীয়া কি আছে? আমি একেলগে পাছ কৰি যাম। কেৱল points টো কলেই হ'ল। Amendment টো move কৰিব নালাগে। Clause by clause কওঁতে আপুনি কলেই হ'ল।

**মাননীয় অধ্যক্ষ** ঃ আপুনি যি কয়। আপোনাৰ ক'বলগীয়াখিনি কৈ লওঁক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মই ভাবো যে যদিও সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰীয়ে কৈছে যে এইখন এখন simple bill. এইখন সাংঘাটিক ধৰণৰ গুৰুত্বপূৰ্ণ বিল। মাননীয় অধ্যক্ষ ডাঙৰীয়া এই দুই পৃষ্ঠাৰ বিল খনে অসমৰ অতি গুৰুত্বপূৰ্ণ দুখন বিল এক ৰাতিৰ ভিতৰত The Assam Land Revenue Reassment Act 1936 এইখনক ইয়াৰ পৰা অসমৰ Land Revenue এই chapter টোৰ পৰা আতৰ কৰি দিছে আৰু The Assam Assessment of Revenue free Waste Land Grant Act 1948 এই বিলখনে The Assam Land and Revenue Regulation এই গোটেই পদ্ধতিৰ পৰা ইয়াৰ manual ৰ পৰা আতৰ কৰি দিছে। 1886 ৰ Land revenue Act খন যিজনে প্ৰথমৰ পৰা শেষলৈকে পঢ়িছে আৰু যিয়ে এই Act খন বুজি পায় আৰু অসমৰ land revenue system বোলা বস্তুটো সামান্যতম জ্ঞান আছে, তেখেত সকলে কেতিয়াও এইখন সাধাৰণ বিল বুলি ক'ব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, এই দুই পৃষ্ঠাৰ বিলখন অসমৰ অতি গুৰুত্বপূৰ্ণ দুখন বিল। এক ৰাতিৰ ভিতৰত "দ্যা আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰি-এচেছমেণ্ট এক্ট ১৯৩৬"এই খনক অসমৰ লেণ্ড ৰেভিনিউ গোটেই চেপ্টাৰটোৰ পৰা আঁতৰ কৰি দিছে আৰু "দ্যা আসাম এচেছমেণ্ট অফ ৰেভিনিউ ফ্ৰী ৱেষ্ট লেণ্ড গ্ৰ্যাণ্ট এক্ট, ১৯৪৮ এই দুয়ো খনক এই বিলখনে আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যনৰ পৰা গোটেই চেপ্টাৰটোৰ পৰা, ইয়াৰ মেনুৱেলৰ পৰা আঁতৰ কৰি দিছে। ১৯৮৬ ৰ লেণ্ড ৰেভিনিউ এক্টখন যিজনে প্ৰথমৰ পৰা শেষলৈকে পঢ়িছে আৰু যিজনে এক্টখন বুজি পায় আৰু যিয়ে এই এক্টখন বুজি পায় আৰু অসমৰ লেণ্ড ৰেভিনিউ চিষ্টেমটোৰ সামান্যতমো জ্ঞান আছে, তেখেতসকলে কেতিয়াওঁ এইখন সাধাৰণ বিল ক'ব নোৱাৰে। এইটো অতি স্পষ্ট কথা। ইয়াত কৈছে Statement of object and reason ত কৈছে.........Interruption..........

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ বিৰোধীতা কৰিছো। আমি ইয়াত বিলৰ কথা কৈছো। তেখেতে কৈছে এই বিলৰ সপক্ষে যিসকলে কৈছে তেওঁলোক সকলো অজ্ঞানী। আমাক সকলোকে অজ্ঞানী বুলি কৈছে। তেওঁৰেই জ্ঞানী। আমি ইয়াৰ বিৰোধীতা কৰিছো। এইটো উঠাই ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এই শব্দটো যদি কোৱা হৈছে expunge কৰা হ'ব।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সৰু দুই পৃষ্ঠাৰ এমেণ্ডমেণ্টটোৱে দুখন ঐতিহাসিক এক্টক নাকচ কৰি দিছে। অথচ এই দুখন ঐতিহাসিক এক্টে কোৱা যিবোৰ কথা যেনে-খাজানা নিৰ্ধাৰণৰ পদ্ধতি কি হ'ব তাৰ কোনো ব্যৱস্থা ইয়াত ৰখা নাই। যদি কোনোবাই কয় ৰোলত আহিব, যদি ৰোলত আহে আমি কোনো বিধায়কে সেইটো চাবলৈ নাপাওঁ। কিন্তু এই কেইখনত বিধায়কে চাব পৰাকৈ এক্ট আছে আৰু স্পষ্টভাৱে অসমৰ মাটিৰ খাজনা কেনেকুৱা হ'ব লাগে লিখা আছে।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৮৮৬ চনৰ বিলখন এমেণ্ড কৰা হৈছিল।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ ঃ** তেখেতক ক'বলৈ দিয়ক। এই শব্দটো যদি কোৱা হৈছে expunge কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** সদন ১৫ মিনিটৰ বাবে স্থগিত ৰখা হ'ল।

**(সদন পুনৰ মিলিত হোৱাৰ পিছত)**

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, যিখিনি কথা ইয়াত চলি আছিলে unparliamentary word use ৰ ক্ষেত্ৰত, মই ৰেকৰ্ডটো উলিয়াই চালো। ৰেকৰ্ডটো উলিয়াই চালো যে যিধৰণৰ অভিযোগ আহিছে কথাটো তেনেকুৱাই mean কৰিছে। খুব মিহিকৈয়ে কথাটো তেনেকুৱা লাইনতে গুচি হৈছে। যাৰ সামান্যতম জ্ঞান আছে তেখেতসকলে কেতিয়াও এইখন সাধাৰণ বিল বুলি নকয়। সেইকাৰণে মই অখিল গগৈ ডাঙৰীয়াক এই কথাটো উঠাই ল'বলৈ আদেশ দিছো আৰু আপুনি ভৱিষ্যতে তেনেকুৱা বাক্য আৰু ক'ব নালাগে। অখিল গগৈ ডাঙৰীয়া, আপুনি উঠাই লওক কথাটো।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** ছাৰ, এইটো expunge কৰি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উঠাই লৈছে বুলি ক'লে expunge হৈ যাব। আপুনি উঠাই লওক। মই আপোনাক আদেশ দিছো, আপুনি উঠাই লওক।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** ছাৰ, আপুনি আদেশ দিয়া কাৰণে মই কৈছো আপুনি expunge কৰি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** মই আদেশ দিছো। আপুনি এইখিনি কথা কোৱাত আৰু কি আপত্তি থাকিব পাৰে হাউচত।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** নহ'লে ছাৰ, এইটো Ethics Committee ত দি দিয়ক। মই যিমানদূৰ বুজি পাইছো, ইয়াত এটা শব্দও unparliamentary নাই।

**মাননীয় অধ্যক্ষ ঃ** Unparliamentary বুলি word নাথাকে। আপুনি কোনো বাক্য ব্যৱহাৰৰ ক্ষেত্ৰত কাৰোবাক অৱমাননা কৰা হয়, কাৰোবাক হতবাক কৰা হয়। মই ৰেকৰ্ডটো চাই কৈছো আপুনি সদনত তেনেকুৱা বাক্য কোৱাটো উচিত নহয়।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** ছাৰ, মই বিচাৰিছিলো যে এইটো Ethics Commitee লৈ

যাওক। আপোনাৰ আসনখনৰ প্ৰতি সন্মান জনাই মই উঠাই লম। আপোনাৰ আসনখনৰ প্ৰতি সন্মান জনাই মই উঠাই লৈছো। আপুনি কোৱা কাৰণে ছাৰ। নহ'লে মই একো গণ্ডগোলীয়া কথা কোৱা নাই।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, -----হুলস্থুল----

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। অধ্যক্ষৰ ওপৰত question কৰে নেকি? I'm not agree with you. Who are you to accuse me? আপুনি কোন হয়, মোক প্ৰশ্ন কৰিবলৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সংশোধনীটো হ'ল এই বিলখনৰ কথাটো মই এইকাৰণে কৈ আছিলো যে এই বিলখনে আমাৰ দীৰ্ঘকালৰ পৰা চলি অহা revenue system ৰ লগত থকা যিটো খাজনা সেই খাজনাটোৰ গোটেই structure টো বদলাই দিব। এই বিলখনৰ প্ৰধান উদ্দেশ্যটো হ'ল Zonal value অনুযায়ী মাটিৰ খাজনা নিৰ্দ্ধাৰিণ কৰা। ছাৰ, খাজনা আৰু tax ৰ মাজত বহুত পাৰ্থক্য আছে। ছাৰ, আমি যেতিয়া এটুকুৰা মাটি ব্যৱ হাৰ কৰো বিশেষকৈ টাউনৰ মাটি ব্যৱসায় বা দোকানৰ কাৰণে ব্যৱহাৰ কৰা হয় আৰু আমি তাত বহুত tax দিওঁ। আপুনি যদি আইনত চায়, মাটিটো হৈছে চৰকাৰী সম্পত্তি। যাক চৰকাৰে ইচ্ছা কৰিলে লৈ ল'ব পাৰে। মাটিটো ব্যৱহাৰ কৰিব দিয়াৰ কাৰণে এটা খাজনা লোৱা হয়। যিটো tax নহয়। য'ত খাজনাটো কোনো ঠাইতে tax বুলি কোৱা নহয়। এতিয়া মহাশয়, মাটিক সম্পূৰ্ণৰূপে commodation কৰিবলৈ গৈ প্ৰত্যেক টুকুৰা মাটি মই এইমাত্ৰ circle office ৰ পৰা গম পালো যে গুৱাহাটীত আজিৰ দিনত GS Road ত ৰাস্তাৰ কাষত থকা এটুকুৰা মাটিৰ দাম ৮০ লাখ টকাৰ পৰা এক কঠা মাটিৰ দাম ১ কোটি টকাৰ পৰা ২ কোটি টকা। যদি ২ কোটি টকা ১ কঠা মাটিৰ দাম হয় এতিয়া আমি এক বিঘা মাটিত খাজনা দি আছো ২০০ টকা। যেতিয়া এক কঠা মাটিৰ দাম ২ কোটি টকা zonal value হয়, তেতিয়াহ'লে আমি এক কঠা মাটিতে লাখ টকা খাজনা দিবলগীয়া হ'ব পাৰে। মহাশয়, কেইদিনমান আগতে আমাৰ শিৱসাগৰ নগৰৰ লালুংগাওঁ নামৰ ১৪ নং ৱাৰ্ডৰ গাওঁখনক শিৱসাগৰ টাউনৰ অন্তৰ্ভুক্ত কৰিব ওলাইছিলে আৰু তেতিয়া গোটেই গাওঁৰ মানুহবিলাকে মই য'ত ভাড়া কৰি থাকো সেই ঠাইলৈকে মানুহবিলাক আহি গল। আৰু মোক তেখেতসকলৰ সেই গাওঁখনলৈ যাবলৈকে জোৰ দিলে। যেতিয়া মই পিছদিনা সেই গাওঁখনলৈ গলো তেতিয়া সেই গাওঁখনৰ গোটেই মানুহবিলাকে মোক ক'লে যে আমাক যেনেতেনে বচাওঁক যাতে আমাৰ গাওঁখন শিৱসাগৰ টাউনৰ অন্তৰ্ভুক্ত নহয়। তেতিয়া মই প্ৰশ্ন কৰিলো কিয়, তেখেতসকলে ক'লে যে আমি বহুত পৰিমাণৰ টেক্স দিব লাগিব। আৰু সেই গাওঁৰ মানুহবিলাকৰ অনুৰোধ পেলাব নোৱাৰি মই Director of Urban Administration লগ কৰিলো আৰু ক'লো যে এই গাওঁখন টাউনত অন্তৰ্ভুক্ত হোৱাৰ পৰা ৰক্ষা কৰিব লাগে। আমাৰ নগৰবিলাক বহল কৰিব লাগিল তেতিয়া তাৰ মাটিৰ দাম বৃদ্ধি হ'ব। কিন্তু যেতিয়া সেই মাটিৰ Zonal value উলিয়াব, এনেকুৱা বহুত গাওঁ আছে য'ত বিঘা প্ৰতি ২ লাখ টকাকৈ বিক্ৰী হয় কিন্তু সেই গাওঁবিলাকত Zonal value লগাই দিলে তাৰ প্ৰতি বিঘা মাটিৰ দাম অতি কমেও ২০ লাখ টকা হ'ব। আৰু তেতিয়া টেক্সটো সেই ২০ লাখ টকাৰ ওপৰত দিব লাগিব। সেইকাৰণে ছাৰ, মই ইয়াত কেইটামান specific কথা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি আৰু এক মিনিট কওক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, খাজনা নিৰ্দ্ধাৰিণৰ কাৰণে আগৰ যিবোৰ এক্ট আছিল তাত এটা শব্দও উল্লেখ কৰা নাই আৰু ইয়াত আগৰ এক্টবিলাক উঠাই দিয়া হৈছে।

চৰকাৰে নিজৰ মতে হয়তো কেবিনেটৰ সিদ্ধান্ত মতে বা অন্য কোনো ব্যৱস্থাৰ জড়িয়তে হঠাতে ইয়াত Zonal value অনুযায়ী খাজনা নিৰ্দ্ধাৰণ কৰিব ওলাইছে। এতিয়া মই যিকেইটা amendment আনিছো সেইকেইটা কৈ দিব খুজিছো। প্ৰথম হ'ল- Amendment of Section 28(A) মই কৈছো যে যিখন গাওঁ টাউন বুলি ঘোষণা কৰিব আৰু ইয়াত লিখা আছে টাউন বুলি ঘোষণা কৰাৰ আগতে গাওঁৰ মানুহৰ মতামত লোৱা হওক। মই মাত্ৰ তাত যোগ দি দিছো যদি গাওঁৰ পৰা আপত্তি আছে যে সেই গাওঁখন টাউনত অন্তৰ্ভুক্ত হ'ব নালাগে তেতিয়া এটা public hearing হ'ব লাগে আৰু সেই মিটিঙৰ যিটো সিদ্ধান্ত হ'ব সেইটো বাহাল ৰাখিব লাগে। দ্বিতীয়তে, sir, when an area has been acquired on land additional charge in the way of panelty may be levid by the State Government in the rate as may be prescribed. এইটো আগতে আছিলে ছাৰ, ১ টকা। আগৰ এক্টখনত লিখা আছিল ১ টকা এই penalty টো। কিন্তু ছাৰ, এতিয়া সেই penalty টো থাকিব কিন্তু আগৰ সেই ১ টকা ৰেটটো উঠাই দিলে হ'ল আৰু চৰকাৰে সেইটো ১০,০০০ টকা কৰিব পাৰে। সেইকাৰণে মই কৈছো সেই penalty rate টো ৫ টকা হ'ব লাগে। সেয়েহে মই প্ৰধানত এই দুইটা সংশোধনী আনিছো। মই আৰু বেছিকৈ নকও কিন্তু এটা কথা ক'ব খোজো শেহতীয়াকৈ আমাৰ সকলো বস্তুয়ে commodification হৈ গৈছে। এতিয়া সকলো বস্তুকে বজাৰৰ বস্তু হিচাপে গণ্য কৰা হয়। এতিয়া অকণমান মাটি আমাৰ হাতত আছে। সেইখিনিৰ ওপৰতো যদি ইমান অধিকাৰ কৰিব বিচাৰে চৰকাৰে -----

**শ্ৰীপ্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** অধ্যক্ষ মহোদয়, ইয়াত যিটো প্ৰিঞ্চিপাল ৰেগুলেশ্যন আছে - ইন দ্য প্ৰিঞ্চপল ৰেগুলেশ্যন আফাটৰ চেকশ্যন ২৮ (এ) শ্বেল বি এচিউৰড - এতিয়া ইয়াত দুটা মাটিৰ কথা কোৱা হৈছে । এটা হৈছে ডিক্লিয়াৰেশ্যন অব এনি স্পেচিফাইড এৰিয়া এচ টাউনলেণ্ড হোৰেৰ চাবচটেনচিয়েল এগ্ৰিকালচাৰেল এক্টিভিটিছ হেড চীজ এণ্ড ইটচ নট এ টাউন লেণ্ড । দ্য চেইড গৰ্ভমেন্ট মে এট এনি টাইম ডিক্লিয়েৰচ আৰ লেণ্ড এট টাউন লেণ্ড বাই নোটিফিকেশ্যন পাব্লিশড ইন দ্য অফিচিয়েল গেজেট ফৰ দ্য পাৰপোজ অব দিছ ৰেগুলেশ্যন । অধ্যক্ষ মহোদয় কথাটো এনেকুৱা হৈছে যে, বহু খেতি নকৰাকৈ থকা কিছুমান মাটি যদি স্পেচিফাইড এৰিয়াত সোমাই গৈছে তাক এটা টাউন লেণ্ড বুলি ঘোষণা কৰিব বিচাৰিছে । কিন্তু ইয়াত অৱজেকশ্যন দিবলৈ স্কোপ আছে । যদি অৱজেকশ্যনত চৰকাৰৰ কথাখিনিত চেটিচফাইড নহয় তেন্তে তেওঁলোকে সেই মাটিত থাকিব পাৰিব । তাত কোনো ধৰণৰ অসুবিধা নহয় । সেই মাটিটো টাউন লেণ্ডত সোমালে সকলোৰে যদি চেটিচফাইড হয় তেন্তে তাৰ মূল্যটো ফিক্সড কৰিব পাৰিব কিন্তু মাটিটো যদি পৰি তাকে তেন্তে এইটো সেই মাটিত ব্যৱহৃত নহ'ব । আৰু এটা গ্ৰান্টৰ মাটি আছে সেই গ্ৰান্টৰ মাটিত কোনো ধৰণৰ টকা পইচা লোৱা হোৱা নাছিল কিন্ত এতিয়া গ্ৰান্টৰ মাটিবিলাক কোম্পানীবিলাকে লৈ আছিলে । কিন্তু সেই মাটিবিলাক চৰকাৰে এতিয়া কিবা এটা ব্যৱস্থা ল'ব লাগে । এইখিনি কথাই মই আজি সদনত দাঙি ধৰিলো । ধন্যবাদ

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ--- অনাৰেবল মিনিষ্টাৰ ।

**শ্ৰীযোগেন মহন, (ৰাজহ ও দূৰ্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এমেডমেন্টটোত যিকেইটা কথা আহিছে সেই কেইটা আমাৰ এই এক্টখনত আনিবলৈ হ'লে দুখন এক্ট ৰিপিল হ'ব লাগিব। আৰু ৰিপিল হ'লে ১৯৩৬ এচেচমেন্ট আৰু ১৯৪৮ আৰু সেই দুখন বিলৰ যিকেইটা পইন্ট আছিলে সেই কেইটা আমি ইয়াত লৈ আনিছো । টাউন আৰু গ্ৰান্টৰ

যিটো কনচেপ্ট আছিল সেইটো এইখন বিলতো একেভাৱে থাকিব । ১৯৩৬ আৰু ১৯৪৮ চনৰ বিল দুখন ৰিপিল নকৰিলে এই খন বিলৰ কোনো কাম নহ'ব । তাত থকা চেকশ্যন- ২৮ এ আমি এইখন বিলত লৈ আনিছো গতিকে ইয়াত একো অসুবিধা নাই । আমি ৰাইজৰ কিবা অসুবিধা হোৱাকৈ এইখন বিলত কোনোধৰণৰ পইন্ট উল্লেখ কৰা নাই । সেই বিল দুখনত যিকেইটা ইর্ম্পটেন্ট চেকশ্যন আছিলে সেই কেইটা এইখন বিলত উঠাই অনা হৈছে । আজি জোনেল ভেল্যুৰেশ্যন ইজ দ্য চোল পেৰামিটাৰ আপোন হুইছ মোষ্ট লেণ্ড ৰেটেড ফিচ এণ্ড প্ৰিমিয়াম এৰ ডিটাৰমাইন্ড ---------------- এতিয়া এই ৰেভিনিউ জেনেৰেট আমি যেনেকৈ কৰি আছো তাত ষ্টাম ডি উটি এণ্ড ৰেজিষ্টেশ্যন ফিচ, প্ৰিমিয়াম অন কনজাৰ্ভেশ্যন অৰ লেণ্ড চেটেলমেন্ট এণ্ড ৰিক্লাচিফিকেশ্যন একচেট্ৰা -----------এই সকলোবিলাক জোনেল ভেল্যুৰ ওপৰতে হৈ আছে কিন্তু এতিয়া ৰেভিনিউ অন লাইনত লিংক কৰি দিয়াৰ কাৰণে এইখন বিলত আনিছে । এইটো আৰ্বানতে হ'বনে ৰুৰেলতে হ'ব নে ইণ্ডাষ্ট্ৰিয়েল বা ৰেচিডেন্সিয়েলতে কৰো সেইটো ৰুলটো ফ্ৰেম কৰাৰ পিচতহে আহিব । গতিকে এক্টখন নাহিলে ৰুলখন ফ্ৰেম কৰিব নোৱাৰি । ৰেভিনিউ হয়তো ক'বাত বাঢ়িব বা ক'বাত কমিব পাৰে । আজি অখিল গগৈ ডাঙৰীয়াই কৈছে যে টাউনত আমি তিনি হাজাৰকৈ ৰেভিনিউ দি আছো । কিন্তু লিংক কৰাৰ লগে লগে সেইটো হয়তো দুই হাজাৰ হ'ব পাৰে । হাফিজ ডাঙৰীয়াও হোৱাইট পাৰলিচিটিৰ কথা কৈছিলে - এই বিলখন যেতিয়া ৰুলটো ফ্ৰেম হ'ব তেতিয়া আমি নিউজ পেপাৰ এৱাৰনেচ ইত্যাদিৰ লগতে ৰাজুহুৱা দলত গাওঁ গাওঁে মিটিঙ কৰি এই পাৰলিচিটো দিব পাৰিম । তেখেতে কোৱা কথাখিনিও ইয়াত ইনডাইক্টেলী ইয়াত আহি গৈছে । আমি যেনেধৰনে লেণ্ড ৰেভিনিউ বা মাটি সংক্ৰান্তীয় ৰীট কৰিবলৈ ধৰা হৈছে , মাটিৰ পট্টা বা মাটিৰ ক্ষেত্ৰত যিমান এপ্লিকেশ্যন পিউৰিফাই কৰিবলৈ লোৱা হ'ব সেই সকলোখিনি এইখন এক্টত আহিলে সুবিধা হ'ব । আজি ই-খাজনা কৰিছো । ঘৰৰ পৰা মানুহে খাজনা দিব পাৰিব । ৰাইজৰ সুবিধা অনুসৰি আমি অনলাইন- অফ লাইন দুয়োটা ব্যৱস্থাই কৰিছো । এটা সময়ত এই আইনখনৰ পৰা ৰাইজৰ যথেষ্ট সুবিধা হ'ব । গতিকে মই ভাবো - ---------------- আসাম লেণ্ড এণ্ড ৰেগুলেশ্যন এমেণ্ডমেন্ট বিল ২০২৪ খন আপোনালোকে সমৰ্থন কৰিলে গৃহীত হ'ব ।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ ... মই এতিয়া সদনত প্ৰস্তাৱটো দাঙি ধৰিলো । প্ৰস্তাৱটো হ'ল যে, দ্য আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্যন এমেণ্ডমেন্ট বিল, ২০২৪ বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক । যিসকলে সপক্ষে আছে তেখেতসকলে কওঁক **'হয়' যিসকলে বিপক্ষে আছে তেওলোকে কওঁক ' নহয়' মই ভাবো " হয়ৰ সপক্ষে" - " হয়ৰ সপক্ষে" - " হয়ৰ সপক্ষে" ।** প্ৰস্তাবটো গৃহীত কৰা হ'ল । এতিয়া সদনত বিধেয়ক খন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল । দুই নং দফাত কোনো সংশোধনী নাই । মই এতিয়া দুই নং দফা ভোট দানৰ বাবে সদনত ৰাখিম । প্ৰস্তাৱটো হ'ল দুই নং দফাটো বিধেয়কখনৰ অংশ হ'ব । যিসকলে সপক্ষে আছে তেখেতসকলে **কওঁক 'হয়' যিসকলে বিপক্ষে আছে তেওলোকে কওঁক ' নহয়' মই ভাবো " হয়ৰ সপক্ষে" - " হয়ৰ সপক্ষে" - " হয়ৰ সপক্ষে" ।** দুই নং দফাটো বিধেয়কখনৰ অংশ হ'ল। ৩ নং দফাত মাননীয় সদস্য হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী এজন আৰু অখিল গগৈ ডাঙৰীয়াৰ দুটা সংশোধনী আছে । আপোনালোকে সংশোধনীটো উঠাই ল'বনে মুভ কৰিব ।

শ্ৰীঅখিল গগৈ, শিৱসাগৰঃ অধ্যক্ষ মহোদয়, এইটো ইর্ম্পটেন্ট বিষয় মই উঠাই নলওঁ । চৰকাৰী পক্ষইতো জিকিবই ।

**শ্ৰীহাফিজ বছিৰ আহমেদ, (বিলাসীপাৰা) ঃ** অধ্যক্ষ মহোদয়, আমিও উঠাই নলওঁ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই শ্ৰীহাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী আৰু অখিল গগৈ যি সংশোধনী প্ৰস্তাৱ সেইটো সদনত দাঙি ধৰিলো । যিসকলে সপক্ষে আছে তেখেতসকলে কওঁক **'হয়' যিসকলে বিপক্ষে আছে তেওলোকে কওঁক ' নহয়' মই ভাবো " নহয়ৰ সপক্ষে" - " নহয়ৰ সপক্ষে" - " নহয়ৰ সপক্ষে"** সংশোধনী দুটা নাকচ কৰা হ'ল প্ৰশ্নটো হ'ল ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব ।

যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে ৩ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল। ৬ নং দফাত মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ দুটা সংশোধনী আছে, আপুনি সংশোধনীটো উঠাই নলয়।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মই এইটো উঠাই নলও ছাৰ। মই এইটো ৰাখিছো কাৰণ অসমৰ জাতীয় জীৱনৰ কাৰণে এইটো খুব দৰকাৰী।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিছো, যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'নহয়'ৰ সপক্ষে, নহয়ৰ সপক্ষে নহয়ৰ সপক্ষে সংশোধনী কেইটা নাকচ কৰা হ'ল, প্ৰশ্নটো হ'ল ৪ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে ৪ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল। ৫ নং দফাত মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ ৩ টা সংশোধনী আছে, মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই উঠাই নলয়।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ ছাৰ, সেইটো যিটো দফা, সেই দফাত এই পুৰণি দুয়োখন এক্ট মানে নাইকিয়া কৰি দিলে, নাইকিয়া কৰি চিচ্‌টেমটো কি হৈ গ'ল, তেখেতে যিহেতু চিচ্‌টেমটো ন'কলে মই এই দুখন আকৌ অব্যাহত ৰাখিব লাগিব বুলি কৈছো।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। তেখেতৰ যি সংশোধনী প্ৰস্তাৱ এতিয়া সদনত দাঙি ধৰিলো, যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'নহয়'ৰ সপক্ষে, নহয়ৰ সপক্ষে নহয়ৰ সপক্ষে সংশোধনী কেইটা নাকচ কৰা হ'ল। প্ৰশ্নটো হ'ল ৫ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে ৫ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল। মই এতিয়া ১ নং দফা অধিনিয়ম সুত্ৰ, প্ৰস্তৱনা আৰু শিৰোনামা সদনত ভোট দানৰ বাবে ৰাখিলো। প্ৰশ্নটো হ'ল ১ নং দফা অধিনিয়ম সুত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে ১ নং দফা অধিনিয়ম সুত্ৰ, প্ৰস্তৱনা আৰু শীৰোনমা বিধেয়ক খনৰ অংশ হ'ল। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Land And Revenue Regulation Amendment Bill 2024 বিল খন সদনত পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে বিধেয়ক খন পাৰিত কৰা হওঁক, যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে প্ৰস্তাৱটো গ্ৰহণ কৰা হ'ল আৰু বিধেয়ক খনো পাৰিত কৰা হ'ল।

এতিয়া কাৰ্যসূচী নং ২৩। Under the provision of Article 207, 3 of the

constitution of India , I Shri Laxman Prasad Acharya (Governor of Assam) recommended that The Assam Scheduled Caste and Scheduled Tribe Reservation of Vacancies in Services and Posts (Amendment) Bill 2024 be taken into consideration by The Assam Legislative Assembly. এতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিলখন উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ The Assam Scheduled Caste and Scheduled Tribe Reservation of Vacancies in Services and Posts (Amendment) Bill 2024 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই সদনত প্ৰস্তাৱটো ভোট দানৰ বাবে ৰাখিলো প্ৰশ্নটো হ'ল যে The Assam Scheduled Caste and Scheduled Tribe Reservation of Vacancies in Services and Posts (Amendment) Bill 2024, বিধেয়ক খন বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া সদনত বিধেয়ক খন দফাই দফাই বিবেচনাৰ বাবে ৰখা হ'ব। ২ নং দফাত কোনো সংশোধনী নাই। মই এতিয়া ২ নং দফাটো সদনত ভোটৰ বাবে ৰাখিম। প্ৰশ্নটো হ'ল ২ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে ২ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল। মই এতিয়া ১ নং দফা অধিনিয়ম সুত্ৰ, প্ৰস্তৱনা আৰু শীৰোনমা সদনত ভোট দানৰ বাবে ৰাখিম, প্ৰশ্নটো হ'ল যে ১ নং দফা অধিনিয়ম সুত্ৰ, প্ৰস্তৱনা আৰু শিৰোনামা বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে ১ নং দফা অধিনিয়ম সুত্ৰ, প্ৰস্তৱনা আৰু শীৰোনমা বিধেয়ক খনৰ অংশ হ'ল। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ The Assam Scheduled Caste and Scheduled Tribe Reservation of Vacancies in Services and Posts (Amendment) Bill 2024 পাৰিত কৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে বিধেয়ক খন পাৰিত কৰা হওক। যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে প্ৰস্তাৱটো গ্ৰহণ কৰা হ'ল আৰু বিধেয়ক খন পাৰিত কৰা হ'ল।

এতিয়া আইটেম নং ২৪। এতিয়া চাপ্লিমেন্টৰী আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Agricultural Land Regulation of Reclassification and Transfer for Non- Agricultural purpose (Amendment) Bill 2024 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে বিধেয়ক খন উত্থাপন কৰিবলৈ অনুমতি দিয়া হওঁক , যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে অনুমতি প্ৰদান কৰা হ'ল। মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Agricultural Land Regulation of Reclassification and Transfer for Non- Agricultural purpose (Amendment) Bill 2024 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং চাপ্লিমেন্টৰী 2, মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Land and Revenue Regulation Second Amendment Bill 2024 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে বিধেয়ক খন উত্থাপন কৰিবলৈ অনুমতি দিয়া হওঁক , যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে অনুমতি প্ৰদান কৰা হ'ল। মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Land and Revenue Regulation Second Amendment Bill 2024 সদনত উত্থাপনৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সদন ২৮-৮-২০২৪ তাৰিখৰ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।